● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

■ পাহাৰত শুই-বহি মেঘ চোৰাটোৱেই চাকৰি

■ চীনৰ আগ্ৰাসন আৰু আমাৰ নিষ্ক্ৰিয়তা


# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

যদি আপুনি নিজৰ উন্নতি বিচাৰে, তেন্তে আনে কি কৈছে, তাৰ প্ৰতি গুৰুত্ব নিদিব।

এপিক্টেটাছ
*প্ৰাচীন গ্ৰীক দাৰ্শনিক*



৭ এবছৰত দেশত মাত্ৰ ৮.২৫ শতাংশ স্নাতক ডিগ্ৰীধাৰীৰ চাকৰি লাভ

৪ ষষ্ঠ যুদ্ধক্ষেত্ৰৰ প্ৰভাৱ আৰু ইয়াৰ প্ৰতিকাৰ

১৩ ১৫ বছৰৰ পাছত মহিলাৰ ডাবলছত পদক নিশ্চিত ভাৰতৰ

RNI-Regd No. 62953/96 ■ একত্ৰিংশত্তম বছৰ ● ৩১৪ তম সংখ্যা ● গুৱাহাটী ● শনিবাৰ ৪ ভাদ ১৪৩৩ ভাস্কৰাব্দ ২২ আগষ্ট ২০২৬ চন ■ DAINIK AGRADOOT ● Guwahati ● Saturday 22 August 2026 মূল্য ঃ ৯.০০ টকা

■ নিৰাপত্তাৰক্ষীৰে অভেদ্য দুৰ্গত পৰিণত কৰিলে চৰকাৰে ঃ উত্তাল পৰিৱেশ ■ প্ৰতিবাদত বাধ্য হৈ গোচৰ ৰুজু কৰিলে দিল্লী আৰক্ষীয়ে ■ 'অমিত শ্বাহৰ নিৰ্দেশত ৰুজু হ'ল গোচৰ'




## ককৰোচৰ প্ৰতিবাদত পেলেট গানৰ গুলিত আহতক লৈ দিল্লীত ৰাহুলৰ অৱস্থান ধৰ্মঘট

■ শ্বাহিল আৰু তেওঁৰ দৰে প্ৰত্যেক ভুক্তভোগী ছাত্ৰ-ছাত্ৰীৰ ন্যায় নিশ্চিত কৰিম ■ ন্যায়িক তদন্তৰো দাবী

■ **নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২১ আগষ্ট ঃ** ভুক্তভোগীৰ পক্ষত কংগ্ৰেছ নেতা ৰাহুল গান্ধীৰ অনমনীয় স্থিতি তথা ৰাজপথৰ প্ৰতিবাদত বাধ্য হৈ নৰেন্দ্ৰ মোদী চৰকাৰে দিল্লী আৰক্ষীৰ যোৱা ২০ জুলাইৰ বৰ্বৰতাৰ বিৰুদ্ধে গোচৰ ৰুজু কৰালে। উক্ত দিনাৰ ককৰোচ জনতা পাৰ্টিৰ দিল্লীৰ 'সংসদ চলো' যাত্ৰাত অংশগ্ৰহণকাৰীসকলৰ ওপৰত নিৰাপত্তা বাহিনীয়ে পেলেট গানৰে গুলিবৰ্ষণ কৰাৰ বাবে গোচৰ ৰুজুৰ দাবীত আজি পাৰ্লামেণ্ট ষ্ট্ৰীট আৰক্ষী থানাৰ সন্মুখত অৱস্থান ধৰ্মঘট পালন কৰে ৰাহুলে। বিৰোধী নেতাজনৰ এই যুযুধান স্থিতিক লৈ আজি দেশজুৰি ব্যাপক চৰ্চা হয়। অৱশেষত সন্ধিয়া দিল্লী আৰক্ষীয়ে ঘটনা সংক্ৰান্তত এটা গোচৰ *১০ পৃষ্ঠাত চাওক*

■ পৰ্যটক পৰিবহণত অসমত পঞ্জীয়নভুক্ত কমেও ৫০ হেজাৰ বাহন ঃ ৯০ শতাংশ পৰ্যটকেই গুৱাহাটীৰ মাজেৰে মেঘালয়ত প্ৰৱেশ কৰে ■ অসমৰো বৃহৎ সংখ্যকে সঘনাই ভ্ৰমণ কৰে



## অসমৰ বাহনৰ ওপৰতে নিৰ্ভৰশীল মেঘালয়মুখী হেজাৰ হেজাৰ পৰ্যটক

■ শ্বিলং কাণ্ড-অসমতো প্ৰতিক্ৰিয়া ■ দুই ৰাজ্যৰ অৰ্থনীতিতে বিৰূপ প্ৰভাৱ পৰাৰ আশংকা

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২১ আগষ্ট ঃ** যোৱা ১৯ আগষ্টৰ নিশা সূত্ৰপাত ঘটা শ্বিলং কাণ্ডক কেন্দ্ৰ কৰি অসম-মেঘালয়ৰ মাজত অৱনতি ঘটা সম্পৰ্ক সৌহাৰ্দ্যতাৰ মাজেৰে উন্নত হোৱাৰ কামনা কৰিছে হিতাকাংক্ষীসকলে। ১৯৭২ত অসমৰ পৰা আঁতৰি গঠন হোৱা মেঘালয়ৰ অৰ্থনীতি ঘাইকৈ পৰ্যটন নিৰ্ভৰ। ৰাজ্যখনৰ অৰ্থনীতিৰ চালিকা শক্তিত পৰিণত হোৱা পৰ্যটন উদ্যোগলৈ অসমৰো বৰঙণি আছে। বহুতৰে দৃষ্টিগোচৰ নহ'লেও মেঘালয়ৰ পৰ্যটনৰ গুৰুত্বপূৰ্ণ অংশীদাৰ হৈছে অসম। কাৰণ অসমৰ পৰাও বছৰি বহু সংখ্যক পৰ্যটকে মেঘালয় বিশেষকৈ শ্বিলং ভ্ৰমণ কৰে। তদুপৰি দেশ-বিদেশৰ পৰা *দুই পৃষ্ঠাত চাওক*

## ছিণ্ডিকেটৰ বাবে নেডা বিফল হ'ল ঃ গৌৰৱ

## ডাবল ইঞ্জিনৰ চৰকাৰ দাবী কৰা সকল এতিয়া ক'ত লুকাই আছে!

**অগ্ৰদূত বাৰ্তা**
**তিতাবৰ, ২১ আগষ্ট ঃ** যোৱা ১৯ আগষ্টৰ নিশা সূত্ৰপাত ঘটা শ্বিলং কাণ্ডৰ বাবে চৰকাৰৰ প্ৰশাসনিক দুৰ্বলতা দায়ী বুলি প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে। ঘটনাটো সন্দৰ্ভত আজি ইয়াত *১০ পৃষ্ঠাত চাওক*

■ শিক্ষাখণ্ডৰ দুৰৱস্থাক উদঙাই এবছৰতে ১৪ৰ পৰা ১৮ বছৰৰ ৪.৫২ লক্ষাধিকৰ শিক্ষা জীৱন ত্যাগ ■ চৰকাৰী শিক্ষানুষ্ঠানত প্ৰথম শ্ৰেণীত ২৫ হেজাৰে নামভৰ্তি নকৰিলে

# বছৰি লাখ লাখ ছাত্ৰ-ছাত্ৰীয়ে এৰিছে স্কুল

■ ৰাষ্ট্ৰীয় হাৰতকৈ বহু বেছি অসমত প্ৰাথমিক-মাধ্যমিক পৰ্যায়ত আধাতে শিক্ষানুষ্ঠান ত্যাগ কৰা ছাত্ৰ-ছাত্ৰীৰ হাৰ ■ ৰাজ্যৰ শিক্ষাখণ্ডক গিনিপিগ সজোৱাতহে লিপ্ত বিভাগ



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২১ আগষ্ট ঃ** অসমৰ শিক্ষা খণ্ডত ছাত্ৰ-ছাত্ৰীয়ে আধাতে বিদ্যালয় ত্যাগ কৰা সমস্যাই গুৰুতৰ ৰূপ ধাৰণ কৰিছে। ৰাজ্য চৰকাৰ তথা শিক্ষা বিভাগে অসম শিক্ষা খণ্ডটোক নতুন নতুন সম্পৰীক্ষাৰে একপ্ৰকাৰ গিনিপিগ সজাইছে। একে সময়তে তথাকথিত চমকৰ দৌৰতো অৱতীৰ্ণ হৈছে। কাৰ্যক্ষেত্ৰত কিবা হওক বা নহওক তাক গৌণ কৰি কেৱল চমক সৃষ্টিত ৰাজ্যৰ শিক্ষা বিভাগটোৱে যোৱা কেইটামান বছৰত মুঠেই আপোচ কৰা নাই। নতুন শিক্ষানীতিকে ধৰি কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন সিদ্ধান্তক দেশৰ ৰাজ্যবোৰৰ ভিতৰত আগতেই কাৰ্যকৰী কৰাকে ধৰি ইটোৰ পাছত সিটো চমক দিয়াৰ দৌৰত অৱতীৰ্ণ হোৱাৰ বিপৰীতে কাৰ্যক্ষেত্ৰত প্ৰকৃততে কি হৈছে তাত গুৰুত্ব নাই। ইয়াৰে পৰিণাম ভুগিছে শিক্ষাখণ্ডটোৱে। যি সময়ত সকলোৰে বাবে শিক্ষা আঁচনি গ্ৰহণ কৰা হৈছে সেই সময়তে অসমৰ লাখ লাখ ছাত্ৰ-ছাত্ৰীয়ে নিম্ন পৰ্যায়তে ত্যাগ কৰিছে শিক্ষা জীৱন। এই কথাক বিগত দিনবোৰত বিভাগটোৰ মুৰব্বীসকলে পাৰ্যমানে নাকচ অথবা উপেক্ষা কৰাৰ চেষ্টা কৰিলেও অৱশেষত সেয়াই মানি ল'বলৈ বাধ্য হৈছে। কাৰণ বিভাগৰ তথ্যতে সেই সঁচা কথাবোৰ স্পষ্ট হৈছে। আজি শিক্ষা বিভাগে সমগ্ৰ শিক্ষা অসমৰ অধীনত 'শিক্ষা যাত্ৰা-প্ৰত্যাহ্বানৰ পৰা *১০ পৃষ্ঠাত চাওক*



*মহানগৰীত কৃত্ৰিম বানৰ ভয়াৱহতা ঃ এবুকু পানীত আৱদ্ধ জীৱন।*

## কাজিৰঙাৰ কাষৰ শ শ হেক্টৰ মাটি কৰ্প'ৰেটক গতাব লৈছে

সৰৱ যুৱ-ছাত্ৰ পৰিষদ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২১ আগষ্ট ঃ** কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পৰিৱেশ সংবেদনশীল মণ্ডল হ্ৰাসৰ সিদ্ধান্ত তাৎক্ষণিকভাৱে প্ৰত্যাহাৰ কৰিবলৈ ৰাজ্য চৰকাৰক দাবী জনাইছে অসম *১০ পৃষ্ঠাত চাওক*

■ অসমৰ বাহনক আক্ৰমণৰ লক্ষ্য কৰি লোৱাত বহু লোকে আঘাত পাইছে ঃ মন্ত্ৰী বৰা ■ অতি সোনকালে আমি আলোচনাত বহিম

## খাচি ছাত্ৰ সন্থাৰ আভ্যন্তৰীণ বিষয়ত অসমৰ জনতা কিয় লক্ষ্য হ'ল?

■ মেঘালয় চৰকাৰে অসমৰ লগত আলোচনাৰ প্ৰস্তাৱ দিছে



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২১ আগষ্ট ঃ** শ্বিলঙত অসমৰ লোক আৰু যানবাহনৰ ওপৰত চলা আক্ৰমণৰ ঘটনা অনাকাংক্ষিত বুলি আজি মন্তব্য কৰে মন্ত্ৰী অতুল বৰাই। আবকাৰী, সীমান্ত অঞ্চল উন্নয়ন বিভাগৰ মন্ত্ৰী বৰাই সেই ঘটনাক লৈ দুয়োখন ৰাজ্যৰ মাজত সৃষ্টি হোৱা পৰিস্থিতিৰ শীঘ্ৰে সমাধান হ'ব বুলি আজি দিছপুৰত সাংবাদিকৰ আগত সদৰী কৰে। অতি শীঘ্ৰে দুয়োখন চৰকাৰৰ মাজত এই সমস্যাক লৈ আলোচনা অনুষ্ঠিত হ'ব বুলিও তেওঁ জনায়। বৰাই এইবুলিও কয় যে এনে পৰিস্থিতিত মেঘালয়ৰে আটাইতকৈ বেছি লোকচান হ'ব। সেয়েহে সাম্প্ৰতিক পৰিস্থিতিৰ উপশম হ'ব বুলি আশা ব্যক্ত কৰি বৰাই কয়, 'মেঘালয়ৰ ফালৰ পৰা আমাৰ লগত একেলগে বহি কথাবোৰ আলোচনা কৰাৰ প্ৰস্তাৱ দিয়া হৈছে। গতিকে আলোচনা হ'ব। ইতিমধ্যে অসম আৰু মেঘালয়ৰ মুখ্যমন্ত্ৰীয়ে আলোচনা অব্যাহত *১০ পৃষ্ঠাত চাওক*

■ মেঘালয়ত পুনৰ আক্ৰমণৰ সন্মুখীন হোৱা অসমৰ বাহন আহি উপস্থিত যোৱাবাটত ■ উত্তেজনা বৃদ্ধি ■ চুবুৰীয়া ৰাজ্যৰ বিভিন্ন স্থানত আবদ্ধ অসমৰ শ শ লোক নিৰাপত্তাহীনতাত



## পুৱাৰ পৰা যোৱাবাটৰ ৰাষ্ট্ৰীয় পথত বহি অৱৰোধ অসমৰ চালক সন্থাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২১ আগষ্ট ঃ** মেঘালয়ৰ আভ্যন্তৰীণ বিষয়ক লৈ খাচি ছাত্ৰ সন্থাই শ্বিলঙত ৰূপায়ণ কৰা প্ৰতিবাদৰ সময়ত অসমৰ যানবাহনৰ ওপৰত চলোৱা ধ্বংসলীলাৰ প্ৰতিক্ৰিয়াক লৈ উত্তপ্ত পৰিস্থিতি আজিও যোৱাবাটত অব্যাহত থাকে। অসম-মেঘালয় সীমান্তৰ অঞ্চলটোত অসম ৰাজ্যিক চালক সন্থাই আজি পুৱা সাত বজাৰ পৰা পুনৰ ৰাষ্ট্ৰীয় পথ অৱৰোধ কৰাক লৈ এই পৰিস্থিতিৰ উদ্ভৱ হয়। চালক সংগঠনটোৰ এই প্ৰতিবাদত সহযোগিতা কৰে *১০ পৃষ্ঠাত চাওক*



## মেঘালয় চৰকাৰক ক্ষমা বিচৰাৰ দাবী অসমৰ দল-সংগঠনৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ/বিশেষ সংবাদদাতা**
**গুৱাহাটী/ডিব্ৰুগড়, ২১ আগষ্ট ঃ** শ্বিলঙত অসমৰ লোক আৰু বাহনৰ ওপৰত চলোৱা আক্ৰমণক লৈ অসমৰ দল-সংগঠনে আজিও প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে। ভাৰতৰ কমিউনিষ্ট পাৰ্টি (চিপিআই)য়ে এই ঘটনাত গভীৰ *১০ পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩৩° | ২৭° |
| ডিব্ৰুগড় | ৩৩° | ২৭° |
| দিল্লী | ৩৪° | ২৮° |
| কলকাতা | ৩৩° | ২৮° |
| মুম্বাই | ২৯° | ২৮° |
| চেন্নাই | ৩৫° | ২৮° |
| বাংগালুৰু | ২৮° | ২২° |
| শ্বিলং | ২৬° | ২১° |

*২১ আগষ্ট, ২০২৬*

## মিচিং-সোণোৱাল কছাৰী পৰিষদৰ নিৰ্বাচনী সমিতি গঠন বিজেপিৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২১ আগষ্ট ঃ** নগাঁও সংসদীয় সমষ্টিৰ উপ-নিৰ্বাচনৰ সমান্তৰালকৈ মিচিং আৰু সোণোৱাল *১০ পৃষ্ঠাত চাওক*

খাচি ছাত্ৰ সন্থাৰ প্ৰতিবাদত অসমৰ বাহনক লক্ষ্য কৰি আক্ৰমণ কৰা বুলি মেঘালয়ৰ বিশিষ্ট ব্যক্তিৰ মন্তব্য

## শ্বিলঙত আৰক্ষী চকীলৈ পেট্ৰ'ল বোমা নিক্ষেপ-বাহনত অগ্নিসংযোগৰে বিক্ষিপ্ত ঘটনা



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২১ আগষ্ট ঃ** অনিয়মৰে চূণ শিলৰ খনি আবণ্টন দিয়াৰ অভিযোগ, ইনাৰলাইন পাৰ্মিট সদৃশ ব্যৱস্থা প্ৰৱৰ্তন আদি কে'বাটাও দাবীক ৰাজ্য *১০ পৃষ্ঠাত চাওক*



## মহানগৰীৰ স্পৰ্শকাতৰ তিনি অঞ্চলত ভূমিস্খলন

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২১ আগষ্ট ঃ** যোৱা নিশা প্ৰবল বৰষুণৰ মাজতে গুৱাহাটী মহানগৰীৰ একাধিক স্থানত ভূমিস্খলনৰ ঘটনা সংঘটিত হয়। আজি নিশাও *১০ পৃষ্ঠাত চাওক*

■ চিৰাঙৰ পাণবাৰীত শোকাৱহ ঘটনা ■ ভূ-মাফিয়াই চৰকাৰী মাটিত খন্দা উন্মুক্ত দ পুখুৰীয়ে কাল হ'ল ■ ব্যৱস্থা গ্ৰহণৰ দাবী এবিএমছুৰ


## গা ধুবলৈ একেলগে পুখুৰীত নামি মৃত্যুক সাবটিলে চাৰি নাবালিকাই






**অগ্ৰদূত বাৰ্তা**
**কাজলগাঁও/বিজনী, ২১ আগষ্ট ঃ** হৃদয় বিদাৰক। ভূ-মাফিয়াই চৰকাৰী মাটিত অবৈধভাৱে খন্দা এটা প্ৰকাণ্ড পুখুৰীত একেলগে এটা পৰিয়ালৰ দুগৰাকীসহ চাৰিগৰাকী নাবালিকাৰ সলিল সমাধি ঘটা ঘটনাই আজি চিৰাঙৰ পাণবাৰীত শোকৰ ছাঁ পেলায়। সূত্ৰই জনোৱা মতে, দুপৰীয়া নাবালিকা কেইগৰাকীয়ে উৎকট গৰম সহ্য কৰিব নোৱাৰি ঘৰৰ ওচৰৰে দামুগাঁৱত চৰকাৰী মাটিত থকা এটা ডাঙৰ পুখুৰীত গা ধুবলৈ নামে। দুৰ্ভাগ্যবশতঃ গা ধুই থকা অৱস্থাত তেওঁলোক গভীৰ পানীলৈ গুচি যায়। *১০ পৃষ্ঠাত চাওক*


চেঙা তেল



*হেৰা, ইমান ধুনীয়া উন্নয়নৰ ভাষণ দি আছি দেখোন এতিয়া ৰাস্তাৰ খালত পৰিলো!*

■ আত্মহত্যাৰ উদ্দেশ্যে পাহাৰৰ ওপৰৰ পৰা জঁপিওৱা পুত্ৰৰ প্ৰাণৰক্ষা কৰিবলৈ গৈ তললৈ পৰিল পিতৃও ■ স্বামী-পুত্ৰৰ নিশ্চিত মৃত্যু দেখি মাতৃয়েও দিলে তললৈ জাঁপ

## মাথোঁ এটা ম'বাইল ফোনৰ বাবে নিঃশেষ হ'ল এটা তিনিজনীয়া পৰিয়াল

■ **নিউজ ব্যুৰ'**
**ছত্ৰপতি ছম্ভাজিনগৰ, ২১ আগষ্ট ঃ** মাথোঁ এটা ম'বাইল ফোন! সাধাৰণ ম'বাইল ফোনৰ বাবে নিঃশেষ হ'ল এটা তিনিজনীয়া পৰিয়াল। আজি এই কৰুণ ঘটনা সংঘটিত হয় মহাৰাষ্ট্ৰৰ ছম্ভাজিনগৰ জিলাত। জিলাখনৰ জাল্টা ফাটাৰ নিৱাসী মুৰলীধৰ চান্দগুড়ে (৪৮)ৰ ১৯ বছৰীয়া পুত্ৰ কুনালে বিগত কিছুদিন ধৰি পিতৃক এটা নতুন ম'বাইল ফোন ক্ৰয় কৰি *১০ পৃষ্ঠাত চাওক*

সংকটজনক অৱস্থাত চিকিৎসাধীন ধিঙত


## মদ্যপানৰ বাবে ৮০ টকা নিদিয়াত পত্নীক ছুৰীৰে হানিলে

**অগ্ৰদূত বাৰ্তা**
**ধিং, ২১ আগষ্ট ঃ** সুৰাসক্ত স্বামীক মদ্যপানৰ বাবে ৮০ টকা নিদিয়াৰ বাবেই স্বামীৰ চোকা অস্ত্ৰৰ আক্ৰমণত গুৰুতৰভাৱে আহত হ'ল এগৰাকী মহিলা। যোৱা নিশা ধিঙৰ বিলতীয়া *১০ পৃষ্ঠাত চাওক*

পাম্পড ষ্ট'ৰেজ শক্তি প্ৰকল্প স্থাপনৰ বিৰোধিতা

## দৰিদ্ৰৰ মাটি পুঁজিপতিক হস্তান্তৰৰ বিৰুদ্ধে উত্তাল কাৰ্বি আংলঙৰ থাৰাকুঞ্জি

উন্নয়নৰ নামত প্ৰহসনৰ ৰাজনীতি নকৰিব ঃ তিৱা ছাত্ৰ



**পশ্চিম কাৰ্বি আংলং, ২১ আগষ্ট ঃ** জাতি-মাটি-ভেটি ৰক্ষাৰ প্ৰতিশ্ৰুতি দিয়া বিজেপি নেতৃত্বাধীন চৰকাৰে উন্নয়নৰ আঁৰ লৈ খিলঞ্জীয়াৰ ভূমি কাঢ়ি পুঁজিপতিক হস্তান্তৰৰ যোজা *১০ পৃষ্ঠাত চাওক*

দৈনিক
# অগ্ৰদূত

গুৱাহাটী, ২২ আগষ্ট, ২০২৬, শনিবাৰ পৃষ্ঠা ২

## দেৰগাঁৱত আঠজনীয়া ডকাইতৰ দলে লুটিলে প্ৰায় ১০ লক্ষৰ তামোল-চুপাৰি

**অগ্ৰদূত বাৰ্তা**
**দেৰগাঁও, ২১ আগষ্ট ঃ** বৃহস্পতিবাৰে নিশা প্ৰায় ১০ বজাত দেৰগাঁও বালিজানৰ ৰাষ্ট্ৰীয় ঘাইপথত সংঘটিত হয় এক ডকাইতি কাণ্ড। তালাপৰ পৰা নগাঁও অভিমুখী এখন তামোল আৰু চুপাৰি ভৰ্তি ব'লেৰ পিক আপ বাহনক আঠজনীয়া এটা ডকাইতৰ দলে আগুচি ধৰি লৈ যায় বাহনখন।

নিজকে আৰক্ষীৰ মানুহ বুলি পৰিচয় দি বলেৰ' বাহনৰ চালক আৰু আনজন ব্যক্তিৰ পৰা কাঢ়ি লৈ যায় দুটাকৈ ম'বাইল আৰু নগদ ১০ হেজাৰ টকাৰ উপৰিও বাহনখনত থকা প্ৰায় ১০ লক্ষাধিক টকাৰ তামোল আৰু চুপাৰি। উল্লেখ্য যে বালিজানৰ ৰাষ্ট্ৰীয় ঘাইপথৰ এখন বগা ৰঙৰ ইন'ভা ক্ৰিস্তা গাড়ীয়ে তামোল ভৰ্তি গাড়ীখন সন্মুখৰ পৰা আগচি ধৰি বলেৰ' গাড়ীখনৰ চালক দুজনক চোকা অস্ত্ৰ দেখুৱাই গাড়ীৰ পৰা নমাই আনি ইনভা ক্ৰিস্তা গাড়ীত ভৰাই ডকাইতৰ দলটোৱে প্ৰথমে যোৰহাট থানালৈ লৈ যাম বুলি চালক দুজনক কয় যদিও পৰৱৰ্তী সময়ত যোৰহাট থানাৰ অচি নথকাৰ অজুহাত দেখুৱাই শিৱসাগৰ পাছত মৰাণৰ ফালে লৈ যায়। ডকাইতৰ দলটোৱে বলেৰ' পিক আপ ভানখনৰ চালক দুজনক চোকা অস্ত্ৰ ডিঙিত লগাই এই সমস্ত ডকাইতি কাণ্ড সংঘটিত হৈছিল বুলি ভুক্তভোগী চালক দুজনে প্ৰকাশ কৰে। পৰৱৰ্তী সময়ত ডকাইতৰ দলটোৱে সমগ্ৰ গাড়ীৰ তামোল আৰু চুপাৰি গাড়ীৰ পৰা খালী কৰি খালী বাহনখন ঘূৰাই দিয়ে চালক দুজনক। উপায়হীন হৈ ঘটনা সন্দৰ্ভত চালক আৰু তেওঁৰ সহযোগীয়ে দেৰগাঁও থানাত অৱগত কৰে ঘটনাটোৰ বিষয়ে।

### শুধৰণি

মোৰ Sandhya Das ভুল নামটো শুধৰাই Sandhya Rani Das কৰিলো। Sndhya Das আৰু Sandhya Rani Das এগৰাকীয়ে মহিলা।

Sandhya Rani Das
W/O- Narayan Chandra Das.
Vill- Dhing Town
Shilpi Nagar
P.O- Dhing ,
Dist- Nagan (Assam)
Pin 782123

### নাম শুধৰণি

নগাঁও জিলাৰ মেজিষ্ট্ৰেটৰ ১৮-০৮-২০২৬ তাৰিখৰ শপতনামা মতে অসম বিধানসভাৰ ৯২ নং যমুনামুখ সমষ্টিৰ ১৯৭১ চনৰ ১৩ নং খণ্ডৰ ভোটাৰ তালিকাত ক্ৰমিক নং ১৩৮৫ত গোলাপী শইকীয়া, স্বামী গোলাপ শইকীয়াৰ পৰিৱৰ্তে গোলাপী শইকীয়া, স্বামী গোপাল শইকীয়া হৈ আছে। আমাৰ মাতৃ অনিমাই শইকীয়া ওৰফে গোলাপী শইকীয়া একে গৰাকী মহিলা হয়।

### নাম শুধৰণি

মোৰ নাম প্ৰেম বাহাদুৰ ছেত্ৰী, পিতা- গোমান সিং ছেত্ৰী, গাঁও- ৪ নং বৰঘূলী, ডাক- বৰঘূলী, কলিয়াবৰ, নগাঁও। মাটিবাৰী সম্পৰ্কীয় কিছু নথিত ভুলবশতঃ মোৰ নামটো প্ৰেম বাহাদুৰ গোৰচানী ছেত্ৰী আৰু পিতাৰ নাম গোপাল সিং ছেত্ৰী হৈ থকাত ন'টাৰীযোগে নামটো শুধৰণি কৰি মোৰ নাম প্ৰেম বাহাদুৰ ছেত্ৰী, পিতা-গোমান সিং ছেত্ৰী কৰিলোঁ।

## গেৰুকাবাৰীত ড্ৰাগছসহ সৰবৰাহকাৰী গ্ৰেপ্তাৰ

**বিজনী, ২১ আগষ্ট ঃ** বঙাইগাঁও জিলাৰ গেৰুকাবাৰীত আজি দুপৰীয়া আৰএফটি লৰাৰ আছাম আৰু গেৰুকাবাৰী আৰক্ষী চকীৰ আৰক্ষীয়ে যুটীয়া অভিযান চলাই বুজন পৰিমাণৰ ড্ৰাগছসহ এজন যুৱকক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। এএছ-১৯ ইউ-৩২৮৯ নম্বৰৰ পালছাৰ মটৰ চাইকেলখনৰে বৰপেটাৰ পৰা বঙাইগাঁও অভিমুখে গৈ থকা অৱস্থাত এজন যুৱকক গ্ৰেপ্তাৰ কৰে। ধৃত যুৱকজন বঙাইগাঁৱৰ ঢালিগাঁৱৰ বৰপথাৰ অঞ্চলৰ আব্দুল আজিজ। তেওঁৰ জিম্মাৰ পৰা আৰক্ষীয়ে ড্ৰাগছ ভৰ্তি ২৫ টা প্লাষ্টিকৰ কণ্টেইনাৰ, এটা ম'বাইল আৰু বাহনখন জব্দ কৰে।

## অখিল গগৈৰ আচাৰ-ব্যৱহাৰ-বক্তব্য হতাশাগ্ৰস্ততাৰ বহিঃপ্ৰকাশ ঃ লক্ষ্য কোঁৱৰ

**গুৱাহাটী, ২১ আগষ্ট ঃ** শিৱসাগৰ সমষ্টিৰ বিধায়ক তথা ৰাইজৰ দলৰ নেতা অখিল গগৈৰ আচাৰ-ব্যৱহাৰ-বক্তব্যই তেওঁৰ হতাশাগ্ৰস্ততাৰ বহিঃপ্ৰকাশ বুলি অভিহিত কৰিছে ৰাজ্যিক বিজেপিয়ে। এক বিবৃতিত দলৰ ৰাজ্যিক সম্পাদক লক্ষ্য কোঁৱৰে কয় যে বিগত কিছুদিন ধৰি বিধায়ক গগৈৰ যি বক্তব্য আৰু ব্যৱহাৰ সেয়া এগৰাকী জন প্ৰতিনিধিৰ লক্ষণ নহয়। এইবাৰ উজনি অসমত অহা প্ৰলয়ংকৰী বানৰ সময়ৰ পৰাই বিধায়ক গগৈয়ে দুৰ্যোগৰ মাজতো নিকৃষ্ট ৰাজনীতি এৰিব পৰা নাই। বিজেপিৰ প্ৰতিজন নেতা-কৰ্মীয়ে এই দুৰ্যোগৰ সময়ত যিদৰে ৰাইজৰ কাষত থাকি কাম কৰি গৈছে সেয়া ৰাইজে নিজে উপলব্ধ কৰিছে। কিন্তু বিধায়ক গগৈয়ে বিভিন্ন সময়ত মন্ত্ৰী-বিধায়কৰ লগতে কালি শিৱসাগৰত অনুষ্ঠিত চৰকাৰী সভাত জিলা আয়ুক্তক অভদ্ৰতাৰ সকলো সীমা চেৰাই গৈ যি ব্যৱহাৰ কৰিলে সেয়া অতিকৈ নিন্দনীয়া বুলি অভিহিত কৰে। বেলেগক দালালি কৰি থকা বুলি অভিযোগ কৰি থকা গগৈয়ে এতিয়া নিজ দলৰে নেতাক দালালিৰ অভিযোগত অব্যাহতি দিব লগা হৈছে বুলি বিবৃতিটোত কয়। ইপিনে, বিজেপি কৰ্মীসকলক কৰা অপমানসূচক মন্তব্যৰ প্ৰতিবাদত কাইলৈ শিৱসাগৰ জিলা বিজেপিয়ে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰিব বুলি কয়।

## দৈয়াঙত গাঁওপ্ৰধানৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**ফৰকাটিং, ২১ আগষ্ট ঃ** গোলাঘাট জিলাৰ দৈয়াং অঞ্চলৰ এক নম্বৰ গুবিনপুৰ গাঁৱৰ গাঁওপ্ৰধান বোপাই কলিতা (৬৩) কালি উচ্চ ৰক্তচাপজনিত ৰোগত আকস্মিকভাৱে মৃত্যু হয়। তথ্য মতে নিজা বাসগৃহত ৰোগবিধ অধিক অৱনতি ঘটাত পৰিয়ালৰ লোকে ততাতৈয়াকৈ গোলাঘাটৰ চিকিৎসালয়লৈ নি থকাৰ সময়ত ফৰকাটিঙৰ সমীপতে শেষ নিশ্বাস ত্যাগ কৰে। উল্লেখ্য যে তেওঁৰ পিতৃ সংশ্লিষ্ট গাঁওখনৰ গাঁও প্ৰধান আছিল। কিন্তু পিতৃৰ মৃত্যুৰ পাছত চৰকাৰৰ ৰাজহ বিভাগে তেওঁক নিযুক্তি প্ৰদান কৰাত গাঁওখনৰ গাঁও প্ৰধানৰ দায়িত্ব নিষ্ঠাৰে পালন কৰি আহিছিল। গাঁওপ্ৰধানজনৰ মৃত্যুত অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰিছে। মৃত্যুৰ সময়ত তেওঁ সহধৰ্মিণী, পুত্ৰ তথা বহু আত্মীয়ক ইহ সংসাৰত এৰি গৈছে।

### LOST

I have lost my H S passed Marks sheet Roll 5241, No- A 40 of the year 1990.

Bitu Ch. Mazumdar
S/O-Jatindra Ch. Majumdar
Vill:- Pakhriguri
P.O:- Krishnai
PS- Krishnai, Dist- Goalpara
Ph. No. 9954493237

### ত্যাজ্য পুত্ৰ / পুত্ৰী

যোৱা ৬/৮/২০২৬ তাৰিখে কলিয়াবৰ ন'টাৰী আদালতৰ শপতনামা (কে বি আৰ-০৭) জৰিয়তে মোৰ জীয়ৰী KIWI DHANWAR য়ে তেওঁৰ বিভিন্ন কৰ্মৰ দ্বাৰা ঘৰুৱা অশান্তি কৰাৰ লগতে মোৰ অমান্তিত এজন মুছলিম ব্যক্তিৰ লগত পলাই যোৱাৰ উপৰি নগদ ধন আৰু বিভিন্ন নথিপত্ৰ লৈ যায়। সেয়ে এনেধৰণৰ আপত্তিজনক কামৰ বাবে ত্যাজ্য পুত্ৰী হিচাপে ঘোষণা কৰিলোঁ। এতিয়াৰ পৰা তেওঁৰ লগত মোৰ কোনো সম্পৰ্ক নাথাকিব আৰু স্থাৱৰ-অস্থাৱৰ সম্পত্তিৰ ওপৰত কোনো দাবী কৰিব নোৱাৰিব।

ATUWA DHANWAR
গাঁও ঃ আমনি
পোঃ অঃ- আমনি,
থানা ঃ- চামগুৰি
জিলা ঃ নগাঁও অসম,
পিন ঃ ৭৮২১৩৮

### DECLARATION

I, Gauranga Sarma S/O Late Baikuntha Sarma do hereby declear befor notary public Baksa that my correct name is Gauranga Sarma but in my Aadhaar, Pan card and Senior Citizen Certificate vide card has been wrongly recorded as Gouranga Sarma and Gauranga Sharma and my father's name is also recorded as Baikuntha Sarmah and Baikuntha Nath Sarma.

So, both the name Gauranga Sarma and Gouranga Sharma, Baikuntha Sarma, Baikuntha Sarmah and Baikuntha Nath Sarma is the name of same and one person.

GAURANGA SARMA
Kharua, Barama, Baksa.

### NAME CORRECTION

I, Aptara Khatun, D/O -Yadav Khan, Village- Tangla, P.0. Kurobaha, P/S-Patacharkuchi, District Bajali (Assam), do hereby declare before the Executive Magistrate, Bajali, on 20-08-2026 that in my Aadhaar Card bearing No- 8517 1370 0756, my name has been inadvertently written as Akhtara instead of the correct name Aptara Khatun. Both names refer the same person i.e. me.

### NAME CORRECTION

I, MUCHUI BASKE, S/o.-Ragada Baske, village: Hatkata, P.O: Goralbari, P.S: & Dist: Udalguri, BTC, Assam, do hereby declared before the Notary Udalguri on 16-02-2026 thatin the Land document and Jamabandi copy, bearing P.P.No.74, situated at village: Hatkata, Mouza: Udalguri, Revenue Circle: & Dist: Udalguri, BTC, Assam, my name has been wrongly written as Damu Baske instead of the correct name Muchui Baske.

### DECLARATION

I, Alekajan Begum, D/O Harjat Ali, R/O Vill & P.O. Alisinga, P.S. Dhekiajuli, Dist. Sonitpur, Assam do hereby declared vide an affidavit before Notary at Tezpur on 19/08/2026, that my name is recorded as Alekajan Begum in my Aadhaar and PAN Card, but recorded wrongly as Alek Jan Bibi in my Assam Gramin Vikash Bank A/c No. 7026010002658 (Alichinga Branch). Alekajan Begum and Alek Jan Bibi refer to one and the same person.


### তিনিচুকীয়া সংমণ্ডলত ভিপিএইচ লীজত দিয়াৰ বাবে ই-নিলাম আহ্বান

ৰাউণ্ড ট্ৰিপ ভিত্তিত ৩ বছৰৰ বাবে ই-নিলামৰ জৰিয়তে ৰে'ল নং ১৫৯৩০/২৯ এক্সপ্ৰেছ নিউ তিনিচুকীয়াৰ পৰা তাম্বৰামলৈ আৰু উভতি অহা, লগতে ১৫৯৬২/৬১ এক্সপ্ৰেছ ডিব্ৰুগড়ৰ পৰা হাওৰালৈ আৰু উভতি অহা ৰেলত ভিপিএইচ লীজত দিয়া ঠিকাৰ বাবে ই-নিলাম আহ্বান কৰা হৈছে। **নিলাম কেটালগ নং ঃ টিএছকে-ভিপিএইচ-৮৬। ৰেট ইউনিট ঃ** প্ৰতি ৰাউণ্ড ট্ৰিপ (দুয়োফালে)। **নিলাম আৰম্ভণিৰ তাৰিখ আৰু সময় (সকলো লট) ঃ** ০৭-০৯-২০২৬ৰ ১৩:০০ ঘণ্টাত।

| ক্ৰম নং | লট নং/ শ্ৰেণী | লট সমাপ্তিৰ তাৰিখ আৰু সময় |
|---|---|---|
| এএ/১ | ১৫৯৬২-১৫৯৬১-ভিপি-১-ডিবিআৰজি-এইচডব্লিউএইচ-২৬-১ (পাৰ্চেল-পাৰ্চেল ভেন) | ০৭-০৯-২৬ৰ ১৩:৩০ ঘণ্টাত |
| এএ/২ | ১৫৯৩০-১৫৯২৯-ভিপি-১-এনটিএছকে-টিবিএম-২২-১ (পাৰ্চেল-পাৰ্চেল ভেন) | ০৭-০৯-২৬ৰ ১৩:৪০ ঘণ্টাত |

প্ৰাৰম্ভিক শীতলকৰণৰ ম্যাদ হৈছে ৩০ মিনিট। ১০ মিনিটত ক্ৰমান্বয়ে লট সমাপ্তিৰ ব্যৱধান। লট-অনুযায়ী সমাপ্তিৰ সময় আইআৰইপিএছৰ ই-নিলাম মডিউলত চাব পাৰি। **টোকা ঃ** সম্ভাব্য নিবিদাকাৰীসকলক অধিক বিৱৰণৰ বাবে আইআৰইপিএছৰ ৱেবছাইট **www.ireps.gov.in**ত ই-নিলাম লীজিং মডিউল চাবলৈ অনুৰোধ জনোৱা হৈছে।

ছিনিয়ৰ ডিচিএম, তিনিচুকীয়া

উত্তৰ-পূব সীমান্ত ৰে'লৱে
হাঁহিমুখে গ্ৰাহকৰ সেৱাত

### লামডিং সংমণ্ডলত এছএলআৰ লীজিঙৰ বাবে ই-নিলাম আহ্বান

লামডিং সংমণ্ডলৰ পৰা আৰম্ভ হোৱা ৰে'লত ০৩ বছৰৰ বাবে এছএলআৰ লীজত দিয়াৰ ঠিকাৰ বাবে ই-নিলাম আহ্বান কৰা হৈছে। **নিলাম কেটালগ নং ঃ লীজ-এলএমজি-৩১-২৬। ৰেট ইউনিট ঃ** প্ৰতি ট্ৰিপৰ বাবে অনুজ্ঞাপত্ৰ মাচুল। **নিলাম আৰম্ভণিৰ তাৰিখ আৰু সময় (সকলো লট) ঃ** ০৩-০৯-২০২৬ৰ ১১:০০ ঘণ্টাত। **ট্ৰিপ/দিন ঃ** ১৫৭।

| ক্ৰম নং | লট নং/ শ্ৰেণী | লট সমাপ্তিৰ তাৰিখ আৰু সময় |
|---|---|---|
| এএ/১ | ১৫৬২১-এছএলআৰ-এফ১-কেৱাইকিউ-এএনভিটি-২৫-১ (পাৰ্চেল-এছএলআৰ) | ০৩-০৯-২৬ৰ ১১:৩০ ঘণ্টাত |

প্ৰাৰম্ভিক শীতলকৰণৰ ম্যাদ হৈছে ৩০ মিনিট। ১০ মিনিটত ক্ৰমান্বয়ে লট সমাপ্তিৰ ব্যৱধান। **টোকা ঃ** সম্ভাব্য নিবিদাকাৰীসকলক অধিক বিৱৰণৰ বাবে আইআৰইপিএছৰ ৱেবছাইট **www.ireps.gov.in**ত ই-নিলাম লীজিং মডিউল চাবলৈ অনুৰোধ জনোৱা হৈছে।

ডিভিজনেল ৰে'লৱে মেনেজাৰ (চি), লামডিং

উত্তৰ-পূব সীমান্ত ৰে'লৱে
হাঁহিমুখে গ্ৰাহকৰ সেৱাত

### এটা নতুন গ' ডাউনৰ নিৰ্মাণ আৰু অন্যান্য আনুষংগিক কাৰ্য

**নিবিদা জাননী নং. এমএলজি-১-গ'ডাউন-২৬-০১।** ভাৰতৰ ৰাষ্ট্ৰপতিৰ হকে আৰু তৰফৰ পৰা নিম্নলিখিত কামৰ বাবে "ই-টেণ্ডাৰিং" পদ্ধতিৰ জৰিয়তে কৰ্মৰ নিবিদা আহ্বান কৰা হৈছে: **কামৰ নামঃ** এছএছই/পি-ৱে/চিঅ'এন/পাণ্ডু কাৰ্যালয় পৰিসৰত এটা নতুন গ' ডাউনৰ নিৰ্মাণ, বিদ্যমান গ'ডাউন ভাঙি পেলোৱা, পথ/চতুৰ্দিশৰ এলেকাৰ উন্নয়নৰ লগতে অনান্য আনুষংগিক কাৰ্য। **নিবিদা মূল্যঃ** ৩,৯৭,৫৮,৬২৪.৬০/- টকা। **আমানত ধনঃ** ৭,৯৫,২০০/- টকা। **নিবিদা বন্ধ হোৱাৰ তাৰিখ আৰু সময়ঃ ০৯-০৯-২০২৬** তাৰিখৰ **১১.০০** বজাত আৰু **খোলা হ'বঃ ১২.০০** বজাত। ওপৰোক্ত ই-নিবিদাৰ সম্পূৰ্ণ সবিশেষৰ সৈতে নিবিদা প্ৰ-পত্ৰ **www.ireps.gov.in** অ'ত উপলব্ধ থাকিব।

**কাৰ্যবাহী অভিযন্তা/চিঅ'এন/তেতেলিয়া**
**উত্তৰ-পূব সীমান্ত ৰেলৱে**
**(নিৰ্মাণ সংস্থা)**
"হাঁহিমুখে গ্ৰাহকলৈ সেৱা"


### আজিৰ দিনটো




**কিৰো ইয়ং,** ৰত্ন কুবেৰ জেমছ এণ্ড জুয়েলাৰী
জি. এছ. ৰোড, মণিপুৰী বস্তী, গুৱাহাটী-৭
☎ ঃ ৮৮২২৯-১১১৭১, ৯০৮৫৯৪৯৩০৯


**৪ ভাদ শনিবাৰ ২২ আগষ্ট**

**সূৰ্যোদয় ঃ** ঘঃ ৫।০।৫০। **সূৰ্যাস্ত ঃ** ঘঃ ৫।৫০।২৯। **তিথি ঃ** শুক্লা, দশমী, দং ৫১।৪৭।১৮ ৰাঘ ১।৪৩।৪৫। **নক্ষত্ৰ ঃ** জ্যেষ্ঠা, দং ২৭।১৬।৩২ ঘঃ ৩।৫৫।২৭। **যোগ ঃ** বৈধৃতি, দং ৬।২৫।১৫ ঘঃ ৭।৩৪।৫৬। **কৰণ ঃ** তৈতিল। **জন্মত ঃ** বৃশ্চিকৰাশি, বিপ্ৰবৰ্ণ, দেৱাৰিগণ, হৰিণৰ অস্থি, বৰুণযোগ, অষ্টোত্তৰী শনি বিংশোত্তৰী বুধৰ দশা, ঘঃ ৩।৫৫।২৭ যোৱাত ধনুৰাশি, ক্ষত্ৰিয়বৰ্ণ মতান্তৰে বৈশ্যবৰ্ণ, গন্ধৰ্বৰ অস্থি, বিংশোত্তৰী কেতুৰ দশা। **আদ্যঋতু হ'লে ঃ** তিনিমহীয়া পতিহীনা যোগ, সাতদিনীয়া সুভগা যোগ। **মৰণত দোষ ঃ** এপদ। **যোগিনী ঃ** উত্তৰত, ৰাঘ ১।৪৩।৪৫ যোৱাত অগ্নিকোণত। **যাত্ৰা ঃ** নাই, পাপযোগ, ৰাঘ ১।৪৩।৪৫ যোৱাত শুভ অমৃতযোগ, পূবত নাই। **শুভকৰ্ম ঃ** নাই। **ভক্ষ্যাভক্ষ্য ঃ** কলমৌ, ৰাঘ ১।৪৩।৪৫ যোৱাত উৰহী খোৱা নিশেষ।

*দিনটোৰ ৰাশিফল*

**মেষ ঃ** আনক বিশ্বাসত নল'ব। পেটৰ সমস্যা দেখা যায়। ঘৰুৱা অশান্তি। খৰচৰ মাত্ৰা বৃদ্ধি। শুভ ৰং ৰঙা। অশুভ নীলা। শুভ সংখ্যা ৪।

**বৃষ ঃ** দাম্পত্যত আনৰ দ্বাৰা সমস্যাৰ সৃষ্টি হ'ব। যান-বাহনৰ পৰা সতৰ্ক হওক। বিদ্যাৰ্থীসকলৰ যত্নৰ প্ৰয়োজন। শুভ ৰং বগা। অশুভ ক'লা। শুভ সংখ্যা ৫।

**মিথুন ঃ** মান, সন্মান প্ৰাপ্তিৰ যোগ। কৰ্মস্থানত উন্নতিৰ যোগ। শিক্ষাৰ ক্ষেত্ৰত শুভ। আয় বৃদ্ধি। শুভ ৰং হালধীয়া। অশুভ সেউজীয়া। শুভ সংখ্যা ৮।

**কৰ্কট ঃ** গোপন শত্ৰুৱে অনিষ্ট কৰিবলৈ চেষ্টা কৰিব। ভাবি-চিন্তি সিদ্ধান্ত ল'ব। পৰিয়ালৰ মাজত কাজিয়া হ'ব পাৰে। শুভ ৰং ৰূপালী। অশুভ ক'লা। শুভ সংখ্যা ৬।

**সিংহ ঃ** খৰচৰ মাত্ৰা বৃদ্ধি পাব। মাতৃৰ শৰীৰক লৈ চিন্তা। সহকৰ্মীৰ স'তে বিবাদ হ'ব পাৰে। শিক্ষাত শুভ। শুভ ৰং আকাশী। অশুভ ৰঙা। শুভ সংখ্যা ৫।

**কন্যা ঃ** দূৰভ্ৰমণ হোৱাৰ যোগ। মানসিক অশান্তি। প্ৰেমত বিবাহৰ সংযোগ, আয় বৃদ্ধি। শুভ ৰং বগা। অশুভ হালধীয়া। শুভ সংখ্যা ৬।

**তুলা ঃ** ৰক্তচাপ বৃদ্ধি পাব পাৰে। আলহীৰ আগমন হ'ব। আবেলিলৈ সু-সংবাদ পাব পাৰে। শিক্ষাত শুভ ফল পাব। শুভ ৰং ৰঙা। অশুভ নীলা। শুভ সংখ্যা ৪।

**বৃশ্চিক ঃ** প্ৰেমত আনে হস্তক্ষেপ কৰিব পাৰে। অধিক চিন্তা নকৰিব। অযথা খৰচ বৃদ্ধি। বিদ্যাৎ যত্ন লোৱাৰ প্ৰয়োজন। শুভ ৰং হালধীয়া। অশুভ সেউজীয়া। শুভ সংখ্যা ৫।


**ধনু ঃ** প্ৰতিভা বিকাশৰ যোগ। পুৰা শুভ কাম কৰিব পাৰিব। অ১০াপোনাৰ ওপৰত শত্ৰুৰ নজৰ ৰাখিব। শুভ ৰং আকাশী। অশুভ ৰঙা। শুভ সংখ্যা ৭।

**মকৰ ঃ** বিবাহৰ সংযোগ। বিদ্যাত আনন্দ। কোনো লোকে বদনাম কৰিব পাৰে। বিদ্যাত শুভ। শুভ ৰং হালধীয়া। অশুভ ৰঙা। শুভ সংখ্যা ৮।

**কুম্ভ ঃ** দাঁতৰ বিষ হ'ব পাৰে। কৰ্ম ব্যস্ততা থাকিব। মানসিক চিন্তা বৃদ্ধি। দূৰ ভ্ৰমণ নকৰিব। শুভ ৰং ক'লা। অশুভ মুগা। শুভ সংখ্যা ৫।

**মীন ঃ** মামলাত জয়। যাকে-তাকে সংগ নিদিব। নিজক গুৰুত্ব দিয়ক। খং কমাওক। শুভ ৰং বগা। অশুভ নীলা। শুভ সংখ্যা ৩।

### শব্দবেহু ঃ ২২ আগষ্ট ২০২৬



**পথালিয়ে**
২। সুখ-ভোগ, আৰাম (৩)
৪। শ্মশান, মৰাশ খৰি দিয়া ঠাই (৪)
৭। হাল-কোৰ বাই খোৱা, কৃষক (২)
৯। ক্ষমা, মৰিষণ (৩)
১০। জিভা, জিহ্বা (৩)
১২। ডাঙৰ, শ্ৰেষ্ঠ (২)
১৩। হৰিণা (২)
১৬। শকত মূৰৰ লোৰ টাঙোন (২)
১৮। তালিকা (২)
১৯। খাৰ ভৰাই সজা এবিধ আমোদৰ সামগ্ৰী (৩)
২১। অনুসন্ধান, উৱাদিহ (৩)
২২। বাঁহ আদিৰ দুটা গাঁঠিৰ মাজ ভাগ, পৰ্ব (২)
২৪। বিষ্ণুৰ চতুৰ্থ অৱতাৰ (৪)
২৫। আভঁজা আৰু গধুৰ (৩)

**থিয়কৈ**
১। হিন্দু ধৰ্মৰ এখন পুথি (৫)
৩। আদৰ, সন্মান (৪)
৪। গৰ্ভ, সঁচ, বীজ (২)
৫। অসমীয়া তিৰোতাই চাদৰৰ তলত বুকুত লোৱা কাপোৰ (২)
৬। এক লিপিৰ পৰা অন্য লিপিলৈ পৰিৱৰ্তন (৪)
৮। স্বাস্থ্যসন্মত, নিৰাময় (৪)
১১। মিলনস্থল, জোৰা (২)
১৪। বিচাৰালয়, ন্যায়ালয় (৪)
১৫। কুল, জলাশয়ৰ দাঁতি (২)
১৭। বেশ্যা, গণিকা (৫)
১৮। হুকুম, আদেশ (৪)
২০। ভয় বা বেজাৰত কৰা মিনতি (৪)
২২। জালৰ বিন্ধা, ফুলৰ পাপৰি (২)
২৩। ওখ, ছন পৰি থকা মাটি (২)

**উত্তৰ অহা সংখ্যাত**

**২১ আগষ্ট ২০২৬ সংখ্যাৰ উত্তৰ**

**পথালিয়ে**
১। কুচ ২। নিখোজ ৪। খৰিকা ৬। বাহাৰ ৮। জাক ১১। লঘু ১৩। কাৰখানা ১৫। জলপানি ১৭। ধন ১৮। লক্ষ ২২। মালিক ২৪। নকুল ২৫। নমুনা ২৬। নাৰী

**থিয়কৈ**
১। কুকুহা ২। নিচান ৩। জখলা ৫। কাবিলনামা ৭। ৰজা ৯। কতপা ১০। ঢোকা ১২। ৰাজনন্দন ১৪। ৰসাল ১৬। নিষ্ঠা ১৯। ক্ষমা ২০। দোলন ২১। বেদনা ২৩। লিহিৰী

## বান-খহনীয়াৰ স্থায়ী সমাধানৰ দাবী

**ষ্টাফ ৰিপৰ্টাৰ/অগ্ৰদূত বাৰ্তা**
**গুৱাহাটী/যোৰহাট/ঘগ্ৰপাৰ/মুছলপুৰ/সৰুপেটা, ২১ আগষ্ট ঃ** ৰাজ্যৰ অৰ্থনীতিক জুৰুলা কৰি অহা বান- খহনীয়া সমস্যাৰ স্থায়ী সমাধান আৰু পূব অসমৰ শেহতীয়া জলপ্ৰলয়ৰ কাৰণ নিৰ্ণয়ৰ বাবে শীঘ্ৰে এখন বিশেষজ্ঞ সমিতি গঠনৰ দাবীত আজি ৰাজ্যজুৰি চিপিআই (এম)য়ে সমদল উলিয়াই মুখ্যমন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰদান কৰে। গুৱাহাটী মহানগৰ, যোৰহাট নগৰ, মুছলপুৰ, নলবাৰী, গোৰেশ্বৰ, সৰুপেটা আদিত দলে এই সমদল উলিয়ায়। প্ৰতিবাদকাৰীসকলে যোৱা ১৯ জুলাইত সূত্ৰপাত ঘটা শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাট জিলাৰ বিধ্বংসী বানত ক্ষতিগ্ৰস্ত প্ৰতিটো পৰিয়ালক এক লাখ টকাকৈ এককালীন সাহায্য প্ৰদান কৰা, বানত মৃত্যু হোৱা পৰিয়ালসমূহলৈ অন্ততঃ ২০ লাখ টকাকৈ সাহায্য প্ৰদান কৰা, বানত সম্পূৰ্ণৰূপে ধ্বংস হোৱা পকীঘৰৰ বাবে ১০ লাখ টকাকৈ আৰু কেঁচা ঘৰৰ বাবে পাঁচ লাখ টকাকৈ ক্ষতিপূৰণ প্ৰদান কৰা, কৃষি পথাৰ ধ্বংস আৰু পশু মৃত্যুৰ বাবে নিৰ্ধাৰিত ক্ষতিপূৰণৰ পৰিমাণৰ বৃদ্ধি কৰা বানপীড়িত পৰিয়ালসমূহলৈ ছমাহ বিনামূলীয়াকৈ খাদ্য যোগান ধৰা আদি দাবীও উত্থাপন কৰে। বিভিন্ন স্থানত প্ৰখৰ ৰ'দকো নেওচি প্ৰতিবাদকাৰীসকলে জিলা আয়ুক্ত বা ৰাজহ চক্ৰ বিষয়া আদিৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰদান কৰে। যোৰহাটত ড০ পিনাকী সেন গুপ্ত আৰু ৰাজেন মহন্তৰ নেতৃত্বত প্ৰতিনিধি দলে জিলা আয়ুক্তৰ জৰিয়তে স্মাৰকপত্ৰ প্ৰদান কৰে। প্ৰতিবাদী কাৰ্যসূচী সম্পৰ্কত দলে এক বিবৃতিত কয়, 'যোৱা ১৯ জুলাইৰ পৰা শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাট আৰু পৰৱৰ্তী সময়ত গোলাঘাটকে ধৰি কে'বাখনো জিলাত সংঘটিত ভয়াৱহ বানৰ পৰিণতি এতিয়াও ৰাইজে ভুগি আছে। এই জলপ্ৰলয়ৰ সঠিক আৰু সুনিৰ্দিষ্ট কাৰণ চৰকাৰে এতিয়াও ৰাজহুৱা কৰা নাই। বানৰ কাৰণসমূহ নিৰ্ণয় কৰিবলৈ এখন বিশেষজ্ঞ সমিতি চৰকাৰে গঠন কৰক।' দলে লগতে অভিযোগ উত্থাপন কৰে যে প্ৰাকৃতিক কাৰকৰ লগতে নগালেণ্ড আৰু অসমত হোৱা অবৈধ খনন, প্ৰাকৃতিক পৰিৱেশ ধ্বংস আৰু দাঁতিকাষৰীয়া ৰাজ্য তথা ভূটানত নিৰ্মিত বৃহৎ নদীবান্ধে অসমৰ বান পৰিস্থিতি অধিক জটিল কৰি তুলিছে। সেয়েহে সামগ্ৰিক প্ৰভাৱ নিৰ্ণয় নকৰালৈকে দাঁতিকাষৰীয়া ৰাজ্যসমূহত নিৰ্মাণৰত বৃহৎ নদীবান্ধৰ কাম স্থগিত ৰাখিবলৈকো প্ৰতিবাদকাৰীসকলে দাবী উত্থাপন কৰে। লগতে পূব অসমৰ শেহতীয়া বান পৰিস্থিতিক জাতীয় দুৰ্যোগৰূপে ঘোষণা কৰিবলৈও দলে চৰকাৰক দাবী জনায়।

## ডবকাত মাছ ধৰিবলৈ গৈ বিদ্যুৎস্পৃষ্ট হৈ কলেজীয়া ছাত্ৰৰ কৰুণ মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**যমুনামুখ, ২১ আগষ্ট ঃ** ডবকাত মাছ ধৰিবলৈ গৈ বিদ্যুৎস্পৃষ্ট হৈ এজন কলেজীয়া ছাত্ৰৰ কৰুণ মৃত্যু হোৱা ঘটনাই অঞ্চলজুৰি শোকৰ ছাঁ পেলাইছে। মৃত ছাত্ৰজন মিকিৰআটী গাঁৱৰ বাসিন্দা তথা ফৈয়াজ আলী চৌধুৰী জুনিয়ৰ কলেজৰ উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ ছাত্ৰ আৰবাচ উদ্দিন বুলি জানিব পৰা গৈছে। তথ্য মতে বৃহস্পতিবাৰে বিয়লি সমনীয়াৰ স'তে ক্ৰিকেট খেলাৰ পাছত সন্ধিয়া ওচৰৰ খেতিপথাৰত মাছ ধৰিবলৈ যায় আৰবাচ উদ্দিন। অভিযোগ অনুসৰি খেতিপথাৰত ওচৰৰে এটা পৰিয়ালে মাছ ধৰাৰ উদ্দেশ্যে বিদ্যুৎ সংযোগ কৰি আৰ্থিং কৰি থোৱা ফান্দত পৰি বিদ্যুৎস্পৃষ্ট হয় ছাত্ৰজন। ঘটনাস্থলীতে ছাত্ৰজনৰ মৃত্যু হয়। এই খবৰ লাভ কৰাৰ পাছতে আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰে। মৰণোত্তৰ পৰীক্ষাৰ বাবে মৃতদেহটো নগাঁৱলৈ প্ৰেৰণ কৰা হয়। মৰণোত্তৰ পৰীক্ষা সম্পন্ন হোৱাৰ পাছত আজি সন্ধিয়া পৰিয়ালৰ লোক আৰু স্থানীয় ৰাইজৰ উপস্থিতিত ছাত্ৰজনৰ মৃতদেহ কবৰস্থ কৰা হয়। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে। মাছ ধৰাৰ বাবে অবৈধভাৱে বিদ্যুৎ সংযোগ কৰি থোৱাৰ অভিযোগক লৈ আৰক্ষীৰ তদন্তৰ পাছতহে ঘটনাৰ প্ৰকৃত কাৰণ স্পষ্ট হ'ব। আৰবাচ উদ্দিনৰ অকাল মৃত্যুৰ খবৰে মিকিৰআটী অঞ্চলৰ লগতে তেওঁ অধ্যয়ন কৰা শিক্ষানুষ্ঠানখনতো গভীৰ শোকৰ ছাঁ পেলাইছে।

## অসমৰ বাহনৰ ওপৰতে নিৰ্ভৰশীল

*এক পৃষ্ঠাৰ পৰা* অহা পৰ্যটকসকলৰ গৰিষ্ঠ সংখ্যকে অসম তথা গুৱাহাটী হৈ মেঘালয়লৈ যায়। অসমৰ পৰ্যটকে হওক বা বাহিৰৰ পৰ্যটকে হওক গুৱাহাটী হৈ যাত্ৰা কৰে। বিমানকোঠৰ পৰাই হওক বা ৰেল ষ্টেছনৰ পৰাই হওক অসমত পঞ্জীয়নকৃত বাহনৰে এইসকল পৰ্যটকে মেঘালয় ভ্ৰমণ কৰে। উল্লেখ্য যে তথ্য অনুসৰি মেঘালয়লৈ পৰ্যটক পৰিবহণত সহায় কৰে অসমত পঞ্জীয়নভুক্ত ৫০ হেজাৰ বাহনে। গতিকে মেঘালয়ৰ পৰ্যটনৰ দ্বাৰা অসমৰো লাখ লাখ লোক লাভান্বিত হৈ আহিছে। ইয়াৰ দ্বাৰা মেঘালয়ো উপকৃত হৈ আহিছে। এক তথ্য অনুসৰি অসমৰ টুৰিষ্ট কেবসমূহে বছৰি মেঘালয় চৰকাৰক ৪৮ হেজাৰ টকাকৈ আদায় দিবলগীয়া হয়। এনেদৰে মেঘালয়ৰ পৰ্যটন উদ্যোগৰ এক গুৰুত্বপূৰ্ণ অংগত অসম পৰিণত হৈছে।

ইপিনে, আন এক তথ্য অনুসৰি বছৰি দেশী-বিদেশী পৰ্যটকে মেঘালয় ভ্ৰমণ কৰে। ফলত পৰ্যটনৰ পৰা বছৰি মেঘালয় চৰকাৰৰ চাৰি হেজাৰৰ পৰা ৪৫শ কোটি টকা আয় হয়। লক্ষ্যণীয়ভাৱে মেঘালয়ৰ মুঠ জনসংখ্যা ৩৬ লাখহে। ৰাজ্যখনলৈ ভ্ৰমণ কৰা পৰ্যটকসকলৰ ৪০ৰ পৰা ৫০ শতাংশই অসমৰ মাজেৰে যাতায়াত কৰে। ইপিনে, ৯০ শতাংশ পৰ্যটকেই গুৱাহাটীৰ মাজেৰে মেঘালয়ত প্ৰৱেশ কৰে।

আনহাতে বছৰি ৰাজ্যখন ভ্ৰমণ কৰা ১৬ লাখ পৰ্যটকৰ কমেও ৬.৮ লাখ অসমৰ হয় বুলিও এক তথ্যত কোৱা হৈছে। গতিকে দুয়োখন ৰাজ্যৰ হিতাকাংক্ষীসকলে সমস্যা বুজাবুজিৰ মাজেৰে সমাধানত গুৰুত্ব আৰোপ কৰিছে। কাৰণ ইয়াৰ স'তে প্ৰত্যক্ষভাৱে দুয়োখন ৰাজ্যৰ জীৱন জীৱিকাৰ কথাও জড়িত হৈ আছে।


### ৰাজহুৱা জাননী

ICICI Bank
পঞ্জীয়নকৃত কাৰ্যালয় ঃ আই চি আই চি আই বেংক টাৱাৰ, চাকলি চাৰ্কোলৰ সমীপত, পুৰণি পাদ্ৰা ৰোড, বদোডৰা-৩৯০০০৭ কৰ্প'ৰেট কাৰ্যালয় ঃ আই চি আই চি আই বেংক টাৱাৰ্ছ, বান্দ্ৰা-কুৰ্লা কমপ্লেক্স, মুম্বাই-৪০০০৫১

**সোণৰ নিলাম আৰু নিমন্ত্ৰণী জাননী**

আইচিআইচিআই বেংক লিমিটেডে ('আইচিআইচিআই বেংক') সোণৰ গহনাৰ বিপৰীতে লাভ কৰা ঋণৰ বাকী থকা ধন আদায় দিবলৈ নিম্নলিখিত গ্ৰাহকসকললৈ ইতিমধ্যে জাননী জাৰি কৰিছে।

যিহেতু তেওঁলোকে বাকী থকা ধন পৰিশোধ কৰিবলৈ ব্যৰ্থ হৈছে, সেয়েহে আমি অহা **২১ ছেপ্টেম্বৰ, ২০২৬**ত উল্লিখিত সোণৰ গহনাৰ নিলামৰ ব্যৱস্থা কৰিবলৈ বাধ্য হৈছো। যদি ঋণ লওতা মৃত, তেন্তে সকলো চৰ্ত তেওঁৰ আইনী উত্তৰাধিকাৰীৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব।

| ঋণ একাউণ্ট নং | গ্ৰাহক/সকলৰ নাম | নিলাম হ'ব লগা শাখা/সমূহৰ ঠিকনা |
|---|---|---|
| শাখাৰ নাম ঃ শিলচৰ | | আইআইচিআই বেংক লিমিটেড, গিৰি ভৱন, এন.এছ. এভিনিউ, হাস্পতাল পথ, শিলচৰ, অসম-৭৮৮০০৫। |
| 061957000101 | ইজাজ আহমেদ বৰভূঞা | |
| 061957000146 | ইজাজ আহমেদ বৰভূঞা | |
| 061962008479 | ইজাজ আহমেদ বৰভূঞা | |
| শাখাৰ নাম ঃ নগাঁও | | আইআইচিআই বেংক লিমিটেড, এ. টি. ৰোড, হয়বৰগাঁও, নগাঁও, অসম-৭৮২০০২। |
| 070757000170 | বেদব্ৰত বৰা | |
| শাখাৰ নাম ঃ তেজপুৰ | | আইআইচিআই বেংক লিমিটেড, কামৰূপীয়া সনাতন ধৰ্ম মণ্ডলী, তেজপুৰ নগৰ, শোণিতপুৰ জিলা, অসম-৭৮৪০০১। |
| 070957000048 | দীপ্তি বৰুৱা | |
| শাখাৰ নাম ঃ উত্তৰ লখিমপুৰ | | আইআইচিআই বেংক লিমিটেড, ডি.এম. কমপ্লেক্স, চি. ডি. ৰোড, এন এইছ ৫২, উত্তৰ লখিমপুৰ, লখিমপুৰ জিলা, অসম-৭৮৭০০১। |
| 132457000174 | নিকুমণি বৰা | |
| শাখাৰ নাম ঃ মৰাণ টাউন | | আইআইচিআই বেংক লিমিটেড, বাদল কমপ্লেক্স, পিয়লি নগৰ, ৩৭ ৰাষ্ট্ৰীয় ঘাইপথ, ডাক-মৰাণহাট, মৰাণ, জিলা-ডিব্ৰুগড়, অসম-৭৮৫৬৭০। |
| 199562001026 | মাতু গগৈ দুৱৰা | |
| শাখাৰ নাম ঃ গুৱাহাটী-জুৰোড তিনি আলি | | আইআইচিআই বেংক লিমিটেড, পৰ্ণিল পেলেছ কমপ্লেক্স, প্ৰথম মহলা, জুৰোড তিনিআলি, আৰ জি বি ৰোড, গুৱাহাটী, অসম-৭৮১০২৪। |
| 215057000070 | উমেশ কুমাৰ শৰ্মা | |
| 215057000072 | উমেশ কুমাৰ শৰ্মা | |
| শাখাৰ নাম ঃ গুৱাহাটী কালাপাহাৰ | | আইআইচিআই বেংক লিমিটেড, সেৱাশ্ৰম সংঘৰ কাষত, কালাপাহাৰ, লখৰা মুখ্য পথ, গুৱাহাটী, অসম-৭৮১০১৮। |
| 245357000081 | দীপাংকৰ ভট্ট | |
| 245357000127 | ৰাহুট মহাজন | |
| শাখাৰ নাম ঃ গুৱাহাটী-ৰুক্মিণীগাঁও | | আইআইচিআই বেংক লিমিটেড, মাধৱ টাৱাৰ, ৰুক্মিণীগাঁও, জি এছ ৰোড, গুৱাহাটী-৭৮১০২২, অসম। |
| 245662001252 | পৰিণিতা বৰুৱা ফুকন | |
| শাখাৰ নাম ঃ বিশ্বনাথ চাৰিআলি | | আইআইচিআই বেংক লিমিটেড, বুলবুল কমপ্লেক্স, পুলিচ পইণ্টৰ কাষত, এন এইছ ৫২, বিশ্বনাথ চাৰিআলি, জিলা-শোণিতপুৰ, অসম-৭৮৪১৭৬। |
| 325057000083 | লক্ষ্যজ্যোতি শইকীয়া | |
| শাখাৰ নাম ঃ দেৰগাঁও | | আইআইচিআই বেংক লিমিটেড, এইছ বি কমপ্লেক্স, এন এইছ ৭১৮ (পুৰণি এন এইছ ৩৭) ৱাৰ্ড নম্বৰ ৪, ইণ্ডিয়ান অইল পাম্পৰ বিপৰীতে, দেৰগাঁও নগৰ, জিলা-গোলাঘাট, অসম-৭৮৫৬১৪। |
| 452457000010 | অৰ্ণিবান শইকীয়া | |
| শাখাৰ নাম ঃ গুৱাহাটী আদাবাৰী | | আইআইচিআই বেংক লিমিটেড, ছাই কমাৰ্চিয়েল কমপ্লেক্স, এ. টি ৰোড, আদাবাৰী তিনিআলি, গুৱাহাটী, অসম-৭৮১০১২। |
| 475457000020 | দীপাংকৰ কলিতা | |
| শাখাৰ নাম ঃ বিলাসীপাৰা | | আইআইচিআই বেংক লিমিটেড, ৱাৰ্ড নম্বৰ ১১, বিলাসীপাৰা নগৰ, ডাক আৰু থানা-বিলাসীপাৰা, জিলা ধুবুৰী, অসম-৭৮৩৩৪৮। |
| 544357000035 | পুৰবী ৰাজবংশী | |
| শাখাৰ নাম ঃ গুৱাহাটী-জিএছ ৰোড | | আইআইচিআই বেংক লিমিটেড, ভূমি মহলা, শান্তি কমপ্লেক্স, জি এছ ৰোড, ভঙাগড়, গুৱাহাটী ৭৮১০০৫। |
| 634357000244 | কুলনন্দিনী মহন্ত | |

এই নিলাম ওপৰত উল্লেখিত স্থান/সমূহত উল্লেখ কৰা তাৰিখ/সমূহত সময় বিয়লি ৩.০০ বজাৰ পৰা ৬.০০ বজালৈ অনুষ্ঠিত হ'ব। অনুগ্ৰহ কৰি মন কৰিব যে আইচিআইচিআই বেংকে নিলামৰ তাৰিখ/ঠাই/পদ্ধতি আগতীয়াকৈ নজনোৱাকৈ সলনি কৰাৰ অধিকাৰ ৰাখিছে। আগ্ৰহী লোকসকলে নিলামৰ চৰ্তাৱলীসমূহৰ বিষয়ে সবিশেষ জানিবলৈ ওপৰত উল্লেখ কৰা শাখা/সমূহত যোগাযোগ কৰিব পাৰে।

তাৰিখ ঃ ২২.০৮.২০২৬
স্থান ঃ কাছাৰ, কামৰূপ (মেট্ৰ'), লখিমপুৰ, ডিব্ৰুগড়, বিশ্বনাথ, গোলাঘাট, নগাঁও, শোণিতপুৰ, ধুবুৰী

আন্তৰিকতাৰে, স্বাক্ষৰ কৰ্তৃত্বশীল বিষয়া
আইচিআইচিআই বেংক লিমিটেডৰ হৈ

### আগ্ৰহৰ অভিব্যক্তি

**নং.ঃ ইঅ'আই অৰ ২০২৬-২০২৭** **তাৰিখ ঃ ১৮-০৮-২০২৬**

**অনুসন্ধানৰ পৰিসৰ:** ভাৰতৰ ৰাষ্ট্ৰপতিৰ হৈ আৰু হকে, মুখ্য চিকিৎসা অধীক্ষক, উপ-মণ্ডলীয় ৰেলৱে চিকিৎসালয়, উত্তৰ-পূব সীমান্ত ৰেলৱে, বদৰপুৰ, শ্ৰীভূমি, অসমৰ দ্বাৰা উপ-মণ্ডলীয় ৰেলৱে চিকিৎসালয়, বদৰপুৰ, শ্ৰীভূমি, অসমত সন্মানীয় পৰিদৰ্শক বিশেষজ্ঞ হিচাপে নিযুক্তিৰ বাবে অৰ্হতাসম্পন্ন এলোপেথিক বিশেষজ্ঞসকলৰ পৰা আগ্ৰহৰ অভিব্যক্তি (ইঅ'আই) আহ্বান কৰা হৈছে। এই নিযুক্তি মেডিচিন (ফিজিচিয়ান), জেনেৰেল চাৰ্জাৰী (চাৰ্জন), প্ৰসূতি আৰু স্ত্ৰী ৰোগ, এনেছথেচিয়লজী আৰু অট'ৰাইন'লেৰিংগ'লজী (ইএনটি) বিভাগৰ বাবে হ'ব। এই কাৰ্যভাৰ ০১ (এক) বছৰৰ বাবে, সপ্তাহত ০৬ (ছয়) দিন (সোমবাৰৰ পৰা শনিবাৰলৈ), দৈনিক ০৪ (চাৰি) ঘণ্টাৰ বাবে হ'ব, আৰু ইয়াৰ বাবে প্ৰতি মাহে ১,০০,০০০/- (এক লাখ টকা) নিৰ্দিষ্ট মাননি প্ৰদান কৰা হ'ব।

**অৰ্হতা ঃ** স্বীকৃতিপ্ৰাপ্ত বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী, স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰাৰ পিছত সংশ্লিষ্ট বিশেষত্বৰ সৈতে সম্পৰ্কিত পেছাদাৰী কামত নূন্যতম ৩ (তিনি) বছৰৰ অভিজ্ঞতা। যি ক্ষেত্ৰত স্নাতকোত্তৰ ডিগ্ৰীধাৰী উপযুক্ত প্ৰাৰ্থী উপলব্ধ নহয়, সেই ক্ষেত্ৰত সংশ্লিষ্ট বিশেষত্বৰ ক্ষেত্ৰত স্নাতকোত্তৰ ডিপ্লোমা লাভ কৰাৰ পিছত ৫ বছৰৰ অভিজ্ঞতাসম্পন্ন স্নাতকোত্তৰ ডিপ্লোমাধাৰী প্ৰাৰ্থীক লোৱা হ'ব।

**বয়সৰ বিৱৰণ ঃ** (ক) প্ৰথমবাৰৰ বাবে নিযুক্তিৰ সময়ত ৩০ বছৰৰ পৰা ৬৪ বছৰৰ ভিতৰৰ বয়স অগ্ৰাধিকাৰযোগ্য। (খ) জাৰি থকা নিযুক্তিৰ উৰ্ধতম বয়সৰ সীমা হৈছে ৬৫ বছৰ।

**মাননি আৰু পাৰিতোষিক কৰ্তনৰ দৈনিক হাৰ:** (ৰেলৱে ব'ৰ্ডৰ পত্ৰ নং 2014/H-1/12/8/HVS/Policy/E তাৰিখঃ ২২-১০-২০২৫)। ওপৰত উল্লেখ কৰা ৰেলৱে ব'ৰ্ডৰ পত্ৰ অনুসৰি, এইচভিএছ নিযুক্তিৰ ক্ষেত্ৰত সংশোধিত মাননিৰ হাৰ আৰু ১২ দিনৰ অধিক যিকোনো অনুপস্থিতিৰ বাবে কৰ্তনৰ হাৰ তলত উল্লেখ কৰা ধৰণৰ:

| কৰ্তব্যৰ সময় | বিশেষজ্ঞৰ মাননি (প্ৰতি মাহে টকাত) | বিশেষজ্ঞৰ বাবে কৰ্তনৰ হাৰ (প্ৰতি দিনে টকাত) |
|---|---|---|
| ৬ দিন/সপ্তাহৰ বাবে দিনত ৪ ঘণ্টা | ১,০০,০০০/- টকা (এক লাখ টকা) | ৪,১৬৭/- টকা (চাৰি হাজাৰ এশ সাতষষ্ঠি টকা) মাত্ৰ। |

বিনামূলীয়া ৰেলৱে পাছ : প্ৰতিটো কেলেণ্ডাৰ বৰ্ষত চিলেকচন গ্ৰেডৰ বিষয়াসকলৰ প্ৰাপ্য অনুসৰি এক চেট পৰিপূৰক ৰেলৱে পাছ উপলব্ধ কৰোৱা হ'ব। এই পাছ সমগ্ৰ ভাৰতীয় ৰেলৱে আৰু কোংকণ ৰেলৱেত বৈধ হ'ব, যি ৰাজধানী এক্সপ্ৰেছকে ধৰি এচি টু-টিয়াৰ আৰু শতাব্দী এক্সপ্ৰেছৰ এচি চেয়াৰ কাৰত নিজৰ+স্বামী/স্ত্ৰী আৰু নিৰ্ভৰশীল সন্তানৰ বাবে (ৰেলৱে কৰ্মচাৰীৰ ক্ষেত্ৰত প্ৰযোজ্য নিয়ম অনুসৰি) প্ৰযোজ্য হ'ব। কেলেণ্ডাৰ বছৰটোৰ বাবে এই পৰিপূৰক পাছ নিযুক্তিৰ ৩ মাহ সম্পূৰ্ণ হোৱাৰ পিছতহে লাভ কৰিব পাৰিব। (কৰ্তৃপক্ষ ঃ ব'ৰ্ডৰ পত্ৰ নং. ২০০১/এইচ-I/১২/৪০ তাৰিখ ঃ ১৫-১২-২০০৫)।

বিতং চৰ্তাৱলী, কাৰ্যৰ পৰিসৰ আৰু নিৰ্ধাৰিত আৰ্হিৰ বাবে, আগ্ৰহী পক্ষসমূহক উত্তৰ-পূব সীমান্ত ৰেলৱেৰ ৱেবছাইট **www.nfr.indianrailways.gov.in → General Info → Division → Lumding → Sub-Divisional Hospital BPB** -ত উপলব্ধ সম্পূৰ্ণ ইঅ'আই নথিখন চাবলৈ পৰামৰ্শ দিয়া হৈছে।

**মুখ্য চিকিৎসা অধীক্ষক, বদৰপুৰ**

উত্তৰ-পূব সীমান্ত ৰে'লৱে
হাঁহিমুখে গ্ৰাহকৰ সেৱাত

C M Y K

# দৈনিক অগ্ৰদূত

গুৱাহাটী, ২২ আগষ্ট ২০২৬ শনিবাৰ পৃষ্ঠা তিনি

## নলবাৰীৰ বহু বিদ্যালয়ত খালী হৈ আছে বিজ্ঞান-গণিত শিক্ষকৰ পদ

**শৈক্ষিক পৰিৱেশ বিনষ্ট হোৱাৰ উপক্ৰম ঘটিছে**

অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ২১ আগষ্ট ঃ** ৰাজ্যখনত চৰকাৰী খণ্ডৰ স্কুলত ছাত্ৰ-ছাত্ৰীক আকৰ্ষিত কৰাৰ উদ্দেশ্যৰে মধ্যাহ্ন ভোজন, বিনামূলীয়া পাঠ্যপুথি যোগান, বিনামূলীয়া ইউনিফৰ্ম, চাইকেল যোগান আদি বিভিন্ন আঁচনি গ্ৰহণ কৰা হৈছে যদিও *ছয় পৃষ্ঠাত চাওক*

## অস্তিত্বহীন আৰক্ষী ঃ অপৰাধ-অপকৰ্মৰ ঘাটিত পৰিণত যোৰহাট

**ৰাইজে উৎখাত কৰিলে দেহ ব্যৱসায়ৰ ঘাটি ঃ ড্ৰাগছসহ যুৱক গ্ৰেপ্তাৰ**

ষ্টাফ ৰিপৰ্টাৰ

**যোৰহাট, ২১ আগষ্ট ঃ** আৰক্ষীৰ অস্তিত্বহীনতাত সমগ্ৰ যোৰহাট একপ্ৰকাৰ অপৰাধ-অপকৰ্মৰ ঘাটিলৈ পৰ্যবসিত হৈছে। নিষিদ্ধ ড্ৰাগছৰ *ছয় পৃষ্ঠাত চাওক*

## নগাঁও আদালতৰ বিভিন্ন অপৰাধত ১১ জনক কাৰাদণ্ড

ষ্টাফ ৰিপৰ্টাৰ

**নগাঁও, ২১ আগষ্ট ঃ** নগাঁৰৰ দুখন আদালতে বিভিন্ন গোচৰৰ সন্দৰ্ভত ৰায়দান কৰি মুঠ ১১ জন অপৰাধীক কাৰাদণ্ড বিহে। ইয়াৰে নগাঁও ফাষ্টট্ৰেক আদালতৰ ৰাখী তফদাৰৰ আদালতে আব্দুল ৰেজ্জাক নামৰ এজন লোকক ধৰ্ষণৰ অপৰাধত দোষী সাব্যস্ত কৰি ১০ বছৰ কাৰাদণ্ড বিহাৰ লগতে পাঁচ হেজাৰ টকাৰ জৰিমনা বিহে। ভাৰতীয় দণ্ড বিধিৰ ৩৭৬ ধাৰাৰ অধীনত চেছন গোচৰ নম্বৰ ২২৩/২৪ সন্দৰ্ভত এই ৰায় প্ৰদান কৰা হয়। একেখন আদালতে কামপুৰ থানাৰ ১১২/২৩ *ছয় পৃষ্ঠাত চাওক*

**■১৫ বছৰে গাণনিক পদত থাকি একেজন ব্যক্তিয়ে চম্ভালিছে লোভনীয় পুঁজিৰ ফাইল!**

# নগাঁৱত পঞ্চদশ বিত্তীয় আয়োগত পুঁজি ব্যয়ত অনিয়ম

ষ্টাফ ৰিপৰ্টাৰ

**নগাঁও, ২১ আগষ্ট ঃ** নগাঁও জিলা পৰিষদত ২০২৪-২০২৫ৰ পঞ্চাদশ বিত্তীয় আয়োগৰ অধীনত আবন্টিত ২.২৭ কোটি টকাৰ পুঁজি ব্যয়ত সংঘটিত ব্যাপক খেলিমেলিৰ বাতৰি সংবাদ মাধ্যমত প্ৰকাশ পোৱাৰ পাছত একাংশ বিষয়া-কৰ্মচাৰীৰ মাজত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। বিশেষকৈ নগাঁও জিলা কাৰ্যালয়ত বিগত প্ৰায় ১৫ বছৰে একেটা পদত সংলগ্ন হৈ থকা এগৰাকী গাণনিক বিষয়াৰ ব্যাপক তৎপৰতাৰ খবৰ পোৱা গৈছে। উত্থাপিত অভিযোগ অনুসৰি, এইগৰাকী গাণনিক বিষয়াই একাংশ সাংবাদিকক মেনেজ কৰাৰ চেষ্টা অব্যাহত ৰখাৰ লগতে এগৰাকী কনিষ্ঠ অভিযন্তাই বিৰোধী দলৰ একাংশ জিলা পৰিষদ সদস্যক পঞ্চাদশ বিত্তীয় আয়োগৰ প্ৰথম কিস্তিৰ পুঁজি ব্যয়ত কোনোধৰণৰ খেলিমেলি হোৱা নাই বুলি লিখি দিবলৈ হেঁচা প্ৰয়োগ কৰিছে। আনকি, উক্ত চক্ৰটোৰে পঞ্চাদশ বিত্তীয় আয়োগৰ পুঁজি বিতৰণৰ বৈষম্যৰ অভিযোগ তুলিলে বিশেষকৈ বিৰোধী পক্ষৰ সদস্যসকলে লাভ কৰা পুঁজিৰে কৰা কামৰ তদন্ত কৰা হ'ব বুলিও ভয়-ভাবুকি দিয়াৰো আন এক গুৰুতৰ অভিযোগ উঠিছে। উল্লেখ্য যে, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনত নগাঁও জিলা পৰিষদ কাৰ্যালয়ত এগৰাকী স্থায়ী গাণনিক বিষয়া থকা স্বত্বেও জিলা পৰিষদৰ তলতীয়া কাৰ্যালয়ৰ পৰা সংলগ্ন হৈ থকা নবীন দাস নামৰ গাণনিকে ২০১২ৰ পৰাই এই কাৰ্যালয়টোৰ লোভনীয় পদত কাৰ্যনিৰ্বাহ কৰি বিভিন্ন চৰকাৰী আঁচনি ৰূপায়ণৰ গুৰু দায়িত্ব বহন কৰি আছে। বিভাগীয় এক সুত্ৰে জনা মতে, বিগত ২০১২ত দাসে নগাঁও জিলা পৰিষদৰ অন্তৰ্গত পশ্চিম কলিয়াবৰ উন্নয়ন খণ্ডত গাণনিক হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ থকাৰ সমান্তৰালকৈ জিলা পৰিষদখনত অতিৰিক্তভাৱে গাণনিকৰ দায়িত্ব বহন কৰি আছে। ইয়াৰ পৰৱৰ্তী সময় অৰ্থাৎ ২০১৯ত তেওঁক বিভাগীয় গাণনিক পদৰ পৰা সহকাৰী গাণনিক বিষয়া পদলৈ পদোন্নতি দি জিলাখনৰে কঠীয়াতলী উন্নয়ন খণ্ডলৈ বদলি কৰে। ইয়াৰ প্ৰায় ডেৰ বছৰমান পাছত তেওঁক পুনৰ বাজিয়াগাঁও উন্নয়ন খণ্ডলৈ বদলি কৰা হয়। শেহতীয়াকৈ তেওঁ জিলাখনৰ বগৰিগুৰি উন্নয়ন খণ্ডলৈ বদলি হয় যদিও জিলা পৰিষদৰ গাণনিকৰ দায়িত্ব এৰা নাই। অথচ জিলা পৰিষদৰ গাণনিক পদত বিগত ২০১৫ৰ পৰাই স্থায়ী গাণনিক নিযুক্ত হৈ *ছয় পৃষ্ঠাত চাওক*



*নতুন দিল্লীত কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণক সাক্ষাৎ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ।*

## অসমক সমানে ভাগ কৰি পৃথক বড়োলেণ্ড ৰাজ্য গঠনৰ দাবী

**কাজলগাঁৱত প্ৰাক্তন বড়ো ভলণ্টিয়াৰ ফ'ৰ্চৰ অভিবৰ্তন**

অগ্ৰদূত বাৰ্তা

**কাজলগাঁও, ২১ আগষ্ট ঃ** দীৰ্ঘকালৰ মূৰত বড়োলেণ্ডত পুনৰ উচ্চাৰিত হৈছে অসমক সমানে ভাগ কৰি পৃথক বড়ো ৰাজ্য গঠনৰ দাবী। আজি চিৰাঙৰ কাজলগাঁৱত অনুষ্ঠিত প্ৰাক্তন বড়ো ভলণ্টিয়াৰ ফ'ৰ্চৰ এক বিশেষ অভিবৰ্তনত এই দাবী উত্থাপন হয়। উল্লেখ্য যে ১৯৮৭ত এবছুৰ নেতৃত্বত গঠন হৈছিল বড়োলেণ্ড ভলণ্টিয়াৰ ফ'ৰ্চৰ। বড়োলেণ্ড আন্দোলনৰ সশস্ত্ৰ সংগ্ৰামৰ গুৰি ধৰিছিল প্ৰেম সিং ব্ৰহ্ম নেতৃত্বাধীন এই ভলণ্টিয়াৰ *ছয় পৃষ্ঠাত চাওক*

**পাৰাদ্বীপ বন্দৰৰ সেউজ আৱৰণ বৃদ্ধিৰ ঐতিহাসিক মাইলৰ খুঁটি**

## পাৰাদ্বীপ বন্দৰত ৪২৭.৮০ কোটিৰ প্ৰকল্প উদ্বোধন কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালৰ



**পাৰাদ্বীপ, (ওড়িছা), ২১ আগষ্ট ঃ** কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি পাৰাদ্বীপ বন্দৰ প্ৰাধিকৰণ চৌহদত মুঠ ৪২৭.৮০ কোটি টকা ব্যয়সাপেক্ষ সাতটা গুৰুত্বপূৰ্ণ আন্তঃগাঁথনি প্ৰকল্পৰ উদ্বোধন কৰে। এই অনুষ্ঠানত পাৰাদ্বীপ বন্দৰে ১৮.৫ মিটাৰ গভীৰ ড্ৰাফ্‌ট সক্ষমতা অৰ্জনৰ লগতে বন্দৰটোৰ সেউজ আৱৰণ বৃদ্ধিৰ ক্ষেত্ৰত এক ঐতিহাসিক মাইলৰ খুঁটিৰূপে এক নিযুততম গছপুলি ৰোপণ কৰা হয়। কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালে কয়, 'পৰিৱেশতন্ত্ৰ আৰু অৰ্থনীতি আগবাঢ়িছে সমান্তৰালভাৱে। ওড়িছাৰ পাৰাদ্বীপ বন্দৰত আজি এক গৌৰৱময় আৰু ঐতিহাসিক ক্ষণৰ সাক্ষী হ'লো। তাত এক নিযুত গছপুলি ৰোপণৰ মাইলৰ খুঁটিত উপনীত হৈ আজি এটি গছপুলি ৰোপণ কৰি আপ্লুত হ'লো। ১৯৯৯ৰ *ছয় পৃষ্ঠাত চাওক*

## নমাটিত গৰু চোৰৰ বাবে পতা বিদ্যুৎ ফান্দত পৰি প্ৰাণ গ'ল যুৱকৰ

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ২১ আগষ্ট ঃ** গৰু চোৰৰ বাবে পতা বিদ্যুৎ ফান্দত পৰি আজি নিজেই অকালতে প্ৰাণ হেৰুৱাবলগীয়া হয় নলবাৰীৰ এজন উদীয়মান যুৱকে। এই ঘটনাই সমগ্ৰ অঞ্চলটোত শোকৰ ছাঁ পেলাইছে। দুৰ্ভাগ্যজনকভাৱে প্ৰাণ হেৰুওৱা যুৱকজনৰ নাম বনজিৎ কলিতা। উল্লেখ্য যে জিলাখনৰ মাজেৰে যোৱা ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ উত্তৰে নমাটিত সংঘটিত হয় এই শোকাৱহ ঘটনা। ঘটনা অনুসৰি নমাটি অঞ্চলত যোৱা কিছুদিনৰ পৰা গৰু চোৰৰ *ছয় পৃষ্ঠাত চাওক*

## ভূটান সীমান্তৰ বিভিন্ন প্ৰান্তত কে'বাটাও পৰিয়াল গৃহহাৰা, কথমপি প্ৰাণৰক্ষা

অগ্ৰদূত বাৰ্তা

**টংলা, ২১ আগষ্ট ঃ** ৰাজ্যত অব্যাহত আছে হাতী-মানুহৰ ভয়াৱহ সংঘাত। বিগত কে'বামাহো ধৰি ওদালগুৰি জিলাৰ ভূটান সীমান্তৱৰ্তী অঞ্চলসমূহত তীব্ৰ ৰূপ ধাৰণ কৰি আহিছে বন্যহস্তীয়ে। বন্যহস্তীৰ উপদ্ৰৱৰ বাবে এতিয়া অহৰ্নিশে বিনিদ্ৰ ৰজনী কটাবলগীয়া হৈছে ভূটান সীমান্তৱৰ্তী অঞ্চলৰ জনসাধাৰণে। বিশেষকৈ জিলাখনৰ ডিমাকুছি, *ছয় পৃষ্ঠাত চাওক*



**■ শিৱসাগৰ জিলা আয়ুক্তৰ স'তে দুৰ্ব্যৱহাৰ**

## অখিল গগৈক ক্ষমা বিচাৰি জিলা আয়ুক্ত কাৰ্যালয়ৰ কৰ্মচাৰীৰ প্ৰতিবাদ




বিশেষ সংবাদদাতা

**শিৱসাগৰ, ২১ আগষ্ট ঃ** শেহতীয়া বিধ্বংসী বানৰ ফলত ক্ষতিগ্ৰস্ত শিৱসাগৰ জিলাত উদ্ধাৰ, সাহায্য, পুনৰ্বাসন আৰু পুনৰ সংস্থাপনৰ কাম যুদ্ধকালীন তৎপৰতাৰে আগবঢ়াই নি থকাৰ সময়তে জিলা প্ৰশাসনৰ কৰ্মচাৰীসকলে শুকুৰবাৰে শিৱসাগৰ সমষ্টিৰ বিধায়ক অখিল গগৈৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে। জিলা আয়ুক্ত মৃদুল যাদৱৰ স'তে বিধায়কজনে কৰা দুৰ্ব্যৱহাৰৰ প্ৰতিবাদত কৰ্মচাৰীসকলে বিধায়কৰ স্পষ্টীকৰণ বিচাৰি প্ৰতিবাদ জনাই নিজ কৰ্তব্যৰ পৰা বিৰত থাকে। উল্লেখ্য যে *ছয় পৃষ্ঠাত চাওক*

## ড্ৰাগছৰ বিৰুদ্ধে যোৰহাটত আছু-অসম সেনাৰ প্ৰতিবাদ

ষ্টাফ ৰিপৰ্টাৰ

**যোৰহাট, ২১ আগষ্ট ঃ** যোৰহাটত ড্ৰাগছৰ অবাধ প্ৰচলনৰ প্ৰতিবাদত আজি সদৌ যোৰহাট জিলা ছাত্ৰ সন্থা আৰু অসম সেনাৰ যোৰহাট জিলা সমিতিয়ে এক বিশাল প্ৰতিবাদী সমদল উলিয়ায়। যোৰহাট ষ্টেডিয়ামৰ পৰা জিলা আয়ুক্তৰ কাৰ্যালয়লৈ উলিওৱা সমদলত সহস্ৰাধিক প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। প্ৰতিবাদকাৰী সকলে ড্ৰাগছ *ছয় পৃষ্ঠাত চাওক*

## অসমৰ পৰা যোৱা সম্পাদকৰ প্ৰতিনিধি দলৰ আইচিএআৰ-চিআইবিএ, ইৰুলা সাপধৰা সমবায়ৰ স্থানসমূহ পৰিদৰ্শন



**মহাবলীপুৰম তামিলনাডু ঃ** আইচিএআৰ-চেণ্ট্ৰেল ইনষ্টিটিউট অব ব্ৰেকিছৱাটাৰ একুৱাকালচাৰ (আইচিএআৰ-চিআইবিএ), ইৰুলা সাপধৰা ঔদ্যোগিক সমবায় সমিতি, মহাবলীপুৰমৰ ঐতিহাসিক আৰু সামুদ্ৰিক স্থান আৰু নেচনেল ইনষ্টিটিউট ফৰ এম্পাৱাৰমেণ্ট অব পাৰ্চনছ উইথ মাল্টিপল ডিচেবিলিটিছ (এনআইইপিএমডি)-এ বৈজ্ঞানিক গৱেষণা, পৰম্পৰাগত জ্ঞান, সাংস্কৃতিক ঐতিহ্য আৰু সৰ্বাংগীণ উন্নয়নৰ বিভিন্ন দিশ অসমৰ সম্পাদকৰ দলটোৰ আগত প্ৰদৰ্শন কৰে। *ছয় পৃষ্ঠাত চাওক*

**Advertisement Service**

**বিজ্ঞাপন সেৱা**

'দৈনিক অগ্ৰদূত'ত ৰঙীণ
(Display- Clour, Black & white)
আৰু শ্ৰেণীবদ্ধ বিজ্ঞাপন
(Classified) প্ৰকাশৰ বাবে
তলৰ নম্বৰত যোগাযোগ কৰক।
9957222140 (WhatsApp), 98648 97175

বিজ্ঞাপন বিভাগ, দৈনিক অগ্ৰদূত
অগ্ৰদূত ভৱন, দিছপুৰ-৬

## গুৱাহাটী মেনেজমেণ্ট এছ'চিয়েছনৰ ৫৭ সংখ্যক প্ৰতিষ্ঠা দিৱস পালন




**গুৱাহাটী, ২১ আগষ্ট ঃ** উত্তৰ-পূৰ্বাঞ্চলৰ অগ্ৰণী মেনেজমেণ্ট সংস্থা গুৱাহাটী মেনেজমেণ্ট এছ'চিয়েছনে যোৱা ২০ আগষ্টত তেওঁলোকৰ ৫৭ সংখ্যক প্ৰতিষ্ঠা দিৱস পালন কৰে। খানাপাৰাস্থিত চিভিল ছাৰ্ভিচ অফিচাৰ্ছ ইনষ্টিউটৰ সভাগৃহত অনুষ্ঠিত গাম্ভীৰ্যপূৰ্ণ সভাত আদৰণি ভাষণ দিয়ে সংস্থাৰ কাৰ্যবাহী সভাপতি অজিত কুমাৰ হাজৰিকাই। জিএমএৰ প্ৰাক্তন সভাপতি চিৰঞ্জীৱ চলিহাই ১৯৭০ত কিদৰে গুৱাহাটী মেনেজমেণ্ট এছচিয়েছন (জিএমএ) প্ৰতিষ্ঠা হৈছিল সভাক অৱগত কৰাৰ লগতে সংস্থাই কৰা গুৰুত্বপূৰ্ণ কাৰ্যসমূহৰ ওপৰতো চমু আলোকপাত কৰে। "দ্যা আছাম ট্ৰিবিউন' কাকতৰ প্ৰাক্তন সাংবাদিক বেদব্ৰত লহকৰে সম্পাদনা কৰা জিএমএৰ বাৰ্ষিক পত্ৰিকা জিএমএ নিউজ-২৬ সভাত উন্মোচন কৰা হয়। সভাত প্ৰাক্তন সভাপতি শান্তিকাম হাজৰিকা আৰু ড° সুনীল কুমাৰ শইকীয়াই জিএমএৰ গৌৰৱোজ্জ্বল অতীতৰ কথা সুঁৱৰি বক্তব্য ডাঙি ধৰে। একেদিনাই জিএম এয়ে আয়োজন কৰা ত্ৰৈমাৰ্সিক *ছয় পৃষ্ঠাত চাওক*

**নগাঁৱত ৮০ হেজাৰ টকা মুল্যৰ ড্ৰাগছ জব্দ ঃ গ্ৰেপ্তাৰ দুই**

## নিষিদ্ধ ড্ৰাগছে ছানি ধৰিছে সমগ্ৰ নগাঁও জিলা

ষ্টাফ ৰিপৰ্টাৰ

**নগাঁও, ২১ আগষ্ট ঃ** নিষিদ্ধ ড্ৰাগছেই ছানি ধৰিছে সমগ্ৰ নগাঁও জিলা। সেয়েহে এতিয়া জিলাখনৰ বাবে এই ড্ৰাগছেই অন্যতম প্ৰধান সমস্যা হৈ পৰিছে। নগাঁও আৰক্ষীয়ে জিলাখনত ড্ৰাগছ বিৰোধী অভিযান তীব্ৰতৰ কৰি তুলিছে যদিও ড্ৰাগছৰ ব্যৱসায় সমূলঞ্চে উৎখাত কৰাত সফল হ'ব পৰা নাই। নিতৌ জিলাখনলৈ নগালেণ্ড, মণিপুৰ, ম্যানমাৰ আদিৰ পৰা সৰবৰাহ হৈ আছে কোটি কোটি টকাৰ ড্ৰাগছ। বিগত দুবছৰ ধৰি নগাঁও *ছয় পৃষ্ঠাত চাওক*



দৈনিক অগ্ৰদূত

গুৱাহাটী শনিবাৰ ৪ ভাদ ১৪৩৩ ভাস্কৰাব্দ ২২ আগষ্ট ২০২৬



# ব্ৰিক্‌ছত ‘ডিজিটেল সেতু’

**ব্ৰিক্‌ছৰ** আগন্তুক বৈঠকত ভাৰতে এক অতি গুৰুত্বপূৰ্ণ প্ৰস্তাৱ আগবঢ়াবলৈ সাজু হৈছে। আফ্ৰিকাৰ সংবাদ সংস্থা আইঅ’এলৰ প্ৰতিবেদনত উল্লেখ কৰা অনুসৰি, ভাৰতে ব্ৰিক্‌ছ সদস্য দেশসমূহক ঘৰুৱা লেন-দেনৰ ক্ষেত্ৰত এক ডিজিটেল সেতু নিৰ্মাণ কৰাৰ প্ৰস্তাৱ আগবঢ়াইছে। এই প্ৰস্তাৱৰ উদ্দেশ্য হৈছে, ব্ৰিক্‌ছৰ সদস্য দেশৰ মাজত স্থানীয় মুদ্ৰাৰ প্ৰত্যক্ষ আৰু দ্ৰুত পৰিশোধ ব্যৱস্থা তৈয়াৰ কৰা। বৰ্তমান ব্ৰিক্‌ছৰ সদস্যৰ মাজত ইন্ধনৰ ব্যৱসায় আৰু আন্তঃৰাষ্ট্ৰীয় বাণিজ্য তথা বিত্তীয় ব্যৱস্থা মূলতঃ ডলাৰত নিৰ্ভৰশীল হৈ আছে। মধ্যপ্ৰাচ্যত সংঘাত বৃদ্ধিৰ লগে লগে খাৰুৱা তেলসহ ইন্ধনৰ মূল্য বৃদ্ধি হ’বলৈ ধৰে আৰু ইয়াৰ ফলত স্থানীয় মুদ্ৰাৰ ওপৰত হেঁচা বৃদ্ধি পায়। সাম্প্ৰতিক সময়ত মধ্যপ্ৰাচ্যৰ সংকটৰ পৰিপ্ৰেক্ষিতত ব্ৰিক্‌ছৰ প্ৰতিখন সদস্য দেশৰ অৰ্থনীতিৰ ব্যাপক নেতিবাচক প্ৰভাৱ প্ৰত্যক্ষ হৈছে। প্ৰায়বোৰ দেশৰে স্থানীয় মুদ্ৰাৰ মূল্য ডলাৰৰ তুলনাত অতি দুৰ্বল হ’বলৈ ধৰিছে। ব্ৰিক্‌ছৰ সদস্য দেশ হিচাপে ভাৰতৰো টকাৰ মূল্য ডলাৰৰ তুলনাত সৰ্বকালৰ দুৰ্বল হোৱাটো সকলোৱে প্ৰত্যক্ষ কৰি আহিছে। ডলাৰৰ বিপৰীতে স্থানীয় মুদ্ৰা অতি দুৰ্বল হোৱাত ব্ৰিক্‌ছ সদস্য দেশৰ মুঠ ঘৰুৱা উৎপাদন (জিডিপি) নিম্নগামী হৈছে। এনে পৰিস্থিতিত ভাৰতে ব্ৰিক্‌ছ দেশৰ বাবে ডলাৰ নিৰ্ভৰশীলতা হ্ৰাস কৰাৰ কথা চিন্তা-চৰ্চা কৰাটো তাৎপৰ্যপূৰ্ণ বিবেচিত হৈছে। ডলাৰৰ আধিপত্যৰ অৱসানৰ লক্ষ্যৰে যদিহে ব্ৰিক্‌ছ দেশসমূহে স্থানীয় মুদ্ৰাৰ জৰিয়তে পাৰস্পৰিক লেন-দেনৰ ক্ষেত্ৰত এক ডিজিটেল সেতু গঢ়ি তুলিব পাৰে, তেন্তে ই আগন্তুক সময়ত বিশ্ব অৰ্থনীতিত এক সুদূৰপ্ৰসাৰী পদক্ষেপ হিচাপে পৰিচিত হ’ব।

বিশ্ব অৰ্থনীতিত পশ্চিম বিশ্বৰ আধিপত্যক প্ৰত্যাহ্বান জনাবলৈকে ব্ৰাজিল, ৰাছিয়া, ভাৰত, চীন আৰু দক্ষিণ আফ্ৰিকাৰ উদ্যোগত ব্ৰিক্‌ছ গোষ্ঠী গঠন হৈছিল। পৰৱৰ্তী সময়ত ব্ৰিক্‌ছ ইজিপ্ত, ইথিউপিয়া, ইৰান, সংযুক্ত আৰব আমিৰাত আৰু ইন্দোনেছিয়াকো সামৰি লোৱা হয়। স্বাভাৱিকতে বিগত দুই দশকত ব্ৰিক্‌ছৰ এক শক্তিশালী আৰু প্ৰভাৱশালী ভূ-ৰাজনৈতিক আৰু আৰ্থিক গোষ্ঠী হিচাপে পৰিচিত হৈছে; কিন্তু এই গোষ্ঠীটোৱে ডলাৰৰ আধিপত্য ৰোধৰ ক্ষেত্ৰত সফল হ’ব পৰা নাই। বৰঞ্চ ব্ৰিক্‌ছ সদস্য দেশে পাৰস্পৰিক বিত্তীয় লেন-দেনৰ ডলাৰকে আগস্থান দিব লগা হৈছে। ডলাৰৰ ব্যৱহাৰৰ ফলত ব্ৰিক্‌ছ দেশে তৃতীয় দেশৰ বেংকিং ব্যৱস্থাৰ সহায় ল’ব লগা হোৱাৰ লগতে ইয়াৰ বাবদ আমেৰিকাৰ বেংকক আন্তৰ্জাতিক লেন-দেনৰ ক্ষেত্ৰত কাৰণত তিনিৰ পৰা পাঁচ শতাংশলৈকো অতিৰিক্ত শুল্ক আদায় দিব লগা হৈছে। ব্ৰিক্‌ছৰ সদস্য দেশ হিচাপে ভাৰতে চীন, ৰাছিয়া, ব্ৰাজিলৰ স’তে সৰ্বাধিক বাণিজ্যিক লেন-দেন কৰি আহিছে আৰু এনে লেন-দেনত ডলাৰৰ বহুল ব্যৱহাৰ হোৱাত ভাৰতে অতিৰিক্ত ধন ভৰিব লগা হৈছে। এনে পৰিস্থিতিত ডলাৰৰ স্থানত ব্ৰিক্‌ছ দেশে স্থানীয় মুদ্ৰাৰে পাৰস্পৰিক লেন-দেন সম্পন্ন কৰিলে তৃতীয় কোনো দেশ যেনে আমেৰিকাৰ হস্তক্ষেপৰ সম্ভাৱনা নাথাকিব।

ব্ৰিক্‌ছ দেশৰ লেন-দেনত নিজা মুদ্ৰা প্ৰৱৰ্তনৰ কথাও উত্থাপন হৈছিল; কিন্তু ভাৰতে ব্ৰিক্‌ছৰ উমৈহতীয়া মুদ্ৰা প্ৰৱৰ্তনৰ পৰিৱৰ্তে সদস্য দেশৰ নিজ নিজ মুদ্ৰাক ডিজিটেল ব্যৱস্থাৰে সাঙুৰি লেন-দেনৰ বিকল্প পদ্ধতি উদ্ভাৱনত গুৰুত্ব দিছে। ব্ৰিক্‌ছ দেশে যাতে প্ৰতিবাৰ লেন-দেনত ডলাৰ ব্যৱহাৰ কৰিবলৈ বাধ্য নহয়, নিজা মুদ্ৰা প্ৰয়োজনত ব্যৱহাৰ কৰিব পাৰে; ভাৰতে সেই কথা নিশ্চিত কৰিব বিচাৰিছে। ইয়াৰ বাবে ভাৰতে ‘ডিডলাৰাইজেচন’ নীতিত গুৰুত্ব দিছে, অৰ্থাৎ ডলাৰৰ ব্যৱহাৰ বন্ধ কৰা নহয়; ইয়াৰ বিকল্প এক বিত্তীয় ব্যৱস্থা ব্ৰিক্‌ছৰ জৰিয়তে ভাৰতে গঠন কৰিব বিচাৰিছে। এই উদ্দেশ্য সফল হ’লে আগন্তুক দিনত আন্তৰ্জাতিক সংকট উদ্ভৱ হ’লেও ব্ৰিক্‌ছ দেশে সহজে নিজৰ মাজত বাণিজ্য অব্যাহত ৰাখিব পাৰিব।

## খোলা মঞ্চ

# যুৱ সমাজক স্বাৱলম্বী কৰি তুলিবলৈ চৰকাৰৰ সদিচ্ছা থকা বুলি ভাবেনে?



**ভাৰত** চৰকাৰৰ ৰাষ্ট্ৰীয় যুৱ নীতি অনুসৰি ১৫ বছৰ বয়সৰ পৰা ২৯ বছৰ বয়সলৈকে দেশৰ মেৰুদণ্ড যুৱ সমাজেই হ’ল ভৱিষ্যৎ ৰাষ্ট্ৰ নিৰ্মাণৰ খনিকৰ। উন্নত মগজু, যুক্তিৰে চিন্তা কৰাৰ ক্ষমতা আৰু অসীম সৃষ্টিশীলতাৰে মানুহ হ’ল পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ জীৱ, অপাৰ সম্ভাৱনাৰ স্থল। মনৰ মাজত সুপ্ত হৈ থকা এই সম্ভাৱনাক উজ্জীৱিত কৰি তুলিবলৈ প্ৰয়োজন নৈতিকভাৱে কৰ্তব্য-দায়িত্বৰ প্ৰতি সজাগ পিতৃ-মাতৃ-অভিভাৱকসকলৰ লগতে সুস্থ সমাজ ব্যৱস্থা আৰু জনহিতৈষী চৰকাৰ এখনৰ সন্মিলিত প্ৰচেষ্টা; কিয়নো এগৰাকী যুৱক বা যুৱতীৰ জীৱন গাথাৰ মূল ভেটি হ’ল, তেওঁলোকৰ শৈশৱ। আৰম্ভণিৰ পৰাই উৎকৃষ্ট মানসিকতাৰ ছত্ৰছায়াত ইয়াৰ অংকুৰণ ঘটাব লাগিব। অসমীয়াত কথা এষাৰ আছে—‘জী হ’ল ডাংকাটী, পো হ’ল চোৰ, তিৰোতা হ’ল বনৰী, উপায় হেৰাল মোৰ।’ উন্নত ঘৰৰ পৰাই গঠন হয় এখন উন্নত সমাজ আৰু তাৰ মাধ্যমত সৃষ্টি হয়, অসাধাৰণ গুণবিশিষ্ট মানৱ সম্পদ।

**খনীন্দ্ৰ নাথ ডেকা**

বৰ্তমান দেখা দিয়া বিশৃংখল সমাজ ব্যৱস্থা, ধন আৰু ক্ষমতাৰ দৌৰাত্ম্য, বিকৃত জীৱন শৈলী তথা দিনক দিনে বাঢ়ি অহা নিবনুৱা সমস্যাই যুৱকসকলৰ মানসিক চাপ বৃদ্ধিৰ লগতে উচ্ছৃংখল কৰি তুলিছে। সূক্ষ্মভাৱে বিচাৰ কৰিলে দেখা পাওঁ এই সমস্যাবোৰ হঠাৎ উদ্ভৱ হোৱা সমস্যা নহয়। কেইজনমান নেতাক বাদ দি স্বাধীনোত্তৰ কালৰ পৰাই লুণ্ঠনৰাজ চলোৱা অদূৰদৰ্শী নেতাসকলৰ অপৰিপক্ক নীতিৰ বাবেই এই পৰিণতি! অসমৰ ক্ষেত্ৰত ইয়াৰ স্থান আৰু বেছি ভয়াৱহ। ইয়াৰ পৰা নিষ্কৃতি পাবলৈ আমি ৰাজনৈতিক পাঠ পঢ়িব লাগিব। বাস্তৱ ক্ষেত্ৰত সমস্যাবোৰ যেতিয়া আমাৰেই সৃষ্টি, চৰকাৰৰ ওপৰত সকলো দোষ এৰি দি নিধিৰাম চৰ্দাৰ হৈ বহি থাকিলে নহ’ব। পাহৰি গ’লে নহ’ব যে কম্পিউটাৰ ব্যৱহাৰৰ বিৰোধ কৰা আমি এতিয়া ডিজিটেল বিশ্বৰ নাগৰিক হিচাপে ৰোবোটিক্স, কৃত্ৰিম বুদ্ধিমত্তা ইত্যাদিৰ দিশে আগবাঢ়ি আছো। সেয়েহে অৰ্থনীতি আৰু সমাজৰ সৰ্বাংগীণ বিকাশত চৰকাৰৰ দৃষ্টিভংগী সুদূৰপ্ৰসাৰী হ’ব লাগিব। এই ক্ষেত্ৰত যুৱপ্ৰজন্মক লৈ চৰকাৰৰ ভূমিকা আৰু বেছি সক্ৰিয় আৰু সৃষ্টিশীল হ’ব লাগিব।

হিতাধিকাৰীলৈ বিভিন্ন আঁচনিৰ ধন, বিনামূলীয়াকৈ খাদ্য সম্ভাৰৰ যোগান প্ৰশংসনীয়, কিন্তু লাখ লাখ নিবনুৱাৰ মাজত কেইজনমানক চাকৰি দিব পাৰিলেই সমস্যাৰ সমাধান নহয়। অৰ্থনৈতিকভাৱে স্বাৱলম্বী কৰি তুলিবলৈ হ’লে তেওঁলোকৰ বাবে বিশেষ কাঠামো তৈয়াৰ কৰিব লাগিব। শেহতীয়াকৈ ‘নীট’ প্ৰসংগত লক্ষ লক্ষ যুৱক-যুৱতীৰ মনত চৰকাৰৰ প্ৰতি উদ্ভৱ হোৱা হীন মনোভাৱ চৰকাৰখনৰ বাবে চৰম ব্যৰ্থতা। সৰ্বশেষত এটা কথাই ক’ম যে যুৱসমাজক উদ্বুদ্ধ কৰিব পৰাকৈ চৰকাৰৰ তেনেকুৱা কোনো আঁচনি পৰিলক্ষিত হোৱা নাই। আশা কৰো, এতিয়ালৈকে বিভিন্ন উন্নয়নশীল দেশৰ ৩১টা সৰ্বোচ্চ অসামৰিক সন্মান লাভ কৰা ভাৰতবৰ্ষৰ অন্যতম শ্ৰেষ্ঠ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিভিন্ন দেশ ভ্ৰমণৰ অভিজ্ঞতাপুষ্ট জ্ঞানেৰে দেশৰ আন্তঃগাঁথনিৰ মূল সুঁতিবোৰ কাৰ্যক্ষম কৰি তুলিবলৈ সক্ষম হ’ব।

ফোন ঃ ৯৭০৬১০১৬৫৬

# ষষ্ঠ যুদ্ধক্ষেত্ৰৰ প্ৰভাৱ আৰু ইয়াৰ প্ৰতিকাৰ

জেন-জি বা নতুন প্ৰজন্ম সামাজিক মাধ্যম আৰু অ্যালগৰিদমে বাছি দিয়া তথ্যৰ স’তে গভীৰভাৱে জড়িত। এই প্ৰজন্ম দ্ৰুতগতিত সংগঠিত হ’ব পাৰে, শাসন ব্যৱস্থাৰ ব্যৰ্থতাৰ বিৰুদ্ধে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিব পাৰে আৰু ৰাজনৈতিক আন্দোলনত সক্ৰিয় ভূমিকা ল’ব পাৰে। কিন্তু একে সময়তে এওঁলোক ভুল তথ্য, বিদেশী প্ৰভাৱ আৰু কৃত্ৰিম ডিজিটেল প্ৰচাৰৰো সহজ লক্ষ্য হ’ব পাৰে



২০২১ৰ ২১ নৱেম্বৰত হায়দৰাবাদৰ এছভিপিএনপিএত আইপিএছ প্ৰশিক্ষণাৰ্থীৰ ৭৩ তম বেচক সম্বোধন কৰি ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা অজিত ডোভালে কৈছিল যে আভ্যন্তৰীণ সুৰক্ষাৰ ধাৰণা সলনি হৈছে। একবিংশ শতিকাৰ যুদ্ধ এতিয়া কেৱল স্থল, নৌ, সাগৰৰ তলত, আকাশ বা অন্তৰীক্ষ, ডিজিটেল ক্ষেত্ৰকে আদি কৰি পাঁচ মঞ্চতে সীমাবদ্ধ নহয়। আধুনিক প্ৰতিপক্ষৰ লক্ষ্য হৈছে দেশৰ নাগৰিকৰ মন-মগজু প্ৰভাৱিত কৰি ভিতৰৰ পৰাই ৰাষ্ট্ৰীয় ব্যৱস্থাক দুৰ্বল কৰা। আজিৰ সংঘাতৰ জৰিয়তে এক ষষ্ঠ যুদ্ধক্ষেত্ৰ গঢ় লৈ উঠিছে—ইয়াক চিন্তা-চেতনাৰ ক্ষেত্ৰ বুলি ক’ব পাৰি। আগতে যুদ্ধৰ মূল ক্ষেত্ৰ আছিল স্থল, জল, বায়ু, মহাকাশ আৰু চাইবাৰ জগত। এতিয়া মানুহে কি ভাবে, কাক বিশ্বাস কৰে, কেনেকৈ সিদ্ধান্ত লয়-সেইবোৰো সংঘাতৰ লক্ষ্য হৈ উঠিছে। এনএটিঅত এই প্ৰক্ৰিয়াক ‘কগনিটিভ ৱাৰফেয়াৰ’ বা মানসিক-চিন্তাগত যুদ্ধ হিচাপে স্বীকৃতি দিছে। ইয়াৰ উদ্দেশ্য হৈছে কোনো সমাজ বা নেতৃত্বৰ ওপৰত মানসিক সুবিধা লাভ কৰা।

দিল্লীৰ ২০২৬ ৰ যন্তৰ-মন্তৰ ঘটনাটো এই ধৰণৰ সংঘাতৰ উদাহৰণ হিচাপে ধৰা যায়। নীট প্ৰশ্নকাকত ফাদিলৰ অভিযোগক লৈ শিক্ষাৰ্থীৰ এক বাস্তৱ ক্ষোভ আছিল। কিন্তু বট নেটৱৰ্ক, হেছটেগ দখল, ভুৱা একাউণ্ট আৰু কৃত্ৰিম জনসমৰ্থনৰ জৰিয়তে সেই ক্ষোভক দেশজুৰি ৰাষ্ট্ৰবিৰোধী বিদ্ৰোহৰ ৰূপ দিবলৈ চেষ্টা কৰা হৈছিল বুলি সুৰক্ষা মূল্যায়নত উল্লেখ কৰা হয়। ইয়াৰ ফলত এটা মৌলিক প্ৰশ্ন উঠে যেতিয়া ভূমি নহয়, মানুহৰ মনেই যুদ্ধক্ষেত্ৰ হয়, তেতিয়া ৰাষ্ট্ৰীয় সুৰক্ষা সংস্থা আৰু আৰক্ষীয়ে ইয়াক প্ৰতিহত কৰিবলৈ কেনেকৈ প্ৰস্তুত হ’ব?

সুৰক্ষা বিশ্লেষকসকলৰ মতে, ভাৰতৰ প্ৰতিপক্ষসকলে প্ৰত্যক্ষ সামৰিক সংঘাতত নামিবলৈ সদায় ইচ্ছুক নহয়। কাৰণ তেনে সংঘাত ব্যয়বহুল আৰু ধ্বংসাত্মক। সেয়ে কম খৰচত অধিক প্ৰভাৱ পেলাব পৰা তথ্য আৰু সামাজিক মাধ্যমৰ ক্ষেত্ৰখন তেওঁলোকৰ বাবে অধিক সুবিধাজনক যুদ্ধক্ষেত্ৰ হৈ উঠিছে।

অসন্তোষক অস্ত্ৰ হিচাপে ব্যৱহাৰ

গুপ্তচৰ বা নিৰাপত্তাৰ ভাষাত এই ধৰণৰ কৌশলক ‘চাবভাৰ্ছন’ বা ভিতৰৰ পৰা দুৰ্বল কৰাৰ প্ৰচেষ্টা বুলি কোৱা হয়। ইয়াৰ এটা চিনাকি ধাৰা আছে—

সমাজৰ কোনো অপূৰণীয় সমস্যা বা অসন্তোষ চিনাক্ত কৰা— মানুহৰ ক্ষোভ বাঢ়িবলৈ দিয়া- তাৰ পাছত সমন্বিত ডিজিটেল প্ৰচাৰৰ জৰিয়তে সেই ক্ষোভক বহুগুণে বৃদ্ধি কৰা

যন্তৰ-মন্তৰৰ ঘটনাত বিদেশভিত্তিক পৰিচালক, স্বয়ংক্ৰিয় একাউণ্ট, ভুৱা প্ৰফাইল আৰু প্ৰক্সি লোকেচন ব্যৱহাৰ কৰি কৃত্ৰিমভাৱে জনসমৰ্থন দেখুৱাবলৈ চেষ্টা কৰা হৈছিল বুলি অনুসন্ধান চলিছিল। সংগঠিত গোটৰ অনুপ্ৰৱেশ, বিদেশী নেটৱৰ্কৰ ডিজিটেল ভূমিকা আৰু বিদেশী পুঁজিৰে চলা সংগঠনৰ সম্ভাব্য সম্পৰ্ক আদি বিষয়ো তদন্তৰ আওতালৈ আহিছিল।

এই কৌশলসমূহৰ ভিতৰত আছিল—

**হেছটেগ হাইজেকিং ঃ** কোনো হেছটেগক কৃত্ৰিমভাৱে বহুল প্ৰচাৰ কৰি অধিক দৃশ্যমান কৰা

**এষ্ট্ৰ’টাৰ্ফিং ঃ** স্বাভাৱিক জনমত বা তৃণমূলৰ আন্দোলন যেন দেখুৱাই কৃত্ৰিম সমৰ্থন সৃষ্টি কৰা— উত্তেজনামূলক শিৰোনাম আৰু বিকৃত প্ৰসংগৰে ভিডিঅ’ প্ৰচাৰ কৰা

ইয়াৰ ফলত গণতান্ত্ৰিক বিতৰ্কৰ সূক্ষ্মতা নষ্ট হয়। জটিল বিষয়ক ‘ৰাষ্ট্ৰৰ পক্ষে’ আৰু ‘ৰাষ্ট্ৰৰ বিপক্ষে’—এই দুটা বিপৰীত শিবিৰলৈ অৱনমিত কৰা হয়।

**কগনিটিভ যুদ্ধ কি?**

কগনিটিভ যুদ্ধৰ লক্ষ্য কেৱল মানুহে কি চিন্তা কৰে সেয়া সলনি কৰা নহয়; বৰঞ্চ মানুহে চিন্তা কৰাৰ ধৰণটোকেই প্ৰভাৱিত কৰাৰ এক প্ৰচেষ্টা। নাটোৰ মতে, প্ৰযুক্তিৰ সহায়ত মানুহৰ আচৰণ, সিদ্ধান্ত, বিশ্বাস, মনোযোগ আৰু যুক্তিবোধক প্ৰভাৱিত বা বিঘ্নিত কৰাই এই কৌশলৰ উদ্দেশ্য। ই সাধাৰণ মানসিক প্ৰচাৰতকৈ অধিক গভীৰ। এই যুদ্ধত মানুহৰ মনোযোগ, বিশ্বাস, বিচাৰ-বিবেচনা, সিদ্ধান্ত লোৱাৰ ক্ষমতা, সমাজ আৰু ৰাষ্ট্ৰ সম্পৰ্কে ধাৰণা— এই সকলোবোৰকে প্ৰতিদ্বন্দ্বিতাৰ ক্ষেত্ৰ হিচাপে দেখা হয়।

**সামাজিক মাধ্যমৰ অ্যালগৰিদমৰ ভূমিকা ঃ**

ফেচবুক, ইউটিউব, এক্স, ইনষ্টাগ্ৰাম আদি সামাজিক মাধ্যমৰ ‘ৰেকমেণ্ডাৰ চিষ্টেম’ (প্ৰস্তাৱ দিয়া পদ্ধতি) বা অ্যালগৰিদমে এই ধৰণৰ অভিযান চলোৱাত ডাঙৰ ভূমিকা ল’ব পাৰে। এই ব্যৱস্থাই মানুহে বেছি সময় চোৱা, বিতৰ্ক কৰা বা প্ৰতিক্ৰিয়া জনোৱা বিষয়বোৰক অধিক আগবঢ়ায়। ফলত খং, ভয়, ঘৃণা বা উত্তেজনা সৃষ্টি কৰা বিষয়বোৰ অধিক দ্ৰুতগতিত বিয়পি পৰে—সেই তথ্য সঠিক নে ভুল, সেয়া বহু সময়ত গৌণ হৈ পৰে। ২০১৭ৰ ২৫ আগষ্টৰ পাছত ম্যানমাৰত ৰোহিংগাসকলৰ বিৰুদ্ধে হোৱা আক্ৰমণ আৰু সামৰিক অভিযানৰ সময়ত



**পল্লৱ ভট্টাচাৰ্য্য**

সামাজিক মাধ্যমত ঘৃণামূলক প্ৰচাৰ ব্যাপকভাৱে বিয়পি পৰিছিল। মানৱাধিকাৰ সংগঠন আৰু ৰাষ্ট্ৰসংঘৰ অনুসন্ধানত ফেচবুকৰ দৰে মঞ্চই ঘৃণামূলক বক্তব্য প্ৰচাৰত গুৰুত্বপূৰ্ণ ভূমিকা লোৱা বুলি কোৱা হৈছিল। বিভিন্ন অধ্যয়নে দেখুৱাইছে যে অ্যালগৰিদমে ব্যৱহাৰকাৰীক অতি কম সময়ৰ ভিতৰতে অধিক চূড়ান্ত বা উগ্ৰ বিষয়বস্তুৰ ফালে ঠেলি দিব পাৰে। একে ধৰণৰ ভিডিঅ’, প’ষ্ট বা মতামত বাৰে বাৰে দেখুওৱাৰ ফলত মানুহৰ চিন্তাৰ পৰিসৰ সংকুচিত হ’ব পাৰে।

**যুৱ প্ৰজন্ম আৰু ডিজিটেল প্ৰভাৱ ঃ**

জেন-জি বা নতুন প্ৰজন্ম সামাজিক মাধ্যম আৰু অ্যালগৰিদমে বাছি দিয়া তথ্যৰ স’তে গভীৰভাৱে জড়িত। এই প্ৰজন্ম দ্ৰুতগতিত সংগঠিত হ’ব পাৰে, শাসন ব্যৱস্থাৰ ব্যৰ্থতাৰ বিৰুদ্ধে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিব পাৰে আৰু ৰাজনৈতিক আন্দোলনত সক্ৰিয় ভূমিকা ল’ব পাৰে। কিন্তু একে সময়তে এওঁলোক ভুল তথ্য, বিদেশী প্ৰভাৱ আৰু কৃত্ৰিম ডিজিটেল প্ৰচাৰৰো সহজ লক্ষ্য হ’ব পাৰে।

গৱেষণাই দেখুৱায় যে নেতিবাচক বা উত্তেজনামূলক অ্যালগৰিদমিক বিষয়বস্তুৰ সঘন সংস্পৰ্শই ৰাজনৈতিক পৰিৱৰ্তনৰ বিশ্বাস, প্ৰতিবাদত অংশগ্ৰহণৰ আগ্ৰহ আৰু সাধাৰণ উদ্বেগ বঢ়াব পাৰে। কিশোৰ-কিশোৰীৰ উগ্ৰপন্থাৰ ক্ষেত্ৰতো অ্যালগৰিদমিক পৰামৰ্শ ক্ৰমে এক গুৰুত্বপূৰ্ণ মাধ্যম হৈ উঠিছে। ই মানুহক একে ধৰণৰ অধিক চূড়ান্ত বিষয়বস্তুৰ ফালে বাৰে বাৰে টানি নিব পাৰে। বিশ্বৰ বিভিন্ন দেশত ডিজিটেল মঞ্চৰ সহায়ত যুৱ-নেতৃত্বাধীন, বহু ক্ষেত্ৰত নেতাবিহীন আন্দোলন গঢ় লৈ উঠিছে। সামাজিক মাধ্যমে বিকেন্দ্ৰীকৃত সংগঠন, সাংকেতিক ভাষা আৰু ভাইৰেল প্ৰচাৰৰ সুবিধা দিয়ে। কিন্তু ইয়াৰ বিপদো আছে—বিদেশী হস্তক্ষেপ, কৃত্ৰিম সমৰ্থন, বিভ্ৰান্তিকৰ তথ্য আৰু পৰৱৰ্তী সময়ত কঠোৰ ডিজিটেল নিয়ন্ত্ৰণৰ আশংকা সামাজিক মাধ্যমৰ নেতিবাচক দিশ হ’ব পাৰে।

**ভাৰতৰ বাবে প্ৰয়োজনীয় প্ৰস্তুতি**

ভাৰতত জেন-জি ক্ৰমে ভোটাৰ আৰু কৰ্মশক্তিৰ এটা প্ৰধান অংশ হৈ উঠিছে। এই প্ৰজন্ম একেদৰে শাসনৰ ব্যৰ্থতাৰ বিৰুদ্ধে দ্ৰুতভাৱে সংগঠিত হ’ব পাৰে, আৰু বাহিৰৰ শক্তিয়ে পৰিকল্পিতভাৱে চলোৱা মানসিক প্ৰভাৱ অভিযানৰ লক্ষ্যও হ’ব পাৰে। ৰাষ্ট্ৰীয় সুৰক্ষা ব্যৱস্থাৰ এটা ডাঙৰ দুৰ্বলতা হৈছে ‘কাউণ্টাৰ-নেৰেটিভ লেগ’ বা ওলোটা ব্যাখ্যা দিয়াত ঘটা পলম। অৰ্থাৎ, কোনো ঘটনা ঘটাৰ প্ৰথম কেইঘণ্টাত চৰকাৰ বা সংশ্লিষ্ট সংস্থাই স্পষ্ট, বিশ্বাসযোগ্য আৰু দ্ৰুত তথ্য দিব নোৱাৰে। সেই সময়ৰ খালী ঠাই পক্ষপাতদুষ্ট সংবাদ মাধ্যম, ভুৱা একাউণ্ট, গুজব আৰু বিভিন্ন অৰাষ্ট্ৰীয় গোটে দখল কৰি লয়। গণতান্ত্ৰিক দেশৰ এই ক্ষেত্ৰত এক বিশেষ অসুবিধা আছে। মুক্ত বাকস্বাধীনতা, ন্যায়িক প্ৰক্ৰিয়া আৰু স্বাধীন সংবাদ মাধ্যমৰ কাৰণে চৰকাৰে ইচ্ছামতে বা অতি দ্ৰুতগতিত তথ্য নিয়ন্ত্ৰণ কৰিব নোৱাৰে। কিন্তু প্ৰভাৱ অভিযান চলোৱা পক্ষই বহু সময়ত এনে নিয়ম মানি চলিব নালাগে।

তথাপি, কিছুমান দেশৰ অভিজ্ঞতাৰ পৰা শিক্ষা ল’ব পাৰি—

**টাইৱান ঃ** ভুৱা তথ্য চিনাক্ত কৰা, খণ্ডন কৰা, প্ৰসাৰ ৰোধ কৰা আৰু প্ৰয়োজনীয় শাস্তিমূলক ব্যৱস্থা লোৱাৰ সমন্বিত পদ্ধতি গঢ়ি তুলিছে। নাগৰিক সমাজৰ ফেক্ট-চেকিং সংস্থাও ইয়াত জড়িত।

**ইউৰোপীয় সংঘ ঃ** ডিজিটেল ছাৰ্ভিচেছ এক্টৰ জৰিয়তে বৃহৎ অনলাইন প্লেটফৰ্মক ভুৱা তথ্য, অ্যালগৰিদমিক হেৰফেৰ আৰু অন্যান্য ব্যৱস্থাগত বিপদ মূল্যায়ন কৰিবলৈ বাধ্য কৰা হয়।

**ৰোমানিয়া ঃ** অনলাইন জগতত বিভ্ৰান্তিকৰ বিষয়বস্তুৰ ওপৰত নজৰ ৰাখি চাইবাৰ অপৰাধ তদন্ত আৰু দ্ৰুত জন-যোগাযোগ অভিযান চলায়।

**আমেৰিকা যুক্তৰাষ্ট্ৰ ঃ** কিছুমান আৰক্ষী গৱেষণাই ভুল তথ্যক কাৰ্যকৰী সুৰক্ষা-ভাবুকি হিচাপে ল’বলৈ, সামাজিক মাধ্যম সক্ৰিয়ভাৱে পৰ্যবেক্ষণ কৰিবলৈ আৰু বিশেষ বিভ্ৰান্তি-বিৰোধী গোট গঠন কৰিবলৈ পৰামৰ্শ দিয়ে।

**ভাৰতৰ কৰণীয় ঃ**

ভাৰতৰ সুৰক্ষা ব্যৱস্থাই তথ্য-সহনশীলতাক কেৱল জনসংযোগৰ কাম বুলি বিবেচনা নকৰি মূল সুৰক্ষা দায়িত্ব হিচাপে লোৱা উচিত। তাৰ বাবে—

কেন্দ্ৰীয় গোয়েণ্ডা সংস্থা আৰু ৰাজ্যিক আৰক্ষীত কগনিটিভ তথা তথ্য-ক্ষেত্ৰৰ বিশেষ গোট গঠন কৰা।

ভুৱা একাউণ্ট, সমন্বিত অসত্য আচৰণ আৰু কৃত্ৰিম প্ৰচাৰ বাস্তৱ সময়তে ধৰা পেলোৱাৰ সক্ষমতা গঢ়ি তোলা।

আগতেই অনুমোদিত, তথ্যভিত্তিক আৰু দ্ৰুত ওলোটা বাৰ্তাৰ ব্যৱস্থা গঢ়ি তোলা।

সামাজিক মাধ্যম কোম্পানীৰ স’তে সহযোগিতামূলকভাৱে জবাবদিহিতাৰ ব্যৱস্থা গঢ়ি তোলা; অথবা সম্পূৰ্ণ ইণ্টাৰনেট বন্ধক মূল উপায় নকৰা যুৱকসকলৰ বাবে ডিজিটেল আৰু অ্যালগৰিদমিক সাক্ষৰতা কাৰ্যসূচী বিস্তৃত কৰা ৰাজ্যসমূহৰ মাজত গোয়েণ্ডা তথ্য আৰু কাৰ্যকৰী পদক্ষেপৰ সমন্বয় শক্তিশালী কৰা আৰক্ষী আৰু সুৰক্ষা কৰ্মীৰ ব্যক্তিগত ডিজিটেল তথ্য সুৰক্ষিত ৰাখিবলৈ বিশেষ নীতি গঢ়ি তোলা, যাতে ডক্সিং বা লক্ষ্যভিত্তিক অনলাইন হাই-ৰাণিৰ পৰা তেওঁলোক সুৰক্ষিত থাকে।

আগন্তুক দশকত ভাৰতত চিন্তা-চেতনা আৰু তথ্যৰ ওপৰত আধাৰিত সংঘাত অধিক সঘন আৰু জটিল হোৱাৰ সম্ভাৱনা আছে। ইয়াৰ উত্তৰ মতভেদ বা ভিন্ন মত দমন কৰা নহয়। অধিক ফলপ্ৰসূ উত্তৰ হ’ল— দ্ৰুত আৰু বিশ্বাসযোগ্য বিপৰীতমুখী তথ্য দিয়া, অনলাইন প্লেটফৰ্মক স্বচ্ছ আৰু জবাবদিহিমূলক কৰা আৰু যুৱ প্ৰজন্মক কৃত্ৰিম জনমত চিনাক্ত কৰাৰ যোগ্যতা দিয়া। তেতিয়াহে ডিজিটেল প্ৰচাৰে বাস্তৱ জগতক অস্থিৰতালৈ পৰ্যবসিত কৰাৰ ৰূপ আগতেই সমাজে সেয়া বুজি উঠি শান্তি ৰক্ষাত অৰিহণা যোগাব পাৰিব।

*লেখক অসম চৰকাৰৰ অৱসৰপ্ৰাপ্ত আৰক্ষী সঞ্চালক প্ৰধান; অসম লোকসেৱা আয়োগৰ প্ৰাক্তন অধ্যক্ষ আৰু ‘আৱাজ-দ্য ভইচ অসম’ৰ মুখ্য কাৰ্যবাহী বিষয়া’*

ফোন ঃ ৯৪৩৫০৪৮৭৭৭

# হিংসাৰ উত্তাপত স্তব্ধ অসম-মেঘালয়ৰ যাতায়াত

**১৯৪৭ৰ** পাছৰ পৰা সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ ভূ-ৰাজনৈতিক ক্ষেত্ৰত যিবোৰ আন্তঃৰাজ্যিক সংঘাত আৰু জনজাতীয়-অজনজাতীয় মনস্তাত্ত্বিক ব্যৱধান প্ৰকট হৈ পৰিছে, তাৰ এক জ্বলন্ত আৰু উদ্বেগজনক প্ৰতিফলন ঘটিল শেহতীয়াকৈ শ্বিলঙৰ ৰাজপথত সংঘটিত হিংসাত্মক ঘটনা আৰু তাৰ প্ৰতিক্ৰিয়াস্বৰূপে অসম-মেঘালয় সীমান্তৰ যোৱাবাটত সৃষ্টি হোৱা অভূতপূৰ্ব যান-বাহন অৱৰোধৰ জৰিয়তে। খাচি ষ্টুডেণ্টছ ইউনিয়নে চমুকৈ কে এছ ইউ নামৰ ছাত্ৰ সংগঠনটোৱে আহ্বান জনোৱা এক ক’লা পতাকা বাইক ৰেলীৰ সুযোগ লৈ মুখত কাপোৰ বা মাস্ক পৰিহিত, নম্বৰ প্লেট ঢাকি ৰখা এদল উদণ্ড যুৱকে যিধৰণে ৰাজপথত উপদ্ৰৱ চলালে, সি কেৱল আইনী ব্যৱস্থাক বুঢ়া আঙুলি দেখুওৱাই নহয়, বৰঞ্চ সমগ্ৰ পাহাৰীয়া ৰাজ্যখনত যুগ যুগ ধৰি বসবাস কৰি অহা অ-জনজাতীয় লোকসকলৰ লগতে চুবুৰীয়া অসমৰ পৰা যোৱা স্বাভাৱিক যাত্ৰী আৰু পৰ্যটকৰ মনত গভীৰ ভীতিৰ সঞ্চাৰ কৰিলে। লাঠি, লোহাৰ ৰড লৈ সাধাৰণ পথচাৰীক প্ৰহাৰ কৰা, যান-বাহন ভাঙি চুৰমাৰ কৰা, আনকি বাহনত অগ্নিসংযোগ কৰাৰ দৰে উগ্ৰ কাৰ্যই এইটো স্পষ্ট কৰি দিলে যে এক গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰাৰ নামত আইন হাতত তুলি লোৱাৰ যি অপসংস্কৃতি মেঘালয়ত গঢ় লৈ উঠিছে, তাক সময় থাকোতেই কঠোৰ হাতেৰে দমন নকৰিলে তাৰ পৰিণাম গোটেই অঞ্চলটোৰ বাবেই ভয়াবহ হ’ব।

এই অৰাজকতাৰ প্ৰত্যুত্তৰত অসম ষ্টেট ড্ৰাইভাৰ্ছ এছ’চিয়েচন চমুকৈ এএছডিএ নামৰ পৰিবহণ শ্ৰমিক সংগঠনটোৱে যোৱাবাট সীমান্তত মেঘালয়ৰ বাহনসমূহ অসমত প্ৰৱেশ আৰু প্ৰস্থান কৰাত যি শান্তিপূৰ্ণ বাধা আৰোপ কৰিলে, সি আছিল মেঘালয় প্ৰশাসন আৰু ছাত্ৰ সংগঠনসমূহৰ প্ৰতি এক তীব্ৰ আৰু অৰ্থপূৰ্ণ সকীয়নি। কোনো হিংসাৰ আশ্ৰয় নোলোৱাকৈ, জৰুৰীকালীন চিকিৎসা সেৱাৰ বাহন আৰু ৰোগী কঢ়িওৱা গাড়ীক কোনো বাধা নিদিয়াকৈ কেৱল বাণিজ্যিক আৰু ব্যক্তিগত বাহনসমূহ আৱদ্ধ কৰি চালকসকলে প্ৰতিবাদ সাব্যস্ত কৰাৰ এই শৈলীয়ে প্ৰমাণ কৰিলে যে অৰ্থনৈতিক আৰু যাতায়াতৰ জীৱনৰেখাডাল কিমান স্পৰ্শকাতৰ। মেঘালয়ৰ দৰে ভূ-বেষ্টিত ৰাজ্য এখনৰ বাবে অসম হ’ল বহিঃজগতৰ স’তে সংযোগ স্থাপনৰ একমাত্ৰ মাধ্যম। খাদ্য সামগ্ৰী, ইন্ধন, পৰ্যটনৰ পৰা আৰম্ভ কৰি দৈনন্দিন প্ৰয়োজনীয় প্ৰতিটো বস্তুৰ বাবে গুৱাহাটী-শ্বিলং ৰাষ্ট্ৰীয় ঘাইপথটোৰ

**সত্যব্ৰত বৰা**

ওপৰত নিৰ্ভৰশীল হৈ থকা এখন ৰাজ্যৰ নিৰাপত্তা ব্যৱস্থা যেতিয়া চুবুৰীয়া ৰাজ্যৰ চালক আৰু পৰ্যটকৰ বাবে ভাবুকিস্বৰূপ হৈ পৰে, তেতিয়া এনে ধৰণৰ প্ৰতিক্ৰিয়া অৱশ্যম্ভাৱী হৈ পৰে।

শ্বিলঙৰ সমদলটোৰ মূল উদ্দেশ্য আছিল মেঘালয় ৰেছিডেণ্টছ চেফটি এণ্ড ছিকিউৰিটি এক্ট ২০১৬ৰ সম্পূৰ্ণ ৰূপায়ণ আৰু ইনাৰ লাইন পাৰমিট চমুকৈ আইএলপি ব্যৱস্থা প্ৰৱৰ্তনৰ দাবীত চৰকাৰক দিয়া ১৫ দিনীয়া সময়সীমাৰ অন্ত পৰাৰ পাছত প্ৰতিবাদ প্ৰকাশ কৰা। নিজৰ ৰাজ্যৰ জনজাতীয় অধিকাৰ, জনগাঁথনিগত সুৰক্ষা আৰু উচ্ছেদৰ ভয় নিবাৰণৰ বাবে আইএলপিৰ দৰে সাংবিধানিক সুৰক্ষাকৱচৰ দাবী জনোৱাটো কোনো অবৈধ বা অগণতান্ত্ৰিক কথা হ’ব নোৱাৰে। উত্তৰ-পূৰ্বাঞ্চলৰ কে’বাখনো ৰাজ্যত ইতিমধ্যে আইএলপি ব্যৱস্থা প্ৰযোজ্য হৈ আছে আৰু মেঘালয়ৰ উপজাতীয় সমাজেও দীৰ্ঘদিনৰ পৰা এই দাবী উত্থাপন কৰি আহিছে। কিন্তু নিজৰ অধিকাৰ বিচাৰিবলৈ গৈ অনাকাংক্ষিতভাৱে নিৰ্দোষী পথচাৰীক ৰক্তাক্ত কৰা, সুদূৰ ৰাজস্থান বা পশ্চিমবংগৰ পৰা হিলটপ চাবলৈ অহা পৰ্যটকৰ গাড়ী জ্বলাই দিয়া আৰু নেতাজী সুভাষ চন্দ্ৰ বসু বা স্বামী বিবেকানন্দৰ দৰে মহান ব্যক্তিৰ আৱক্ষ মূৰ্তি ভাঙি পেলোৱাটোৱে কেতিয়াও কোনো আন্দোলনক পৱিত্ৰতা প্ৰদান নকৰে। বৰঞ্চ এনে উগ্ৰতাই আন্দোলনৰ মূল লক্ষ্যক বিপথে পৰিচালিত কৰে আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত আন্দোলনকাৰীসকলৰ ভাৱমূৰ্তি বিনষ্ট কৰে। পূৰ্বতে শান্তি বৰ্তাই ৰখাৰ অংগীকাৰ কৰি প্ৰশাসনৰ পৰা ৰেলীৰ অনুমতি লৈ পিছত এইদৰে নিয়ম উলংঘা কৰাৰ পাছত মেঘালয় আৰক্ষীয়ে কে’বাটাও স্থানত অভিযান চলাই কেএছইউৰ সভাপতি ৰেমণ্ড খাৰজানা, উপ-সভাপতি পিংকমেনলাং সানমিয়েট আৰু সাধাৰণ সম্পাদক ৰুবেন নাজিয়াৰক গ্ৰেপ্তাৰ কৰিবলৈ বাধ্য হ’ল। পূব খাচি পাহাৰ জিলাৰ জিলা উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকৰ এই পদক্ষেপ নিশ্চিতভাৱে প্ৰশংসনীয়, কাৰণ আইনী শাসন যিকোনো গণতান্ত্ৰিক ব্যৱস্থাৰ মূল ভেটি। সমগ্ৰ দেশলৈ এই বাৰ্তা যোৱাটো জৰুৰী আছিল যে শ্বিলং কোনো অৰাজকতাৰ স্থান নহয় আৰু আন্দোলনৰ আঁৰত গুণ্ডাগিৰি চলোৱাসকলক চৰকাৰে কোনো কাৰণতে প্ৰশ্ৰয় নিদিয়ে। যদিও কেএছইউৰ দৰে শক্তিশালী ছাত্ৰ সংগঠনে পাছত এই অনাকাংক্ষিত ঘটনাৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰিলে আৰু আন্দোলনৰ পৰৱৰ্তী কাৰ্যসূচী স্থগিত



ৰাখিলে, তথাপি যি ক্ষতি হ’বলৈ আছিল সেয়া ইতিমধ্যে হৈ গ’ল।

এই হিংসাত্মক ঘটনাৰ আটাইতকৈ ভয়াবহ প্ৰভাৱ পৰিছে মেঘালয়ৰ অৰ্থনীতিৰ প্ৰধান চালিকা শক্তি পৰ্যটন খণ্ডৰ ওপৰত। সেউজ পাহাৰ, জলপ্ৰপাত আৰু প্ৰাকৃতিক সুন্দৰতাৰে উপচি থকা স্কটলেণ্ড অৱ দ্য ইষ্ট হিচাপে খ্যাত শ্বিলং আৰু তাৰ আশে-পাশে থকা অঞ্চলসমূহলৈ প্ৰতিদিনে হেজাৰ হেজাৰ পৰ্যটকৰ আগমন ঘটে। এই পৰ্যটকসকলৰ প্ৰায় ৭০ শতাংশই আহে অসমৰ মাধ্যমেৰে আৰু তাৰ ভিতৰত এক বৃহৎ অংশ হৈছে অসম, পশ্চিমবংগ আৰু দেশৰ অন্যান্য প্ৰান্তৰ অ-জনজাতীয় সম্প্ৰদায়ৰ লোক। যেতিয়া ৰাজপথত অ-জনজাতীয় আৰু অ-স্থানীয় লোকক বাচি বাচি আক্ৰমণ কৰাৰ খবৰ ছ’চিয়েল মিডিয়া আৰু সংবাদ মাধ্যমত বিয়পি পৰে, তেতিয়া স্বাভাৱিকতে ভ্ৰমণকাৰীসকলৰ মনত তীব্ৰ আতংকৰ সৃষ্টি হয়। হোটেল, হোমষ্টে, টেক্সী চালক আৰু স্থানীয় হস্তশিল্পৰ স’তে জড়িত যি ৩০ শতাংশ স্থানীয় লোকৰ জীৱিকা এই পৰ্যটনৰ ওপৰত প্ৰত্যক্ষভাৱে নিৰ্ভৰশীল, তেওঁলোক এতিয়া গভীৰ অৰ্থনৈতিক অনিশ্চয়তাৰ মুখত পৰিছে। বুকিং বাতিলৰ তীব্ৰ জোৱাৰ আৰু ন্যূনতম ছমাহৰ বাবে মেঘালয় ভ্ৰমণ বৰ্জন কৰাৰ যি আহ্বান ছ’চিয়েল মিডিয়াত চলিছে, সি ৰাজ্যখনৰ গ্ৰাম্য অৰ্থনীতিৰ কঁকাল ভাঙি পেলাব পাৰে। মেঘালয়ৰ ছটাকৈ পৰ্যটন ব্যৱসায়ী সংগঠন, ভ্ৰমণ নিৰ্দেশক সন্থা আৰু গ্ৰাম্য পৰ্যটন সমবায় সমিতিয়ে যৌথ বিবৃতিযোগে এই হিংসাৰ তীব্ৰ গৰিহণা দি যি উদ্বেগ প্ৰকাশ কৰিছে, সি অত্যন্ত সময়োপযোগী। ব্যৱসায়ীসকলে শুদ্ধকৈয়ে আঙুলিয়াই দিছে যে গণতান্ত্ৰিক প্ৰতিবাদৰ অধিকাৰ সকলোৰে আছে, কিন্তু প্ৰতিবাদৰ নামত সমাজবিৰোধী মৌলই হিংসা আৰু ভয়ৰ পৰিৱেশ সৃষ্টি কৰাটো কোনো কাৰণতে গ্ৰহণযোগ্য নহয়। এজন পৰ্যটকে নিজৰ কষ্টৰ উপাৰ্জনেৰে শান্তিপূৰ্ণ ছুটী কটাবলৈ পাহাৰলৈ আহি কোনো ৰাজনৈতিক বা সাম্প্ৰদায়িক মেৰুকৰণৰ চিকাৰ হ’ব নিবিচাৰে। যদিহে পৰ্যটকসকলৰ নিৰাপত্তা নিশ্চিত কৰিব পৰা নাযায়, তেন্তে কাইলৈ মানুহে মেঘালয়ৰ সলনি ছিকিম, অৰুণাচল প্ৰদেশ বা দাৰ্জিলিঙলৈ ঢাল খাব। ইয়ে মেঘালয়ৰ উদীয়মান ডেকা-গাভৰুসকলৰ স্ব-নিয়োগৰ সপোন ধ্বংস কৰি পেলাব।

ইফালে, অসমৰ পৰিবহণ শ্ৰমিকসকলৰ দাবীও কোনো পতিয়ন নিয়াব নোৱাৰা কথা নহয়। ৰাস্তাত গাড়ী চলাই পেট প্ৰৱৰ্তন কৰা চালকসকল কোনো ৰাজনৈতিক সংঘাতৰ অংশ নহয়। তেওঁলোকে কেৱল সেৱা আগবঢ়ায়। প্ৰতিবাৰেই শ্বিলঙত কিবা আঞ্চলিক বা সাম্প্ৰদায়িক উত্তেজনাই মূৰ তুলি উঠিলে প্ৰথমে আক্ৰমণৰ লক্ষ্য হৈ পৰে অসম নম্বৰৰ গাড়ী আৰু তাৰ চালকসকল। এনে অৱস্থাত এএছডিএ-ই মেঘালয় চৰকাৰৰ ওচৰত ক্ষতিগ্ৰস্ত বাহনসমূহৰ ক্ষতিপূৰণ দাবী কৰা আৰু ভৱিষ্যতে এনে আক্ৰমণ নোহোৱাৰ লিখিত গেৰাণ্টী বিচৰাটো তেওঁলোকৰ আত্মৰক্ষাৰ এক ন্যায়সংগত অধিকাৰ। চুবুৰীয়া ৰাজ্যখনৰ চৰকাৰে কেৱল আশ্বাস দিয়াতে ক্ষান্ত নাথাকি অসমৰ চালকসকলৰ সম্পত্তি আৰু জীৱনৰ নিৰাপত্তা নিশ্চিত কৰাৰ বাবে বিশেষ আইনী আৰু সুৰক্ষা ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। এনে অনাকাংক্ষিত পৰিস্থিতিয়ে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ মাজত থকা সামাজিক সংবেদনশীলতা আৰু আন্তঃৰাজ্যিক সংহতিৰ দুৰ্বলতাক পুনৰ এবাৰ পোহৰলৈ আনিলে। পাহাৰ আৰু ভৈয়ামৰ সংঘাত নতুন নহয়; কিন্তু একবিংশ শতিকাৰ গোলকীকৰণ আৰু অৰ্থনৈতিক বিকাশৰ যুগত এনে সংকীৰ্ণ আঞ্চলিকতাই সমগ্ৰ অঞ্চলটোৰ উন্নতিৰ গতি ৰুদ্ধ কৰি পেলায়। খাচি, জয়ন্তীয়া, গাৰো আদি স্থানীয় জনগোষ্ঠীসমূহৰ নিজস্ব সংস্কৃতি, ভাষা আৰু ভূমিৰ অধিকাৰ সুৰক্ষিত হ’ব লাগে, তাত কাৰো দ্বিমত থাকিব নোৱাৰে। কিন্তু সেই সুৰক্ষাৰ নামত অইন সম্প্ৰদায়ৰ প্ৰতি বিদ্বেষ ভাব পোষণে কেতিয়াও কোনো জনগোষ্ঠীক শক্তিশালী নকৰে।

ইতিহাস সাক্ষী আছে যে উগ্ৰ জাতীয়তাবাদে শেষত নিজৰ সমাজখনকে বিপদত পেলায়। এতিয়া সময় হৈছে মেঘালয় চৰকাৰ, অসম চৰকাৰ, কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয় আৰু স্থানীয় ছাত্ৰ-নাগৰিক সংগঠনসমূহ একত্ৰিত হৈ এক স্থায়ী সমাধানৰ পথ বিচৰাৰ। কেৱল গ্ৰেপ্তাৰ বা সীমান্ত অৱৰোধেৰে এই গভীৰ সামাজিক ব্যৱধান আঁতৰাব নোৱাৰি। মেঘালয় চৰকাৰে আইএলপি বা স্থানীয় আইনী সুৰক্ষাৰ যি দাবী আছে, তাক কেন্দ্ৰৰ স’তে আলোচনা কৰি নিয়মানুগভাৱে সমাধান কৰিব লাগে যাতে ছাত্ৰ সংগঠনসমূহে ৰাজপথত উগ্ৰ ৰূপ ধাৰণ কৰাৰ সুযোগ নাপায়। একেদৰে কেএছ ইউৰ দৰে ছাত্ৰ সংগঠনসমূহেও নিজৰ সদস্যসকলক শৃংখলাবদ্ধ কৰাৰ দায়িত্ব ল’ব লাগিব। মুখত কাপোৰ বান্ধি নিৰ্দোষী মানুহক আক্ৰমণ কৰা, ৰাষ্ট্ৰীয় মনীষীৰ মূৰ্তি ভঙা কাৰ্যই যে খাচি সমাজৰ মহান ঐতিহ্যক কলংকিতহে কৰে, সেই কথা সংগঠনটোৰ জ্যেষ্ঠ নেতাসকলে উপলব্ধি কৰা উচিত।

অসম আৰু মেঘালয়ৰ সম্পৰ্ক কেৱল দুখন ৰাজ্যৰ সীমান্তৰ সম্পৰ্ক নহয়, এয়া পাহাৰ আৰু ভৈয়ামৰ ভ্ৰাতৃত্ববোধৰ সম্পৰ্ক। হেজাৰ হেজাৰ মেঘালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে গুৱাহাটীত শিক্ষা গ্ৰহণ কৰি আছে, চিকিৎসাৰ বাবে অসমৰ হাস্পতালসমূহৰ ওপৰত নিৰ্ভৰ কৰিছে। একেদৰে অসমৰ হেজাৰ হেজাৰ ব্যৱসায়ী, শ্ৰমিক আৰু পৰ্যটকে মেঘালয়ত নিজৰ ব্যৱসায় আৰু মনোৰঞ্জনৰ থলী বিচাৰি পাইছে।

এই পাৰস্পৰিক নিৰ্ভৰশীলতাক হিংসা আৰু বিদ্বেষৰ জুইৰে পুৰি ছাই হ’বলৈ দিব নোৱাৰি। যোৱাবাটত সৃষ্টি হোৱা কৃত্ৰিম দেৱালখন যেনেকৈ আঁতৰোৱা হ’ল, ঠিক তেনেকৈয়ে মানুহৰ মনৰ মাজত গঢ় লৈ উঠা বিদ্বেষৰ দেৱালখনো আঁতৰাই পেলাব লাগিব। আইনী প্ৰশাসনৰ কঠোৰতা, চৰকাৰী পৰ্যায়ৰ সক্ৰিয়তা আৰু নাগৰিক সমাজৰ দায়িত্বশীল ভূমিকাইহে শ্বিলঙৰ ৰাজপথলৈ সুস্থিৰতা ঘূৰাই আনিব পাৰিব আৰু অসম-মেঘালয়ৰ যাতায়াতক পুনৰ সুৰক্ষিত আৰু নিৰ্বিঘ্ন কৰি তুলিব পাৰিব।

ফোন ঃ ৯৮৫৪৩ ৭২৭৩৬

নাৰী-পুৰুষৰ দুৰ্দান্ত সাহস আৰু অফুৰন্ত শক্তিৰ সম-বন্দনা বিশ্বৱৰেণ্য গীতিকাৰ, সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ এই কালজয়ী গীতটোৰ মূল বক্তব্য। এই শক্তিয়েই নিজ হাতেৰে সকলো বাধাৰ প্ৰাচীৰ ভাঙি নিজৰ অভিষ্ট সিদ্ধিৰ বাট সূচল কৰি নিৰ্মাণ কৰি তুলিব আৰু আওপুৰণি সকলো কুসংস্কাৰ নিৰ্মূল কৰি এখন নতুন গতিশীল সমাজ নতুনৰ পোহৰেৰে আলোকিত কৰি গঢ়ি তুলিব। আশাৰ গগনা বজাই গোৱা এই গানে সমাজৰ পৰা নোপোৱাৰ হাহাকৰ সমাপ্ত কৰি মানুহৰ মনৰ মাজত প্ৰাপ্তিৰ আশা প্ৰজ্বলিত কৰিব আৰু শুভশক্তিৰ এই গান সন্দেহাতীতভাৱে নৱ-কল্পনা আৰু নৱ-প্ৰেৰণাৰ উৎস হৈ থাকিব চিৰদিন



# তুমি নতুন পুৰুষ, তুমি নতুন নাৰী, অনাগত দিনৰ, জাগ্ৰত প্ৰহৰী

**শচীন দাস**



'তুমি নতুন পুৰুষ/তুমি নতুন নাৰী/অনাগত দিনৰ/জাগ্ৰত প্ৰহৰী' শীৰ্ষক মন-প্ৰাণ নাচি উঠা এই অপূৰ্ব সুন্দৰ গীতটিত বিশ্বৱৰেণ্য গীতিকাৰ সুধাকণ্ঠ ড° ভূপেন হাজৰিকাই নতুন নাৰী, নতুন পুৰুষক নতুন দিনলৈ আদৰণি জনাই তেওঁলোকৰ সাহস আৰু অদম্য শক্তিৰ বন্দনাৰে পঞ্চমুখ হৈ পৰিছে। নাৰী-পুৰুষৰ অদম্য মনোবল আৰু দুচকুত জগতজিনাৰ স্বৰ্ণীল স্বপ্নৰ প্ৰতি অফুৰন্ত শুভকামনা জনাই মানুহৰ গান গাই ভালপোৱা আৰু সেই গীতেৰে হেজাৰজনৰ হৃদয় জয় কৰা, প্ৰসিদ্ধ শিল্পী ড° হাজৰিকাই অন্তৰত গভীৰ আস্থা আৰু বিশ্বাস পোষণ কৰি কৈছে, প্ৰাণ-প্ৰাচুৰ্যৰে ভৰপুৰ এই নৰশক্তিয়েই দেশৰ জাগ্ৰত প্ৰহৰী আৰু অনাগত দিনৰ সুৰক্ষাকৱচ। এই শক্তিয়েই ন ন আশাৰে সহস্ৰজনৰ জীৱন আলোকিত কৰি সজাই তুলিব আৰু ভৱিষ্যতৰ দিনবোৰত দেশৰ-দহৰ সকলো প্ৰকাৰৰ উত্তৰণৰ পথ প্ৰশস্ত কৰি সমাজখনক নিজ হাতেৰে পৰিপাটিকৈ গঢ় দিব। মানুহৰ মনৰ এলান্ধুকলীয়া ধ্যান-ধাৰণাবোৰক কবৰস্থ কৰি যুগ যুগ ধৰি কাল এন্ধাৰে গ্ৰাস কৰি ৰখা সেই গলিৰ গেৰেকনিবোৰত পোহৰৰ উচ্ছল বাৰিষাৰ ধল বোৱাই নৰকল্পনাক বাস্তৱৰ ৰূপ প্ৰদান কৰিব। গীতৰ ভাষাত শুনকচোন সুধাকণ্ঠৰ নাৰী-পুৰুষৰ নৰশক্তিৰ প্ৰতি বন্দনা আৰু সদুপদেশযুক্ত চুটি চুটি পান্তিবোৰে কেনেকৈ স্থায়ীখিনিক কাব্যিক কৰি তুলিছে -- 'তুমি নতুন পুৰুষ/তুমি নতুন নাৰী/অনাগত দিনৰ/জাগ্ৰত প্ৰহৰী/ কেঁচা জীৱন সোঁতক/সিঞ্চন কৰি/সজাবা সমাজ নিজ হাতেৰে গঢ়ি/এন্ধাৰ গলিত আলোক বৰষাৰ/ঢালিবা তুমি উচ্ছল বাৰি।'

সুদূৰপ্ৰসাৰী দৃষ্টি সম্পন্ন চিন্তাবিদজনে উৎসাহ আৰু উদ্দীপনাৰে ভৰপূৰ, প্ৰতিবাদী কণ্ঠৰ এই গীতটোৰ প্ৰথমটো অন্তৰাৰ জৰিয়তে, নাৰী-পুৰুষৰ শক্তি, সাহস আৰু নতুন উদ্যমৰ প্ৰতি সম্পূৰ্ণই আশ্বস্ত হৈ ভৱিষ্যদ্বাণী কৰি কৈছে যে তেওঁলোকৰ এই দৃঢ় সংকল্প সফল হ'বই। কাৰণ তেওঁলোক মৃত্যুঞ্জয়ী। সেই কাৰণেই শোষকগোষ্ঠীক তেওঁলোকে হেলাৰঙে এদিন দমন কৰিবই। কিয়নো শোষকগোষ্ঠীৰ পীড়িতজনৰ ওপৰত কৰা দংশন, অত্যাচাৰ-উৎপীড়ন চিৰন্তন নহয়। অৰ্থাৎ শোষকৰূপী কালসৰ্পই খাটিখোৱা এই শ্ৰেণীটোক দংশন কৰি সৰ্বতিকালে বিষ ঢালি অচেতন কৰি ৰাখিব নোৱাৰিব। কাৰণ সময়ৰো গতি আছে। ই সম্পূৰ্ণই সাময়িক। অভিজ্ঞ গীতিকাৰগৰাকীয়ে অতি আত্মপ্ৰত্যয়েৰে কৈছে, সাহস যদি দুৰ্বাৰ হয়, তেন্তে সেই সাহসৰ পথ আলোকময় হ'বই। কিয়নো এই চিৰপ্ৰৱহমান সময়ে যিদিনা মুকলি আকাশলৈ মূৰ তুলি চাব, তেতিয়া সেইসকল পীড়িত, নিষ্পেষিত, নিৰ্যাতিত হালোৱা, হজুৱা, মজুৰ, বনুৱাই বজ্ৰনিনাদে শোষকৰ নিদ্ৰাহৰণ কৰি উপৰ্যুপৰি প্ৰশ্ন কৰি ব্যতিব্যস্ত কৰি তুলিব আৰু তেতিয়া তেওঁলোকৰ পৰিত্ৰাণৰ কোনো সুচল পথ বাচি নাথাকিব। সময় হৈ পৰিব তেওঁলোকৰ কাৰণে অন্তিম সমৰক্ষেত্ৰ। গীতৰ বুদ্ধিদীপ্ত কাব্যিক ভাষাত শুনকচোন সুধাকণ্ঠৰ সুমিষ্ট সুৰৰ আলাপ -- 'মৃত্যুঞ্জয়ী তুমি/কৰিবা দমন/ শোষকৰ দংশন/ নোহে চিৰন্তন/সংকল্প তোমাৰ/হ'বই সফল/দুৰ্বাৰ সাহসৰে পথ উজ্জ্বল।'

বৰেণ্য গীতিকাৰগৰাকীৰ নতুনৰ সন্ধানেৰে সমৃদ্ধ এই গীতটোৰ মৰ্মকথাই হ'ল জনজাগৰণ, যিয়ে প্ৰত্যাহ্বানৰ মুখামুখি হৈ অপশক্তিক ওফৰাই পৰিৱৰ্তনৰ জৰিয়তে নতুন দিনৰ প্ৰেৰণাৰে প্ৰগতিৰ দিশ উন্মোচন কৰিব আৰু নাৰী-পুৰুষৰ সন্মিলিত শক্তিৰে নতুনৰ ভেটি গঢ়ি দেশক, জাতিক সমুখৰ পৰা নেতৃত্ব দিব। সমাজৰ অন্ধবিশ্বাস, জাত-পাত, শোষণ-বঞ্চনা-প্ৰতাৰণা আৰু অত্যাচাৰ-উৎপীড়নৰ বিৰুদ্ধ যুঁজ দিয়াৰ আগতেই নিজৰ মানসিকতা সলনি কৰিব পৰাৰ জোখাৰে সাহসী হ'ব পাৰিব লাগিব। এই উদাত্ত আহ্বানে গীতটিক এক বলিষ্ঠ ভুমিকা প্ৰদান কৰিছে। অন্তৰৰ সুপ্ত শক্তিক জাগ্ৰত কৰি নতুনৰ চিন্তা-চেতনা, ধ্যান-ধাৰণাৰে সময়ৰ লগত খোজ মিলাই অগ্ৰসৰ হ'ব পাৰিব লাগিব, এই নৱ সংগ্ৰামীসকল। নাৰী-পুৰুষৰ সন্মিলিত শক্তিয়ে সকলো সমস্যাৰ সমাধান উলিয়াই সময়ৰ অগ্ৰগতিত পক্ষীৰাজত উঠি নতুন দিগন্তলৈ সহজেই ধাৰমান হ'ব পাৰিব লাগিব, এই প্ৰত্যয় ভৱিষ্যৎদ্ৰষ্টা বৰেণ্য শিল্পীগৰাকীয়ে অন্তৰত দৃঢ়ভাৱেই পোষণ কৰিছিল। তেওঁ জানে, নাৰীয়েই হওক বা পুৰুষ, কোনেও কাকো এদিনো এৰি চলিব নোৱাৰে। কাৰণ, 'প্ৰকৃতি পুৰুষ দুয়ো নিয়ন্তা মাধৱ/সমস্তৰে আত্মা হৰি পৰম বান্ধৱ।' অহৰহ শুভদিনৰ চিন্তাত নিমগ্ন, সমাজ সংস্কাৰৰ অগ্ৰণী প্ৰৱক্তা, প্ৰজ্ঞাৰ সাধক, সুধাকণ্ঠ ড° ভূপেন হাজৰিকাই কিমান যে আত্মপ্ৰত্যয়েৰে, নতুন সূৰ্যৰ আলোকেৰে আলোকিত এখন নতুন সমাজ বিচাৰিছিল, যিয়ে পুৰণি সকলো আৱৰ্জনা উটুৱাই নতুনৰ ঢৌৰে ঢৌৱাই দিব প্ৰতিটো কৰ্মময় দিবা-ৰাত্ৰি। সেয়ে, অন্তৰৰ সমস্ত আৱেগ ঢালি গাই গৈছে সুধাকণ্ঠজনে এইদৰে— 'তুমি আহা/কাষৰলে' আহা/মৰণ পিছলৈ ঠেলি/প্ৰকৃতি পুৰুষ একাকাৰ হৈ/ আনো নতুনৰ বেলি/আমাক নেলাগে সংঘাত/এই মুহূৰ্ত অতি পৱিত্ৰ/ প্ৰেমৰ জ্যোতি প্ৰপাত।'



সমাজৰ সৰ্বাংগীণ উন্নতিৰ কথা ভাবিবলৈ হ'লে, নাৰী-পুৰুষ একত্ৰিত হ'বই লাগিব। নিকপ্‌কপীয়া হ'বই লাগিব নাৰী-পুৰুষৰ আত্মিক বান্ধোন। দৈনন্দিন সমাজত সংঘটিত হৈ থকা নাৰীকেন্দ্ৰিক সকলো কলুষ-কালিমাৰ এলান্ধু আঁতৰাই, সংগীত সূৰ্য ড° ভূপেন হাজৰিকাই সোণালী কণ্ঠে উচ্চস্বৰে গাইছে নাৰী-পুৰুষৰ বন্দনাৰে জীপাল সেই কালজয়ী গীতটি যাতে মানুহৰ সংৱেদনশীল অন্তৰত জাগি উঠে সেই অনুভৱ -- 'তুমি নতুন পুৰুষ/তুমি নতুন নাৰী/অনাগত দিনৰ জাগ্ৰত প্ৰহৰী।'

গীতটোৰ দ্বিতীয় অৰ্থাৎ শেষৰটি অন্তৰাত বিশ্ববিশ্ৰুত শিল্পী ড° ভূপেন হাজৰিকাই নাৰী-পুৰুষৰ গুণ-গৰিমাৰ বন্দনা কৰি আৰু এঢাপ আগুৱাই গৈ ঘোষণা কৰি কৈছে, নাৰী-পুৰুষৰ এই যৌথ শক্তিয়েই নতুন সমাজ গঢ়াৰ নতুন সপোন আৰু নৱ অংগীকাৰ আৰু এই দুৰ্বাৰ শক্তিয়ে এই অংগীকাৰ বাস্তৱায়িত কৰিবই। এই শক্তিয়েই নৱ-সংগ্ৰাম, সমাজৰ হেজাৰ অনাকাংক্ষিত প্ৰৱল শিল-বতাহ-বৰষুণ বা প্ৰচণ্ড ধুমুহা অথবা তীব্ৰ অশান্তি মানুহৰ মনৰ পৰা নিৰ্মূল কৰিবই।

প্ৰসিদ্ধ গীতিকাৰগৰাকীয়ে পুনৰ এই নৱ-শক্তিৰ ওপৰত আস্থা আৰু গভীৰ বিশ্বাস স্থাপন কৰি কৈছে, সমুখৰ বাট যদি দুৰ্লংঘ্য পাহাৰ-পৰ্বতে আগুৰি ধৰে, তেন্তে এই নৱ-প্ৰজন্মই সেই প্ৰকাণ্ড প্ৰস্তৰ, নতুন পুৰুষৰ নৱ-শক্তি আৰু সাহসেৰে চূৰ্ণ-বিচূৰ্ণ কৰি নিজ হাতেৰে সেই বিপদসংকুল পথ সুগম কৰি নিৰ্মাণ কৰিব সেন্দূৰীয়া আলি। আৰু দেখিব, সেই শক্তিয়েই এদিন সুধাকণ্ঠৰ অন্তৰৰ আশা-আকাংক্ষা উজ্জীৱিত কৰি নিজ হাতেৰে আশাৰ গগনা বজাই আকালৰ হাহাকাৰ চিৰদিনৰ বাবে নিৰ্মূল কৰিব। সুধাকণ্ঠগৰাকীৰ আশাভৰা দুচকুত তিৰ্‌বিৰাই আছে সেই স্বৰ্ণীল স্বপ্ন, পুৰণি পৃথিৱীখনক নদন-বদনকৈ ন-ৰূপেৰে গঢ়ি তোলাৰ নতুন পুৰুষ আৰু নতুন নাৰীৰ এই নৱ অংগীকাৰ। গীতৰ অৰ্থপূৰ্ণ ভাষাত শুনকচোন শ্ৰোতাক অণুপ্ৰাণিত কৰা সুধাকণ্ঠৰ সাহস আৰু শক্তিৰ আকৰ্ষণীয় উদাত্ত আহ্বান— 'তুমি নৱ সপোন/নৱ অংগীকাৰ/তুমি নৱ সংগ্ৰাম/শত শত ঝঞ্ঝাৰ/বিপদৰ প্ৰস্তৰ বিচূৰ্ণ কৰি/সজাবা নতুন পথ হাতেৰে গঢ়ি/বজাবা তুমি আশাৰ গগনা/ নোপোৱাৰ হাহাকাৰ নোহোৱা কৰি।'

অভিনৱ কথাৰ এই গীতটোৰ উপৰিউক্ত শেষৰটি স্তৱকৰ চাৰি নম্বৰ পংক্তিত সংযোজন কৰা এটি নতুন শব্দৰ গুঞ্জন শুনা গৈছে। সুধাকণ্ঠৰ গীতৰ মাজত এই শব্দটোৰ প্ৰয়োগ আগতে চকুত পৰা মনত নপৰে। অসমীয়া আধুনিক গীতৰ ক্ষেত্ৰখনত বিচাৰি চালেও হয়তো এই শব্দটোৰ ব্যৱহাৰ দেখা পোৱা নাযাব। এই পংক্তিটি হ'ল 'তুমি নৱ সংগ্ৰাম/শত শত ঝঞ্ঝাৰ।' 'ঝঞ্ঝা'ৰ আভিধানিক অৰ্থ -- প্ৰলয় সদৃশ শিল-বতাহ-বৰষুণ বা প্ৰচণ্ড ধুমুহা অথবা মানসিক তীব্ৰ অশান্তি। শব্দটো পান্তিৰ অন্ত্য মিলযুক্ত উপযুক্ত অৰ্থবাহক এটি শব্দ আৰু এই শব্দটোৰ ধ্বনি আৰু সৌন্দৰ্যই স্তৱকটি জাকত জিলিকা কৰি তুলিছে। এই স্তৱকটোত বৰেণ্য গীতিকাৰগৰাকীয়ে নিজৰ হাত দুখনৰো প্ৰশংসাত পঞ্চমুখ হৈ পৰিছে। গীতৰ ভাষাত -- 'সজাবা নতুন পথ হাতেৰে গঢ়ি।' এই হাত দুখনৰ মহিমা অপাৰ। সকলো সৃষ্টিৰ খনিকৰ এই দুখন হাত। মানুহৰ দেহৰ সমস্ত শক্তি এই হাত দুখনতেই একত্ৰিত হৈ থাকে। হাত দুখন প্ৰতিগৰাকী ব্যক্তিৰ আত্মৰক্ষাৰ বা শত্ৰু নিধনৰ প্ৰথম আৰু প্ৰধান অস্ত্ৰ। এয়াই হয়তো বাহুবল। মানুহ বা দেৱতাৰ ওচৰত হাত যুৰিয়েই হৈ যায় মানুহ, দয়া, ক্ষমা, শ্ৰদ্ধা, ভক্তি ইত্যাদিৰ পাত্ৰ। মূৰত হাত থ'লে হয় নিৰাপদ ছত্ৰছায়া। হাত দাঙিলেই পৰাজয়, হাত উঠালে মাৰপিট আৰু এই হস্ত সঞ্চালনতেই আছে বিজয়ৰো ইংগিত। এই হাততেই আছে জীৱনৰ দিক্‌নিৰ্ণায়ক ক্ষমতা আৰু মাৰ্গ দৰ্শনৰ ইতিবাচক বা নেতিবাচক ইংগিত। বিপ্লৱী শিল্পী, কলাগুৰু, বিষ্ণু প্ৰসাদ ৰাভাৰ গীতত আছে -- 'তোৰ বাহুতেই আছে লুকাই/অসীম শক্তি বল .. /অ' বনুৱা সমনীয়া আগ বাঢ়ি যাওঁ ব'ল।' লোকে কয়, মা-কামাখ্যাৰ দৰেই পৰম শক্তিৰ উৎস তেওঁৰ কাষতে আছে 'মা-বগলা'। পুৰাণৰ মতে, কামৰূপৰ নীলাচল পাহাৰতেই হেনো খহি পৰিছিল ৰজা দক্ষৰ জীয়ৰী শিৱ-ভাৰ্যা সতীৰ যোনীমুদ্ৰাৰ নিচিনাকৈ দুয়োখন হাত। বাহুত হেজাৰ হাতীৰ শক্তি আহৰণ কৰিবলৈ শক্তি বিচাৰি ভক্তসৱই পূজা-অৰ্চনা কৰি মুখৰ কৰে মা-বগলাৰ মন্দিৰ -- 'দুই বাহু খহিয়া বগলা ভৈলা নাম/মহাতীৰ্থ জানি নৰে কৰে প্ৰণাম।'

সি যি হওক, নাৰী-পুৰুষৰ দুৰ্দান্ত সাহস আৰু অফুৰন্ত শক্তিৰ সম-বন্দনা বিশ্বৱৰেণ্য গীতিকাৰ, সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ এই কালজয়ী গীতটোৰ মূল বক্তব্য। এই শক্তিয়েই নিজ হাতেৰে সকলো বাধাৰ প্ৰাচীৰ ভাঙি নিজৰ অভিষ্ট সিদ্ধিৰ বাট সূচল কৰি নিৰ্মাণ কৰি তুলিব আৰু আওপুৰণি সকলো কুসংস্কাৰ নিৰ্মূল কৰি এখন নতুন গতিশীল সমাজ নতুনৰ পোহৰেৰে আলোকিত কৰি গঢ়ি তুলিব। আশাৰ গগনা বজাই গোৱা এই গানে সমাজৰ পৰা নোপোৱাৰ হাহাকৰ সমাপ্ত কৰি মানুহৰ মনৰ মাজত প্ৰাপ্তিৰ আশা প্ৰজ্বলিত কৰিব আৰু শুভশক্তিৰ এই গান সন্দেহাতীতভাৱে নৱ-কল্পনা আৰু নৱ-প্ৰেৰণাৰ উৎস হৈ থাকিব চিৰদিন।

ফোন ঃ ৮৬৩৮৫৮৯১৯৩

# মানুহে কি ক'ব, ভাৰতীয় মধ্যবিত্ত পৰিয়ালৰ অদ্ভুত মানসিকতা

**প্ৰদীপ খাদৰীয়া**



**কোৱা** হয় যে মানুহ জীয়াই থাকিবলৈ ৰুটি, কাপোৰ আৰু ঘৰৰ প্ৰয়োজন। এই তালিকাত এতিয়া শিক্ষা, স্বাস্থ্য আৰু চাকৰিও যোগ হৈছে। কিন্তু সমাজত এনে এটা অদৃশ্য প্ৰয়োজন আছে যাৰ উল্লেখ কোনো অৰ্থনীতিৰ কিতাপত নাপায়। তথাপি ই কোটি কোটি পৰিয়ালৰ জীৱনক প্ৰভাৱিত কৰে। সেইটো হ'ল 'মানুহে কি ক'ব'।

'মানুহে কি ক'ব'— এইটো মাত্ৰ তিনিটা শব্দৰ এটা সাধাৰণ বাক্য নহয়। ই এক এনেকুৱা মানসিকতা যাৰ ফলত অসংখ্য পৰিয়ালৰ অৰ্থনৈতিক অৱস্থা, সামাজিক ব্যৱহাৰ আৰু ব্যক্তিগত স্বাধীনতা প্ৰভাৱিত হয়। বিশেষকৈ মধ্যবিত্তৰ বাবে এই বাক্যটো এটা অদৃশ্য কৰৰ দৰে হৈ পৰিছে। এই কৰ চৰকাৰে নলগাই কোনো ৰচিদো নাপায়। কিন্তু লাখ লাখ পৰিয়ালে এই বছৰ বছৰ ধৰি দি আছে। ভাৰতৰ মধ্যবিত্ত এটা বিচিত্ৰ পৰিৱেশত জীয়াই আছে। দুখীয়াৰ ওচৰত হেৰুৱাবলৈ একো নাই, সেয়ে সমাজৰ ওপৰত তেওঁলোকৰ চাপো নাই। আৰু যি ধনী, তেওঁলোকৰ ওচৰত প্ৰচুৰ ধন আছে, সেয়ে অতিৰিক্ত খৰচে তেওঁলোকৰ জীৱনক বেছি প্ৰভাৱিত নকৰে। কিন্তু মধ্যবিত্ত এই দুয়োটাৰে মাজত থিয় হৈ থাকে। সন্মান বজাই ৰাখিবলৈ আকাংক্ষা থাকে; কিন্তু সম্পদ বা পথ সীমিত। এই অৱস্থাই তেওঁলোকক আটাইতকৈ বেছি অসুৰক্ষিত কৰি তোলে। আজি যদি কোনো মধ্যবিত্ত পৰিয়ালৰ আয়-ব্যয়ৰ বিশ্লেষণ কৰা হয়, তেন্তে স্পষ্ট হ'ব যে তেওঁলোকৰ বেছিভাগ খৰচ প্ৰয়োজনৰ বাবে নহয়, বৰঞ্চ সামাজিক চাপৰ বাবে হয়। মধ্যবিত্ত পৰিয়াল নিজৰ বাবে নহয়, আনৰ দৃষ্টিত নিজকে প্ৰমাণ কৰিবলৈ নিৰ্ণয় লয়। এয়া ক্ৰমাগতভাৱে জীৱনৰ এটা অংশ হৈ পৰে।

সন্তানৰ জন্ম হওক, নামকৰণ সংস্কাৰ হওক, জন্মদিন হওক, বিবাহ হওক, গৃহপ্ৰৱেশ হওক, ধৰ্মীয় অনুষ্ঠান হয় বা কোনো প্ৰিয়জনৰ মৃত্যু হওক— প্ৰতিটো আয়োজনতে কথাবোৰৰ পৰা সামাজিক প্ৰতিষ্ঠাক মূল্যাংকন কৰিবলৈ লোৱা হৈছে। ইয়াৰ ফলত এনেকুৱা হৈছে যে এটা ডাঙৰ প্ৰশ্ন সন্মুখত থাকেই - 'যদি আমি এনেকুৱা কৰো, তেন্তে মানুহে কি ক'ব?' লাহে লাহে এই প্ৰশ্নটোৱে আত্মা আৰু বিবেকৰ ওপৰত হেঁচা দিবলৈ আৰম্ভ কৰে। প্ৰকৃততে ভাৰতীয় সংস্কৃতিয়ে কেতিয়াও প্ৰদৰ্শনকামী শিক্ষা দিয়া নাই। আমাৰ শাস্ত্ৰত 'যথা শক্তি' অৰ্থাৎ নিজৰ সামৰ্থ্য অনুসৰি জীৱন যাপন কৰাৰ শিক্ষাহে দিয়া হৈছে। কবীৰ দাসে কৈছিল, 'উচ্চতাৰ মূল্য তেতিয়াহে থাকে, যেতিয়া তাত সমাজৰ লাভ হয়। কেৱল বাহ্যিক আড়ম্বৰৰ কোনো মূল্য নাই।'

মহাত্মা গান্ধীয়েও 'সাধাৰণ জীৱন আৰু উচ্চ চিন্তা'ক জীৱনৰ আদৰ্শ বুলি মানিছিল। চৰিত্ৰৰ প্ৰতিষ্ঠা, ধনৰ প্ৰতিষ্ঠাতকৈ বহু বেছি স্থায়ী হয়। দুৰ্ভাগ্যজনকভাৱে কিন্তু আজি পৰিস্থিতি সলনি হৈ গৈছে। সন্মানৰ আধাৰ চৰিত্ৰ নহয়, বৰঞ্চ প্ৰদৰ্শন হৈ পৰিছে। বিবাহত কিমান খৰচ হ'ল, খোৱাত কিমান ব্যঞ্জন আছিল, মণ্ডপ কিমান আকৰ্ষণীয় আছিল, উপহাৰ কিমান দামী আছিল— এই সাধাৰণতা গ্ৰহণ কৰা মানুহে নিজকে হীন বুলি ভাবিবলৈ লৈছে। এই মানসিকতা কেৱল অৰ্থনৈতিক সমস্যা নহয়, ই এক মনস্তাত্বিক সমস্যাও। লাহে লাহে মানুহ নিজৰ ইচ্ছাতকৈ বেছি সমাজৰ আশা অনুসৰি জীয়াই থাকিবলৈ লয়। তেওঁৰ স্বাধীন চিন্তা সমাপ্ত হ'বলৈ



লয়। তেওঁ এইটো নাভাবে যে কি উচিত, বৰঞ্চভাৱে 'মানুহে কি ভাবিব'। এইখিনিৰ পৰাই অৰ্থনৈতিক অসামঞ্জস্যতা আৰম্ভ হয়। অৰ্থশাস্ত্ৰৰ এটা সাধাৰণ নীতি হ'ল— আয়ৰ লগত অনুৰূপকৈ খৰচ হ'ব লাগে। যদি খৰচ আয়তকৈ বেছি হয়, তেন্তে সঞ্চয় সমাপ্ত হ'ব আৰু শেষত ঋণ ল'ব লাগিব। কিন্তু সামাজিক চাপে এই নীতি নষ্ট কৰি দিয়ে।

মধ্যবিত্ত পৰিয়ালে বহুবাৰ নিজৰ আয়ৰ বিপৰীতে খৰচ কৰে যাতে সমাজত তেওঁলোকৰ প্ৰতিষ্ঠা বৰ্তি থাকে। বিড়ম্বনাৰ কথা হ'ল এয়া যে যিসকলৰ বাবে ইমান খৰচ কৰা হয়, সেইসকলে কেইদিনমানৰ পাছতেই সেই অনুষ্ঠান পাহৰি যায়। কিন্তু যিজনে ঋণ ল'লে, যি বিল দিলে, যাৰ ঘৰৰ বাজেট খেলিমেলি হৈ পৰিল— সেই পৰিয়ালে বছৰৰ পাছতো তাৰ ভাৰ বহন কৰি থাকিব লাগে। এইটোৱেই কাৰণ যে আজি বহু মধ্যবিত্ত পৰিয়ালে জীৱনভৰ উপাৰ্জন কৰাৰ পাছতো অৰ্থনৈতিক সুৰক্ষা লাভ কৰিব পৰা নাই। মধ্যবিত্তৰ আটাইতকৈ ডাঙৰ সমস্যা এইটো নহয় যে তেওঁৰ ওচৰত সম্পদ কম। বৰঞ্চ এইটো যে তেওঁৰ তুলনা সদায় নিজতকৈ অধিক ধনী মানুহৰ লগত হয়।

তুলনাৰ কেতিয়াও সমাপ্তি নাথাকে। যদি আপুনি এক লাখ খৰচ কৰে, তেন্তে কোনোবাই দুই লাখ খৰচ কৰিব। যদি আপুনি পাঁচশ লোকক নিমন্ত্ৰণ কৰে, তেন্তে কোনোবাই এহেজাৰ লোকক নিমন্ত্ৰণ কৰিব। এই দৌৰৰ কোনো অন্তিম বিন্দু নাই। এই কাৰণেই প্ৰদৰ্শনকামী সংস্কৃতিত সন্তুষ্টিৰ ঠাই কেতিয়াও সৃষ্টি হ'ব নোৱাৰে। মানুহ যিমানেই আগবাঢ়ে আশা সদায় তেওঁতকৈ আৰু বেছি বেগেৰে আগলৈ আগবাঢ়ি যায়।

আমি এটা কথা স্বীকাৰ কৰিব লাগিব যে কোনো পৰিয়ালৰ প্ৰতিষ্ঠা তেওঁলোকৰ খৰচৰ দ্বাৰা নহয়। তেওঁলোকৰ সংস্কাৰ, সততা আৰু সামাজিক দায়িত্ববোধৰ দ্বাৰাহে নিৰ্ধাৰণ হয় বা হ'ব লাগে। আজি মধ্যবিত্ত পৰিয়াল এটা ডাঙৰ কেঁকুৰিত আবদ্ধ হৈ আছে। এফালে, শিক্ষা আৰু স্বাস্থ্যৰ বৰ্ধিত খৰচ, চাকৰিৰ অনিশ্চয়তা আৰু ভৱিষ্যতৰ প্ৰত্যাহ্বান আনফালে, সামাজিক প্ৰদৰ্শনকামিতাৰ এনে সংস্কৃতি আছে যিয়ে সীমিত আয় থকা পৰিয়ালকো নিজৰ সামৰ্থ্যৰ বেছি খৰচ কৰিবলৈ বাধ্য কৰায়। এতিয়া সময় আহিছে সিদ্ধান্ত লোৱাৰ - আমি আমাৰ পৰৱৰ্তী প্ৰজন্মক ঋণ দিম নে সংস্কাৰ? প্ৰদৰ্শনকামিতা দিম নে বিবেক? সামাজিক চাপ দিম নে আত্মবিশ্বাস? যি দিনা ভাৰতীয় মধ্যবিত্তই এইটো ক'বলৈ শিকিব— 'মই সেইখিনিয়েই কৰিম যি মোৰ সামৰ্থ্য, বিবেক আৰু সংস্কাৰ অনুৰূপ হ'ব'— সেই দিনাই তেওঁৰ আধা অৰ্থনৈতিক সমস্যা নিজে সমাধান হ'ব।


'মানুহে কি ক'ব' - যদি এই বাক্যটোৰ ঠাইত ঋণ, প্ৰদৰ্শনকামিতা, চিন্তা আৰু অৰ্থনৈতিক অসুৰক্ষাই আমাক গ্ৰাস কৰিব খোজে তেন্তে আমি তাক সাহসেৰে প্ৰতিহত কৰিব লাগিব।

শেষত এটা বিশেষ কথা সদায় মনত ৰখাটো উচিত জীৱনটো আমাৰ, আয়ো আমাৰ, পৰিয়ালো আমাৰ, ভৱিষ্যতো আমাৰেই হ'ব।

*ফোন ঃ ৯৪৩৫০ ৫২২১০*

# চীনৰ আগ্ৰাসন আৰু আমাৰ নিষ্ক্ৰিয়তা

**ৰামচন্দ্ৰ চুতীয়া**



১৯৬২ৰ পৰা আমি চীনৰ চৰিত্ৰ সম্পৰ্কে কিছু কথা বেছিকৈ জনা হৈছো। তাৰ আগতে নেহৰুৰ দিনৰ পৰা আমি চীনক নানান ধৰণে বন্ধু ৰাষ্ট্ৰৰূপে সন্মান প্ৰদৰ্শন কৰি আহিছো। পঞ্চশীল নীতিৰ কথাও বহুতবাৰ কোৱা হৈছিল, দেশ দুখনৰ যে মিত্ৰতা অতি গভীৰ, সেই কথা বাৰে বাৰে কোৱা হৈছিল। দুয়োখন দেশৰ সম্পৰ্ক বেয়া হোৱাত মাজতে চীনক শত্ৰুৰাষ্ট্ৰ ৰূপেও অৱশ্যে গণ্য কৰা হৈছিল, সামান্য কথাতে তেওঁলোকক তীব্ৰ ভাষাৰে সমালোচনা কৰা হৈছিল। কিন্তু কালক্ৰমত তেনে ব্যৱহাৰ কৰা ৰাষ্ট্ৰখন কিছু বছৰৰ পাছত আকৌ পৰম মিত্ৰ ৰাষ্ট্ৰৰ দৰে হৈ পৰে। ব্যৱসায়-বাণিজ্যৰ ক্ষেত্ৰত সকলো নিষেধাজ্ঞা পৰিহাৰ কৰি পুনৰ মিত্ৰৰ দৰে হৈ পৰে, দুয়োখনই ৰাষ্ট্ৰ পৰম বন্ধুৰ দৰে পৰস্পৰক ভাল পায় আৰু অবাধ গতিত চীনৰ বাণিজ্যিক সামগ্ৰীবোৰ সৰসৰকৈ ভাৰতৰ বজাৰত ভৰি পৰে। সেইবোৰ কাৰ অনুমতি লৈ কেনেকৈ কৰা হয়, দেশবাসীয়ে প্ৰায়ে নাজানে, আপোনা-আপুনি হোৱাৰ দৰে হয়। সেইটোহে পৰম বিস্ময়কৰ কথা, দুখন ৰাষ্ট্ৰৰ মাজত কোনো নীতিগতভাৱে সিদ্ধান্ত নোহোৱাকৈ বাণিজ্যৰ ক্ষেত্ৰখনতো খোল খাই নাযায়। বিনা অনুমতিত বেজি এটাও আহিব নোৱাৰা নিয়ম থাকোতেও দেশৰ বজাৰবোৰত চীন দেশৰ সামগ্ৰীৰে ভৰি পৰে কেনেকৈ? কাৰণ এইবোৰ কথা দেশৰ সীমাত বহি থাকিও আমি অকণকো গম নাপাওঁ, দেশৰ বাতৰি কাকত আদি মাধ্যমতো এইবোৰ কথা বৰকৈ প্ৰচাৰ হোৱা দেখা নাযায়। আমি নকওঁ যে ৰাষ্ট্ৰ দুখনৰ মাজত মিত্ৰতা নহওক, ব্যৱসায়-বাণিজ্য নহওক, দেশৰ প্ৰগতিৰ বাবে সেইবোৰ আন্তৰ্জাতিক ভিত্তিতো হ'ব লাগিব। কিন্তু আনক দেখুৱাই 'ভেকাহি মাৰি ভিতৰি নেৰিবি এঠা'ৰ সূত্ৰটো এনেবোৰ ক্ষেত্ৰত হয় কেনেকৈ, নে সেয়াও এক বৈদেশিক সম্পৰ্কৰ ব্যৱস্থাই সেইবোৰ কথা আমি সাধাৰণ নাগৰিকে নুবুজো, নাজানো।





এইটো ঠিক যে চীন আৰু ভাৰতৰ মিলনে এছিয়া মহাদেশখনত নিশ্চয়কৈ শান্তি অব্যাহত ৰাখিব। আমি সাধাৰণ মানুহেও বিচাৰো দেশ দুখনৰ সকলো প্ৰকাৰৰ সম্পৰ্ক ৰক্ষা কৰি চলা হওক, পৰস্পৰক মান-সন্মান কৰা হওক। কিন্তু আজি এটা দশকৰো ওপৰ কাল চীন দেশে উত্তৰ সীমান্তত কোনোবা নহয় কোনোবা এঠাইত আন্তৰ্জাতিক নিয়ম ভংগ কৰি ভাৰতৰ সীমাত অনুপ্ৰৱেশ কৰাৰ খবৰ-বাতৰি পাই থকা দেখা যায়। ইন্দো-চীনৰ সীমাৰ মুঠ দৈৰ্ঘ আকচাই চীনৰ পৰা অৰুণাচললৈ মুঠ ৩,৪৮৮ কিলোমিটাৰ। আকচাই চীন বৰ্তমান চীনৰ দখলত আৰু ভাৰতে সেই ভূখণ্ড নিজৰ বুলি দাবী কৰি আহিছে। আনহাতে, ৯০ হেজাৰবৰ্গ কিলোমিটাৰৰ অৰুণাচল তিব্বতৰ দক্ষিণ অঞ্চল বুলি দাবী কৰি চীনে নিজৰ অঞ্চল বুলি দাবী কৰি আহিছে। সেই লৈ দেশত আনকি লোকসভা আৰু ৰাজ্যসভাতো মাজে মাজে সাংসদসকলৰ মাজত তুমুল বাদানুবাদ হৈ হুলস্থূল হোৱা দেখা যায়। ইয়াৰ আগতে ১৯৬৭ত হোৱা নাথুলা আৰু চোলাৰ সংঘাত, ১৯৮৭ আৰু ২০১৩ চামদৰং চু ভেলি আৰু ডেপচাঙৰ ভয়ংকৰ সংকট য'ত ভাৰতে ১৫০ জন জোৱানৰ আৰু চীনে ৩৪০ জন জোৱান হেৰুৱাব লগা হৈছিল। ২০১৭ৰ চীন-ভাৰত-ভূটানৰ সীমাৰ দুকলাম সংঘাতত ভাৰতে ৪০ হেজাৰ সৈন্য মোতায়েন কৰি পৰিস্থিতি মোকাবিলা কৰিব লগা হৈছিল। ১৯৬২ৰ চীন-ভাৰত যুদ্ধৰ পাছত ২০২০ৰ জুনৰ গলৱান সংঘৰ্ষৰ কথা ভাৰতে কেতিয়াও পাহৰিব নোৱাৰে। কিন্তু প্ৰধানমন্ত্ৰীয়ে কোনোদিন চীনে সীমা অতিক্ৰম কৰি ভাৰতত সোমোৱাৰ কথা স্বীকাৰ কৰা নাই, বৰঞ্চ তেনে কথা অস্বীকাৰহে কৰা হৈ আহিছে। যদি বাস্তৱত সেইটোৱেই সত্য হয়, আমাৰ দেশৰ সীমাৰ ভিতৰত ২০জন পৰ্যন্ত সেনা-বাহিনীৰ জোৱানক গলৱানত কেনেকৈ মৰিয়াই-কোবাই, গলচেপি চীনা সৈন্যই হত্যা কৰি থৈ যায়। আমি যুদ্ধৰ সমৰ্থক নহওঁ, কিন্তু অহিংসা ধৰ্ম লোৱা সাপডালৰ দৰে লেতু-সেতু হৈ আৰ এগোৰ, তাৰ এগোৰ খাব লগা অৱস্থা এটা দেশখনৰ হ'ব নালাগে। আনক দংশন নকৰিলেও আত্মৰক্ষাৰ বাবে ভাৰতে সাপডালক কোৱাৰ দৰে কওঁ, 'সময়ত ফেট তুলি ফুচ কৰিব লাগিব, তেহে মান-সন্মান ৰক্ষা পৰিব'। ভাৰত চীনৰ সমান শক্তিশালী নহয় বুলি বিদেশমন্ত্ৰী জয় শংকৰে একাধিকবাৰ ক'লেও ভাৰতেও কিন্তু সুউচ্চ স্থানত অৱস্থান লৈ বিশাল সামৰিক ঘাটি পাতি অতি শক্তিশালী ৰূপে শত্ৰুৰ মুখামুখি হ'ব পৰাকৈ সদায় জাগ্ৰত প্ৰহৰী হৈ আছে।

চীনে নানান কাৰণত 'মেকম'হন সীমাৰ কথা নামানে, নামানক। কিন্তু দেশ দুখনৰ সীমাত নিজৰ ইচ্ছামতে চলাচল কৰা বা বল প্ৰদৰ্শন কৰাটো কেতিয়াও গ্ৰহণীয় হ'ব নোৱাৰে। সীমাৰ কথা লৈ কিবা মতৰ অমিল থাকিলে আলোচনাত বহক, তাকে নকৰি আন দেশৰ সীমাৰ ভিতৰলৈ সঘনে আহ-যাহ কৰি থকাটো সহ্য কৰি যাবলগীয়া কথা নহয়।

আমি অসমীয়াসকল যিহেতুকে সীমাৰ কিনাৰতে থাকো, সেই লৈ মাজে মাজে বৰকৈ চিন্তা হয়। চীনে আঁকৰা মৈত উঠাৰ দৰে বহু আগৰ পৰাই অৰুণাচলক তিব্বতৰ দক্ষিণৰ অংশ বুলি দাবী কৰি আহিছে। তেওঁলোকে তিব্বতক লোৱাৰ পাছত অৰুণাচলো তেওঁলোকৰে বুলিও জ্ঞান কৰি আহিছে। সেইটোতো গ্ৰহণীয় যুক্তি হ'ব নোৱাৰে। অৰুণাচল ভাৰতৰ এখন অংগৰাজ্য, সেয়েহে কথাই প্ৰতি চীনে অৰুণাচল দখলৰ কথা দোহাৰি থকাটো কেতিয়াও গ্ৰহণীয় নহয়।

নিজৰ ইচ্ছামতে তেওঁলোকে সীমাৰ ভিতৰত সোমাই, ঘৰ-দুৱাৰ নিৰ্মাণ কৰাৰ কথাও মাজে মাজে ছৱিসহ ওলায়। অৰুণাচল আৰু ভাৰত চৰকাৰে সেই কথা অস্বীকাৰ কৰে। কিন্তু অৰুণাচলৰ টাকচিং আৰু লাইমেকিঙৰ নাগৰিকে চীনৰ আগ্ৰাসনৰ কথা বাৰে বাৰে দোহাৰি আছে। কোনটো কথা সত্য, সেই কথা আমি সাধাৰণ নাগৰিকে জনাৰ কোনো উপায় নাই—কাৰণ আমি সীমাত বহি থকা মানুহ নহওঁ। দেশবাসীক কোনেও যেন ভুল পথে পৰিচালনা নকৰে। ১৯৭৫ত চাকৰি সূত্ৰে চীন-ভাৰত সীমান্তৱৰ্তী বৃহত্তৰ সোৱণশিৰিৰ তালী ছাৰ্কুলৰ ছাৰতামত থাকোতে ভাৰতীয় সীমাৰ তহলদাৰী জোৱানসকলক প্ৰায়ে লগ পাইছিলো। কেতিয়াবা তেওঁলোকক আমি ৰুটি-চাহ-পানীও খুৱাইছিলো। কথা প্ৰসংগত তেতিয়াই তেওঁলোকে কৈছিল যে দেশ দুখনৰ জোৱানসকলে সীমাত টহল দি থাকোতে একোদিন অজানিতে দুয়ো দেশৰ সেনাৰ মুখামুখি হৈছিল। তেতিয়া তেওঁলোকে নিজৰ নিজৰ অৱস্থান গ্ৰহণ কৰি ডাঠ কুঁৱলীৰ মাজত বহি পৰিছিল আৰু এটা সময়ত দুয়োদলে সংঘৰ্ষ নকৰি নিজ নিজ স্থানলৈ ঘূৰি গৈছিল। সংঘাত-সংঘৰ্ষ কেতিয়াও নহৈছিল। তেতিয়াই আমাৰ জোৱানসকলে ইয়াকো কৈছিল যে তেওঁলোকে নিজৰ দেশৰ পৰ্টাৰট্ৰেক্ট একোটা বহলাই সুগম কৰি ল'বলৈও ডিনামাইট এটাৰ ব্যৱহাৰ কৰিব নোৱাৰিছিলো। তেনে কৰিলে চীনে হয়তো আগ্ৰাসন কৰাৰ চেষ্টা কৰা বুলি অভিযোগো দিব পাৰে। সেয়া আমাৰ জোৱানসকলে কোৱা কথা। তেতিয়া সিমানবোৰ নিয়ম থকাৰ পাছতো এতিয়া চীনে মন গ'লেই বানপানীৰ দৰে সৰসৰকৈ অৰুণাচলৰ ভিতৰলৈ সোমাই আহে কেনেকৈ? দুখন দেশৰ মাজত তেনে সীমাৰ নিয়ম উলংঘন কৰা কামে কেতিয়াও শান্তি বাহাল ৰাখিব নোৱাৰে। ঘনে প্ৰতি তেনে দুৰ্ঘটনা ঘটি থাকিলে কোনোবা এদিন দেশ দুখনৰ মাজত সম্পৰ্কটো অধিক বেয়া হৈ পৰিব পাৰে। যুদ্ধ পৰ্যন্ত হ'ব পাৰে।

চীনে আজি-কালি আৰু এটা কাম সঘনাই কৰিবলৈ লৈছে। তেওঁলোকে মন গ'লেই অৰুণাচলৰ মানচিত্ৰখন নিজৰ মতে ছপাই প্ৰকাশ কৰি লয়, ঠাইবোৰৰ নামো একাধিকবাৰ সলনি কৰিছে। এইটো তেওঁলোকৰ কেনে ধৰণৰ মিত্ৰতাৰ পদক্ষেপ। অৰুণাচলৰ ২৭খনমান ঠাইত তেওঁলোকে বিৰদমান পৰিস্থিতিৰ সৃষ্টি কৰিছে। মাজে মাজে পৰ্বতীয়া চাৰিটা গিৰিপথ ব্যৱহাৰ কৰি আমাৰ দেশৰ সীমালৈ সোমাই আহে। ভাৰতে থাংলা শম্ভু সৰোবৰ নিজৰ দেশৰ মনোমেন্ট বুলি ইতিমধ্যে গ্ৰহণ কৰিছে। সেইবোৰ ঠাইত চীনৰ উপস্থিতি কেতিয়াও গ্ৰহণীয় হ'ব নোৱাৰে। বাতৰি কাকতত পঢ়িবলৈ পোৱা মতে চীনে টাকছিং, লাইমেকিং, লংজু, মাজা, বিছা, অয়িং, পানিঅৰ, মাৰপান, পৰট্ৰেং হ্ৰদ, ঙটাং, যশৱন্ত গড়, চুণপূৰা কামলাং নগৰত প্ৰৱেশ কৰি আন্তৰ্জাতিক বিধি উলংঘা কৰিছে (অৰুণাচল টাইমছ ন আগষ্ট, ২০২৬)। সেইবোৰ কথা ভাৰতে সময় থাকোতেই ঘোৰ প্ৰতিবাদ কৰিব লাগে। তাকে নকৰিলে চীনে ১৯৬২ ৰ দৰে ভাৰতক এটা 'শিক্ষা' দিবলৈ পুনৰ কিবা নতুন আক্ৰমণৰ পৰিকল্পনা কৰিব পাৰে। ভাৰত পূৰ্বৰ দৰে সামৰিক শক্তিৰ ক্ষেত্ৰত আজি দুৰ্বল নহয় যদিও ভাৰতে আগতীয়াকৈ সতৰ্ক হৈ থাকিব লাগিব। আগতে দেশখন স্বাধীন হোৱাৰ সময়ত সেনাবাহিনী বা সামৰিক শক্তি আজিৰ দৰে শক্তিশালী নাছিল, পাছতহে ঠেকা খাই হওক বা প্ৰয়োজনৰ খাটিৰত হওক ৮০ দশকৰ পৰা দেশখনে ভাৰতীয় জোৱানসকলৰ অৱস্থা সৰ্বপ্ৰকাৰে টনকিয়াল কৰি তুলিছে। অৰুণাচলৰ সমগ্ৰ সীমাত টাৱাং, মেচুকা, ৱালং প্ৰভৃতি ছাউনীত ভাৰতীয় সৈন্যই এতিয়া অতি সবল অৱস্থান লৈ আছে। পাছিঘাট আৰু ইটানগৰতো উন্নতমানৰ বিমান বন্দৰ ইতিমধ্যে হৈ উঠিছে। সেইবোৰৰ উপৰি তেজপুৰ, উত্তৰ লখিমপুৰ, ডিব্ৰুগড়, যোৰহাট আৰু গুৱাহাটী প্ৰমুখ্যে স্থানতো আমাৰ আধুনিক যুদ্ধবিমান অৱতৰণ কৰিব পৰা বিমান ঘাটি আছে। আমি ২০০5 তে চীন সীমান্তৱৰ্তী সীমাৰ পশ্চিম ছিয়াঙৰ কাম্বাত থাকোতে মেচুকাৰ সেনা ছাউনীৰ সবল স্থিতি দেখি ধন্য হৈছিলো। ভাৰত এতিয়া কোনো কাৰণতে এখন দুৰ্বল দেশ নহয়। তেনে ক্ষেত্ৰত চীনৰ আগ্ৰাসনৰ কিবা উমান পালে তাৰ ঘোৰ বিৰোধিতা হ'ব লাগে, তেহে দেশৰ মান ৰ'ব। আমাৰ নেতাই চীনৰ টিঘিল-ঘিলনি দেখি অকণো ত্ৰস্তমান হোৱাৰ কোনো কাৰণ নাই। সেনা-বাহিনীৰ মনোবল বঢ়াবলৈ হ'লে আমাৰো মনোবল সদায় থাকিব লাগিব। কোনো কাৰণতে চীনৰ আগ্ৰাসনক লাই দিব নালাগে। যি শত্ৰুই নহওক কিয়, আমি প্ৰয়োজনৰ সময়ত ৰঙা চকু দেখুৱাব পাৰিব লাগিব, তেহে মান ৰ'ব। কিবা প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলে কেনেবাকৈ যুদ্ধ লাগিব বুলি ভয় খাই থাকিলে বিশাল দেশখনৰ প্ৰতিৰক্ষা সদায় সহজ হৈ নাথাকিব। ক্ষমতাসীন চৰকাৰে সাহসেৰে যিকোনো পৰিস্থিতি চম্ভালিবলৈ সতৰ্ক হৈ থাকিব লাগিব। প্ৰতিৰক্ষাৰ কাম দেশৰ বিশাল তথা নিৰ্ভীক সৈন্যবাহিনীৰ হাতত ন্যস্ত হৈ থাকিলেও প্ৰয়োজনৰ সময়ত তেওঁলোকক পূৰ্ণ সহযোগ কৰি দেশখনৰ চৰকাৰে নিয়ন্ত্ৰণৰ কাম নিজৰ হাতত ৰাখি সাহসিকতাৰ পৰিচয় দি দেশ ৰক্ষা কৰিব পাৰিব লাগিব। সেইটোৱেই দেশ ৰক্ষাৰ প্ৰকৃত আৰু উত্তম উপায়।

*ফোন ঃ ৭০৮৬২ ১৭৪২৫*

# গুৱাহাটী মেনেজমেণ্ট এছ'চিয়েছনৰ ৫৭

তিনি পৃষ্ঠাৰ পৰা মেনেজমেণ্ট সম্পৰ্কীয় বক্তৃতা প্ৰদান কৰে তেল অ'এনজিচিৰ প্ৰাক্তন মুখ্য প্ৰবন্ধক ৰাজেন্দ্ৰ কুমাৰ মিশ্ৰই। 'বিয়ন্দ পেট্ৰ'ল পাম্পছ ঃ হোৱাই পেট্ৰলিয়াম ষ্টিল ৰুলছ দ্য ৱৰ্ল্ড' শীৰ্ষক বক্তৃতাত মিশ্ৰই পেট্ৰ'লিয়ামৰ খুটিনাটি প্ৰাঞ্জলভাৱে বৰ্ণনা কৰি কয় যে আমাৰ দৈনন্দিন জীৱনৰ সিংহভাগ সামগ্ৰীয়েই পেট্ৰ'লিয়াম উদ্যোগৰ পৰা পোৱা হয় । সেয়ে বৰ্তমান যুগক 'পেট্ৰ'লিয়ামৰ যুগ' বুলিও কোৱা হয় । উপ-সভাপতি প্ৰভাত কোঁৱৰে আঁত ধৰা সভাখনৰ শেষত জি এম এৰ সম্পাদক স্বপনজ্যোতি শৰ্মাই শলাগৰ শৰাই আগবঢ়ায় ।

# নলবাৰীৰ বহু বিদ্যালয়ত খালী

তিনি পৃষ্ঠাৰ পৰা নলবাৰীত প্ৰয়োজনীয় শিক্ষকৰ অভাৱত বহু চৰকাৰী বিদ্যালয়ত পাঠদান ব্যাহত হোৱাৰ অভিযোগ উঠিছে। অভিযোগ অনুসৰি শিক্ষাত আগবঢ়া জিলাখনৰ বহু হাইস্কুল তথা উচ্চ মাধ্যমিক বিদ্যালয়ত বছৰ বছৰ ধৰি নাই প্ৰয়োজনীয় শিক্ষক-শিক্ষয়িত্ৰী। জিলাৰ বহু সংখ্যক হাইস্কুলত নাই পূৰ্ণ পৰ্যায়ৰ প্ৰধান শিক্ষক, স্নাতক বিজ্ঞান, গণিতৰ শিক্ষকৰ লগতে স্নাতক কলা, হিন্দী, সংস্কৃত, পাৰ্চিয়ান শিক্ষক। শিক্ষকৰ এনে অভাৱত পাঠদান ব্যাহত হৈ পৰাত এচাম অভিভাৱক অসন্তুষ্ট হৈ পৰিছে। জিলাৰ এখন ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠান বি আৰ মেধি উচ্চতৰ মাধ্যমিক বিদ্যালয়, বড়িদতৰাৰ অধ্যক্ষৰ, উপাধ্যক্ষ্যৰ পদ খালী হৈ আছে। তেনেদৰে বিজ্ঞানৰ শিক্ষক, হিন্দী বিষয়ৰ শিক্ষকৰ পদো খালী হৈ আছে। আনহাতে, কৰিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অধ্যক্ষ পদৰ লগতে স্নাতকোত্তৰ শিক্ষকৰ এটা, স্নাতক বিজ্ঞান শিক্ষকৰ তিনিটা, স্নাতক কলা সাতটা, হিন্দী দুটা, পাৰ্চিয়ান এটা শিক্ষকৰ পদ খালী হৈ আছে। আনহাতে, বিদ্যালয়খনৰ উচ্চ বৰ্গৰ কাৰ্যালয় সহায়ক এটা আৰু নিম্নবৰ্গৰ সহায়কৰ দুটা পদ বৰ্তমানে খালী হৈ আছে। আনহাতে, মিলন হাইস্কুল, আৰিকুছিৰ স্নাতক বিজ্ঞান-গণিত শিক্ষকৰ দুটা, স্নাতক কলা দুটা, হিন্দী শিক্ষকৰ এটা পদ খালী হৈ থকাৰ বিপৰীতে কাৰ্যালয় সহায়কৰ এটা পদ খালী হৈ আছে। ইফালে, পিএমশ্ৰী ঘগ্ৰাপাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত নটা কলা, দুটা বিজ্ঞানৰ লগতে বড়ো মাধ্যমত তিনিটা শিক্ষকৰ পদ খালী হৈ থকাৰ উপৰি লোকপিয়লৰ স্ব-গণনা কামত ছজনকৈ শিক্ষক নিয়াৰ ফলত শৈক্ষিক পৰিৱেশত ব্যাঘাত জন্মিছে বুলি জানিব পৰা গৈছে। ইয়াৰ উপৰি জিলাৰ আন বহু হাইস্কুলত এনেদৰে খালী হৈ আছে শিক্ষকৰ পদ। ইপিনে, এজনো কাৰ্যালয় সহায়ক নোহোৱাকৈ বছৰৰ পাছত বছৰ ধৰি চলি আহিছে একাংশ স্কুল। উল্লেখ্য যে কেইবছৰমান আগলৈকে জিলাৰ বেছিভাগ হাইস্কুলতে এগৰাকী নিম্ন বৰ্গৰ কাৰ্যালয় সহায়ক আৰু উচ্চ বৰ্গৰ কাৰ্যালয় সহায়ক নিয়োজিত হৈ আছিল। কিন্তু আজি তাৎপৰ্যভাৱে জিলাখনৰ বহু কেইখন এনে বিদ্যালয় এজনো কাৰ্যালয় সহায়ক নোহোৱাকৈ চলি আছে। ফলত বিদ্যালয়ৰ প্ৰধানজনে চম্ভালি থাকিব লগা হৈছে কাৰ্যালয়ৰ সকলো কাম-কাজ। জানিব পৰা মতে, অৱসৰ গ্ৰহণ কৰাৰ পাছত নতুনকৈ কাৰ্যালয় সহায়ক নিযুক্তি দিয়া হোৱা নাই। ইপিনে, উত্থাপিত অভিযোগ অনুসৰি বিদ্যালয়ৰ কাৰ্যালয় সহায়কৰ নাটনিৰ পাছতো জিলাখনৰ এচাম হাইস্কুলৰ পৰা আনি কে'বাগৰাকী নিম্ন বৰ্গৰ কাৰ্যালয় সহায়কক নলবাৰী জিলা পৰিমণ্ডল বিদ্যালয়সমূহৰ পৰিদৰ্শক (আইএছ)ৰ কাৰ্যালয়ত সংলগ্ন কৰি ৰখা হৈছে। ফলত কে'বাখনো স্কুলত কাৰ্যালয় সহায়কৰ বাবে হাহাকাৰ লাগিছে। আই এছ অফিচত বিদ্যালয়ৰ পৰা সংলগ্ন কৰি ৰখা কাৰ্যালয় সহায়ক কেইগৰাকীক নিজৰ নিজৰ কৰ্মস্থলীলৈ মুকলি কৰাত ব্যৱস্থা গ্ৰহণ কৰিবলৈ জিলা আয়ুক্তক সচেতন নাগৰিকে অনুৰোধ জনাইছে। ইপিনে জিলাখনৰ বহু বিদ্যালয়ৰ পৰা শিক্ষক অৱসৰ লোৱাৰ পাছত পদসমূহ খালী হৈ আছে যদিও আজি পৰ্যন্ত পূৰণ হোৱা নাই। পিছে এই সমূহ সমস্যা সমাধানৰ ক্ষেত্ৰত নলবাৰীৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক ৰাতুল কুমাৰ দাসে কি ব্যৱস্থা লয় সেয়া লক্ষ্যণীয় হ'ব।

# ভূটান সীমান্তৰ বিভিন্ন প্ৰান্তত কে'বাটাও

তিনি পৃষ্ঠাৰ পৰা বামুণজুলি, নোনাইপাৰা, বৰগীতল, সোণাজুলি, কালিখোলা, বাদলাপাৰা, ভূটীয়াচাং, টেংকিস্তী, ফাৰাম চ'ক, ৰাজগড়, নালাপাৰা, ধৰমজুলি, আটাবীখাটকে ধৰি বিভিন্ন অঞ্চলত প্ৰতি দিনে ঘৰ-দুৱাৰ ভাঙি চুৰমাৰ কৰাৰ উপৰি বিঘাই-বিঘাই ধান খেতি নষ্ট কৰি অহাৰ সময়তে পুনৰ ওদালগুৰিৰ ভূটান সীমান্তৱৰ্তী নোনাইপাৰা চাহ বাগিচাত বন্যহস্তীৰ আক্ৰমণত গুৰুত্বৰভাৱে আহত এক দম্পতী চাহ শ্ৰমিক। বন্যহস্তীৰ আক্ৰমণত গুৰুতৰভাৱে আহত হৈছে নোনাইপাৰা চাহ বাগিচাৰ চাহ শ্ৰমিক নিবেদন বাগ আৰু পত্নী যমুনা বাগ। স্থানীয় ৰাইজৰ অভিযোগ ওদালগুৰিৰ বিভিন্ন প্ৰান্তত দীৰ্ঘদিন ধৰি বন্যহস্তীৰ সংঘাতে তীব্ৰ ৰূপ ধাৰণ কৰি অহাৰ পাছতো কুম্ভকৰ্ণ নিদ্ৰাত বনমন্ত্ৰী জয়ন্ত মল্লবৰুৱাকে ধৰি বিটিচি চৰকাৰ। ওদালগুৰিৰ ভূটান সীমান্তৱৰ্তী অঞ্চলত প্ৰতিদিনে হাতী-মানুহৰ সংঘাতে সংবাদ মাধ্যমৰ শিৰোনাম দখল কৰাৰ পাছতো কিন্তু গা নলৰে ৰজাঘৰীয়াৰ। খাদ্যৰ সন্ধানত বনাঞ্চলৰ পৰা জনাঞ্চললৈ ওলাই আহি চাহ বাগিচাৰ মাজত আশ্ৰয় লোৱা বৃহৎ বন্যহস্তীৰ জাকৰ সন্ত্ৰাসত স্থানীয় ৰাইজ আতংকিত হৈ পৰিছে । নিশা পঢ়া টেবুলৰ পৰা উঠিও শিক্ষাৰ্থীয়ে হাতী খেদিবলৈ ওলাই আহিব লাগে। খাদ্যৰ সন্ধানত জনাঞ্চলত সোমাই অহা বন্যহস্তীৰ আক্ৰমণত চলিত বৰ্ষতে ১৫ ৰো অধিক লোকৰ মৃত্যু হোৱাৰ বিপৰীতে কে'বাটাও বন্যহস্তীৰো ৰহস্যজনকভাৱে মৃতদেহ উদ্ধাৰ হৈছে ; কিন্তু বন্যহস্তী-মানুহৰ সংঘাত ৰোধত সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছে ৰাজ্যৰ বিয়াগোম বনবিভাগ। বৃহস্পতিবাৰে পুৱতি নিশা ওদালগুৰিৰ নঁনে চেৰফাং পৰিষদীয় সমষ্টিৰ অন্তৰ্গত বামুণজুলি চাহ বাগিচাত কে'বাটাও পৰিয়ালৰ বাসগৃহ ভাঙি লণ্ড-ভণ্ড কৰাৰ লগতে বুধবাৰে নিশা নোনাই পাৰা চাহ বাগিচাত দম্পতী বন্যহস্তীৰ আক্ৰমণত আহত হোৱাৰ বিপৰীতে দুচকীয়া বাহন আৰু থকা ঘৰৰ বিস্তৰ ক্ষতি সাধন কৰে । বামুনজুলি চাহ বাগিচাৰ যোগেন কন্ধ , নবিনশ্বন সোণা, সমৰ সিং মুণ্ডা নামৰ ব্যক্তিকেইজনৰ ঘৰ সম্পূৰ্ণৰূপে তচনচ কৰি পেলায় বন্যহস্তীয়ে , আনহাতে বগৰীতল, নালাপাৰা আৰু ধৰমজুলিতো বন্যহস্তীৰ জাকে চলাই আহিছে তাণ্ডৱ। বন্যহস্তীৰ বৃহৎ জাকৰ পৰা কথমপি প্ৰাণ ৰক্ষা পৰে বহুকেইটা পৰিয়ালৰ। ইতিমধ্যে বন্যহস্তীৰ আক্ৰমণত আহত হোৱা দম্পতী সংকটজনক অৱস্থাত তেজপুৰ মেডিকেল কলেজত চিকিৎসাধীন হৈ আছে। ইফালে, আদিবাসী আৰ্মীৰ সভাপতি সুমিত নায়ক আৰু স্থানীয় ৰাইজৰ অভিযোগ আছে গৰু নাবাই হালৰ দৰে বিপিএফ বিজেপি-মিত্ৰজোঁটৰ চৰকাৰ নথকাই ভাল বুলি ক্ষোভ প্ৰকাশ কৰাৰ লগতে সামাজিক মাধ্যমত ৰীল বনাই ভাইৰেল হৈ থকা নঁনে চেৰফাং পৰিষদীয় সমষ্টিৰ এমচিএলএ পল টপ্প এতিয়া নিৰুদ্দেশ হৈ আছে, নিৰ্বাচনৰ সময়ত আদিবাসী ৰাইজৰ ভোট বিচাৰি ঘূৰি ফুৰা আদিবাসী জনগোষ্ঠীৰ জনপ্ৰতিনিধি হৈয়ো বৰ্তমানেও আহৰি পোৱা নাই কোনোধৰণৰ খা-খবৰ ল'বলৈ বিপদৰ সময়ত থিয় দিবলৈ। বন বিভাগৰ ওপৰতো তীব্ৰ ক্ষোভ ভুক্তভোগী ৰাইজৰ । ডিমাকুছিৰ সচেতন মহলে স্থানীয় বিধায়ক মহেশ্বৰ বড়োক কাতৰ আহ্বান ওদালগুৰি-তামুলপুৰ পথৰ সংযোগী ডিমাকুছিৰ পৰা বামুণজুলিলৈ যোৱা ডন বস্ক' ৰোডৰ দুয়োকাষে বামুনজুলিলৈকে ষ্টিটলাইটৰ ব্যৱস্থা কৰাৰ লগতে বগৰীতলত থকা মণিৰাম বড়োৰ কে'বা বিঘা মাটিত হাবি-বননিৰে ভৰপূৰ হৈ থকা ঠাইখিনি জংঘল কাটি পৰিষ্কাৰ কৰি দিবলৈ। কিয়নো বগৰীতলত মণিৰাম বড়োৰ জংঘললৈ আৰৰি থকা ঠাইখিনিত দিনে-নিশাই বাহৰ পাতি থাকে বন্যহস্তীৰ জাক। কোন মুহূৰ্তত ভয়ানক ঘটনা সংঘটিত হ'ব পাৰে তাৰ কোনো ঠিক নাই, গাঁওবাসীয়ে বাৰে-বাৰে মণিৰাম বড়োক জনোৱাৰ পাছতো কোনো ধৰণৰ সঁহাৰি নিদিয়াৰ অভিযোগ স্থানীয় ৰাইজৰ। সেয়েহে এইবাৰ সংবাদ মাধ্যমৰ যোগেদি স্থানীয় বিধায়ক মহেশ্বৰ বড়োক কাতৰ অনুৰোধ জনাইছে বগৰীতলবাসী ৰাইজে। আনহাতে, বিগত সময়ত বন্যহস্তীৰ আক্ৰমণত আহত হোৱা পৰিয়াল আৰু বন্যহস্তীয়ে ক্ষতিসাধন কৰা পৰিয়ালকেইটাক সহায়-সহযোগিতা কৰিবলৈ আহ্বান বনমন্ত্ৰী কিম্বা বিটিচি চৰকাৰ আৰু ৰাজ্য চৰকাৰক।

# অসমৰ পৰা যোৱা সম্পাদকৰ প্ৰতিনিধি

তিনি পৃষ্ঠাৰ পৰা

### আইচিএআৰ-চিআইবিএৰ লৱণীয় পানীৰ জলজ কৃষিৰ গৱেষণা তথা প্ৰযুক্তি

চেন্নাইৰ আইচিএআৰ- চেণ্ট্ৰেল ইনষ্টিটিউট অব ব্ৰেকিছৱাটাৰ একুৱাকালচাৰ (আইচিআৰ-চিআইবিএ)য়ে লৱণীয় পানীৰ জলজ কৃষি শক্তিশালী কৰা, উৎপাদনশীলতা বৃদ্ধি কৰা আৰু কৃষক সম্প্ৰদায়ৰ জীৱিকাক সহায় কৰাৰ লক্ষ্যৰে গৱেষণা আৰু প্ৰযুক্তিগত হস্তক্ষেপত নিয়োজিত হৈ আছে। প্ৰতিষ্ঠানটোৰ কাম-কাজৰ বিষয়ে অৱগত কৰাত সমন্বয়ৰ ভূমিকা গ্ৰহণ কৰিছিল আইচিএআৰ-চিআইবিএৰ প্ৰধান বিজ্ঞানী ড° অক্ষয় পানীগ্ৰাহাই।

ভাৰতৰ অৰ্থনীতি আৰু গ্ৰাম্য জীৱিকাৰ ক্ষেত্ৰত মীন আৰু জলজ কৃষি খণ্ডই এক গুৰুত্বপূৰ্ণ অৱদান হিচাপে আত্মপ্ৰকাশ কৰিছে। বিশ্বজুৰি মীন আৰু জলজ কৃষিৰ ক্ষেত্ৰত ভাৰত দ্বিতীয় বৃহত্তম উৎপাদক আৰু আভ্যন্তৰীণ ক্ষেত্ৰত মীনপালনত প্ৰথম স্থানত আছে। ২০২৪-২৫ত মাছৰ উৎপাদন ১৯৭ লাখ মেট্ৰিক টন হয় আৰু এই খণ্ডই প্ৰায় তিনি কোটি মাছমৰীয়া আৰু মীনপালকৰ জীৱিকাৰ বাবে সহায় কৰি আছে।

ভাৰতৰ লৱণীয় পানীৰ জলজ কৃষি অৰ্থনীতিৰ এক গুৰুত্বপূৰ্ণ উপাদান হৈছে মিছামাছ পালন। ভাৰতে ২০২৪ত সাত লাখ মেট্ৰিক টনতকৈ অধিক সাগৰীয় খাদ্য ৰপ্তানি কৰিছিল, যাৰ মূল্য প্ৰায় ৪০,০১৪ কোটি টকা আৰু এই সাগৰীয় খাদ্য ৰপ্তানিৰ উল্লেখযোগ্য উপাদান আছিল মিছামাছ। প্ৰতিষ্ঠানটোৰ গৱেষণাই জলজ কৃষি পদ্ধতি উন্নত কৰা, উৎপাদন ব্যৱস্থা শক্তিশালী কৰা আৰু বহনক্ষম আৰু মূল্য সংযোজিত পদ্ধতিৰ প্ৰসাৰত গুৰুত্ব আৰোপ কৰে।

আইচিএআৰ-চিআইবিএৰ বিশেষ সুবিধা আৰু পৰীক্ষাগাৰসমূহে এই প্ৰচেষ্টাসমূহৰ ব্যৱহাৰিক দিশটো প্ৰদৰ্শন কৰে। ভ্ৰমণ কৰা প্ৰকল্পবোৰৰ ভিতৰত আছিল ক্ৰুষ্টেচিয়ান বিভাগৰ অধীনত এটা বিশেষ প্ৰকল্প, এটা ছুপাৰ-ইনটেনচিভ মিছামাছ পালন গোট আৰু মিছামাছ তথা মিল্কফিছৰ প্ৰজনন আৰু পালন গোট।

### ইৰুলা সাপধৰা সমবায় আৰু পৰম্পৰাগত বিহ সংগ্ৰহৰ পদ্ধতি

ইৰুলা সাপধৰা ঔদ্যোগিক সমবায় সমিতিখনে পৰম্পৰাগত সম্প্ৰদায়ৰ জ্ঞানক বৈজ্ঞানিক প্ৰক্ৰিয়াৰ স'তে একত্ৰিত কৰাৰ এক গুৰুত্বপূৰ্ণ উদাহৰণ দাঙি ধৰে। ইৰুলা সম্প্ৰদায়ৰ দীৰ্ঘদিন ধৰি সাপ চিনাক্তকৰণ, ইয়াৰ আচৰণ আৰু নিৰাপদে ধৰাৰ ক্ষেত্ৰত বিশেষ জ্ঞান আছে।

সমবায়খনে চাৰিটা প্ৰধান প্ৰজাতিৰ বিষাক্ত সাপ-ইণ্ডিয়ান কোব্ৰা, ক্ৰেইট, ৰাছেল ভাইপাৰ আৰু ছ-স্কেলড ভাইপাৰক কেন্দ্ৰ কৰি ইয়াৰ প্ৰকৃতি, পুৰাকথা আৰু তথ্য প্ৰদৰ্শন কৰিছিল। তদুপৰি বিহ নিষ্কাসন আৰু সংৰক্ষণৰ প্ৰক্ৰিয়াও প্ৰদৰ্শন কৰা হৈছিল।

### মহাবলীপুৰম লাইটহাউছ আৰু পৰ্যটনৰ সম্ভাৱনা

মহাবলীপুৰম লাইটহাউছ অঞ্চলটোৰ সামুদ্ৰিক ঐতিহ্যৰ এক গুৰুত্বপূৰ্ণ অংশ আৰু ইয়াৰ দ্বাৰা নৌপৰিবহণ আৰু উপকূলীয় উন্নয়নত লাইটহাউছৰ ভূমিকা প্ৰতিফলিত হয়।

ব্ৰহ্মপুত্ৰৰ কাষত পাণ্ডু, বগীবিল, শিলঘাট আৰু বিশ্বনাথ ঘাটত দেশৰ প্ৰথম নদীপাৰৰ লাইটহাউছ নিৰ্মাণৰ পৰিকল্পনাৰ প্ৰতি লক্ষ্য ৰাখি এই স্থানে অসমৰ বাবেও এক প্ৰাসংগিক দৃষ্টিভংগী প্ৰদান কৰে। এই প্ৰস্তাৱিত পদক্ষেপে নদীভিত্তিক পৰ্যটনক সহায় কৰাৰ লগতে ব্ৰহ্মপুত্ৰক এক গুৰুত্বপূৰ্ণ সাংস্কৃতিক আৰু পৰ্যটন সম্পদ হিচাপে প্ৰচাৰ-প্ৰসাৰৰ সম্ভাৱনা আছে।

### বিশেষ শিক্ষা, পুনৰ্বাসন আৰু অক্ষমতা সৱলীকৰণৰ ক্ষেত্ৰত এন আই ই পি এম ডিৰ কাম-কাজ

নেচনেল ইনষ্টিটিউট ফৰ এম্পাৱাৰমেণ্ট অব পাৰ্চনছ উইথ পাৰ্চনছ উইথ মাল্টিপল ডিচেবিলিটিছ (এনআইইপিএমডি)-এ শিক্ষা, প্ৰশিক্ষণ, গৱেষণা আৰু পেছাদাৰী সামৰ্থ বিকাশৰ ওপৰত গুৰুত্ব আৰোপ কৰি একাধিক শাৰীৰিকভাৱে অক্ষম ব্যক্তিসকলৰ সৱলীকৰণ আৰু পুনৰ্বাসনৰ বাবে ৰাষ্ট্ৰীয় সম্পদ কেন্দ্ৰ হিচাপে কাম কৰে।

ইয়াৰ আদৰ্শ বিদ্যালয়সমূহত অটিজিম স্পেকট্ৰম ডিছঅৰ্ডাৰ, চেৰিব্ৰেল পালচি আৰু শ্ৰৱণ তথা দৃষ্টিশক্তিৰ অক্ষমতাকে ধৰি বিভিন্ন অক্ষমতা থকা প্ৰাথমিক আৰু মাধ্যমিক পৰ্যায়ৰ শিশুসকলক বিশেষ পাঠদান সঁজুলি আৰু কৌশলৰ জৰিয়তে সহায় কৰা হয়। প্ৰতিষ্ঠানটোৰ পদ্ধতি শ্ৰেণীকোঠাৰ নিৰ্দেশনাৰ বাহিৰলৈও বিস্তৃত, শিক্ষকসকলেও অভিভাৱকৰ স'তে জড়িত হৈ ঘৰতে অবিৰত শিক্ষণ আৰু সহায়ৰ বাবে কাম কৰে।

বিশেষকৈ মানৱ সম্পদৰ বিকাশৰ ক্ষেত্ৰতো এনআইইপিএমডিৰ এক গুৰুত্বপূৰ্ণ শৈক্ষিক আৰু পেছাদাৰী ভূমিকা আছে। ছিনিয়ৰ ফেকাল্টী মেম্বাৰ আৰু বি.এড., এম.এড. আৰু এম.ফিল.ৰ দৰে বিশেষ শিক্ষা আৰু ক্লিনিকেল চাইকোলজিৰ দৰে ক্ষেত্ৰসমূহত গ্ৰহণ কৰা কাৰ্যসূচীয়ে প্ৰতিষ্ঠানটোৰ প্ৰশিক্ষণ আৰু শৈক্ষিক পৰিৱেশতন্ত্ৰৰ এক আভাস প্ৰদান কৰিছিল।

প্ৰতিষ্ঠানটোৱে শিক্ষা, পুনৰ্বাসন, নিদানমূলক বিশেষজ্ঞতা, গৱেষণা আৰু পেছাদাৰী প্ৰশিক্ষণক একত্ৰিত কৰি বিশেষভাৱে সক্ষম লোকসকলৰ অন্তৰ্ভুক্তি আৰু সৱলীকৰণৰ ব্যাপক লক্ষ্যক আগুৱাই লৈ যায়।

### শ্ব'ৰ মন্দিৰ আৰু মহাবলীপুৰমৰ স্থাপত্য ঐতিহ্য

মহাবলীপুৰমৰ ঐতিহাসিক ভূ-প্ৰকৃতিক সংজ্ঞায়িত কৰা কীৰ্তিচিহ্নসমূহৰ ভিতৰত শ্ব'ৰ মন্দিৰ অন্যতম আৰু ই অঞ্চলটোৰ চহকী স্থাপত্য আৰু সাংস্কৃতিক ঐতিহ্যক প্ৰতিফলিত কৰে। এই স্মৃতিসৌধটো মহাবলীপুৰমৰ (ইউনেস্ক'ৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰ)ৰ কীৰ্তিচিহ্ন গোটৰ অংশ, যিটো ইয়াৰ অসাধাৰণ ঐতিহাসিক আৰু স্থাপত্যৰ তাৎপৰ্যৰ বাবে স্বীকৃতিপ্ৰাপ্ত।

এই স্থানে ভাৰতৰ বৈচিত্ৰ্যময় স্থাপত্য পৰম্পৰাৰ স'তে সাংস্কৃতিক পৰ্যটন আৰু জনসংযোগ শক্তিশালী কৰাৰ বাবে ঐতিহ্য সংৰক্ষণ আৰু প্ৰচাৰৰ সম্ভাৱনাৰ ওপৰতো আলোকপাত কৰে।

# অসমক সমানে ভাগ কৰি পৃথক

তিনি পৃষ্ঠাৰ পৰা ফ'ৰ্চে। আজি ইয়াত অনুষ্ঠিত এক বিশেষ অভিৱৰ্তনৰ মূল কাৰণ হৈছে পৃথক বড়ো ৰাজ্য গঠন, প্ৰাক্তন বড়োলেণ্ড ভলণ্টিয়াৰ ফ'ৰ্চৰ সংবিধান সংশোধন, প্ৰতীক নিৰ্ধাৰণ, নতুনকৈ কৰ্ম নিৰ্ধাৰণ আদি। এই অভিৱৰ্তনত বিটিচিৰ পাঁচ জিলাৰ উপৰি কাৰ্বি আংলঙৰ প্ৰতিনিধিয়েও অংশগ্ৰহণ কৰে। ইতিমধ্যে প্ৰাক্তন বড়োলেণ্ড ফ'ৰ্চৰ কেন্দ্ৰীয় আৰু জিলা সমিতিসমূহো গঠন হৈছে। ইয়াৰ দ্বাৰা সংগঠনটোৱে পুনৰ সুকীয়া বড়োলেণ্ড ৰাজ্য গঠনৰ দাবীত আন্দোলন আৰম্ভ কৰাৰ ইংগিত স্পষ্ট হৈছে।

# অস্তিত্বহীন আৰক্ষী ঃ অপৰাধ

তিনি পৃষ্ঠাৰ পৰা অবাধ প্ৰচলনৰ লগতে নগৰত আন অপৰাধ কৰ্মও বৃদ্ধি পাবলৈ ধৰিছে। আৰক্ষীৰ নিষ্ক্ৰিয়তাত বহতীয়া গাঁৱৰ ৰদালিপাৰ অঞ্চলৰ এটা ভাড়া ঘৰত চলি থকা দেহ ব্যৱসায় চক্ৰ যোৱা নিশা স্থানীয় ৰাইজে উৎখাত কৰে। অভিযোগ অনুসৰি, ঘৰটোলৈ মাজনিশালৈকে সঘনাই যুৱক-যুৱতীৰ আহ-যাহ চলিছিল। ইয়াৰ লগতে ঘৰটোত উচ্ছৃংখল যুৱক-যুৱতীয়ে সুৰাপান কৰি হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি কৰি আহিছিল। অৱশেষত যোৱা নিশা স্থানীয় ৰাইজে ঘৰটোৰ পৰা এজন যুৱক আৰু কে'বাগৰাকী যুৱতীক কৰায়ত্ত কৰি আৰক্ষীক গতাই দিয়ে। অৱশ্যে নিশাৰ আন্ধাৰৰ সুযোগ লৈ আন কে'বাগৰাকী যুৱক-যুৱতীয়ে পলায়ন কৰে। ইপিনে, যোৱা নিশা যোৰহাট সদৰ আৰক্ষীয়ে নগৰৰ লাহতি বিজি য়াৰ্ডৰ পৰা নিষিদ্ধ ড্ৰাগছসহ এজন লোকক গ্ৰেপ্তাৰ কৰে। চিনামৰাৰ স্বাধীন বৰা নামৰ এই লোকজনে এখন স্কুটী (এএছ-০৩ এএল-৫৪৬৬)ৰে ড্ৰাগছ কঢ়িয়াই আনিছিল বুলি আৰক্ষী সূত্ৰই প্ৰকাশ কৰিছে। ধৃত লোকজনৰ পৰা আৰক্ষীয়ে ২১.৭২ গ্ৰাম ড্ৰাগছ উদ্ধাৰ কৰা বুলি সূত্ৰই সদৰী কৰিছে। উল্লেখ্য যে যোৰহাটত বৃদ্ধি পোৱা এনে অপৰাধ-অপকৰ্মৰ সময়তে অলপতে অন্বেষা শইকীয়া নামৰ এগৰাকী যুৱতী ৰহস্যজনক পৰিৱেশত মৃত্যু হয়।

# ড্ৰাগছৰ বিৰুদ্ধে যোৰহাটত

তিনি পৃষ্ঠাৰ পৰা বিৰোধী অভিযান অধিক শক্তিশালী কৰাৰ দাবী জনাই যোৰহাট আৰক্ষীৰ ভূমিকাক লৈ অসন্তুষ্টি প্ৰকাশ কৰে। অসম সেনাৰ মুখ্য আহ্বায়ক বিজয় শংকৰ বৰদলৈয়ে কয় যে আৰক্ষী-প্ৰশাসনৰ দুৰ্বলতাৰ সুযোগ লৈ জিলাখনত ড্ৰাগছ সৰবৰাহকাৰী আৰু বেপাৰীৰ সক্ৰিয়তা বৃদ্ধি পাইছে। শেহতীয়াকৈ অন্বেষা শইকীয়াৰ মৃত্যুৰ ঘটনাই যোৰহাটত ড্ৰাগছৰ ভয়ংকৰ প্ৰভাৱ পুনৰ স্পষ্ট কৰা বুলি তেওঁ মন্তব্য কৰে। সদৌ অসম ছাত্ৰ সন্থাৰ সাহিত্য সম্পাদক নীহাৰিকা শইকীয়াই ড্ৰাগছৰ বিৰুদ্ধে আৰক্ষীৰ অধীনত এটা সুকীয়া বিশেষ অভিযানকাৰী গোট গঠনৰ দাবী জনায়। লগতে গাঁওৰক্ষী বাহিনীক ড্ৰাগছ বিৰোধী অভিযানত অধিক ক্ষমতা প্ৰদান আৰু তেওঁলোকৰ নিৰাপত্তা নিশ্চিত কৰাৰ দাবী উত্থাপন কৰে। আছুৰ যোৰহাট জিলা সভাপতি প্ৰীতম জ্যোতি শইকীয়া, সাধাৰণ সম্পাদক ৰিয়াজ হুছেইন আৰু অসম সেনাৰ জিলা মুখ্য আহ্বায়ক অৰূপ পূজাৰীয়ে ড্ৰাগছৰ স'তে জড়িত লোকসকলক শীঘ্ৰে চিনাক্ত কৰি কঠোৰ শাস্তি দিয়াৰ দাবী জনায়। প্ৰতিবাদী কাৰ্যসূচীত অসম সেনাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক ৰিতুল পাঠক, উন্নতি সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক দুলাল কলিতাকে ধৰি আছু আৰু অসম সেনাৰ সহস্ৰাধিক প্ৰতিনিধি উপস্থিত থাকে।

# নমাটিত গৰু চোৰৰ বাবে পতা

তিনি পৃষ্ঠাৰ পৰা আতংকই প্ৰতিটো পৰিয়ালৰ মাজত আতংকৰ সৃষ্টি কৰি আহিছিল। বিগত কিছুদিনৰ পৰা নমাটি আৰু ইয়াৰ আশে-পাশে থকা অঞ্চলসমূহত ধাৰাবাহিকভাৱে অব্যাহত আছিল গৰু চুৰিৰ উপদ্ৰৱ। চোৰৰ উপদ্ৰৱৰ পৰা নিজৰ পশুধন আৰু গৃহ সুৰক্ষিত কৰাৰ উদ্দেশ্যে ধৰণী কলিতাৰ পৰিয়ালে ঘৰৰ চাৰিওফালে বিজুলীৰ তাঁৰৰ সংযোগ কৰি ৰাখিছিল। দুৰ্ভাগ্যজনকভাৱে আজি পুৱাই সংঘটিত হয় সেই অনাকাংক্ষিত কৰুণ ঘটনা। ঘৰৰ চৌহদত সংযোগী হৈ থকা নাঙঠ বিদ্যুৎ প্ৰবাহী তাঁৰত ভুলবশতঃ স্পৰ্শ হয় ২৪ বছৰীয়া একমাত্ৰ পুত্ৰ বনজিৎ কলিতাৰ। লগে লগে বিদ্যুৎস্পৃষ্ট হৈ মাটিত লুটি খাই পৰে যুৱকজন। চুবুৰীয়া আৰু পৰিয়ালৰ লোকে ততাতৈয়াকৈ সংকটজনক অৱস্থাত হাস্পতাললৈ প্ৰেৰণ কৰে যদিও চিকিৎসকে বনজিতক মৃত বুলি ঘোষণা কৰে। স্থানীয় লোকে প্ৰকাশ কৰা অনুসৰি অঞ্চলটোত দিনক-দিনে গৰু চুৰিৰ ঘটনা বাঢ়ি গৈ আছিল। সেই ভয়তে ঘৰৰ চাৰিওফালে বিদ্যুতৰ তাঁৰ চৌহদৰ চাৰিওফালে মেৰিয়াই ৰাখিছিল। যাতে চোৰ আহি সেই ফান্দত পৰে। কিন্তু দুৰ্ভাগ্যবশতঃ পুৱা আৰু চোৰলৈ বুলি পতা ফান্দত পৰি পৰিয়ালটোৰ একমাত্ৰ পুত্ৰক হেৰুৱাবলগীয়া হয়। এই ঘটনাই এতিয়া সমগ্ৰ নমাটি গাঁৱতে এক গভীৰ শোকৰ ছাঁ পেলাইছে। এফালে যদি চোৰৰ উপদ্ৰৱক লৈ ৰাইজৰ ক্ষোভ, আনফালে ঘৰৰ চৌহদত কাৰেণ্টৰ সংযোগ দিয়াৰ দৰে বিপজ্জনক সিদ্ধান্তই কাঢ়ি নিলে এটা পৰিয়ালৰ একমাত্ৰ ভৱিষ্যৎ।

# নগাঁও আদালতৰ বিভিন্ন

তিনি পৃষ্ঠাৰ পৰা নম্বৰৰ গোচৰৰ বিচাৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰি ধৰ্ষণকাৰী ৰামসিং টিমুঙক ১০ বছৰ কাৰাদণ্ড বিহাৰ লগে পাঁচ হেজাৰ টকা জৰিমনা বিহে। এই দুয়োটা গোচৰৰ চৰকাৰী অধিবক্তা আছিল লাভলি বৰা। আনহাতে, নগাঁও অতিৰিক্ত জিলা আৰু সত্ৰ ন্যায়াধীশ বংকিম চন্দ্ৰ শৰ্মাৰ আদালতে চাৰিটা গোচৰৰ ৰায়দান প্ৰদান কৰে। ইয়াৰে নগাঁও সদৰ আৰক্ষী থানাৰ অন্তৰ্গত হয়বৰগাঁৱৰ শংকৰ ৰয় নামৰ লোকজনক এগৰাকী মহিলাক হত্যাৰ অভিযোগত চেছন গোচৰ নম্বৰ ২২/২২ অনুসৰি বিচাৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰি যাৱজ্জীৱন কাৰাদণ্ড বিহাৰ লগতে ১০ হেজাৰ টকা জৰিমনা বিহে। চেছন গোচৰ নম্বৰ ৪০/২০১৬ ৰ বিচাৰ সম্পূৰ্ণ কৰি নিজৰ মাকক হত্যা কৰাৰ অভিযোগত লখিন্দৰ খাৰিয়া নামৰ লোকজনক যাৱজ্জীৱন কাৰাদণ্ড বিহাৰ লগতে ১০ হেজাৰ টকা জৰিমণা বিহে। কচুৱা আৰক্ষী থানাৰ ৩০০/২০১৫ নম্বৰ গোচৰৰ বিচাৰ সম্পূৰ্ণ কৰি কিশোৰী অপহৰণৰ অভিযোগত ৰছিদুল হক নামৰ এজনক পাঁচ বছৰ কাৰাদণ্ড আৰু পাঁচ হেজাৰ টকা জৰিমণা বিহে। বটদ্ৰৱা আৰক্ষী থানাৰ ৬৩- ২০১৭ নম্বৰৰ গোচৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰি য়াচিন আলি সহ পাঁচজনক যাৱজ্জীৱন কাৰাদণ্ড বিহাৰ লগতে ১০ হেজাৰ টকা জৰিমনা বিহে। এই গোচৰৰ তিনিটাৰ চৰকাৰী অধিবক্তা আছিল দিপা শইকীয়া, এটা গোচৰৰ চৰকাৰী অধিবক্তা আছিল বিভা ফুকন। কচুৱা আৰক্ষী থানাৰ ২৭৮/১৫ নম্বৰৰ গোচৰৰ বিচাৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰি নগাঁও অতিৰিক্ত জিলা ও সত্ৰ ন্যায়াধীশৰ আদালতে হত্যাৰ অভিযোগত অভিযুক্ত মোবাৰক হুছেইনক যাৱজ্জীৱন কাৰাদণ্ডৰ লগতে ১০ হেজাৰ টকা জৰিমনা বিহে। এই গোচৰৰ চৰকাৰী অধিবক্তা আছিল ৰুলা তামুলী ফুকন। জৰিমনা অনাদায়ে উল্লিখিত অপৰাধীসকলক অতিৰিক্ত ছমাহৰ কাৰাদণ্ডৰ নিৰ্দেশ দিয়ে আদালতে। সংবাদ মাধ্যমৰ আগত চৰকাৰী অধিবক্তা দিপা শইকীয়া, ৰুলা তামুলী ফুকন আৰু লাভলি বৰাই এই কথা সদৰী কৰে।

# নগাঁৱত পঞ্চদশ বিত্তীয়

তিনি পৃষ্ঠাৰ পৰা আছে। মনককৰিবলগীয়া যে এইদৰে প্ৰায় ১৫ বছৰ ধৰি বিভাগীয় নীতি-নিয়ম অনুসৰি বিভিন্ন উন্নয়ন খণ্ডলৈ বদলি হয় ঠিকেই, কিন্তু জিলা পৰিষদৰ উক্ত পদত বাৰে বাৰে সংলগ্ন হৈ থাকিবলৈ সক্ষম হয় নবীন দাস। গাণনিক দাসে পঞ্চম বিত্তীয় আয়োগ, চতুৰ্দশ বিত্তীয় আয়োগ, পঞ্চাদশ বিত্তীয় আয়োগকে ধৰি ব্যাপক পৰিমাণৰ পুঁজি থকা ফাইল চোৰা-চিতাৰ সকলো দায়িত্ব চম্ভালি আছে। আনকি, নগাঁও জিলা পৰিষদত যোৱা ২০২৪-২০২৫ বৰ্ষত পঞ্চদশ বিত্তীয় আয়োগৰ অধীনত আবণ্টিত ২.২৭ কোটি টকাৰ আঁচনিৰ কামৰ দায়িত্বতো আছে তেওঁ। জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াৰ আশীসধন্য এইগৰাকী গাণনিকে পুঁজি মোকলাই দিয়াৰ নামতো অনিয়ম কৰা বুলি গুৰুতৰ অভিযোগ উত্থাপিত হৈ আহিছে। ইপিনে, নগাঁও জিলা পৰিষদত আঁচনিৰ ধন মোকলাই দিয়াৰ ক্ষেত্ৰতেই নহয় প্ৰতি বছৰে বছৰেকীয়া হিচাব-নিকাচ কাৰ্য সম্পাদন কৰাৰ নামত গাঁও পঞ্চায়ত সচিবৰসকলৰে অসাধু লেনদেন সংঘটিত হৈ আহিছে। য'ত এই কৰ্মচাৰীজনৰ নামো বাৰে বাৰে চৰ্চিত হয়। অৱশ্যে এই গাণনিক বিষয়াজনে তেওঁৰ বিৰুদ্ধে উত্থাপিত অভিযোগ সমূহ বিভিন্ন সময়ত নস্যাৎ কৰি আহিছে। আটাইতকৈ আচৰ্যজনক বিষয় এই যে ৰাজ্য চৰকাৰে সকলো বিভাগতে সংলগ্ন হৈ থকা বিষয়া-কৰ্মচাৰীক নিজৰ স্থানতে কাৰ্য সম্পাদন কৰাৰ নিৰ্দেশ জাৰি কৰাৰ পাছত আন জিলাৰ লগতে নগাঁও জিলাৰ সকলো বিভাগত থকা সংলগ্ন ব্যৱস্থা সম্পূৰ্ণৰূপে উঠাই দিয়াৰ পাছত কি শক্তিৰ বলত এইগৰাকী বিষয়াই বছৰ বছৰ ধৰি একেখন কাৰ্যালয়ত সংলগ্ন হৈ থাকিবলৈ সক্ষম হৈছে, সেয়া এক কোটি টকীয়া প্ৰশ্ন হিচাপে চৰ্চিত হৈছে।

## কামৰূপ জিলাৰ আয়ুক্ত বিধায়কক স্মাৰকপত্ৰ প্ৰদান

# ব্ৰহ্মপুত্ৰ নদীৰ লাহেশ্বৰী সুঁতিটো পুতি নেপালাবলৈ লাহেশ্বৰী কৃষিভূমি সংৰক্ষণ সমিতিৰ

**অগ্ৰদূত বাৰ্তা**

**হাজো, ২১ আগষ্ট ঃ** কামৰূপ জিলাৰ জৈৱ বৈচিত্ৰ্যৰে ভৰপূৰ এখন ঠাই লাহেশ্বৰী চাপৰিটোৰ কাষেৰে নিৰন্তৰ ভাৱে বৈ থকা ব্ৰহ্মপুত্ৰ নদীৰ লাহেশ্বৰী সুঁতিতো চৰকাৰে পুতি পেলাবলৈ ওলোৱা কাৰ্যত জাঙুৰ খাই উঠিছে অঞ্চলটোৰ কৃষকসকল। ইতিমধ্যেই লাহেশ্বৰী কৃষিভূমি সংৰক্ষণ সমিতিয়ে অঞ্চলটোৰ কৃষিভূমি সমূহ সুৰক্ষা প্ৰদান আৰু ইয়াৰ কাষৰে বৈ থকা ব্ৰহ্মপুত্ৰৰ নদীৰ লাহেশ্বৰী নদীটোক সুৰক্ষা প্ৰদান কৰিবৰ বাবে আজি কে'বাদিনো ধৰি প্ৰতিবাদ কৰি অহা পৰিলক্ষিত হৈছে। প্ৰাক্তন আছু নেতা তথা লাহেশ্বৰী কৃষিভূমি সংৰক্ষণ সমিতিৰ সাধাৰণ সম্পাদক পংকজ কলিতা আৰু সভাপতি যতীন কলিতাৰ নেতৃত্বত আজি এটা প্ৰতিনিধি দলে কামৰূপ জিলা আয়ুক্ত আৰু হাজো-শুৱালকুছি বিধানসভা সমষ্টিৰ বিধায়ক প্ৰকাশ চন্দ্ৰ দাসক সাক্ষাৎ কৰি লাহেশ্বৰী কৃষিভূমি অধিগ্ৰহণ নকৰিবলৈ আৰু লাহেশ্বৰী সুঁতিটো পুতি নেপালাবলৈ দাবী উত্থাপন কৰি একোখনকৈ স্মাৰকপত্ৰ প্ৰদান কৰে। লাহেশ্বৰী কৃষিভূমি সংৰক্ষণ সমিতিৰ সভাপতি যতীন কলিতা আৰু সাধাৰণ সম্পাদক পংকজ কলিতাই কয় যে বৰ্তমান সময়ত আমাৰ অঞ্চলটোৰ হেজাৰ হেজাৰ পৰিয়াল লাহেশ্বৰী চাপৰিৰ কৃষিভূমি সমূহ অধিগ্ৰহণ কৰিব বুলি আৰু লাহেশ্বৰী সুঁতিতো পুতি পেলোৱাৰ শংকাত জীৱন কটাই আছে। চৰকাৰে এনে কৰিলে অঞ্চলটোৰ কৃষকসকলৰ উপাৰ্জনৰ পথ বন্ধ হোৱাৰ ভয়ত দিনে নিশাই চিন্তিত হৈ পৰিছে। আমাক চৰকাৰে ৰাজহুৱাকৈ স্পষ্ট কৰি কব লাগে আচলতে লাহেশ্বৰী চাপৰিৰ কৃষিভূমি সমূহ আহি থাকিব লগীয়া দিনবিলাকত খিলঞ্জীয়াৰ কৃষকৰ হাতত থাকিব নে নাই আৰু লাহেশ্বৰী সুঁতিতো পুতি পেলাই আমাৰ প্ৰাকৃতিক জৈৱ বৈচিত্ৰ্যসমূহ ধ্বংস কৰি কৃষক সকলৰ সপোনবোৰ নিঃশেষ কৰাৰ আঁৰৰ ৰহস্য বিভাগীয়া কৰ্তৃপক্ষই ৰাজহুৱাকৈ অঞ্চলটোৰ ৰাইজ আস্বস্ত হৱ পৰাকৈ স্পষ্টীকৰণ দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। আৰু যেতিয়ালৈ ৰাইজ আস্বস্ত হ'ব পৰাকৈ স্পষ্টীকৰণ দিব নোৱাৰে তেতিয়া ব্ৰহ্মপুত্ৰৰ নদীৰ লাহেশ্বৰী সুঁতিত চলি থকা কাম বন্ধ কৰি ৰাখিব লাগিব। এনে নকৰিলে ন ৰাইজে নিজে নিজেই ওলাই আহি বন্ধ কৰি দিব বাধ্য হ'ব বুলি মন্তব্য প্ৰদান কৰে। প্ৰতিনিধি দলটোক কামৰূপ জিলাৰ আয়ুক্ত দেৱ কুমাৰ মিশ্ৰ আৰু বিধায়ক দাসে ৰাইজৰ ক্ষতি হ'ব পৰা কাম কেতিয়াও নকৰো বুলি প্ৰতিশ্ৰুতি প্ৰদান কৰে। প্ৰতিনিধি দলটোত কামৰূপ জিলা ছাত্ৰ সন্থাৰ উপ-সভাপতি সুৰজিত কলিতা, সাংস্কৃতিক সম্পাদক ৰুবুল কলিতা, বামুন্দী ৰাইজ গয়ৰহ সভাপতি মাধৱ কলিতা, বিশিষ্ট সমাজসেৱক প্ৰমেশ কলিতাৰ লগতে কে'বাগৰাকীও অঞ্চলটোৰ সচেতন ব্যক্তি উপস্থিত থাকে।

# দুধনৈৰ উপৰতোলাত বন্যহস্তীৰ আক্ৰমণত এজন নিহত

**অগ্ৰদূত বাৰ্তা**

**দুধনৈ, ২১ আগষ্ট ঃ** গোৱালপাৰা জিলাৰ বিভিন্ন প্ৰান্তত অব্যাহত আছে বন্যহস্তীৰ সন্ত্ৰাস। আজি পুনৰ বন্যহস্তীৰ আক্ৰমণত এজন লোক নিহত হয়। অকলশৰীয়া বন্যহস্তীৰ আক্ৰমণত থিতাতে নিহত হয় এজন, কথমপি প্ৰাণৰক্ষা তিনিজন লোকৰ। ঘটনা সন্দৰ্ভত জানিব পৰা মতে আজি পুৱা ৪-১৫ মান বজাত দুধনৈৰ উপৰতোলা শালনীঝাৰৰ কাষতে সংঘটিত হয় এই ঘটনা। নিশাই চাৰিগৰাকী ব্যক্তি মাছ ধৰিবলৈ আহি ওৰে নিশা কটাইছিল পথাৰত। পুৱা ৪-১৫ মান বজাত হঠাৎ অকলশৰীয়া হাতী এটা উক্ত স্থানত উপস্থিত হৈ প্ৰথমে দুখন মটৰ চাইকেলৰ ওপৰত আক্ৰমণ চলাই চূৰ্ণ বিচূৰ্ণ কৰে। হাতীয়ে মটৰ চাইকেল ভঙা দেখি চাৰিও দৌৰি পলাবলৈ চেষ্টা কৰে। তিনিজন লোক পলাই জীৱন ৰক্ষা কৰে যদিও এজনক গচকি হত্যা কৰে। নিহত লোকজন মাজ-জাখিলী শিঙিজানী গাঁৱৰ মণ্টু নাথ (৩৮)। পাছত ঘটনাৰ খবৰ লাভ কৰি ঘটনাস্থলীত বনকৰ্মী আৰু আৰক্ষীৰ লোক উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে গোৱালপাৰালৈ প্ৰেৰণ কৰে।

# পাৰাদ্বীপ বন্দৰত ৪২৭.৮০ কোটিৰ

তিনি পৃষ্ঠাৰ পৰা বিধ্বংসী ঘূৰ্ণী বতাহৰ প্ৰতিকূলতাৰ সময়ত নতুন সংকল্পেৰে গঢ় লৈ উঠা এই সেউজ অভিযানে আজি এই অনন্য সফলতাত উপনীত হৈছে। বন্দৰ কৰ্তৃপক্ষ, বিষয়া-কৰ্মচাৰী আৰু স্থানীয় ৰাইজৰ সামূহিক প্ৰচেষ্টাত বিগত চাৰিটা বছৰত প্ৰতি বছৰে প্ৰায় এক লাখকৈ গছপুলি ৰোপণ কৰা হৈছে। ভাৰতৰ বন্দৰসমূহ কেৱল সামৰ্থ আৰু দক্ষতাতেই যে আগবাঢ়িছে সেয়াই নহয়, প্ৰকৃতিৰ স'তে সমন্বয় ৰক্ষা কৰি এক সেউজ আৰু বহনক্ষম ভৱিষ্যতৰ দিশতো দৃঢ়তাৰে আগবাঢ়িছে।'

তদুপৰি, পাৰাদ্বীপ বন্দৰৰ সামৰ্থ, দক্ষতা আৰু পণ্য পৰিচালন ক্ষমতা অধিক শক্তিশালী কৰাৰ লক্ষ্যৰে মুঠ ১,৫৮০.৩৬ কোটি টকাৰ বিনিয়োগেৰে তিনিটা যান্ত্ৰিকীকৰণ প্ৰকল্পৰ বাবে ৰেহাই চুক্তি স্বাক্ষৰ অনুষ্ঠানতো কেন্দ্ৰীয় মন্ত্ৰীজন উপস্থিত থাকে। এই প্ৰকল্পসমূহৰ ভিতৰত নৌ-চলাচল, যোগাযোগ ব্যৱস্থা, সুৰক্ষা, বহনক্ষমতা, আৱাসিক আন্তঃগাঁথনি আৰু সমাজ কল্যাণৰ স'তে জড়িত বিভিন্ন ক্ষেত্ৰ সামৰি লোৱা হৈছে। আনহাতে, যান্ত্ৰিকীকৰণ প্ৰকল্পসমূহে বন্দৰৰ পণ্য পৰিচালনা অধিক দ্ৰুত আৰু দক্ষ কৰি বন্দৰত জাহাজ থকাৰ সময় হ্ৰাস কৰাত সহায় কৰিব। অনুষ্ঠানত ওড়িছা চৰকাৰৰ উদ্যোগ, দক্ষতা বিকাশ আৰু কাৰিকৰী শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী (স্বতন্ত্ৰ দায়িত্ব) সম্পদ চন্দ্ৰ স্বাইন, জগৎসিংহপুৰৰ সাংসদ বিভু প্ৰসাদ তৰাই, পাৰাদ্বীপ বন্দৰ প্ৰাধিকৰণৰ অধ্যক্ষ পিএল হৰনাধ, আইআৰটিএছ, উপাধ্যক্ষ টি বেণু গোপাল, জ্যেষ্ঠ বিষয়াসকল, অংশীদাৰ আৰু পাৰাদ্বীপ বন্দৰৰ সদস্যসকল উপস্থিত থাকে। কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালে কয়, 'পাৰাদ্বীপ বন্দৰৰ সামৰ্থ সম্প্ৰসাৰণ কেৱল এটা বন্দৰক শক্তিশালী কৰাৰ বিষয় নহয়; ই পূব ভাৰতৰ বাবে এক বৃহৎ অৰ্থনৈতিক বিকাশৰ অনুঘটক সৃষ্টি কৰাৰ প্ৰয়াস। অধিক গভীৰ ড্ৰাফ্‌ট, আধুনিক পণ্য পৰিচালনা আন্তঃগাঁথনি, উন্নত যোগাযোগ আৰু অধিক যান্ত্ৰিকীকৰণৰ জৰিয়তে পাৰাদ্বীপে বাণিজ্য, লজিষ্টিক্স, উদ্যোগ আৰু নিয়োগৰ ক্ষেত্ৰত সমগ্ৰ অঞ্চলটোত নতুন সুযোগ সৃষ্টি কৰিবলৈ সক্ষম হ'ব। ইয়াৰ ফলত ভাৰতৰ বিশ্বব্যাপী প্ৰতিযোগিতামূলক সামুদ্ৰিক অৰ্থনীতি শক্তিশালী হ'ব।'

# অখিল গগৈক ক্ষমা বিচাৰি জিলা আয়ুক্ত

তিনি পৃষ্ঠাৰ পৰা ২০ আগষ্টত শিৱসাগৰ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ ছ্যুকাফা সভাকক্ষত জিলা আয়ুক্ত মৃদুল যাদৱ আৰু বিধায়ক গগৈৰ মাজত অনুষ্ঠিত আলোচনাৰ সময়ত এক অপ্ৰীতিকৰ ঘটনা সংঘটিত হয়। উক্ত আলোচনাত শিৱসাগৰ বিধায়ক গগৈয়ে জিলা আয়ুক্তক দুৰ্ব্যৱহাৰ কৰা এক অভিযোগ উত্থাপন হয়। আয়ুক্তক কৰা দুৰ্ব্যৱহাৰ কাৰ্যৰ ভিডিঅ' পৰ্যন্ত সামাজিক মাধ্যমত প্ৰচাৰ হয়। এই ঘটনাৰ প্ৰতিবাদত জিলা প্ৰশাসন কৰ্মচাৰী সন্থাৰ শিৱসাগৰ জিলা সমিতিৰ সভাপতি অৱতাৰেন্দ্ৰ দাস আৰু সম্পাদক জিতেন্দ্ৰ তত মিলিৰ নেতৃত্বত কৰ্মচাৰীসকলে আজি এঘণ্টীয়া অৱস্থান ধৰ্মঘট ৰূপায়ণ কৰে। দিনৰ ১২ বজাৰ পৰা এক বজালৈ মুখত ক'লা কাপোৰ বান্ধি প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে সন্ধিয়া পাঁচ বজালৈ কৰ্মবিৰতি পালন কৰে। কৰ্মচাৰী সন্থাই সিদ্ধান্ত গ্ৰহণ কৰে যে বিধায়ক অখিল গগৈয়ে ছ্যুকাফা সভাকক্ষত জিলা আয়ুক্তৰ স'তে হোৱা আচৰণ সন্দৰ্ভত স্পষ্টীকৰণ নিদিয়া পৰ্যন্ত কাৰ্যালয়ৰ সকলো কৰ্মচাৰীয়ে ক'লা বেজ পৰিধান কৰিব। লগতে ২১ আগষ্টৰ পুৱা ৯.৩০ বজাৰ পৰা ৭২ ঘণ্টাৰ ভিতৰত বিধায়কজনে সামাজিক মাধ্যমযোগে ইতিবাচক বাৰ্তা প্ৰেৰণ নকৰিলে কৰ্মচাৰীসকলে ক'লা বেজ পৰিধান কৰি কৰ্তব্য পালন কৰি যাব বুলি সিদ্ধান্ত লোৱা হয়। এনে অপ্ৰীতিকৰ ঘটনাৰ পুনৰাবৃত্তি ৰোধৰ বাবে মুখ্যমন্ত্ৰী, মুখ্য সচিব আৰু জিলা প্ৰশাসন কৰ্মচাৰী সন্থাৰ কেন্দ্ৰীয় সমিতি, গুৱাহাটীলৈ পত্ৰ প্ৰেৰণ কৰাৰ বাবেও সভাই সিদ্ধান্ত গ্ৰহণ কৰে। জিলা আয়ুক্তৰ অনুমোদন সাপেক্ষে সভাত গ্ৰহণ কৰা সিদ্ধান্তসমূহ কেন্দ্ৰীয় সমিতিলৈ প্ৰেৰণ কৰি পৰৱৰ্তী কাৰ্যব্যৱস্থা গ্ৰহণ কৰা হ'ব। ইয়াৰ উপৰি, ঘটনাটোৰ ভিডিঅ' কৰি সামাজিক মাধ্যমত আপলোড কৰাৰ জৰিয়তে জিলা প্ৰশাসনৰ মুৰব্বী তথা এগৰাকী ভাৰতীয় প্ৰশাসনীয় সেৱাৰ ৰাজপত্ৰিত বিষয়াৰ আত্মসন্মানত আঘাত হনা ব্যক্তিসকলৰ বিৰুদ্ধে আইন অনুসৰি ব্যৱস্থা গ্ৰহণ কৰিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষক অনুৰোধ জনোৱাৰ সিদ্ধান্ত লোৱা হয়। ইফালে, ঘটনাটোৰ সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি জিলা আয়ুক্ত যাদৱে কয় যে তেওঁ চৰকাৰী নীতি-নিয়ম অনুসৰি নিজৰ দায়িত্ব পালন কৰি আহিছে। কোনো বিষয়ত মতভেদ থাকিব পাৰে যদিও এগৰাকী বিধায়কৰ পৰা দুৰ্ব্যৱহাৰ বা ভয়-ভাবুকিৰ দৰে আচৰণ আশা কৰা নাযায় বুলি তেওঁ মন্তব্য কৰে। অৱশ্যে, সমগ্ৰ বিষয়টোৰ মাজতো বানপীড়িত ৰাইজৰ স্বাৰ্থক সৰ্বাধিক গুৰুত্ব দি জিলা আয়ুক্তজনে কয় যে বৰ্তমান প্ৰশাসনৰ প্ৰথম আৰু প্ৰধান অগ্ৰাধিকাৰ হৈছে বানপীড়িত লোকসকলৰ পুনৰ্বাসন আৰু পুনৰ সংস্থাপনৰ কাম ত্বৰান্বিত কৰা। তেওঁ কয় যে বানপীড়িত লোকসকলক আৰ্থিক সাহায্য প্ৰদানকে ধৰি বিভিন্ন পুনৰ্বাসনমূলক কাম ইতিমধ্যে চলি আছে আৰু এই কামসমূহ অব্যাহত থাকিব। বিষয়াসকল আৰু কৰ্মচাৰীসকলক সমন্বিতভাৱে কাম কৰি পুনৰ্বাসন আৰু পুনৰ সংস্থাপনৰ কাম অধিক ক্ষিপ্ৰতাৰে আগুৱাই নিবলৈও তেওঁ আহ্বান জনায়। বিধ্বংসী বানৰ পাছত শিৱসাগৰ জিলা প্ৰশাসনে ক্ষয়-ক্ষতিৰ জৰীপ, উদ্ধাৰ আৰু সাহায্য প্ৰদান, অত্যাৱশ্যকীয় সেৱা পুনৰুদ্ধাৰ, ক্ষতিগ্ৰস্ত লোকসকলৰ পুনৰ্বাসন আৰু পুনৰ সংস্থাপনৰ কামত নিৰন্তৰভাৱে ক্ষেত্ৰ পৰ্যায়ত তৎপৰতা অব্যাহত ৰাখিছে। আয়ুক্তজনে স্পষ্ট কৰি দিয়ে যে এই কঠিন সময়ত বানপীড়িত ৰাইজৰ কল্যাণেই প্ৰশাসনৰ সৰ্বোচ্চ অগ্ৰাধিকাৰ হৈ থাকিব।


# নিষিদ্ধ ড্ৰাগছে ছানি ধৰিছে সমগ্ৰ নগাঁও






তিনি পৃষ্ঠাৰ পৰা আৰক্ষীয়ে জিলাখনৰ বিভিন্ন প্ৰান্তত অভিযান চলাই শতাধিক কুখ্যাত ড্ৰাগছ মাফিয়া, ড্ৰাগছ ব্যৱসায়ী আৰু ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰাৰ লগতে বুজন পৰিমাণৰ নিষিদ্ধ ড্ৰাগছ জব্দ কৰিবলৈ সক্ষম হৈছে; কিন্তু সৰবৰাহ অব্যাহত থকাত জিলাখনৰ বিশেষকৈ নগাঁও চহৰ আৰু ইয়াৰ উপকণ্ঠ অঞ্চলসমূহত একাংশ ড্ৰাগছ মাফিয়াই চহৰখনৰ অলিয়ে-গলিয়ে সুলভ কৰি তুলিছে নিষিদ্ধ ড্ৰাগছ। এই ড্ৰাগছৰ কৱলত পৰি ইতিমধ্যে চহৰখনৰ কে'বাজনো যুৱকে অকাল মৃত্যুক আঁকোৱালি ল'বলগীয়া হৈছে। চলিত বৰ্ষৰ জানুৱাৰীৰ পৰা এই পৰ্যন্ত নগাঁও আৰক্ষীয়ে জিলাখনৰ বিভিন্ন ঠাইত অভিযান চলাই বহু ড্ৰাগছ মাফিয়া, ড্ৰাগছ ব্যৱসায়ী আৰু সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰাৰ লগতে বুজন পৰিমাণৰ ড্ৰাগছ জব্দ কৰিবলৈ সক্ষম হৈছে। তৎসত্বেও জিলাখনত ড্ৰাগছ ব্যৱসায়ীৰ দৌৰাত্ম্য অকণো কমা নাই।

নগাঁও চহৰত ড্ৰাগছৰ ভয়াৱহতাৰ মাজতে নগাঁৱৰ আৰক্ষীয়ে আজি দুপৰীয়া এক গোপন সূত্ৰৰ পমখেদি বুজন পৰিমাণৰ ড্ৰাগছ জব্দ কৰিবলৈ সক্ষম হয়। নগাঁও নগৰ আৰক্ষীৰ এটা দলে ভাৰতীয় ষ্টেট বেংকৰ নগাঁৱৰ প্ৰধান কাৰ্যালয়ৰ সমীপত পুৰণা ৩৭ নম্বৰ ৰাষ্ট্ৰীয় পথত ড্ৰাগছসহ দুজন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। আৰক্ষী সূত্ৰই জনোৱা মতে, নগাঁও চহৰৰ সমীপৰ কাটিমাৰীৰ পৰা এএছ-০২ আৰ- ৭৬২৫ নম্বৰৰ হোণ্ডা ডিঅ' স্কুটীত এই দুজন ড্ৰাগছ সৰবৰাহকাৰীয়ে নগাঁও চহৰলৈ ড্ৰাগছখিনি কঢ়িয়াই আনিছিল। আৰক্ষীয়ে এই সংক্ৰান্তত ফৌজদাৰীপট্টিৰ ইছলাম মালিক আৰু চাহিন মালিকক গ্ৰেপ্তাৰ কৰি অধিক তথ্য আহৰণৰ বাবে জেৰা অব্যাহত ৰাখিছে। আৰক্ষীয়ে ড্ৰাগছ সৰবৰাহকাৰীৰ পৰা ৩০ টা ড্ৰাগছ ভৰ্তি কণ্টেইনাৰ জব্দ কৰিবলৈ সক্ষম হয়। ৩৫.৫ গ্ৰাম ওজনৰ এই ড্ৰাগছখিনিৰ মূল্য ৮০ হেজাৰ টকাৰ অধিক হ'ব। উল্লেখ্য যে ফৌজদাৰীপট্টিৰ এই দুই ড্ৰাগছ সৰবৰাহকাৰীয়ে দীৰ্ঘদিন ধৰি নগাঁও চহৰ আৰু ইয়াৰ পাৰ্শ্বৱৰ্তী অঞ্চলত ড্ৰাগছৰ ৰমৰমীয়া ব্যৱসায় চলাই আহিছে বুলি আৰক্ষী সূত্ৰই প্ৰকাশ কৰিছে।




## বৰফে ঢকা পাহাৰত ভাঙি পৰিল চাৰ্টাৰ্ড বিমান, দুই বৈমানিকসহ নিহত আঠ

**নিউজ ব্যুৰ' আলাস্কা, ২১ আগষ্ট ঃ** আলাস্কাৰ বৰফে ঢকা পাহাৰত বৃহৎ দুৰ্ঘটনাৰ কবলত পৰিল চাৰ্টাৰ্ড বিমান। এই দুৰ্ঘটনাত দুই বৈমানিকসহ আঠজন লোক নিহত হ'ল। ঘটনাৰ পাছতে আমেৰিকাৰ উক্ত পাহাৰ অঞ্চলত ব্যাপক তালাচী অভিযান চলাই সকলো যাত্ৰীৰ মৃতদেহ উদ্ধাৰ কৰা বুলি তথ্য সদৰী কৰিলে আলাস্কাৰ ৰাষ্ট্ৰীয় পৰিবহণ সুৰক্ষা ব'ৰ্ডৰ মুৰব্বী ক্লিণ্ট জনছনে। প্ৰকাশিত বাতৰি অনুসৰি, বৃহস্পতিবাৰে চাৰ্টাৰ্ড বিমানখনে আমেৰিকাৰ এংক'ৰেজৰ পৰা উৰণ আৰম্ভ কৰিছিল আৰু আলাস্কাৰ বৰফাবৃত পাহাৰত হঠাতে ভাঙি পৰিছিল। বিমান দুৰ্ঘটনাৰ কাৰণ এতিয়াও স্পষ্ট হোৱা নাই।

**নিটি আয়োগৰ তথ্য ঃ প্ৰয়োজনীয় দক্ষতাৰ অভাৱৰ কাৰণত সংস্থাপন লাভত সম্পূৰ্ণ ব্যৰ্থ যুৱ প্ৰজন্ম**

# এবছৰত দেশত মাত্ৰ ৮.২৫ শতাংশ স্নাতক ডিগ্ৰীধাৰীৰ চাকৰি লাভ

**নিউজ ব্যুৰ' নতুন দিল্লী, ২১ আগষ্ট ঃ** ভাৰতত পূৰ্বতকৈ অধিক সংখ্যক স্নাতক ডিগ্ৰীধাৰীৰ সৃষ্টি হৈছে। কিন্তু নিটি আয়োগৰ তথ্য অনুসৰি, দেশৰ যুৱ প্ৰজন্মই স্নাতক ডিগ্ৰীৰ জৰিয়তে কৰ্মসংস্থাপন লাভৰ ক্ষেত্ৰত বিশেষভাৱে সফল হ'ব পৰা নাই। যোৱা ১৮ আগষ্টত নিটি আয়োগে প্ৰকাশ কৰা এক প্ৰতিবেদনৰ তথ্য অনুসৰি, ভাৰতত মাত্ৰ ৮.২৫ শতাংশ স্নাতক ডিগ্ৰীধাৰীয়েহে চাকৰিত নিযুক্তি লাভ কৰিছে। ২০২৪-২৫ বিত্তীয় বৰ্ষৰ তথ্যৰ আধাৰত আয়োগে এই পৰিসংখ্যা প্ৰস্তুত কৰিলে। ২০৪৭ বৰ্ষলৈকে ভাৰতক বিকশিত দেশ হিচাপে গঢ়ি তোলাৰ লক্ষ্যত নিৰ্ধাৰণ কৰা হৈছে যদিও দেশৰ বৃহৎসংখ্যক স্নাতক ডিগ্ৰীধাৰী যুৱ প্ৰজন্মই সংস্থাপন লাভত সম্পূৰ্ণ ব্যৰ্থ হৈছে বুলি নিটি আয়োগে প্ৰতিবেদনত উল্লেখ কৰিছে। যিকোনো বিষয়ত ডিগ্ৰী গ্ৰহণৰ বাবে কোটি কোটি যুৱ প্ৰজন্মই কে'বা বছৰ পৰিশ্ৰম কৰিব লগা হয় যদিও ডিগ্ৰী লাভৰ পাছত



মাত্ৰ দেশৰ ৮.২৫ শতাংশ যুৱ প্ৰজন্মইহে চাকৰিত নিযুক্তি লাভ কৰিছে।

আয়োগে উল্লেখ কৰা অনুসৰি, পুৰণি পাঠ্যক্ৰমৰ শিক্ষা আহৰণৰ কাৰণত দেশত বৃহৎসংখ্যক স্নাতক ডিগ্ৰীধাৰীয়ে সংস্থাপন লাভত ব্যৰ্থ হৈছে। কলা, বাণিজ্য আৰু বিজ্ঞান বিষয়ত ডিগ্ৰী গ্ৰহণৰ পাছত দেশত সৰহসংখ্যক যুৱক-যুৱতীয়ে প্ৰত্যক্ষভাৱে কোনো চাকৰিত নিযুক্তি লাভ কৰিব পৰা নাই বুলিও আয়োগে এই প্ৰতিবেদনত তথ্য সদৰী কৰিলে। মূলত প্ৰয়োজনীয় দক্ষতাৰ অভাৱৰ কাৰণত দেশৰ বৃহৎসংখ্যক স্নাতক ডিগ্ৰীধাৰী যুৱ প্ৰজন্মই সম্প্ৰতি নিবনুৱাৰ জীৱন যাপন কৰিব লগা হৈছে।

## ছ'মালিয়া উপকূলত তুৰস্কৰ অস্ত্ৰবাহী জাহাজত জলদস্যুৰ আক্ৰমণ, ছয় ভাৰতীয় নাবিকসহ অপহৃত ১০



**নিউজ ব্যুৰ', পুণ্টলেণ্ড, ২১ আগষ্ট ঃ** ছ'মালিয়াৰ পুণ্টলেণ্ড উপকূলৰ সমীপত কেমেৰুণৰ পতাকাধাৰী এখন পণ্যবাহী জাহাজত আক্ৰমণ চলালে জলদস্যুৱে। ছয় ভাৰতীয় নাবিকসহ ১০ জন লোকক জলদস্যুৱে অপহৰণ কৰি নিলে। ছ'মালিয়াৰ প্ৰশাসনে সদৰী কৰা অনুসৰি, জলদস্যুৱে তুৰস্কৰ অস্ত্ৰবাহী উক্ত জাহাজত নুগাল উপকূলৰ দিশলৈ লৈ গৈছে। বৰ্তমানলৈকে অপহৃতৰ কোনো সন্ধান লাভ কৰা নাই বুলি ছ'মালিয়াৰ প্ৰশাসনে তথ্য সদৰী কৰিলে। আঠ সদস্যৰ এই জলদস্যুৰ দলটোৱে যোৱা ২৬ এপ্ৰিলতো ছ'য়াৰ্ড নামৰ আন এখন বাণিজ্যিক জাহাজ অপহৰণ কৰিছিল।

## স্বাস্থ্য পৰীক্ষাৰ পাছত পুনৰ কাৰাগাৰলৈ প্ৰেৰণ ইমৰানক

**নিউজ ব্যুৰ', ইছলামাবাদ, ২১ আগষ্ট ঃ** ২০২৩ৰ অক্টোবৰৰ পৰা অদিয়ালা কাৰাগাৰত বন্দী হৈ আছে পাকিস্তানৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ইমৰান খান। দীৰ্ঘ ন মাহৰ ব্যৱধানত যোৱা বুধবাৰে নিশা ইছলামাবাদৰ ছিফা আন্তৰ্জাতিক হাস্পতাললৈ স্থানান্তৰিত কৰা হৈছিল ইমৰানক। পাকিস্তানৰ উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশত ইমৰানক চিকিৎসালয়লৈ প্ৰেৰণ কৰাৰ লগতে কাৰাগাৰত পত্নী বুছৰা বিবি আৰু ভগ্নী ন'ৰিন নিয়াজিক সাক্ষাতৰ অনুমতি দিয়া হৈছিল। কিন্তু চিকিৎসালয়ত স্বাস্থ্য পৰীক্ষাৰ পাছতে পুনৰ ইমৰানক কাৰাগাৰলৈ প্ৰেৰণ কৰা হ'ল বুলি পাকিস্তানৰ একাধিক সংবাদ মাধ্যমৰ বাতৰিত দাবী কৰা হৈছে। উচ্চতম ন্যায়ালয়ে অহা ১৬ ছেপ্টেম্বৰলৈকে ইমৰানক ছিফা হাস্পতালত ৰখাৰ নিৰ্দেশ দিছিল। কিন্তু চিকিৎসালয়ত প্ৰাক্তন প্ৰধানমন্ত্ৰীজনৰ স্বাস্থ্য পৰীক্ষাৰ পাছত চিকিৎসকে ইমৰানক কাৰাগাৰলৈ পুনৰ প্ৰেৰণ কৰিলে। ৭৩ বছৰীয়া ইমৰানক এইদৰে উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ অমান্য কৰি চিকিৎসালয়ৰ পৰা পুনৰ কাৰাগাৰলৈ প্ৰেৰণ কৰা কাৰ্যত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলে ইমৰানৰ অনুৰাগী আৰু তেওঁৰ দল পিটিআইৰ সমৰ্থকে। ইফালে, ইমৰানৰ অধিবক্তাই আজি দাবী কৰি কয় যে কাৰাগাৰত প্ৰাক্তন প্ৰধানমন্ত্ৰীৰ স্বাস্থ্যৰ অৱনতি হৈছে আৰু তেওঁৰ সোঁচকুৰ দৃষ্টিশক্তি যথেষ্ট হ্ৰাস পালে।



## প্ৰথমবাৰলৈ আমেৰিকাৰ ঋণৰ পৰিমাণ ৪০ লাখ কোটি ডলাৰ হ'ল



**নিউজ ব্যুৰ', নিউ য়ৰ্ক, ২১ আগষ্ট ঃ** আমেৰিকাৰ ঋণৰ পৰিমাণ প্ৰথমবাৰৰ বাবে ৪০ লাখ কোটি ডলাৰ অৰ্থাৎ ৪০ ট্ৰিলিয়ন ডলাৰ হ'ল। বিগত এক দশকত আমেৰিকাৰ ঋণৰ পৰিমাণ প্ৰায় দুগুণ বৃদ্ধি পালে। আমেৰিকাৰ ঋণৰ পৰিমাণ দ্ৰুত বৃদ্ধিয়ে বৰ্তমানৰ ড'নাল্ড ট্ৰাম্পৰ চৰকাৰ আৰু পূৰ্বৰ জ' বাইডেনৰ প্ৰশাসনে অত্যধিক ধন ব্যয় কৰাটো সূচাইছে। ২০১৬ত আমেৰিকাৰ মুঠ ঋণৰ পৰিমাণ আছিল ২০ লাখ কোটি ডলাৰৰ তলত। বৰ্তমানে মাৰ্কিন চৰকাৰে এই বৃহৎ পৰিমাণৰ ঋণৰ বাবদ দৈনিক গড়ে সুত আদায়ৰ বাবে ৩.৮০ বিলিয়ন ডলাৰ ব্যয় কৰিছে। ২০০৮ৰ পৰা বৰ্তমানলৈ আমেৰিকাৰ ঋণৰ পৰিমাণ প্ৰায় ৩০ লাখ কোটি ডলাৰতকৈ অধিক বৃদ্ধি পালে। বৰ্তমানে প্ৰতিজন আমেৰিকান নাগৰিকৰ বিপৰীতে ঋণৰ পৰিমাণ হৈছে ১,১৯,৬৯৯ ডলাৰ। পৰিসংখ্যা অনুসৰি বৰ্তমানৰ হাৰত ঋণ বৃদ্ধিৰ পৰিমাণ অব্যাহত থাকিলে আগন্তুক ছবছৰত আমেৰিকাৰ ঋণৰ পৰিমাণ ৫০ ট্ৰিলিয়ন ডলাৰৰ অধিক হ'ব।

## শ্বাহৰে সাক্ষাতৰ পাছত স্থিতি সলনি বিজয়ৰ, ডিএমকে-এআইএডিএমকেৰ কঠোৰ সমালোচনা

**নিউজ ব্যুৰ', চেন্নাই, ২১ আগষ্ট ঃ** কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক তামিলনাডুৰ মুখ্যমন্ত্ৰী চি যোছেফ বিজয়ে সাক্ষাৎ কৰাৰ পাছত ৰাষ্ট্ৰীয় ৰাজনীতিত ব্যাপক জল্পনা-কল্পনা অব্যাহত আছে। শ্বাহৰ স'তে সাক্ষাৎকালত তামিলনাডুৰ মুখ্যমন্ত্ৰীয়ে লোকসভাৰ সমষ্টিৰ পুনৰ্বিন্যাস বিধেয়কলৈ সন্মতি দিলে বুলি একাংশ সংবাদ মাধ্যমৰ বাতৰিত দাবী কৰা হৈছে। মুখ্যমন্ত্ৰী বিজয়ে ইমানদিনে সমষ্টি পুনৰ্বিন্যাস বিধেয়ক তামিলনাডুৱে সমৰ্থন নকৰে বুলি দাবী কৰিছিল যদিও দিল্লীত শ্বাহক সাক্ষাৎ কৰাৰ পাছত কেন্দ্ৰৰ এই বিধেয়কৰ প্ৰতি সমৰ্থন জনাবলৈ সন্মত হ'ল বুলি একাংশ সংবাদ মাধ্যমত বাতৰি প্ৰচাৰ হৈছে। অৱশ্যে বিজয় আৰু তেওঁৰ চৰকাৰে এই সন্দৰ্ভত কোনো প্ৰতিক্ৰিয়া ব্যক্ত কৰা নাই। কালি বিজয়ে শ্বাহক সাক্ষাৎ কৰিছিল। সূত্ৰৰ খবৰ, উক্ত বৈঠকত বিজয়ে দাবী কৰিছিল যে সমষ্টি পুনৰ্বিন্যাসৰ ক্ষেত্ৰত কেন্দ্ৰই কোনো ৰাজ্যৰ প্ৰতিনিধিত্বৰ হাৰ যাতে হ্ৰাস নাপায়, সেই নিশ্চয়তা দিব লাগিব। এই চৰ্তৰ ভিত্তিত বিজয়ে কেন্দ্ৰৰ সমষ্টি পুনৰ্নিৰ্ধাৰণৰ বিধেয়কৰ প্ৰতি সমৰ্থন প্ৰদানৰ বাবে সন্মতি দিয়া বুলিও সূত্ৰই দাবী কৰিছে। এই বাতৰিৰ সন্দৰ্ভত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলে ডিএমকে আৰু এআইএডিএমকেয়ে। ডিএমকেয়ে অভিযোগ কৰি কয় যে বিজয়ে ক্ষণে ক্ষণে অৱস্থান সলনি কৰি আহিছে। এই বিধেয়ক ডিএমকেয়ে কেতিয়াও সমৰ্থন নকৰে বুলিও স্পষ্ট কৰি দিলে।




## দক্ষিণ ভাৰতৰ বৰ্ষীয়ান অভিনেত্ৰী সৌকৰ জানকী প্ৰয়াত



**নিউজ ব্যুৰ', চেন্নাই, ২১ আগষ্ট ঃ** দক্ষিণ ভাৰতৰ জনপ্ৰিয় অভিনেত্ৰী পদ্মশ্ৰী পুৰস্কাৰপ্ৰাপ্ত সৌকৰ জানকী প্ৰয়াত। শাৰীৰিক অসুস্থতাৰ কাৰণত জানকীৰ চেন্নাইৰ এখন বেচৰকাৰী চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল আৰু বিগত কিছুদিন ধৰি চিকিৎসাধীন অৱস্থাত থকাৰ পাছত ৯৪ বছৰীয়া অভিনেত্ৰীগৰাকীয়ে আজি শেষ নিশ্বাস ত্যাগ কৰিলে। জানকী দক্ষিণ ভাৰতীয় চলচ্চিত্ৰৰ অন্যতম জনপ্ৰিয় অভিনেত্ৰী আছিল। তামিল, তেলুগু, কন্নড় আৰু মালয়ালম ছবিসহ তেওঁ ৪৫০ খনৰো অধিক ছবিত অভিনয় কৰিছিল। তদুপৰি ৩০০ ৰো অধিক নাটকত জানকীয়ে অভিনয় কৰিছিল।

## ২৬/১১ মুম্বাই আক্ৰমণ ঃ হাফিজসহ ছজনৰ অনুপস্থিতিত বিচাৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব ভাৰতত



**নিউজ ব্যুৰ', নতুন দিল্লী, ২১ আগষ্ট ঃ** ১৮ বছৰ পূৰ্বে ২০০৮ৰ নৱেম্বৰত মুম্বাইত সন্ত্ৰাসবাদীৰ আক্ৰমণৰ ঘটনাত মূল পৰিকল্পক লস্কৰ ই তৈবাৰ প্ৰতিষ্ঠাপক হাফিজ ছৈয়দসহ ছজন অভিযুক্তৰ অনুপস্থিতিত বিচাৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব ভাৰতত। হাফিজৰ বাহিৰে এই ঘটনাত অভিযুক্তৰ মাজত আছে জাকিৰ-ওৰ-ৰহমান লকভি, ছাজিদ মীৰ, আবু আল-কামা, আছিম ওৰফে আবু কাহাফা আৰু মেজৰ আব্দুল ৰহমান পাছা। এই ছজন অভিযুক্ত বৰ্তমানলৈকে মুম্বাই আৰক্ষী বা কেন্দ্ৰীয় তদন্তকাৰী সংস্থাৰ হাতত ধৰা পৰা নাই। কিন্তু ছয় অভিযুক্তৰ অনুপস্থিতিত বিচাৰ প্ৰক্ৰিয়া আগুৱাই নিয়াৰ সিদ্ধান্ত ল'লে ভাৰতে। চৰকাৰী অধিবক্তা উজ্জ্বল নিকমে এই গোচৰত আদালত প্ৰ'ক্লেমেচন প্ৰতিবেদন দাখিল কৰিব। আইনী বিশেষজ্ঞই সদৰী কৰা অনুসৰি এই প্ৰক্ৰিয়াক 'ইন এবচেনচিয়া ট্ৰায়েল' বুলি কোৱা হয়। এই প্ৰক্ৰিয়াত অভিযুক্ত সশৰীৰে আদালতত উপস্থিত নহ'লেও বিচাৰ প্ৰক্ৰিয়া অব্যাহত থাকে। এই ক্ষেত্ৰত অভিযুক্তই অধিবক্তা নিয়োগৰ ব্যৱস্থাও আছে। বিচাৰ প্ৰক্ৰিয়াৰ মাধ্যমত যদি অভিযুক্ত দোষী সাব্যস্ত হয়, তেতিয়া শাস্তি ঘোষণা কৰা হয়। অপৰাধীক যেতিয়া গ্ৰেপ্তাৰ কৰা হ'ব, তেতিয়া তেওঁৰ শাস্তি কাৰ্যকৰী কৰাৰ ব্যৱস্থা এই প্ৰক্ৰিয়াত আছে।



## ইৰান যুদ্ধত আমেৰিকাৰ ১৮ জন সৈনিকৰ মৃত্যু

**নিউজ ব্যুৰ' ৱাশ্বিংটন, ২১ আগষ্ট ঃ** ইৰানৰ বিৰুদ্ধে আমেৰিকা আৰু ইজৰাইলৰ যৌথ আক্ৰমণৰে আৰম্ভ হৈছিল যুদ্ধ আৰু এই যুদ্ধ এতিয়াও অব্যাহত আছে। এই সংঘাতত ইৰানেও প্ৰত্যাঘাত কৰি আহিছে। ইৰানৰ স'তে বিগত কে'বামাহ ধৰি অব্যাহত থকা যুদ্ধত প্ৰাণ হেৰুৱালে ১৮ জন মাৰ্কিন সেনাই। তদুপৰি আহত হ'ল ৭৫৭ মাৰ্কিন সৈনিক। এই তথ্য প্ৰকাশ কৰিলে আমেৰিকাৰ প্ৰতিৰক্ষা মন্ত্ৰণালয়ে।

## ঋণত জৰ্জৰিত পাকিস্তানৰ ৮১.৯ ট্ৰিলিয়ন টকাৰ ধাৰৰ বোজা ঃ নেচনেল এছেম্বেলিত তথ্য বিত্তমন্ত্ৰীৰ

**নিউজ ব্যুৰ' ইছলামাবাদ, ২১ আগষ্ট ঃ** পাকিস্তানৰ কেন্দ্ৰীয় চৰকাৰৰ মুঠ ঋণৰ পৰিমাণ ২০২৫-২৬ বিত্তীয় বৰ্ষৰ জুলাইৰ পৰা মে'ৰ সময়ছোৱাত বৃদ্ধি পাই ৮১.৯ ট্ৰিলিয়ন পাকিস্তানী টকা হ'ল। দেশখনৰ বিত্তমন্ত্ৰী মুহম্মদ ঔৰংগজেৱে নেচনেল এছেম্বেলিত লিখিত প্ৰশ্নৰ উত্তৰত এই তথ্য সদৰী কৰিলে। উল্লেখ্য যে চৰকাৰে সদৰী কৰা এই পৰিসংখ্যা আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধি (আইএমএফ)ৰ পৰা পাকিস্তানে গ্ৰহণ কৰা ঋণ অন্তৰ্ভুক্ত কৰা হোৱা নাই। বিত্তমন্ত্ৰীয়ে দাখিল কৰা তথ্য অনুসৰি ৮১.৯ ট্ৰিলিয়ন টকাৰ মুঠ ঋণৰ প্ৰায় ৫৮.১ ট্ৰিলিয়ন টকা ঘৰুৱা ঋণ আৰু ২৩.৮ ট্ৰিলিয়ন টকা বিদেশী ঋণ। জুলাইৰ ২০২৫ৰ পাকিস্তান



চৰকাৰৰ মুঠ ঋণৰ পৰিমাণ আছিল ৭৭.৯ ট্ৰিলিয়ন টকা। ১১ মাহত চৰকাৰৰ ঋণৰ পৰিমাণ প্ৰায় চাৰি ট্ৰিলিয়ন টকা অৰ্থাৎ ৫.২ শতাংশ বৃদ্ধি পালে।


## এদিনত ৰূপৰ মূল্য ৬,৬২৩ টকা বৃদ্ধি, সোণৰ বাঢ়িল ২,৪১৯ টকা



**নিউজ ব্যুৰ', নতুন দিল্লী, ২১ আগষ্ট ঃ** সোণ আৰু ৰূপৰ মূল্য একেৰাহে দ্বিতীয় দিনলৈ দ্ৰুত উৰ্ধ্বগামী হ'ল। ইণ্ডিয়া বুলিয়ন এণ্ড জুৱেলাৰ্ছ এছ'চিয়েচন (আইবিজেএ)ৰ তথ্য অনুসৰি দেশৰ বজাৰত আজি প্ৰতি কিলো ৰূপৰ মূল্য ৬৬২৩ টকা বৃদ্ধিৰে ২.৪৪ লাখ টকা হ'ল। ইফালে, আজি প্ৰতি ১০ গ্ৰামৰ ২৪ কেৰেটৰ বিশুদ্ধ সোণৰ মূল্য ২,৪১৯ টকা বৃদ্ধিৰে ১.৬০ লাখ টকা হ'ল। যোৱা ২১ দিনত ১০ গ্ৰামৰ সোণৰ মূল্য ১৬,৬৩৯ টকা আৰু প্ৰতি কিলো ৰূপৰ মূল্য ২৬,০৯৪ টকা বৃদ্ধি পালে। বিশেষজ্ঞৰ মতে চলিত বৰ্ষৰ অন্তিম ভাগত স্বৰ্ণমূল্য এক লাখ ৭০ হেজাৰ টকাৰ বৃদ্ধিৰ সম্ভাৱনা আছে।

## সকলো সিদ্ধান্ত মিশ্ৰাই লৈছিল ঃ ৰাম মন্দিৰৰ চুৰি বিতৰ্কত মোদীৰ ঘনিষ্ঠক জগৰীয়া কৰিলে চম্পতে

**নিউজ ব্যুৰ', অযোধ্যা, ২১ আগষ্ট ঃ** ৰাম মন্দিৰৰ দক্ষিণা চুৰিৰ গোচৰত ইতিমধ্যে অভিযোগমুক্ত হ'ল ৰাম মন্দিৰ তীৰ্থ ক্ষেত্ৰ ন্যাসৰ প্ৰাক্তন মুৰব্বী চম্পত ৰাই। তদন্ত সমিতিয়ে চম্পতৰ বিৰুদ্ধে কোনো প্ৰমাণ লাভ নকৰিলে। দোষমুক্ত হোৱাৰ পাছতে চম্পতে লিখা এখন চিঠিয়ে বিশেষ চৰ্চা লাভ কৰিছে। উক্ত পত্ৰত ৰাম মন্দিৰ নিৰ্মাণ কমিটীৰ মুৰব্বী তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ঘনিষ্ঠ প্ৰাক্তন আমোলা নৃপেন্দ্ৰ মিশ্ৰাক কঠোৰ ভাষাৰে সমালোচনা



কৰিলে চম্পতে। ন পৃষ্ঠাৰ পত্ৰত চম্পতে মিশ্ৰাৰ ভূমিকাক লৈ একাধিক অভিযোগ উত্থাপন কৰিলে। চম্পতৰ দাবী, ১৫ সদস্যৰ ন্যাসে মিশ্ৰাৰ পৰামৰ্শতে মন্দিৰ নিৰ্মাণৰ দায়িত্ব লাৰ্ছেন এণ্ড টুবৰ'ক দিছিল। মন্দিৰৰ নক্সা আৰু নিৰ্মাণ কামৰ বাবে নয়ডাৰ এক বিশেষ ডিজাইন সংস্থা নিৰ্বাচনতো মিশ্ৰাৰ ভূমিকা আছিল বুলি চম্পতে পত্ৰত অভিযোগ কৰিলে। চম্পতে লগতে পত্ৰত দাবী কৰি কয় যে ন্যাসত ১৫ জন সদস্য আছিল যদিও সৰহসংখ্যক সিদ্ধান্ত মিশ্ৰাই অকলে লৈছিল।


## দিল্লীত বিপজ্জনক হাৰত বৃদ্ধি শ্বাসতন্ত্ৰৰ সংক্ৰমণ ঃ ছোৱাইন ফ্লুত আক্ৰান্ত ১,৩৪৯

**নিউজ ব্যুৰ', নতুন দিল্লী, ২১ আগষ্ট ঃ** দিল্লীত হঠাতে বৃদ্ধি পাইছে এইচ১এন১ ভাইৰাছ অৰ্থাৎ ছোৱাইন ফ্লুত আক্ৰান্তৰ সংখ্যা। বিশেষজ্ঞ চিকিৎসকৰ মতে, বতাহৰ অতিৰিক্ত আৰ্দ্ৰতা আৰু বতৰৰ আকস্মিক পৰিৱৰ্তনৰ কাৰণত শ্বাসতন্ত্ৰৰ সংক্ৰমণত ভোগা লোকৰ সংখ্যা বৃদ্ধি পাইছে। চৰকাৰী তথ্যত উল্লেখ কৰা অনুসৰি, দেশৰ ৰাজধানীত বৰ্তমানলৈকে ছোৱাইন ফ্লুত আক্ৰান্ত সংখ্যা ১,৩৪৯ জনলৈ বৃদ্ধি পালে। যোৱা বছৰৰ তুলনাত দিল্লীত ছোৱাইন ফ্লুত আক্ৰান্তৰ সংখ্যা যথেষ্ট বৃদ্ধি পালে চলিত বৰ্ষত। ছোৱাইন ফ্লুত আক্ৰান্ত হ'লে হঠাতে জ্বৰ, শুকান কাহ, সমগ্ৰ শৰীৰত বিষ, মূৰৰ বিষ, ডিঙিৰ বিষ, শৰীৰত কম্পন আৰু ক্লান্তিৰ দৰে উপসৰ্গই দেখা দিয়ে। কিছুক্ষেত্ৰত ৰোগীৰ শ্বাসকষ্টও হ'ব পাৰে। যোৱা বছৰৰ এই সময়ছোৱাত দিল্লীত ২২৯ জন লোক ছোৱাইন ফ্লুত আক্ৰান্ত হৈছিল। এই বছৰত একে সময়ত আক্ৰান্তৰ সংখ্যা ১,৩৪৯ জন হ'ল।



## ট্ৰাম্প নৰম, নিজৰ স্থিতিত অটল কীমে নিক্ষেপ কৰিলে ৰহস্যজনক ক্ষেপণাস্ত্ৰ

**নিউজ ব্যুৰ', ছিউল, ২১ আগষ্ট ঃ** উত্তৰ কোৰিয়াৰ প্ৰতি শেহতীয়াভাৱে আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে নৰম স্থিতি গ্ৰহণ কৰা প্ৰত্যক্ষ হৈছে। সম্প্ৰতি ট্ৰাম্পে ঘোষণা কৰি কৈছিল যে তেওঁ চলিত বৰ্ষৰ শেষৰ ফালে উত্তৰ কোৰিয়াৰ শাসক কীম জং উনক সাক্ষাৎ কৰিব। একে সময়তে ট্ৰাম্পে দক্ষিণ কোৰিয়াৰ স'তে আমেৰিকাৰ যৌথ সামৰিক অনুশীলনৰ সময়সীমা হ্ৰাস কৰাৰ কথাও ঘোষণা কৰিছিল। কিন্তু মাৰ্কিন ৰাষ্ট্ৰপতিৰ এনে নৰম স্থিতিৰ পাছতো নিজৰ গৰম স্থিতি সলনি নকৰিলে উত্তৰ কোৰিয়াৰ কমিউনিষ্ট শাসকে। আমেৰিকা-দক্ষিণ কোৰিয়াৰ অনুশীলনৰ পাছতে হঠাতে ৰহস্যজনক ক্ষেপণাস্ত্ৰ নিক্ষেপ কৰিলে উত্তৰ কোৰিয়াই। এই তথ্য সদৰী কৰিলে জাপানে। দক্ষিণ কোৰিয়ায়ো দাবী কৰা অনুসৰি, উত্তৰ কোৰিয়াই পুনৰ এক ক্ষেপণাস্ত্ৰ উৎক্ষেপণ কৰিলে। জাপানৰ প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ে আজি জনোৱা অনুসৰি, তেওঁলোকে উত্তৰ কোৰিয়াৰ এক সন্দেহজনক উৎক্ষেপণ চিনাক্ত কৰিলে। অৱশ্যে এই বিষয়ত টকিঅ'ই অধিক তথ্য প্ৰকাশ কৰা নাই। দক্ষিণ কোৰিয়াই উল্লেখ কৰা অনুসৰি উত্তৰ কোৰিয়াই দেশখনৰ পূব উপকূলৰ পৰা এক ৰহস্যজনক ক্ষেপণাস্ত্ৰ নিক্ষেপ কৰিছিল। বিশেষজ্ঞৰ মতে, আমেৰিকা আৰু দক্ষিণ কোৰিয়াৰ যৌথ সামৰিক অনুশীলনৰ প্ৰত্যুত্তৰ দিবলৈ কীমে পুনৰ ক্ষেপণাস্ত্ৰ নিক্ষেপ কৰিছিল।







## এক ছেপ্টেম্বৰৰ পৰা টাটাৰ গাড়ীৰ মূল্য বৃদ্ধি পাব ২৫ হেজাৰ টকালৈকে

**নিউজ ব্যুৰ', মুম্বাই, ২১ আগষ্ট ঃ** টাটা মটৰ্ছে ব্যক্তিগত গাড়ীৰ মূল্য বৃদ্ধিৰ সিদ্ধান্ত ল'লে। প্ৰকাশিত বাতৰি অনুসৰি, টাটা মটৰ্ছে এক ছেপ্টেম্বৰৰ পৰা প্ৰযোজ্য হোৱাকৈ কোম্পানীটোৰ বিভিন্ন মডেলৰ গাড়ীৰ মূল্য সৰ্বাধিক ২৫,০০০ টকালৈকে বৃদ্ধি কৰিব। আইচিই আৰু ইভি শ্ৰেণীৰ এছইউভি মডেলৰ গাড়ীৰ মূল্যও টাটাই বৃদ্ধি কৰিব। কোম্পানীটোৱে জানিবলৈ দি কয় যে গাড়ী নিৰ্মাণৰ ব্যয় বৃদ্ধিৰ কাৰণত বিভিন্ন মডেলৰ মূল্য বৃদ্ধি কৰা হ'ব।

## হায়দৰাবাদত এষ্টন মাৰ্টিন গাড়ীৰ খুন্দাত নিহত মহিলা, সাংসদ পুত্ৰৰ বিৰুদ্ধে গোচৰ

**নিউজ ব্যুৰ', হায়দৰাবাদ, ২১ আগষ্ট ঃ** হায়দৰাবাদত এখন দ্ৰুতগতিৰে চালিত এষ্টন মাৰ্টিন গাড়ীৰ খুন্দাত প্ৰাণ হেৰুৱালে ২৬ বছৰীয়া এগৰাকী মহিলাই। উত্থাপিত অভিযোগ অনুসৰি, উক্ত গাড়ীখন ৰাজ্যসভাৰ সাংসদ লিংগামনেনী ৰমেশৰ পুত্ৰ লিংগামনেনী সঞ্জুশে চলাইছিল। ২১ বছৰীয়া সঞ্জুশৰ বিৰুদ্ধে আৰক্ষীয়ে যানবাহন আইন ভংগ কৰি গাড়ী চলোৱাৰ অভিযোগত গোচৰ ৰুজু কৰিলে। এই ঘটনা ১৬ আগষ্টত হায়দৰাবাদৰ মাধাপুৰ অঞ্চলত থকা ইনঅৰ্বিট মলৰ সমীপত সংঘটিত হৈছিল। দুৰ্ঘটনাত ভাৰতী মুখী নামৰ মহিলাগৰাকীৰ মৃত্যু হৈছিল। ভাৰতীয়ে পথ পাৰ হোৱাৰ সময়ত অতি দ্ৰুতগামী এষ্টন মাৰ্টিন গাড়ীখনে তেওঁক মহটিয়াই নিছিল।



# তেজপুৰত একাধিক স্থানৰ পৰা সোণৰ চেইন থপিয়াই নিলে দুৰ্বৃত্তই

## মাৰণাস্ত্ৰধাৰী দুৰ্বৃত্তৰ আতংক

**ষ্টাফ ৰিপৰ্টাৰ,**
**তেজপুৰ, ২১ আগষ্ট ঃ** তেজপুৰত চিলনীচোৱৰ উপদ্ৰৱে বাইজৰ নিদ্ৰাহৰণ কৰাৰ সময়তে কালি বিয়লিৰ পৰা নিশালৈকে কে'বাটাও এনে ঘটনা সংঘটিত হয়। উল্লেখ্য যে, ইয়াৰে ভিতৰত এটা ঘটনাৰে জড়িত দুৰ্বৃত্তৰ দলৰ হাতত আগ্নেয়াস্ত্ৰ থকা বুলিও অভিযোগ উঠিছে। কালি বিয়লি প্ৰায় ৫-৪৫ বজাত তেজপুৰৰ চহৰৰ মুড়াতেতেলী অঞ্চলৰ এগৰাকী ৭৫ বছৰীয়া মহিলা নামঘৰৰ পৰা ঘৰলৈ উভতি অহাৰ সময়ত সন্মুখৰ পৰা খোজকাঢ়ি অহা এজন যুৱকে তেওঁক অতিক্ৰম কৰিয়েই পাছফালৰ পৰা অতৰ্কিতে বয়োজ্যেষ্ঠ মহিলাগৰাকীৰ ডিঙিত থকা সোণৰ চেইনডাল চিঙি নিয়ে। সেই সময়তে সেই স্থানত উপস্থিত হোৱা এখন মটৰ চাইকেলত লগে লগে উঠি দুৰ্বৃত্তই পলায়ন কৰে। উল্লেখ্য যে, চেইন চিঙি নিয়া দুৰ্বৃত্তৰ মুকলিভাৱেই অহাৰ বিপৰীতে মটৰ চাইকেল চালকৰূপী সহযোগী দুৰ্বৃত্তই হেলমেট পৰিধান কৰি আহিছিল। ইপিনে, কালি সন্ধিয়া তেজপুৰ চহৰৰে কনভেন্ট স্কুলৰ সমীপৰে গণেশ ঘাট সংযোগী পথত ঘটে আন এক চেইন চুৰিৰ ঘটনা। প্ৰত্যক্ষদৰ্শীয়ে প্ৰকাশ কৰা অনুসৰি, দুখন মটৰ চাইকেলত মুঠ চাৰিজনীয়া এটা যুৱকৰ দলে সেই পথেৰে অহা এজন কিশোৰৰ ডিঙিৰ সোণৰ চেইন কাঢ়ি নিয়ে। কিশোৰজনে চিঞৰ-বাখৰ কৰাত পলায়ন কৰা দুৰ্বৃত্তৰ দলটোৰে এজনক সমীপতে থকা কেইজনমান স্থানীয় যুৱকে কৰায়ত্ত কৰিবলৈ সক্ষম হৈছিল যদিও দুৰ্বৃত্তৰ লগত আগ্নেয়াস্ত্ৰ থকাত এৰি দিবলৈ বাধ্য হয়। উল্লেখ্য যে, এই দুয়োটা ঘটনাই আজি সামাজিক মাধ্যমত বিশেষ চৰ্চা লাভ কৰাৰ লগতে এনে ঘটনাকলৈ ৰাইজ ১১ পৃষ্ঠাত চাওক

# নলবাৰীৰ অময়াপুৰত ৪২ বছৰ ধৰি অব্যৱহৃত চৰকাৰী ভূমি ঃ খেলপথাৰ উদ্ধাৰৰ দাবী

## গুৰুত্ব নাই চৰকাৰ- জনপ্ৰতিনিধিৰ



**অগ্ৰদূত বাৰ্তা**
**ঘগ্ৰাপাৰ, ২১ আগষ্ট ঃ** নলবাৰী জিলাৰ হাজো-নলবাৰী পথৰ দাঁতিত অৱস্থিত অময়াপুৰৰ এখন ঐতিহাসিক ৰাজহুৱা খেলপথাৰক কেন্দ্ৰ কৰি তীব্ৰ অসন্তুষ্টিৰ সৃষ্টি হৈছে। অভিযোগ অনুসৰি, প্ৰায় ৪২ বছৰ পূৰ্বে অসম বেচা-কিনা নিগমৰ নামত আৱণ্টিত কৰা বৃহৎ পৰিমাণৰ চৰকাৰী ভূমি আজিও কোনো কাৰ্যকৰী প্ৰকল্পৰ বাবে ব্যৱহাৰ কৰা হোৱা নাই। ইয়াৰ বিপৰীতে খেলপথাৰখনৰ বৃহৎ অংশ হাবি-বননিৰে আৱৰি ধৰাৰ লগতে কিছু অংশ দুটা পৰিয়ালে দীৰ্ঘদিন ধৰি দখল কৰি খেতি কৰি অহাৰ অভিযোগ উত্থাপিত হৈছে। স্থানীয় ৰাইজৰ অভিযোগ অনুসৰি, অময়াপুৰ, জানিগোগ, অৰৰা, ভদ্ৰা, তিলানা, মুগকুছি, কৰ্দৈটোলা, বৰভাগ, বাঁহজানী আদি বৃহত্তৰ অঞ্চলৰ যুৱসমাজৰ বাবে ১৯৮০ৰ দশকত এই খেলপথাৰখন আছিল অতিকৈ জনপ্ৰিয় ক্ৰীড়াক্ষেত্ৰ। ফুটবলকে ধৰি বিভিন্ন ক্ৰীড়া প্ৰতিযোগিতা আৰু সামাজিক কাৰ্যসূচীৰ অন্যতম কেন্দ্ৰ আছিল খেলপথাৰখন। কিন্তু সময়ৰ পৰিৱৰ্তনৰ লগে লগে খেলপথাৰখনৰ প্ৰতি চৰকাৰী পক্ষৰ উদাসীনতাৰ ফলত আজি ইয়াৰ পৰিৱেশ সম্পূৰ্ণৰূপে সলনি হোৱা বুলি স্থানীয় সচেতন ৰাইজে অভিযোগ কৰিছে। স্থানীয় ৰাইজে প্ৰকাশ কৰা তথ্য অনুসৰি, অময়াপুৰত অসম বেচা-কিনা নিগমৰ নামত আৱণ্টিত মুঠ দুই বিঘা তিনি কঠা দুই লেচা চৰকাৰী ভূমি আজিও কাৰ্যতঃ অব্যৱহৃত হৈ আছে। উক্ত ভূমিৰ ভিতৰত- খেৰাজ ম্যাদী ১৩৮ নম্বৰ পট্টাৰ ৯১ নম্বৰ দাগত এক কঠা ১৪ লেচা, খেৰাজ ম্যাদী ২২৭ নম্বৰ পট্টাৰ ৮৮ নম্বৰ দাগত ১০ লেচা, খেৰাজ ম্যাদী ২২৭ নম্বৰ পট্টাৰ ৬৪ নম্বৰ ১১ পৃষ্ঠাত চাওক

# ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ভিতৰত বিএএলএলবিত তৃতীয় স্থানত আৰমিন জেৰিফা জিয়া

**বিশেষ সংবাদদাতা**
**ডিব্ৰুগড়, ২০ আগষ্ট ঃ** ডিব্ৰুগড় আমোলাপট্টিস্থিত মিৰ্জাবাগ নিবাসী আৰমিন জেৰিফা জিয়াই যোৱা ১৮ আগষ্টত ফলাফল ঘোষণা কৰা বিএএলএলবি (অনাৰ্চ) ১০ম আৰু অন্তিম ষাণ্মাসিক পৰীক্ষাত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ন্যায়িক অধ্যয়ন কেন্দ্ৰলৈ গৌৰৱ কঢ়িয়াই আনিছে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ কেন্দ্ৰত অনুষ্ঠিত হৈ যোৱা দশম আৰু চূড়ান্ত চেমিষ্টাৰ বিএএলএলবি অনাৰ্চ পৰীক্ষাত আৰমিন জেৰিফাই চেণ্টাৰ ফৰ জুৰিডিকেল ষ্টাডিজৰ অধীনত প্ৰথম আৰু বিশ্ববিদ্যালয়ৰ ভিতৰত তৃতীয় স্থান লাভ কৰে। জেৰিফা জিয়াৰ এই সফলতাত ডিব্ৰুগড়ৰ লগতে মিৰ্জাবাগ অঞ্চলৰ বাবে গৌৰৱ কঢ়িয়াই আনে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ন্যায়িক অধ্যয়ন কেন্দ্ৰ বিএএলএলবি অনাৰ্চ পৰীক্ষা চেণ্টাৰ কে'বাখনো ইনষ্টিটিউট অন্তৰ্ভুক্ত আছিল। ইয়াৰ ভিতৰত যোৰহাট আইন মহাবিদ্যালয়, এছআইপিই আইন মহাবিদ্যালয় আৰু নেৰিম আইন মহাবিদ্যালয় গুৱাহাটী অন্যতম। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ন্যায়িক অধ্যয়ন কেন্দ্ৰৰ পৰা মুঠ পৰীক্ষাৰ্থী আছিল ২১৯ জন, উত্তীৰ্ণ হোৱা প্ৰাৰ্থীৰ সংখ্যা আছিল ১৪৬ জন। ডিব্ৰুগড়ৰ বিখ্যাত মিৰ্জা বেগ পৰিয়ালৰ সন্তান আৰমিন জেৰিফাৰ পিতৃ মিৰ্জা মোস্তাইন বেগ আৰু মাতৃ চৈয়দা মেৰিনা বেগমে কন্যাৰ এই সফলতাত গৌৰৱান্বিত হোৱাৰ লগতে আশীৰ্বাদ দিয়ে, লগতে অধ্যয়ন কেন্দ্ৰৰ সকলো শিক্ষাগুৰুক ধন্যবাদ জ্ঞাপন কৰে।

# চোৰাং ব্যৱসায়ৰ কৰিড'ৰলৈ পৰিণত কাকপথাৰৰ ৰাজপথ

## নিশা চুৰি গৰু সৰবৰাহৰ সন্দেহত বাহন, চালক, সৰবৰাহকাৰীসহ গৰু জব্দ ঃ আৰক্ষীৰ উপস্থিতিত পৰিস্থিতি নিয়ন্ত্ৰণ



**অগ্ৰদূত বাৰ্তা**
**কাকপথাৰ, ২১ আগষ্ট ঃ** তিনিচুকীয়া জিলাৰ অসম-অৰুণাচল সীমান্তৰ কাকপথাৰৰ ৰাজপথ এতিয়া অবৈধ আৰু চোৰাং ব্যৱসায়ৰ কৰিডৰ হৈ পৰিছে। নিশা হ'লেই সীমান্তৰ ডিৰাক গেট অতিক্ৰম কৰি কাকপথাৰৰ ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ লগতে গাঁৱৰ অন্য পথেৰে চোৰাং কাঠ, কয়লা পৰিবাহী বাহন আৰু অবৈধ তথা চোৰাং গৰু সৰবৰাহ কৰাৰ অভিযোগ উত্থাপন হৈছে । ঠিক এনে সময়তে কাকপথাৰত নিশা চুৰি গৰু সৰবৰাহৰ সন্দেহত বাহন, চালক, সৰবৰাহকাৰী সহ গৰু জব্দ স্থানীয় যুৱ সংঘ তথা ৰাইজে। ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা মাইঠং-ধাদুম সংযোগী পথটো যেন একমাত্ৰ চোৰাং তথা অবৈধ ব্যৱসায়ৰ বাহন চলাচলৰ বাবেহে নিৰ্মাণ কৰি দিলে । কিন্তু শেহতীয়াকৈ গাঁওখনৰ এগৰাকী অতি দৰিদ্ৰ বিশেষভাৱে সক্ষম লোকৰ এহাল গৰু, অন্য এগৰাকী লোকৰ দুটাকৈ মহ চুৰি হোৱাৰ পাছতে জাগুৰ খাই উঠে মৃদংপৰা গাঁৱৰ যুৱ সংঘ তথা ৰাইজ। ইয়াৰ পাছতেই পৰিস্থিতি উত্তপ্ত হৈ পৰে। ৰাইজৰ লগতে যুৱ সংঘৰ অভিযোগ যে জব্দ কৰা গৰুসমূহৰ কোনোধৰণৰ নথি-পত্ৰ নথকাৰ লগতে বাহনখনৰো কোনোধৰণৰ বৈধ নথিপত্ৰ নাই। আৰক্ষীৰ উপস্থিতিত পৰিস্থিতি নিয়ন্ত্ৰণলৈ আহে। ১১ পৃষ্ঠাত চাওক

# গোৱালপাৰা জিলা সাহিত্য সভাৰ প্ৰতিষ্ঠা দিৱস বৰদামালত

**অগ্ৰদূত বাৰ্তা**
**আগিয়া, ২১ আগষ্ট ঃ** গোৱালপাৰা জিলা সাহিত্য সভাৰ ৩৫ সংখ্যক প্ৰতিষ্ঠা দিৱস অহা ২৩ আগষ্টত এদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে বৰদামাল ৰাজহুৱা ভৱনত বৰদামাল শাখা সাহিত্য সভা আৰু ৰাইজৰ সহযোগত অনুষ্ঠিত কৰিবলৈ প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। অনুষ্ঠানত গোৱালপাৰা জিলা সাহিত্য সভাৰ কাৰ্যকৰী সদস্য-সদস্যা, সমূহ শাখা সভা আৰু উপ-সমিতিৰ বিষয়ববীয়া, আজীৱন সভ্যৰ লগতে সকলো সাহিত্যপ্ৰেমী ৰাইজ, কবি-শিল্পী- সাহিত্যিকৰ উপস্থিতি আৰু সহায়- সহযোগিতা কামনা কৰিছে জিলা সাহিত্য সভাৰ সম্পাদক শিৱপ্ৰসাদ ৰাভা হাদু আৰু বৰদামাল শাখাৰ সম্পাদক দুলালসিং ৰাভাই। প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচী অনুসৰি, সেইদিনা পুৱা ৮-৪৫ বজাত অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰিব জিলাৰ সভাপতি জয়চন্দ্ৰ নাথে, পুৱা ন বজাত স্মৃতি তৰ্পণ কৰিব বৰদামাল শাখাৰ সভাপতি সুচাৰু ৰাভা আৰু জিলা সমিতিৰ সম্পাদক শিৱপ্ৰসাদ ৰাভা হাদুৱে। পুৱা ৯-৩০ ১১ পৃষ্ঠাত চাওক

# অৱসৰপ্ৰাপ্ত অধীক্ষক অভিযন্তা আলহজ মুজিবুল হকৰ মৃত্যু

**গুৱাহাটী, ২১ আগষ্ট ঃ** জলসিঞ্চন বিভাগৰ অৱসৰপ্ৰাপ্ত অধীক্ষক অভিযন্তা আলহজ মুজিবুল হকৰ বাৰ্ধক্যজনিত কাৰণত ৮৪ বছৰ বয়সত ১৭ আগষ্টৰ সন্ধিয়া গুৱাহাটীৰ হাতীগাঁৱৰ নিজা বাসগৃহত মৃত্যু হয়। ১৯৪২ৰ এক আগষ্টত গোলাঘাটৰ ফেচুৱাল গাঁৱত জন্মগ্ৰহণ কৰা (বৰ্তমানে হাতীগাঁও চাৰিআলি নিৱাসী) হকে গোলাঘাট জিলাৰ ফৰকাটিং হাইস্কুলৰ পৰা ১৯৬০ত মেট্ৰিক পাছ কৰে। সেই সময়ত তেওঁ আছিল ফেচুৱাল গাঁৱৰ পৰা মেট্ৰিকত প্ৰথম বিভাগ পোৱা একমাত্ৰ ছাত্ৰ। ইয়াৰ পাছত হকে দুই বছৰীয়া পিইউ ডিগ্ৰী অৰ্জন কৰে গুৱাহাটী কটন কলেজৰ পৰা। তাৰ পাছত তেওঁ যোৰহাট ইঞ্জিনীয়াৰিং মহাবিদ্যালয়ৰ পৰা চিভিল ইঞ্জিনীয়াৰিং হিচাপে ১৯৬৬ত চাৰি বছৰীয়া পাঠ্যক্ৰম বিই ডিগ্ৰী লাভ কৰে। ১৯৬৭ত হকে জলসিঞ্চন বিভাগত প্ৰথম সহকাৰী অভিযন্তা হিচাপে যোগদান কৰে জখলাবন্ধা জলসিঞ্চন বিভাগত। ইয়াৰ পৰৱৰ্তী সময়ত কাৰ্বি আংলং জিলাৰ বকোলিয়া, লাংহিং, সহকাৰী কাৰ্যবাহী ১১ পৃষ্ঠাত চাওক

# ৰূপহীহাটৰ ভাটিয়াখালিত বিলাসী বাহনসহ চোৰাং গৰু জব্দ



**ষ্টাফ ৰিপৰ্টাৰ**
**নগাঁও, ২১ আগষ্ট ঃ** ৰূপহীহাটৰ বিভিন্ন অঞ্চলত সঘনাই সংঘটিত হৈ অহা গৰু চুৰিৰ ঘটনাই ৰাইজক নিদ্ৰাহীন কৰি তুলিছে। আজি পুৱা প্ৰায় ৫-৩০ বজাত আমবাগান আৰক্ষীয়ে এক নম্বৰ ভাটিয়াখালিত এক অভিযান চলাই এখন বিলাসী বাহনসহ তিনিটাকৈ চুৰি গৰু জব্দ কৰিবলৈ সক্ষম হয়।

তথ্য মতে, ৰূপহীহাটৰ এক নম্বৰ ভাটিয়াখালিত আমবাগান আৰক্ষীয়ে গৰু চুৰিৰ বিৰুদ্ধে অভিযান চলাইছিল। সেই সময়তে ভাটিয়াখালিৰ শেখ ফৰিদৰ বাসগৃহৰ সন্মুখত এখন বিলাসী বাহনৰ পৰা গৰু নমাই থকা অৱস্থাত আৰক্ষীয়ে অভিযান চলাই বাহনসহ তিনিটাকৈ গৰু উদ্ধাৰ কৰে। আৰক্ষীৰ উপস্থিতিৰ উমান পাই গৰু চুৰিৰ স'তে জড়িত চোৰৰ দলটোৱে গৰু আৰু বাহন এৰি ঘটনাস্থলীৰ পৰা পলায়ন কৰে। আৰক্ষীয়ে জব্দ কৰা গৰু চুৰিত ব্যৱহৃত বাহনখনৰ নম্বৰ হৈছে এএছ-০৩ এম-৬৩২২। ঘটনা সন্দৰ্ভত আমবাগান আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে। উল্লেখ্য যে ৰূপহীহাটৰ বিভিন্ন অঞ্চলত বিগত কিছুদিন ধৰি সঘনাই গৰু চুৰিৰ ঘটনা সংঘটিত হৈ অহাত অঞ্চলবাসী অতিষ্ঠ হৈ পৰিছে। আৰক্ষীয়ে গৰু চুৰি চক্ৰটোৰ বিৰুদ্ধে কঠোৰ অভিযান চলোৱাৰ দাবী জনাইছে সচেতন ৰাইজে।

# যোৰহাট শ্ৰৱণী সত্ৰৰ সত্ৰাধিকাৰ বসন্ত মহন্তৰ মৃত্যু



**ষ্টাফ ৰিপৰ্টাৰ**
**যোৰহাট, ২১ আগষ্ট ঃ** যোৰহাট পশ্চিম অঞ্চলৰ চাৰিঙীয়া গাঁওস্থিত শ্ৰৱণী সত্ৰৰ সত্ৰাধিকাৰ বসন্ত মহন্ত (৬৭)ৰ ২১ আগষ্টত দিনৰ ১১-১০ বজাত নিজৰ বাসগৃহতে মৃত্যু হয়। অসম চৰকাৰৰ জলসিঞ্চন বিভাগত চাকৰি কৰি অৱসৰগ্ৰহণ কৰাৰ পাছত অঞ্চলটোৰ বহু গৰাকীৰ গৃহৰ উপৰি ধৰ্মানুষ্ঠানসমূহত মহন্তই নামাচাৰ্যৰূপে অংশগ্ৰহণ কৰিছিল। শয্যাগত হৈ থকাৰ সময়তে অসম সাহিত্য সভাৰ হৈ পশ্চিম যোৰহাট শাখা সাহিত্য সভাৰ বিষয়ববীয়াসকলে তেওঁক ২০২৫ৰ পহিলা ব'হাগত ওলগনি-পত্ৰ প্ৰদান কৰিছিল। পত্নী, দুই পুত্ৰ-বোৱাৰী, নাতিসহ আত্মীয়সকলক এৰি যোৱা মহন্তৰ অন্ত্যেষ্টিক্ৰিয়া নিজা ভূমিত শিষ্য-প্ৰশিষ্য আৰু স্থানীয় লোকসকলে সমাপন কৰে।


# লখিমপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত অচিনাক্ত মৃতদেহ

## অজ্ঞাত মৃতদেহ চিনাক্তকৰণ সন্দৰ্ভত জাননী

**অগ্ৰদূত বাৰ্তা**
**বিহপুৰীয়া, ২১ আগষ্ট ঃ** লখিমপুৰ জিলাৰ চিলনীবাৰী আৰক্ষী চকীৰ অন্তৰ্গত (জিডি নম্বৰ ৩৫৪, তাৰিখ ঃ ২০/০৮/২০২৬) এটা অজ্ঞাত মৃতদেহ উদ্ধাৰ কৰা হৈছে। মৃতদেহটো চিনাক্তকৰণৰ বাবে উত্তৰ লখিমপুৰ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ মৰ্গত সংৰক্ষণ কৰি ৰখা হৈছে। সংৰক্ষণৰ সময়সীমা ঃ ২১/০৮/২০২৬ৰ পৰা ২৪/০৮/২০২৬লৈকে। উক্ত ৭২ ঘণ্টাৰ ভিতৰত কোনো দাবীদাৰ ওলাই নহালৈ অথবা চিনাক্ত নহ'লে, চৰকাৰী নিয়ম আৰু নীতি-নিৰ্দেশনা অনুসৰি মৃতদেহটোৰ সৎকাৰ/ব্যৱস্থা গ্ৰহণ কৰা হ'ব। কোনো ব্যক্তিয়ে এই সন্দৰ্ভত তথ্য পালে চিলনীবাৰী আৰক্ষী চকী বা হাস্পতাল কৰ্তৃপক্ষৰ স'তে যোগাযোগ কৰিবলৈ অনুৰোধ জনাইছে।


# ভাদমহীয়া নাম-প্ৰসংগৰ মাজতে নামঘৰৰ মজিয়াত ভক্তিমূলক গীত মুকলি

## সৰুপথাৰৰ জীয়ৰী আইচেংফাৰ প্ৰথম ভক্তিমূলক গীত 'কৃষ্ণ যদুৰাই'




**অগ্ৰদূত বাৰ্তা**
**সৰুপথাৰ, ২১ আগষ্ট ঃ** প্ৰতিভাৰ কোনো বয়স নাথাকে। নিষ্ঠা, সাধনা আৰু সংগীতৰ প্ৰতি গভীৰ অনুৰাগে এগৰাকী প্ৰতিভাক সাফল্যৰ দিশে আগুৱাই নিয়ে। সৰুৰে পৰা সংগীতৰ প্ৰতি একান্তভাৱে অনুৰক্ত হৈ সাধনাৰে আগবাঢ়ি অহা সৰুপথাৰ সমজিলাৰ এগৰাকী প্ৰতিভাবান ছাত্ৰী আইচেংফা ফুকনে শেহতীয়াকৈ সংগীতৰ ক্ষেত্ৰখনত সংযোজন কৰিলে এক নতুন অধ্যায়। নিজৰ সুৰীয়া আৰু মায়াময় কণ্ঠৰে ইতিমধ্যে ৰাইজৰ মন জয় কৰিবলৈ সক্ষম হোৱা আইচেংফাৰ কণ্ঠত বাণীবদ্ধ হোৱা প্ৰথমটো ভক্তিমূলক গীত 'কৃষ্ণ যদুৰাই' বৃহস্পতিবাৰে এক আধ্যাত্মিক পৰিৱেশত আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। সৰুপথাৰ সমজিলাৰ মৰাণ গাঁৱৰ ডিম্পল ফুকন আৰু পলাশী বৰুৱাৰ কন্যা আইচেংফা ফুকন সপ্তম শ্ৰেণীত অধ্যয়ন কৰি থকা সময়ৰ পৰাই সংগীতৰ প্ৰতি বিশেষভাৱে আকৃষ্ট হৈছিল। সংগীতৰ প্ৰতি থকা এই আগ্ৰহক সঠিক দিশ প্ৰদান কৰাৰ উদ্দেশ্যে তেওঁ বৰবালি অঞ্চলৰ সংগীত শিক্ষক লীলা গগৈৰ ওচৰত বৰগীত, লোকগীত আদি বিষয়ত প্ৰশিক্ষণ গ্ৰহণ কৰে। ১১ পৃষ্ঠাত চাওক

# তেজপুৰৰ ডাঃ ৰণজিৎ বৰুৱাৰ মৃত্যু



**ষ্টাফ ৰিপৰ্টাৰ**
**তেজপুৰ, ২১ আগষ্ট ঃ** তেজপুৰৰ এগৰাকী জ্যেষ্ঠ চিকিৎসক, প্ৰতিষ্ঠিত উদ্যোগী, সৰবৰহী সমাজকৰ্মী ডাঃ ৰণজিৎ বৰুৱা (৭৫)ৰ যোৱা নিশা প্ৰায় ৭-৩০ বজাত নতুন দিল্লীৰ এখন চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত দেহাৱসান ঘটে। উল্লেখ্য যে ১৯৬৯ত ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ৰ এমবিবিএছ ডিগ্ৰীধাৰী তেজপুৰৰ জয়মতী পথাৰৰ সমীপৰ শংকৰ মন্দিৰ পথৰ কমলা নগৰ নিবাসী তেজপুৰৰ সম্ভ্ৰান্ত চিকিৎসক তথা ব্যৱসায়জনৰ পূৰ্বে কোনো শাৰীৰিক অসুস্থতা নাছিল। কিছুদিন পূৰ্বে তেওঁ নতুন দিল্লীত থকা বিবাহিতা জীয়ৰীৰ ঘৰলৈ যোৱাৰ পাছত এটা দিন পূৰ্বে আকস্মিকভাৱে শাৰীৰিক অসুস্থতা অনুভৱ কৰা চিকিৎসক বৰুৱাই চিকিৎসালয়খনত চিকিৎসাধীন হোৱাৰ এটা দিনৰ পাছতেই ১১ পৃষ্ঠাত চাওক

# আদিবাসী সংস্কৃতি সংৰক্ষণ সমিতিৰ উদ্যোগত ঢেকিয়াজুলিত কৰম নাচ কৰ্মশালা




**-ষ্টাফ ৰিপৰ্টাৰ,**
**তেজপুৰ, ২১ আগষ্ট ঃ** কৃষিজীৱী চহা আদিবাসী লোকসকলৰ কৰম পৰ্বৰ 'আখড়া'ত মাদলৰ গুমগুমনি তুলিবলৈ সাজু হৈছে শোণিতপুৰ জিলাৰ ঢেকিয়াজুলিৰ আদিবাসী জনগোষ্ঠীয় ৰাইজ। কৰম পৰ্বৰ পৰম্পৰাগত নাচ-গীত উত্তৰ প্ৰজন্মক সাৱলীলভাৱে শিকাই যোৱাৰ প্ৰয়াস আৰু আদিবাসী সংস্কৃতি সংৰক্ষণৰ অৰ্থে 'আদিবাসী সংস্কৃতি সংৰক্ষণ সমিতি, অসম'ৰ উদ্যোগত তথা 'আদিবাসী সংস্কৃতি গৱেষণা আৰু প্ৰশিক্ষণ কেন্দ্ৰ' আৰু শোণিতপুৰ ঢেকিয়াজুলিৰ আদিবাসী ৰাইজৰ সহযোগত ২০ আগষ্টত বৰছলা চাহ বাগিচা খেলপথাৰত ডেৰ মহীয়া 'কৰম নাচ কৰ্মশালা'ৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। অসমৰ স্বনামধন্য আদিবাসী সংস্কৃতিৰ সাধক প্ৰয়াত নিৰল ঝাড়িয়াৰ সন্তান তথা আদিবাসী সংস্কৃতি সংৰক্ষণ সমিতিৰ সভাপতি সন্দীপ ঝাড়িয়া আৰু সংস্থাটিৰ বিষয়া আলফন্স কুজুৰে আঁত ধৰা কৰ্মশালা উদ্বোধনী সভাখনত গৱেষক, সাংবাদিক মিণ্টু মিঞ্জুৰে সন্মানীয় অতিথি আৰু শোণিতপুৰ জিলা মুণ্ডাৰী সাহিত্য সভাৰ সভাপতি-সম্পাদকদ্বয় গ্ৰেট প'ল গুড়িয়া আৰু আপল কনগাড়ীয়ে বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰে। অনুষ্ঠানটিত সন্মানীয় অতিথিৰূপে অংশগ্ৰহণ কৰি গৱেষক, সাংবাদিক মিঞ্জুৰে কয়, কৰম পৰ্বৰ কৃষিভিত্তিক সভ্যতাৰ আদিম মানুহৰ আদিম স্তৰৰ যাদু-বিশ্বাসৰ ফচল। সাম্প্ৰতিক সময়ত কৰম পৰ্বৰক আৰ্যীকৰণ কৰাৰ এক প্ৰচেষ্টা চলিছে। তেওঁ লগতে কয়, আদিবাসী জনগোষ্ঠীৰ প্ৰত্যেক জাতি গোষ্ঠীৰেই 'কৰম কাহিনী' আছে, সেই কাহিনীবিলাকৰ চৰিত্ৰ পৃথক পৃথক হ'লেও মূল বক্তব্য এটাই। কৰম কাহিনীবিলাকত মানুহে কৃষি সভ্যতা দিশে অগ্ৰসৰ হোৱা আৰু প্ৰয়োজনীয় উপাদানসমূহ প্ৰকৃতিৰ পৰাই আহৰণ কৰাৰ তথ্য পোৱা যায়। যিদৰে প্ৰত্যেক জাতি গোষ্ঠীৰে কৰম কাহিনীবিলাক পৃথক পৃথক, ঠিক তেনেকৈয়ে জাতি গোষ্ঠী অনুযায়ী গানসমূহ আৰু বাদ্যৰ তাল-লয়ৰ লগতে নাচৰ শৈলীও পৃথক পৃথক ১১ পৃষ্ঠাত চাওক

# আজি কলকাতাত অসম সাহিত্য সভাৰ উদ্যোগত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ

## ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষৰ স্মাৰক সন্মান মীনাক্ষী চলিহা বসু, ৰেখা চলিহা বসু, ডলী ঘোষ আৰু ত্ৰিদিৱ চেটাৰ্জীলৈ

**ষ্টাফ ৰিপৰ্টাৰ**
**নগাঁও/তেজপুৰ, ২১ আগষ্ট ঃ** পশ্চিমবংগৰ কলকাতাস্থিত অসম ভৱনত অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বিশ্বৰত্ন, ভাৰতৰত্ন, সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ অনুষ্ঠান অনুষ্ঠিত কৰিব অসম সাহিত্য সভাই। আজি বাতৰি কাকতলৈ প্ৰেৰণ কৰা এক সংবাদ বিজ্ঞপ্তিত সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই জানিবলৈ দিয়া মতে, অসম সাহিত্য সভাৰ কলকাতা শাখাৰ সহযোগত অহা ২২ আগষ্টত কলকাতাৰ অসম ভৱনত দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব এই জন্ম শতবৰ্ষ অনুষ্ঠান। সেইদিনা পুৱা ন বজাত অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰিব অসম সাহিত্য সভাৰ কলকাতা শাখাৰ সভাপতি জীৱন ৰয়ে। বিয়লি দুই বজাৰ পৰা অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীৰ সভাপতিত্বত অনুষ্ঠিত হ'ব লগা এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত 'অসম-বংগৰ সাংস্কৃতিক সেতুবন্ধনত ড° ভূপেন হাজৰিকাৰ অৱদান' শীৰ্ষক বিষয়ত বিশেষ আলোচনা সভা অনুষ্ঠিত হ'ব। উক্ত আলোচনা সভা উদ্বোধন কৰিব কলকাতাস্থিত অসম ভৱনৰ আৱাসিক আয়ুক্ত ৰণবীৰ কুমাৰ দাসে আৰু অনুষ্ঠানত মুখ্য আলোচক হিচাপে সাহিত্য একাডেমী বঁটাপ্ৰাপক চৈয়দ হাসমত জালালৰ লগতে আলোচক হিচাপে উপস্থিত থাকিব ক্ৰমে বিশিষ্ট সংগীত শিল্পী কমল কটকী, বিশিষ্ট গৱেষক ড° দেৱজিৎ ভূঞা, ড° ভূপেন হাজৰিকা আন্তৰ্জাতিক ফাউণ্ডেছনৰ সচিব ৰঞ্জন কুমাৰ দত্ত আৰু বিশিষ্ট নাট্যকাৰ ধ্ৰুৱজ্যোতি শৰ্মা।

# মধ্যভোগীৰ প্ৰৰোচনাত নাজিৰাত বৈষম্যৰ বলি বান ক্ষতিগ্ৰস্ত সাংবাদিক

## বঞ্চিত হ'ল আজমল ফাউণ্ডেছনৰ সাহায্যৰ পৰা

**অগ্ৰদূত বাৰ্তা**
**শিমলুগুৰি, ২১ আগষ্ট ঃ** যোৱা ১৯ জুলাইত উজনি অসমৰ, চৰাইদেউ জিলাৰ লগতে শিৱসগাৰ জিলাত সৃষ্টি হোৱা প্ৰলয়ংকাৰী বানপানীয়ে ব্যাপক ধ্বংস লীলা সাধন কৰাৰ ফলত হেজাৰ হেজাৰ মানুহ গৃহহীন হোৱাৰ লগতে সমগ্ৰ অঞ্চলটোৰ ৰাইজ চৰম সংকটত পৰে। দিখৌ নদীৰ আকস্মিক বানপানীৰ ফলত দেখা দিয়া ভয়ংকৰ প্ৰাকৃতিক দুৰ্যোগে কাঢ়ি নিচিল বহুলোকৰ প্ৰাণ। চুবুৰীয়া ৰাজ্য নগালেণ্ডৰ পকা বৈ অহা দিখৌৰ এই বলিয়া বানত শিৱসাগৰ জিলাৰ অন্তৰ্গত নাজিৰা সমজিলাৰ প্ৰায় সকলো অঞ্চল ডুব যোৱাৰ ফলত বহু লোকৰ জীৱন-জীৱিকা ধ্বংস হোৱাৰ লগতে অগণন পশু-পক্ষীৰ প্ৰাণহানি ঘটে। চুনামি সদৃশ দিখৌ নদীৰ প্ৰলয়ংকৰি বানত বিধ্বস্ত হোৱা উজনি অসমৰ জনতাৰ কাষত থিয় দিছিল ভাৰতৰ বিভিন্ন প্ৰান্তৰ মানৱদৰদী সংগঠন, অসমৰ ইমূৰৰ পৰা সিমূৰৰ পৰা মাৰ বান্ধি বানবিধ্বস্ত ৰাইজক বিভিন্ন প্ৰয়োজনীয় সামগ্ৰীৰ সাহায্য প্ৰদান কৰি এক নজিৰৰ সৃষ্টি কৰিছিল। বহুলোকে কায়িকভাৱে সহায় কৰিছিল বানপীড়িত ৰাইজক। ঠিক তেনেদৰে বানবিধ্বস্ত ৰাইজৰ কাষত থিয় দিছিল মৌলানা বদৰুদ্দিন আজমল আৰু আজমল ফাউণ্ডেচন। অন্যান্য লোকৰ লগতে বান বিভীষিকাই গৰকা অঞ্চলৰ ব্যাপক প্ৰতিকূলতাক নেওচি সেৱা ১১ পৃষ্ঠাত চাওক

# নগাঁও জিলা সাহিত্য সভাৰ ৫৪ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

## অসম সাহিত্য সভাৰ পতাকাই নতুন প্ৰজন্মৰ মাজত মাতৃভাষাৰ প্ৰতি সজাগ হৈ থকাৰ অনুপ্ৰেৰণা দিয়ে

**ষ্টাফ ৰিপৰ্টাৰ**
**নগাঁও, ২১ আগষ্ট ঃ** নগাঁও জিলা সাহিত্য সভাৰ ৫৪ সংখ্যক প্ৰতিষ্ঠা দিৱসটি বৃহস্পতিবাৰে কলংপৰীয়া শাখা সাহিত্য সভাৰ আতিথ্যত নগাঁও চহৰৰ সমীপৰ ভোটাইগাঁৱৰ ভোটাই ডেকা খেলপথাৰত দিনজোৰা কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। পুৱা মূল পতাকা জিলা সাহিত্য সভাপতি ড° শৰৎ বৰকটকীয়ে উত্তোলন কৰাৰ লগতে ৫৪জন বিশিষ্ট ব্যক্তিয়ে ৫৪ খন পতাকা উত্তোলন কৰে। লগতে ৫৪ গছি বন্তি প্ৰজ্বলন কৰা হয়। দুপৰীয়া নগাঁও জিলা সাহিত্য সভাৰ সভাপতি ড° শৰৎ বৰকটকীৰ সভাপতিত্বত অনুষ্ঠিত হয় মুকলি সভাৰ। সভাত মুখ্য অতিথিৰ ভাষণত অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক ড° জগদীশ পাটগিৰীয়ে কয় যে, অসমৰ বাহিৰে আন কোনো ৰাজ্যত ৰাজ্যভাষা ব্যৱহাৰৰ প্ৰতি অনীহাৰ নিদৰ্শন নাই। ভাৰতৰ উৰিষ্যা, পাঞ্জাৱ, গুজৰাট, দক্ষিণ ভাৰতৰ ৰাজ্যৰ নাগৰিকসকলে সকলো কামতে সেই ৰাজ্যৰ ভাষা ব্যৱহাৰ কৰে। অসমত ইয়াৰ বিপৰীত ছবি এখন দেখা যায়। প্ৰায়বোৰ কামতে ইংৰাজী ভাষা ব্যৱহাৰ কৰা হয়। জনসাধাৰণৰ মাতৃভাষাৰ প্ৰতি অনীহাই ইয়াৰ মূল কাৰণ। অসম সাহিত্য সভাই ৰাজ্যভাষা আইনখন প্ৰয়োগ কৰিবলৈ কৰি অহা অহৰহ প্ৰচেষ্টা কৰাৰ কথা উল্লেখ কৰি ড° পাটগিৰিয়ে কয় যে অসমৰ মানুহে নিজৰ ভাষা, সাহিত্য-সংস্কৃতিৰ অস্তিত্ব ৰক্ষাৰ বাবে বহু আন্দোলন বিদ্ৰোহৰে ৰক্ত দিছে। এই ৰক্তৰ মূল্য আমি সকলোৱে দিব লাগিব। ১৯৬০ তে প্ৰয়োগ হোৱা ৰাজ্যভাষা আইনখন আজিও সৰ্বস্তৰত প্ৰয়োগ নকৰাটো চৰম দুৰ্ভাগ্যজনক কথা। ভাষা হৈছে জাতিৰ সত্বা। ভাষাপ্ৰেম, জাতিপ্ৰেমত বৰ্তমান অবক্ষয়ৰ চিন স্পষ্ট বুলি ড° পাটগিৰিয়ে তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। অসম সাহিত্য সভা অসমৰ জাতীয় জীৱনৰ এক গুৰুত্বপূৰ্ণ সংগঠন বুলি মন্তব্য কৰি ড° পাটগিৰিয়ে কয় যে অৰ্থনৈতিকভাৱে দেশ শক্তিশালী নহ'লে, যুৱশক্তি ১১ পৃষ্ঠাত চাওক

# নিয়মীয়া বিদ্যুৎ যোগানৰ দাবী সোণাপুৰ আছুৰ ঃ স্মাৰকপত্ৰ প্ৰেৰণ



**অগ্ৰদূত বাৰ্তা**
**সোণাপুৰ, ২১ আগষ্ট ঃ** বিগত এমাহ ধৰি সোণাপুৰ আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলসমূহত অনিয়মীয়া বিদ্যুৎ যোগানে সৰ্বসাধাৰণ ৰাইজক অতিষ্ঠ কৰি তোলাৰ অভিযোগ উত্থাপন কৰিছে সোণাপুৰ আঞ্চলিক ছাত্ৰ সন্থাই। অঞ্চলটোত সঘনাই ঘটি থকা বিদ্যুৎ লুকাভাকুৰ সমস্যা শীঘ্ৰে সমাধান কৰি গ্ৰাহক তথা উপভুক্তা ৰাইজক নিয়মীয়াকৈ বিদ্যুৎ যোগন ধৰাৰ দাবীৰে আজি সোণাপুৰ আছুৱে সোণাপুৰ বিদ্যুৎ নিয়মৰ বিদ্যুৎ উপ-সংমাণ্ডলিক বিষয়াক এখন স্মাৰক পত্ৰ প্ৰদান কৰে। সোণাপুৰ আছুৰ সভাপতি বিক্ৰম পাল আৰু সম্পাদক গুণগুণ দাসৰ দ্বাৰা স্বাক্ষৰিত স্মাৰক পত্ৰখনত বিগত এমাহ ধৰি অঞ্চলটোত অনিয়মীয়া বিদ্যুৎ যোগানে সৰ্বসাধাৰণ ৰাইজক উৎকট গৰমত জ্বলাকলা ভোগাই আহিছে বুলি অভিযোগ কৰা হৈছে। বিশেষকৈ সোণাপুৰ বিদ্যুৎ উপ-সংমণ্ডলৰ অধীনস্থ অঞ্চলসমূহত পূৰ্বতকৈ এতিয়া সঘনাই বিদ্যুৎ কৰ্তন কৰি অহা হৈছে বুলি অভিযোগ কৰি যাৰ ফলত ছাত্ৰ-ছাত্ৰীৰ পঢ়া-শুনা, চিকিৎসালয় তথা জনসাধাৰণৰ দৈনিক জীৱন যাত্ৰাত বিৰূপ প্ৰভাৱ পৰিছে বুলি কেন্সৰা হৈছে। তদুপৰি সঘনাই বিদ্যুৎ কৰ্তনৰ ফলত ব্যৱসায়িক খণ্ডই মাধমাৰ খাব লগা হৈছে। সেয়ে শীঘ্ৰে অঞ্চলটোত নিয়মীয়া বিদ্যুৎ যোগান নিশ্চিত কৰি সৰ্বসাধাৰণ ৰাইজক সকাহ প্ৰদান কৰিবলৈ সোণাপুৰ আছুৱে বিভাগীয় কৰ্তৃপক্ষক দাবী জনাইছে।

# গড়াজান উন্নয়ন খণ্ডৰ সন্মুখৰ পথৰ দুৰৱস্থা ঃ দুৰ্ভোগ হেজাৰ হেজাৰ লোকৰ

**ষ্টাফ ৰিপৰ্টাৰ**
**নগাঁও, ২১ আগষ্ট ঃ** চামগুৰি সমষ্টিৰ অন্তৰ্গত গড়াজান উন্নয়ন খণ্ডৰ কাৰ্যালয়ৰ সন্মুখৰ গড়কাপ্তানি পথছোৱাৰ অতিশয় শোচনীয় অৱস্থাই ৰাইজক জীয়াতু ভোগাইছে। ৰূপহী থানা বোৰ্ড পৰা বৌমাৰী হৈ হাতীপাৰা আৰু ৰূপহী থানা বোৰ্ড পৰা বেলুগুৰি হৈ নগাঁও সংযোগী অত্যন্ত গুৰুত্বপূৰ্ণ এই পথটোৰে নিতৌ শ শ বিভিন্ন যানবাহন, হেজাৰ হেজাৰ লোক আহ-যাহ কৰে; কিন্তু সুদীৰ্ঘ কাল মেৰামতিৰ অভাৱত পথটো ভাঙি চিঙি উৰলি যায়। পথৰ মাজত সৃষ্টি হয় প্ৰকাণ্ড প্ৰকাণ্ড গাঁতৰ। এতিয়া বৰষুণৰ বতৰত পথৰ মাজৰ এই গাতসমূহত পানী জমা হৈ ক্ষুদ্ৰ ক্ষুদ্ৰ পুখুৰীৰ ৰূপ লৈছে। আনহাতে, বিধ্বস্ত পথটোৰে নিতৌ শ শ বিভিন্ন যানবাহন চলাচল কৰি থকাত ই বোকাময় হৈ পৰিছে। ফলত যান-বাহন চলাচলৰ লগতে সাধাৰণ পথচাৰী, বিশেষকৈ স্কুলীয়া ছাত্ৰ-ছাত্ৰীসকলে যাতায়াতৰ ক্ষেত্ৰত ব্যাপক সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে। ভাঙি চিঙি উৰলি যোৱা এই বিধ্বস্ত পথটো বোকাময় হৈ পৰাত যাতায়াতৰ ক্ষেত্ৰত ৰাইজে মৰ্মন্তুদ যন্ত্ৰণা ভোগ কৰিবলগীয়া হোৱাত অঞ্চলটোৰ ৰাইজৰ মাজত তীব্ৰ অসন্তুষ্টিৰ সৃষ্টি কৰিছে। তাৎপৰ্যপূৰ্ণ বিষয়টো হৈছে-অঞ্চলটোৰ বিভিন্ন উন্নয়নমূলক কাম-কাজ পৰিচালনা কৰা গড়াজান উন্নয়ন খণ্ডৰ কাৰ্যালয়ৰ সন্মুখৰ পথটোৱেই যদি এনেদৰে জৰাজীৰ্ণ অৱস্থাত থাকে, তেন্তে গ্ৰামাঞ্চলৰ অন্যান্য পথসমূহৰ প্ৰতি সংশ্লিষ্ট কৰ্তৃপক্ষই কিমান গুৰুত্ব প্ৰদান কৰিছে, তাক লৈও প্ৰশ্ন উত্থাপন হৈছে। প্ৰতিদিনে উন্নয়ন খণ্ডৰ বিষয়া-কৰ্মচাৰী, জনপ্ৰতিনিধি আৰু বিভিন্ন কামত অহা-যোৱা কৰা লোকসকলে পথটোৰ দুৰৱস্থা প্ৰত্যক্ষ কৰি অহাৰ পাছতো কোনোধৰণৰ স্থায়ী ব্যৱস্থা গ্ৰহণ নকৰাত ৰাইজে ক্ষোভ প্ৰকাশ কৰিছে। ৰূপহী সংযোগী এই গুৰুত্বপূৰ্ণ পথটোৰে দৈনিক হেজাৰ হেজাৰ লোকে যাতায়াত কৰে। এনে এটা ব্যস্ত পথৰ দুৰৱস্থাৰ বাবে বিগত কে'বাদিনো ধৰি সাধাৰণ ৰাইজে চৰম দুৰ্ভোগ ভুগিবলগীয়া হৈছে। ইফালে, গড়াজান উন্নয়ন খণ্ডৰ সন্মুখৰ পথছোৱাৰ এনে অৱস্থাৰ বাবে চামগুৰি সমষ্টিৰ বিধায়ক তানজিল হুছেইন, ৰূপহীহাটৰ বিধায়ক নুৰুল হুদাৰ ভূমিকা নেতিবাচক বুলিও স্থানীয় ৰাইজে ক্ষোভ উজাৰিছে। উন্নয়ন খণ্ডৰ বিডিঅ' মৌচম দাসকে ধৰি নিতৌ পথটোৰে অহা-যোৱা কৰা বিষয়া-কৰ্মচাৰী আৰু জনপ্ৰতিনিধিসকলে পথটোৰ দুৰৱস্থা কিয় গুৰুত্বসহকাৰে লোৱা নাই বুলিও প্ৰশ্ন উত্থাপন কৰিছে ৰাইজে। ৰূপহীহাট সমষ্টিৰ সীমামূৱীয়া এলেকাত অৱস্থিত পথছোৱাৰ মেৰামতিৰ দায়িত্ব লৈ দুজন বিধায়কৰ এজনে আনজনৰ ওপৰত দায়িত্ব ঠেলি নিদি শীঘ্ৰে পথটো পৰিদৰ্শন কৰি প্ৰয়োজনীয় মেৰামতিৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ স্থানীয় ৰাইজে দাবী জনাইছে। অন্যথা পথটোৰ দুৰৱস্থাক লৈ স্থানীয় ৰাইজ আৰু দল-সংগঠনে গণতান্ত্ৰিক আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰি পৰিস্থিতি উত্তপ্ত কৰি তুলিব বুলি হুংকাৰ প্ৰদান কৰিছে।

## মঙলদৈৰ টাউন হাইস্কুলত পথ সুৰক্ষাৰ সজাগতামূলক সভা

**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**
**মঙলদৈ, ২১ আগষ্ট ঃ** ৰাজ্যখনৰ বিভিন্ন স্থানত সঘনাই সংঘটিত হৈ থকা পথ দুৰ্ঘটনাৰ প্ৰতি লক্ষ্য ৰাখি পথ সুৰক্ষাৰ ওপৰত এখন সজাগতামূলক সভা বৃহস্পতিবাৰে মঙলদৈ টাউন হাই স্কুলত অনুষ্ঠিত হয়। বিদ্যালয়খনৰ প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনীৰ উদ্যোগত হোৱা এই সজাগতা সভাত নৱম আৰু দশম শ্ৰেণীৰ শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। বিদ্যালয়খনৰ প্ৰধান শিক্ষয়িত্ৰী নয়না কৰ্মকাৰ, দৰং জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয়ৰ প্ৰৱৰ্তক পৰিদৰ্শক ওম প্ৰকাশ উপাধ্যায়, সহকাৰী প্ৰৱৰ্তক পৰিদৰ্শক কালিচৰণ ৰাজবংশী, প্ৰৱৰ্তক নিৰিক্ষক অপূৰ্ব ডেকা উপস্থিত থকা সভাৰ আঁত ধৰে প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনীৰ সভাপতি আব্দুল খালেকে।

# চামগুৰি মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় বিজ্ঞানমনস্ক দিৱস

**ষ্টাফ ৰিপৰ্টাৰ**
**নগাঁও, ২১ আগষ্ট ঃ** অন্ধবিশ্বাসৰ বিৰুদ্ধে জীৱনভৰ যুঁজ দি অমৰত্ব লাভ কৰা সমাজকৰ্মী ড° নৰেন্দ্ৰ ডাভোলকাৰৰ স্মৃতিত ২০ আগষ্টত চামগুৰি মহাবিদ্যালয়ত 'ৰাষ্ট্ৰীয় বিজ্ঞানমনস্ক দিৱস' উদ্‌যাপন কৰা হয়। মহাবিদ্যালয়খনৰ আভ্যন্তৰীণ মান নিয়ন্ত্ৰণ কোষ আৰু বিজ্ঞান মনস্ক যাত্ৰা, অসমৰ যৌথ উদ্যোগত অনুষ্ঠিত বিশেষ সভাত শিক্ষক-শিক্ষয়িত্ৰীৰ



লগতে শতাধিক ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিয়ে অনুষ্ঠানটোক জীৱন্ত কৰি তোলে। সভাৰ আৰম্ভণিতে চামগুৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ইন্দ্ৰজিৎ বেজবৰুৱাই সভাপতিত্ব কৰি বিজ্ঞানৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ কয়, 'আমাৰ দৈনন্দিন জীৱনৰ প্ৰতিটো খোজতে বিজ্ঞান জড়িত হৈ আছে। তথাপিও আজিও আমি ভূত-প্ৰেত, ডাইনী, কুসংস্কাৰৰ ফাঁদত পৰি আছো। এই অন্ধবিশ্বাসৰ অন্ধকাৰৰ পৰা ওলাই আহি যুক্তি আৰু বিজ্ঞানৰ পোহৰেৰে জীৱন আগুৱাই নিব লাগিব।' অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থকা প্ৰাক্তন উচ্চ-পদস্থ আৰক্ষী বিষয়া দিলীপ বৰাই ড° নৰেন্দ্ৰ ডাভোলকাৰৰ আদৰ্শ আৰু ত্যাগৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰে। তেওঁ কয়, 'ডাভোলকাৰে কেৱল অন্ধবিশ্বাসৰ বিৰুদ্ধে কোৱা নাছিল, তেওঁ সমাজৰ আটাইতকৈ দুখীয়া, শোষিত আৰু দলিত লোকৰ অধিকাৰৰ বাবে নিজৰ জীৱন উছৰ্গা কৰিছিল। আজি আমাৰ সমাজত পৰীক্ষা দিবলৈ যাওঁতে কণী নোখোৱা, ক'লা মেকুৰী ৰাস্তা কটা আদি যিবোৰ কুসংস্কাৰ আছে, সেইবোৰৰ বিৰুদ্ধে যুঁজাটোৱেই হ'ব ডাভোলকাৰৰ প্ৰতি প্ৰকৃত শ্ৰদ্ধাঞ্জলি।' বিজ্ঞান মনস্ক যাত্ৰাৰ কেন্দ্ৰীয় সহ-সম্পাদক তথা দৈনিক অসম কাকতৰ প্ৰাক্তন উপ-সম্পাদক পুলিন কলিতাই ছাত্ৰ-ছাত্ৰীসকলৰ সন্মুখত সমাজত প্ৰচলিত বিভিন্ন অন্ধবিশ্বাসৰ বৈজ্ঞানিক ব্যাখ্যা দাঙি ধৰে। তেওঁ ভূত, ধনগুলৈ, যখিনী আদিৰ নামত মানুহক কেনেকৈ ভয় দেখুৱাই শোষণ কৰা হয় সেই বিষয়ে উদাহৰণসহ ব্যাখ্যা কৰে। সভাত ভাষণ আগবঢ়ায় বিশিষ্ট লেখক আৰু নিৰন্ধকাৰ দ্বিজেন বৰ্মনে।


# বজালীৰ মদন ৰাউতা অসামৰিক চিকিৎসালয়ত সৰ্প দংশনৰ জৰুৰী চিকিৎসাত সফলতা

**বিশেষ সংবাদদাতা**
**পাঠশালা, ২১ আগষ্ট ঃ** বজালীৰ পাঠশালাস্থিত ছহিদ মদন ৰাউতা অসামৰিক চিকিৎসালয়ত সৰ্প দংশনৰ জৰুৰী চিকিৎসাৰ ক্ষেত্ৰত পুনৰ এবাৰ উল্লেখযোগ্য সফলতা লাভ কৰিবলৈ সক্ষম হৈছে চিকিৎসক আৰু স্বাস্থ্যকৰ্মীৰ এটা অভিজ্ঞ দলে। বিষাক্ত ফেটী সাপে দংশন কৰা এজন পুৰুষ আৰু এগৰাকী যুৱতীক সময়মতে চিকিৎসা প্ৰদান কৰি সুস্থ কৰি তোলাত চিকিৎসালয়খনৰ চিকিৎসক-স্বাস্থ্যকৰ্মীৰ তৎপৰতা বিশেষভাৱে প্ৰশংসিত হৈছে। বজালী জিলাৰ মেধীকুছিৰ গণেশ তালুকদাৰ আৰু মুগুৰিয়াৰ ফিজা পাটগিৰীক বিষাক্ত ফেটী সাপে দংশন কৰাৰ পাছতে ততাতৈয়াকৈ পাঠশালাৰ ছহিদ মদন ৰাউতা অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। চিকিৎসালয়ত উপস্থিত হোৱাৰ পাছতে কৰ্তব্যৰত চিকিৎসকসকলে কোনো ধৰণৰ সময় অপচয় নকৰি ৰোগী দুগৰাকীৰ চিকিৎসা সেৱা আৰম্ভ কৰে। প্ৰয়োজনীয় পৰীক্ষা-নিৰীক্ষাৰ লগতে দুয়োগৰাকী ৰোগীক এণ্টি-স্নেক ভেনম প্ৰদান কৰি নিৰন্তৰ পৰ্যবেক্ষণত ৰখা হয়। চিকিৎসকৰ তৎপৰতা আৰু সময় মতে লাভ কৰা চিকিৎসাৰ ফলত ক্ৰমাৎ দুয়োৰে ৰোগীৰ স্বাস্থ্যৰ উন্নতি ঘটে। চিকিৎসকৰ নিৰীক্ষণ আৰু প্ৰয়োজনীয় চিকিৎসা সেৱাৰ অন্তত দুয়োৰোগীয়ে বিপদমুক্ত হৈ সুস্থ হৈ উঠে। এই ঘটনাই সৰ্প দংশনৰ ক্ষেত্ৰত সময় মতে চিকিৎসালয়ত উপস্থিত হৈ বৈজ্ঞানিক চিকিৎসা গ্ৰহণ কৰাৰ গুৰুত্ব পুনৰ স্পষ্ট কৰি তুলিছে। জ্যেষ্ঠ চিকিৎসক ডাঃ কুলেন কাকতি আৰু ডাঃ ভৰেশ দাসৰ নেতৃত্বত চিকিৎসক, নাৰ্ছ তথা স্বাস্থ্যকৰ্মীৰ এটা দলে ৰোগী দুগৰাকীক জৰুৰীকালীন চিকিৎসা সেৱা আগবঢ়ায়। চিকিৎসকৰ দলটোৰ এই তৎপৰতা আৰু দায়িত্বশীল সেৱাৰ বাবে স্থানীয় ৰাইজেও ভূয়সী প্ৰশংসা কৰিছে।

# বৰপেটাৰ নৃত্য শিক্ষাৰ অনুষ্ঠান নাট্যমৰ দ্বি-বৰ্ষ পূৰ্তিৰ আয়োজন

**বিশেষ সংবাদদাতা**
**বৰপেটা ২১ আগষ্ট ঃ** সত্ৰ নগৰী বৰপেটা চহৰৰ নৃত্য শিক্ষাৰ অন্যতম জনপ্ৰিয় অনুষ্ঠান নাট্যম । ২০২৪ ৰ অক্টোবৰ মাহত জন্ম লাভ কৰা 'নাট্যম'ৰ দুটা বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে অহা ছয় ছেপ্টেম্বৰৰ সন্ধিয়া আয়োজন কৰা হৈছে বৰ্ণাঢ্য নাট্যানুষ্ঠানৰ । বৰপেটা জিলা পুথিভঁৰালত প্ৰেক্ষাগৃহত সন্ধিয়া ছয় বজাৰ পৰা আয়োজন কৰা নাট্যানুষ্ঠানখন 'সৃজন' ২০২৬ নামেৰে নামকৰণ কৰা হৈছে । সৃজন ২০২৬ ৰ কাৰ্যসূচীত থাকিব নাট্যম, বৰপেটাৰ প্ৰমুখ গীত পৰিৱেশন । নাট্যম, বৰপেটাৰ ছাত্ৰীসকলৰ দ্বাৰা সত্ৰীয়া নৃত্য, কথক নৃত্য, বিহু নৃত্য প্ৰদৰ্শন। সৈনিক পত্নীৰ জীৱনৰ আধাৰত 'চিলচিলা' । অসমীয়া সংগীত জগতৰ ভঁৰাল চহকী কৰা একাংশ পুৰোধা ব্যক্তি ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালা, কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা, ড° ভূপেন হাজৰিকা, জুবিন গাৰ্গ, পুৰুষোত্তম দাস, অম্বিকাগিৰী ৰায়চৌধুৰী, পাৰ্বতি প্ৰসাদ বৰুৱা, প্ৰতিমা পাণ্ডে বৰুৱা, দীপালি বৰঠাকুৰ, ৰুদ্ৰ বৰুৱা, জয়ন্ত হাজৰিকা, গায়ত্ৰী হাজৰিকা আদি স্বনামধন্য শিল্পীৰ গীতৰ আধাৰত নাট্যমৰ অধ্যক্ষ কংকনজিৎ পাটোৱাৰীৰ পৰিকল্পনা আৰু পৰিচালনাৰে সৃষ্টিশীল নৃত্য প্ৰদৰ্শন কৰা হ'ব । ইয়াৰ পাছত আন্তঃৰাষ্ট্ৰীয় খ্যাতি সম্পন্ন কথক নৃত্যশিল্পী গুৰু মৰমী মেধি আৰু মেঘৰঞ্জনী মেধিৰ কথক নৃত্যৰ অনুষ্ঠান অনুষ্ঠিত হ'ব । শেষত ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাৰ অমৰ সৃষ্টি 'কাঞ্চন জংঘাৰ বুৰঞ্জী' কবিতাটোৰ একাংশৰ আধাৰত 'মই কাঞ্চন জংঘা' শীৰ্ষক নৃত্যানুষ্ঠানেৰে নাট্যম বৰপেটাৰ দ্বিতীয় বৰ্ষপূৰ্তি সৃজন ২০২৬ ৰ সামৰণি পৰিব বুলি জানিব পৰা গৈছে ।

## সমাজকৰ্মী পুৰন্দৰ শইকীয়াৰ মৃত্যু



**অগ্ৰদূত বাৰ্তা**
**ধেমাজি ২১ আগষ্ট ঃ** ধেমাজি জিলাৰ বৰদলনি চৌখাম গাঁৱৰ সমাজকৰ্মী পুৰন্দৰ শইকীয়াৰ ন আগষ্টৰ আবেলি নিজ বাসগৃহত স্বাস্থ্য জনিত কাৰণত আকস্মিকভাৱে মৃত্যু হয় । মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৭১ বছৰ । ১৯৫৫ ত বৰদলনি চৌখাম গাঁৱত জন্ম গ্ৰহণ পুৰন্দৰ শইকীয়াই বৰদলনিৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত আছিল । মৃত্যুৰ সময়ত তেওঁ পত্নী পুতুল শইকীয়া, দুইপুত্ৰ মনোজ শইকীয়া আৰু সাংবাদিক ললিত শইকীয়াৰ লগতে দুগৰাকী কন্যাৰ লগতে সহ ভালেসংখ্যক গুণমুগ্ধ আৰু আত্মীয় স্বজনক ইহসংসাৰত এৰিথৈ যায়।

# বাদুলিপাৰ চাহ বাগিচাত নলাত পৰি ছাত্ৰীৰ মৃত্যু-আহত কাণ্ড

### উপযুক্ত ক্ষতিপূৰণ-বাগিচা কৰ্তৃপক্ষক গ্ৰেপ্তাৰৰ দাবীত আটছাৰ দেৰগাঁও থানা ঘেৰাও কাৰ্যসূচী ৰূপায়ণ



**অগ্ৰদূত বাৰ্তা**
**দেৰগাঁও, ২১ আগষ্ট ঃ** কিছুদিন পূৰ্বে দেৰগাঁৱৰ বাদুলিপাৰ চাহ বাগিচাৰ এটা নলাত পৰি এগৰাকী ছাত্ৰীৰ মৃত্যু হোৱাৰ লগতে আন এগৰাকী ছাত্ৰী আহত হোৱাৰ ঘটনাক কেন্দ্ৰ কৰি আদি দেৰগাঁও আৰক্ষী থানা ঘেৰাও কৰি অসম চাহ জনগোষ্ঠী ছাত্ৰ সন্থাই উত্তাল পৰিস্থিতিৰ সৃষ্টি কৰে। উল্লেখ্য যে কিছু দিন পূৰ্বে বাদুলিপাৰ বাগান কৰ্তৃপক্ষৰ গাফিলতিৰ বাবে এটা দ' নলাত পৰি বৰষা হাজাম নামৰ ছাত্ৰীগৰাকীৰ মৃত্যু হোৱাৰ লগতে অনামিকা ৰবি দাস নামৰ ছাত্ৰীগৰাকী গুৰুতৰভাৱে আহত হৈ বৰ্তমানো যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন হৈ আছে। মৃত্যু হোৱা ছাত্ৰীগৰাকীৰ লগতে চিকিৎসাধীন ছাত্ৰীগৰাকীক উপযুক্ত ক্ষতিপূৰণৰ লগতে উন্নতমানৰ চিকিৎসা প্ৰদানৰ লগতে বাগান কৰ্তৃপক্ষৰ গাফিলতিৰ বাবে আজি চাহ জনজাতি ছাত্ৰ সন্থাই এই কাৰ্যসূচী গ্ৰহণ কৰে। এই সমগ্ৰ ঘটনাৰ ২৫ দিন পাৰ হৈ যোৱাৰ পাছতো বাদুলিপাৰ বাগিচা কৰ্তৃপক্ষৰ বিৰুদ্ধে কিয় কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই বুলি সৰৱ হৈ পৰি চাহ জনজাতি ছাত্ৰ সন্থাই আজি দেৰগাঁও আৰক্ষী থানা ঘেৰাও কাৰ্যসূচী ৰূপায়ণ কৰে। সংগঠনটোৰ বিষয়ববীয়াসকলে আৰক্ষী থানাৰ সন্মুখত 'অসম আৰক্ষী হুঁচিয়াৰ', 'অসম চৰকাৰ হুঁচিয়াৰ', 'বাদুলিপাৰ বাগিচা কৰ্তৃপক্ষক গ্ৰেপ্তাৰ কৰক' আদি শ্ল'গানোৰ পৰিৱেশ উত্তাল কৰি তোলে। আৰক্ষীৰ বিৰুদ্ধে সৰৱ হৈ পৰা আটছাৰ বিষয়ববীয়াসকলে দেৰগাঁও আৰক্ষী থানাৰ উৰ্ধ্বতন বিষয়া-কৰ্মচাৰীসকলকো জবাবদিহি কৰে। প্ৰতিবাদৰ অন্তত এখন দাবী সম্বলিত স্মাৰকপত্ৰ আটছাৰ বিষয়ববীয়াসকলে দেৰগাঁও সমজিলাৰ অতিৰিক্ত উপায়ুক্তলৈ প্ৰেৰণ কৰে। স্মাৰকপত্ৰত মৃত ছাত্ৰগৰাকীৰ পৰিয়ালক ১০ লাখ টকাৰ ক্ষতিপূৰণ দিয়াৰ লগতে চিকিৎসাধীন অৱস্থাত থকা ছাত্ৰীগৰাকীৰ ক্ষতিপূৰণৰ লগতে উন্নত চিকিৎসা প্ৰদান, বাগিচা কৰ্তৃপক্ষক গ্ৰেপ্তাৰ কৰা আদি দাবী উত্থাপন কৰে। উল্লেখ্য যে ছাত্ৰ সংগঠনটোৰ এই প্ৰতিবাদী কাৰ্যসূচীৰ সময়ত থানা চৌহদত বৃহৎসংখ্যক আৰক্ষী নিয়োজিত কৰা হয়।

## চেন্নাইৰ পৰা গুৱাহাটী অভিমুখে আহি থকা কিশোৰী-যুৱক সন্ধানহীন

**অগ্ৰদূত বাৰ্তা**
**টংলা, ২১ আগষ্ট ঃ** ওদালগুৰি জিলাৰ টংলা থানাৰ অন্তৰ্গত কুকুৰাকাটাৰ এগৰাকী কিশোৰী আৰু এজন যুৱক চেন্নাইৰ পৰা গুৱাহাটী অভিমুখে ৰেলেৰে আহি থকা অৱস্থাত সন্ধানহীন হোৱাৰ ঘটনাই টংলাত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। তথ্য মতে টংলা কুকুৰাকাটাৰ নাৰায়ণ পৌড়েল আৰু তেওঁৰ পত্নী মঞ্জু দেৱী কৰ্মসূত্ৰে চেন্নাইত থাকে আৰু কেইদিনৰ বাবে টংলাৰ তেওঁলোকৰ কন্যা সুভদ্ৰা পৌড়েল (১৭) চেন্নাইত থকা পিতৃ-মাতৃক লগ কৰিব গৈছিল। যোৱা ১৪ আগষ্টত টংলাৰ এক গাঁৱৰে গোপাল কাৰ্কীৰ নাতি অমিত কাৰ্কীৰ লগত কিশোৰীগৰাকীক চেন্নাইৰ পৰা গুৱাহাটী অভিমুখে থকা ৰেলত পঠিয়াই দিয়ে। দুই যুৱক আৰু কিশোৰী চেন্নাইৰ পৰা যোৱা ১৪ আগষ্টত গুৱাহাটী অভিমুখে অহা ৰেলৰ উঠিছিল, কিন্তু ৰেলত উঠাৰ পাছৰে পৰা দুয়ো সন্ধানহীন হৈ আছে। আজিও দুয়োজনৰ শুংসূত্ৰ নোপোৱাত দুয়ো পৰিয়ালত এতিয়া হাহাকাৰ পৰিৱেশ বিৰাজ কৰিছে। ইতিমধ্যে পৰিয়ালে কিশোৰী আৰু যুৱক নিৰুদ্দেশ সন্দৰ্ভত চেন্নাইত এজাহাৰ দাখিল কৰিছে। যদি কোনো সদাশয় লোকে দুয়োৰে কিবা সম্ভেদ লাভ কৰে তেন্তে ৯৮৪০৪৬৮৫৬৩, ৬৩৮২৫০২৬৩১ নম্বৰত যোগাযোগ কৰিবলৈ পৰিয়ালে কাতৰ অনুৰোধ জনাইছে।

## ড্ৰাগছসহ সৰবৰাহকাৰীক আটক

**অগ্ৰদূত বাৰ্তা**
**লাহৰীঘাট, ২১ আগষ্ট ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট আৰক্ষী থানাৰ অন্তৰ্গত ধিঙৰআটি গাঁৱত আৰক্ষীয়ে অভিযান চলাই ড্ৰাগছসহ এজন সৰবৰাহকাৰীক আটক কৰে। যোৱা ১৯ আগষ্টত বিশেষ সূত্ৰৰ খবৰৰ ভিত্তিত মৰিগাঁও আৰক্ষীৰ বিশেষ শাখা আৰু লাহৰীঘাট আৰক্ষীয়ে যৌথভাৱে অভিযান চলাই ড্ৰাগছসহ কুখ্যাত ড্ৰাগছ সৰবৰাহকাৰীজনক আটক কৰিবলৈ সক্ষম হয়। ধৃত ড্ৰাগছ সৰবৰাহকাৰীজনৰ নাম জহিৰুল ইছলাম।

## মেলামাটিৰ আৰোহণ সংগীত বিদ্যালয়ৰ তৃতীয় বাৰ্ষিক প্ৰতিষ্ঠা দিৱস

**অগ্ৰদূত বাৰ্তা**
**মেলামাটি, ২১ আগষ্ট ঃ** তিতাবৰ সম-জিলাৰ অন্তৰ্গত মেলামাটিৰ প্ৰণৱ শইকীয়া জাতীয় বিদ্যালয়ৰ প্ৰাংগণত ২০২৩ ত প্ৰতিষ্ঠিত আৰোহণ সংগীত বিদ্যালয়ৰ তৃতীয় বাৰ্ষিক প্ৰতিষ্ঠা দিৱসৰ লগতে সদৌ অসম ভিত্তিত ভূপেন্দ্ৰ সংগীত আৰু বিষ্ণু ৰাভা সংগীতৰ প্ৰতিযোগিতা দুদিনীয়া বৰ্ণাঢ্য সাংস্কৃতিক কাৰ্যসূচীৰে ৩০ আৰু ৩১ আগষ্টত মেলামাটি গাঁও পঞ্চায়তৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'ব। পূৰ্বে এই কাৰ্যসূচী ২৭ আৰু ২৮ জুলাইত অনুষ্ঠিত হোৱাৰ কথা আছিল কিন্তু উজনিৰ প্ৰলয়ংকৰী বানপানীৰ কাৰণে স্থগিত ৰখা হৈছিল। ঘোষিত কাৰ্যসূচী মতে, ৩০ আগষ্টত ভূপেন্দ্ৰ সংগীত আৰু বিষ্ণু ৰাভা সংগীতৰ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ড° ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা সকলোৰে বাবে মুকলি ৰখাৰ বিপৰীতে বিষ্ণু ৰাভা গীতৰ প্ৰতিযোগিতা কেৱল নিম্ন শাখাত অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাৰ মাচুল ৩০০ টকা। দুটা শাখাতে পাঁচটাকৈ পুৰস্কাৰ থাকিব। প্ৰথম ৫০০০ টকা, দ্বিতীয় ৪০০০ টকা, তৃতীয় ৩০০০ টকা, চতুৰ্থ ২০০০টকা আৰু পঞ্চম পুৰস্কাৰ ১০০০ টকা। ৩১ আগষ্টত ছাত্ৰ-ছাত্ৰীৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। যোগদানৰ মাচুল ৫০ টকা। দিনৰ ১১ বজাৰ পৰা অনুষ্ঠিতব্য মুকলি সভাত বঁটা প্ৰদান কৰা হ'ব আৰু ঢোলৰ ওজা সৰুপাই দাস, সংগীত শিল্পী যজ্ঞেশ্বৰ বৰা, বিশিষ্ট শিল্পী প্ৰবাল দত্ত আৰু সাংস্কৃতিক কৰ্মী পৱিত্ৰ শইকীয়াক সম্বৰ্ধনা জ্ঞাপন কৰিব। সংগীত বিদ্যালয়ৰ সভাপতি বিমান শইকীয়া,সম্পাদক মিনাৰাম দাস, অধ্যক্ষ ৰাতুল দত্ত আৰু সমন্বয়ক দিজেন্দ্ৰ নাৰায়ণ ৰাওৱে সকলো ৰাইজৰ সহায়-সহযোগিতা কামনা কৰিছে।

## তেজপুৰ মহাবিদ্যালয়ত নেপালী ভাষা মান্যতা দিৱস

**ষ্টাফ ৰিপৰ্টাৰ**
**তেজপুৰ, ২১ আগষ্ট ঃ** তেজপুৰ মহাবিদ্যালয়ৰ হেৰেম্ব শৰ্মা সোঁৱৰণী সভাকক্ষত তেজপুৰ মহাবিদ্যালয়ৰ নেপালী বিভাগৰ উদ্যোগত আৰু পুষ্পলাল স্মৃতি অধ্যয়ন গোষ্ঠী, তেজপুৰৰ সহযোগত বৃহস্পতিবাৰে ৩৪সংখ্যক নেপালী ভাষা মান্যতা দিৱস উদ্‌যাপন কৰা হয়। উক্ত অনুষ্ঠানৰ সভাপতিত্ব কৰে তেজপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মনোজ কুমাৰ হাজৰিকাই। নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে ৰঙাপৰা মহাবিদ্যালয় (স্বায়ত্বশাসিত)ৰ অধ্যক্ষ ড° ৰঞ্জন কলিতা। ড° কলিতাই ভাষণ প্ৰসংগত উল্লেখ কৰে যে, অকল ভাষা দিৱস অনুষ্ঠিত কৰি এটা ভাষাক জীয়াই ৰাখিব পৰা নাযায়, যদিহে বিদ্যায়তনিক দিশত ইয়াক গুৰুত্ব দিয়া নহয়। অসমত নেপালী ভাষাত গোৰ্খা সম্প্ৰদায়ৰ এজনো পিএইচডি ডিগ্ৰীধাৰী ব্যক্তি নথকাটো তেওঁ আক্ষেপ প্ৰকাশ কৰে। পুষ্পলাল স্মৃতি অধ্যায়ন গোষ্ঠীৰ সভাপতি মোহন চুবেদী আৰু তেজপুৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ কমল চন্দ্ৰ উপাধ্যায়ে ১৯৯৩ত কেনেদৰে নেপালী ভাষাই ভাৰতীয় সংবিধানৰ অষ্টম অনুসূচীত ভাষা হিচাপে স্বীকৃতি লাভ কৰে তাৰ ইতিহাস দাঙি ধৰে।

## সাহায্য প্ৰদান এআইডিএছঅ'ৰ ঃ বানপীড়িতক পুনৰ সংস্থাপনৰ দাবী



**ষ্টাফ ৰিপৰ্টাৰ**
**তেজপুৰ, ২১ আগষ্ট ঃ** উজনি অসমৰ প্ৰলয়ংকৰী বানত ক্ষতিগ্ৰস্ত ৰাইজৰ সাহায্যাৰ্থে চৰকাৰী-বেচৰকাৰী বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতে ছাত্ৰ-সংগঠন এআইডিএছঅ'ৰ অসম ৰাজ্যিক কাউন্সিলৰ উদ্যোগতো যোৱা ২৫ জুলাইৰ পৰা এই পৰ্যন্ত অব্যাহত ৰাখিছে বিভিন্ন কাৰ্যসূচী। এই সন্দৰ্ভত আজি ছাত্ৰ সংগঠনটোৰ ৰাজ্যিক সম্পাদক হেমন্ত পেগুৱে জানিবলৈ দিছে। অন্যান্য দল-সংগঠনৰ দৰে ছাত্ৰ সংগঠন এছআইডিএছ অ'ৰ উদ্যোগত যোৱা ২৫ জুলাইত শিৱসাগৰ জিলাৰ কুজিবালি, ষ্টেচন চাৰিআলি, চেতিয়া গাঁও, চাউদাং গাঁও আৰু ২৯ জুলাইত নাজিৰা অঞ্চলৰ দুৰৰা গাঁও, হোলোং গাঁও আদি ঠাইত বান সাহায্য বিতৰণ কৰা হয়। এআইডিএছঅ'ৰ অসম ৰাজ্যিক কমিটিয়ে লক্ষ্য কৰিছে যে বানপানীত সাধাৰণ ৰাইজৰ ঘৰ-দুৱাৰৰ যি ক্ষতিসাধন হৈছে, যিদৰে পলসে সকলোখিনি পুতি পেলাইছে সেয়া দূৰ কৰি নিজা ঠাইত ক্ষতিগ্ৰস্ত ৰাইজক পুনৰ সংস্থাপন কৰাৰ বাবে ৰাজ্য চৰকাৰে যুদ্ধকালীন তৎপৰতাৰে পদক্ষেপ গ্ৰহণ কৰিব লাগিব। এআইডিএছঅ'সহ অন্যান্য সংগঠনৰ স্বেচ্ছাসেৱকসকলে নিষ্ঠাসহকাৰে যিখিনি কাম আগবঢ়াইছে সেয়া মুঠেই যথেষ্ট নহয়। সেয়ে চৰকাৰক যুদ্ধকালীন তৎপৰতাৰে আৰু সঠিক পৰিকল্পনা কৰি সকলো মানুহক পুনৰ সংস্থাপনৰ ব্যৱস্থা সুনিশ্চিত কৰাৰ বাবে ছাত্ৰ সংগঠনটোৱে দাবী জনাইছে।

## বাগ্‌সাৰ অঞ্চলী বাদুলীপাৰাৰ যুৱক নিৰুদ্দেশ

**অগ্ৰদূত বাৰ্তা**
**জালাহ, ২১ আগষ্ট ঃ** বাগ্‌সা জিলাৰ অঞ্চলী বাদুলীপাৰা গাঁৱৰ সীমান্ত বড়ো (২৩) নামৰ যুৱকজন ১৭ আগষ্টৰ পৰা নিৰুদ্দেশ হৈ আছে। তথ্য মতে, ১৬ আগষ্টৰ পুৱা সাত বজাত ঘৰৰ পৰা ওলাই যোৱাৰে পৰা যুৱকজন নিৰুদ্দেশ হৈ আছে। গুৱাহাটী চাংসাৰিৰ এটা ব্যক্তিগত কোম্পানীত বিগত চাৰি বছৰ ধৰি কৰ্মৰত যুৱকজনে যোৱা ১৫ আগষ্টত এদিনীয়া ছুটী লৈ ঘৰলৈ আহিছিল। ঘটনা সন্দৰ্ভত ভুক্তভোগী পৰিয়ালটোৱে শিমলা আৰক্ষী থানাত নিৰুদ্দেশ সন্দৰ্ভত ইতিমধ্যে আবেদন দাখিল কৰিছে।

## দুবছৰে পকীকৰণ নহ'ল কোটিটকীয়া বৰখেলীয়া বামুণগাঁও সংযোগী পথ



**অগ্ৰদূত বাৰ্তা**
**লাহদৈগড়, ২১ আগষ্ট ঃ** লোকনিৰ্মাণ বিভাগ যোৰহাট পথ সংমণ্ডলৰ অন্তৰ্গত মধ্য যোৰহাটৰ মেলেং বৰখেলীয়া বামুণগাঁও সংযোগী তিনি কিলোমিটাৰ দৈৰ্ঘ্যৰ জৰাজীৰ্ণ পকী পথটো ২০২৩ৰ ডিচেম্বৰত পথৰ দুয়োকাষ পৰিষ্কাৰ কৰি ছাইড বামত মাটি দিয়াৰ কাম কৰি ২০২৪ৰ ডিচেম্বৰত শিল-বালি দি ঠিকাদাৰে আধৰুৱাকৈ নিৰ্মাণ কাৰ্য সামৰে। অসম মালা আঁচনি অধীনত এক কোটি টকা ব্যয় সাপেক্ষে পকীকৰণ কৰিবলৈ লোৱা বৰখেলীয়া বামুণগাঁও সংযোগী পথৰ তথ্য ফলক আঁৰি নিদিয়াকৈ কাম আৰম্ভ কৰাটো গভীৰ ৰহস্য সৃষ্টি হৈছে। যাতায়াতৰ বাবে চাৰি-পাঁচখন গাঁৱৰ ৰাইজে জীয়াতু ভুগিব লগা হৈছে। লোকনিৰ্মাণ বিভাগ যোৰহাট পথ সংমণ্ডলৰ কাৰ্যবাহী বিষয়াক ৰাইজে অভিযোগ দিয়াৰ পাছতো কোনো পদক্ষেপ গ্ৰহণ নকৰিলে। টীয়ক সমষ্টিৰ জনপ্ৰতিনিধিজনে বৰখেলীয়া বামুণগাঁও সংযোগী জৰাজীৰ্ণ পকী পথটো ঠিকাদাৰে আধৰুৱা কৰি থোৱা দেখিও কোনো পদক্ষেপ গ্ৰহণ নকৰাত ৰাইজে তীব্ৰ ক্ষোভ প্ৰকাশ কৰিছে। ৰাইজে অসম চৰকাৰৰ লোকনিৰ্মাণ বিভাগৰ মন্ত্ৰীক বৰখেলীয়া বামুণগাঁও সংযোগী পথটো পকীকৰণ ক্ষেত্ৰত বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে।

## চেম্বাৰ অৱ কমাৰ্চৰ নগাঁও জিলা সমিতিৰ সভা

**ষ্টাফ ৰিপৰ্টাৰ**
**নগাঁও, ২১ আগষ্ট ঃ** অসম চেম্বাৰ অৱ কমাৰ্চৰ নগাঁও জিলা সমিতিৰ সাধাৰণ সভা সোমবাৰে নগাঁও চহৰৰ ঋষিৰাজ হোটেলত অনুষ্ঠিত হৈ যায়। জিলা সভাপতি সুৰেন্দ্ৰ সিং চাহনিৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে জিলা সমিতিৰ সাধাৰণ সম্পাদক নানু দাসে। সভাত অংশগ্ৰহণ কৰি নগাঁও-বটদ্ৰৱা বিধানসভা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই চেম্বাৰ অৱ কমাৰ্চৰ কাম-কাজৰ প্ৰশংসা কৰি চেম্বাৰ কমাৰ্চক অধিক গতিশীল কৰিবলৈ সকলোকে আহ্বান জনায়। সভাত অসম চেম্বাৰ অৱ কমাৰ্চৰ অধ্যক্ষ ৰূপম গোস্বামীয়ে চেম্বাৰ অৱ কমাৰ্চৰ নীতি আৰু আদৰ্শৰ বিষয়ে আলোকপাত কৰি চেম্বাৰ অৱ কমাৰ্চৰ কাম-কাজৰ বিষয়ে উল্লেখ কৰে। সভাত চেম্বাৰ অৱ কমাৰ্চৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সভাপতি শিশিৰ দেৱ কলিতা, নগাঁও জিলা সমিতিৰ কাৰ্যকৰী সভাপতি দীনেশ কলিতা, সাধাৰণ সম্পাদক জীৱন বণিক, দেৱাংশু শৰ্মা, কোষাধ্যক্ষ ৰাজেশ গুপ্তা, সকলো কাৰ্যনিৰ্বাহক সদস্য, সাধাৰণ সদস্য আৰু বিশিষ্ট ব্যৱসায়ী আদি উপস্থিত থাকে।

## ডবকা টোলগেটত বৃহৎ পৰিমাণৰ সন্দেহজনক বাৰ্মিজ চুপাৰি জব্দ, ট্ৰাক চালকক আটক



**অগ্ৰদূত বাৰ্তা**
**যমুনামুখ, ২১ আগষ্ট ঃ** আজি সন্ধিয়াৰ ভাগত ডবকাৰ মিকিৰআটি হাওগাঁও টোল প্লাজাত বৃহৎ পৰিমাণৰ সন্দেহজনক বাৰ্মিজ চুপাৰি জব্দ কৰা হৈছে। বিশেষ খবৰৰ ভিত্তিত ডবকা আৰক্ষীয়ে ডবকা ৰাষ্ট্ৰীয় ঘাইপথৰ টোলগেটত অভিযান চলাই এ এছ-০২ ই চি-১৯১৭ নম্বৰৰ এখন চুপাৰি ভৰ্তি ট্ৰাক জব্দ কৰে। আৰক্ষী সূত্ৰে প্ৰকাশ যে শিলচৰৰ পৰা গুৱাহাটী অভিমুখে গৈ আছিল ট্ৰাকখন। গোপন খবৰৰ ভিত্তিত আৰক্ষীয়ে টোলগেটত তালাচী অভিযান চলোৱাৰ সময়তে ট্ৰাকখন ৰখাই তালাচী চলায়। তালাচীৰ সময়ত বাহনখনত বৃহৎ পৰিমাণৰ সন্দেহজনক বাৰ্মিজ চুপাৰি কঢ়িয়াই নিয়া অৱস্থাত উদ্ধাৰ কৰা হয়। উল্লেখ্য যে আৰক্ষীৰ চকুত ধূলি দিবলৈ বাহনখনৰ ভিতৰত কঢ়িয়াই নিয়া চুপাৰিখিনি বাহিৰৰ পৰা কাৰ্টনৰে আৱৰি ৰখা হৈছিল। আৰক্ষীয়ে সন্দেহজনক চুপাৰিখিনি জব্দ কৰাৰ লগতে ট্ৰাকখনো নিজৰ জিম্মালৈ নিয়ে। ঘটনাৰ স'তে জড়িত ৰাকেশ দাস নামৰ ট্ৰাকচালকজনক আৰক্ষীয়ে আটক কৰিছে। আটকাধীন ৰাকেশ দাসৰ ঘৰ লামডিঙত। জব্দ কৰা চুপাৰিখিনি ক'ৰ পৰা অনা হৈছিল আৰু ক'লৈ নিয়া হৈছিল, সেই সন্দৰ্ভতো আৰক্ষীয়ে অধিক তদন্ত অব্যাহত ৰাখিছে।

## অনন্ত শইকীয়াৰ মৃত্যুত শোক


**অগ্ৰদূত বাৰ্তা**
**ফৰকাটিং, ২১ আগষ্টঃ** গোলাঘাট বিধানসভা সমষ্টিৰ অন্তৰ্গত ফৰকাটিং মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ গ্ৰন্থাগাৰৰ কৰ্মচাৰী তথা আঠগাঁৱৰ বাসিন্দা অনন্ত শইকীয়া (৩৬)ৰ কালি বিয়লি যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন অৱস্থাত বহুমূত্ৰ ৰোগজনিত কাৰণত অকাল মৃত্যু হয়। কৰ্মচাৰীজনৰ মৃত্যুত মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু সমূহ শিক্ষক-কৰ্মচাৰী মৰ্মাহত হৈ পৰে। মৃত্যুৰ সময়ত শইকীয়াই মাতৃসহ দুজন ককায়েকক এৰি যায়। তেওঁ ২০১৩তে চাকৰিত যোগদান কৰিছিল যদিও চলিত বছৰৰ মাৰ্চ মাহতহে স্থায়ীকৈ চাকৰিত যোগদান কৰিবলৈ সুবিধা পায়। স্থায়ী চাকৰিত যোগদানৰ পাঁচমাহৰ পাছতে অনন্ত শইকীয়াৰ মৃত্যু হয়। অনন্ত শইকীয়াৰ দৰে এজন নিষ্ঠাবান কৰ্তব্যপৰায়ণ আৰু অমায়িক স্বাভাৱৰ কৰ্মচাৰীৰ বিয়োগত আজি ফৰকাটিং মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অপূৰ্ব শইকীয়াৰ লগতে সমূহ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলে শোক প্ৰকাশ কৰিছে।

## সমাজকৰ্মীৰ মৃত্যুত শোক



**অগ্ৰদূত বাৰ্তা**
**বেবেজীয়া, ২১ আগষ্ট ঃ** মৰিগাঁও জিলাৰ নগাবন্ধা গাঁৱৰ নিৱাসী অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক, সমাজকৰ্মী, ধৰ্মপ্ৰাণ ব্যক্তি আলহাজ আব্দুল খালেক ৰেজৱী (৯১)ৰ যোৱা নিশা গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যু হয়। নগাবন্ধা অঞ্চলৰ বুনিয়াদী শিক্ষাৰ অন্যতম বাটকটীয়াৰূপে পৰিচিত বিশিষ্ট সমাজ হিতৈষীজনে বিভিন্ন সময়ত অঞ্চলৰ কে'বাখনো প্ৰাথমিক বিদ্যালয়ত শিক্ষকতা কৰি শেষত নগাবন্ধা প্ৰাথমিক বিদ্যালয়ৰ পৰা ১৯৯৬ত প্ৰধান শিক্ষকৰূপে অৱসৰ গ্ৰহণ কৰে। তেওঁ নগাবন্ধা আঞ্চলিক হাফিজীয়া আৰু ক্বাৰিয়ানা মাদ্ৰাছা, নগাবন্ধা বজাৰ আঞ্চলিক জামে মছজিদ পৰিচালনা সমিতিৰ সভাপতিৰূপে থকাৰ উপৰি অঞ্চলটোৰ প্ৰায়বোৰ সামাজিক, শৈক্ষিক, সাংস্কৃতিক, ক্ৰীড়া আৰু ধৰ্মীয় অনুষ্ঠানৰ স'তে জড়িত আছিল। মৃত্যুৰ সময়ত তেওঁ ইহসংসাৰত পত্নীৰ লগতে ছগৰাকী কন্যা-জোঁৱাই, নাতি-নাতিনীসহ বহু আত্মীয়-স্বজন তথা গুণমুগ্ধক এৰি যায়। বিশিষ্ট সমাজকৰ্মীজনৰ আজি দিনৰ দুই বজাত নগাবন্ধা ছোৱালী মধ্য ইংৰাজী বিদ্যালয় প্ৰাংগণত গণ্যমান্য ব্যক্তিসকলৰ উপস্থিতিত জানাজা নামাজ সম্পন্ন কৰা হয়। তেওঁৰ বিয়োগত গ্ৰামাঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰিছে।

## নামঘৰীয়া পুতুল কলিতাৰ মৃত্যু



**উত্তৰ গুৱাহাটী, ২১ আগষ্ট ঃ** উত্তৰ গুৱাহাটী দিহিংসত্ৰ বৰজনা নামঘৰৰ নামঘৰীয়া দিহিংসত্ৰ স্থায়ী বাসিন্দা পুতুল কলিতা (৮২)ৰ নিচেই পুৱা নিজগৃহত পৰলোকপ্ৰাপ্তি ঘটে। বিগত কিছুদিন ধৰি কলিতা গুৰুতৰভাৱে অসুস্থ হৈ আছিল। আজি দিহিংসত্ৰ বৰজনা নামঘৰৰ নামঘৰীয়াজনৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে গুণমুগ্ধসকলে বাসগৃহত উপস্থিত হৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। উত্তৰ গুৱাহাটী দিহিংসত্ৰ কীৰ্তনীয়া খেলৰ পাঠক ইন্দ্ৰজিৎ কলিতাই বৰজনা নামঘৰৰ হৈ এখন ফুলাম গামোচাৰে নামঘৰীয়াজনক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। কলিতাই বৰজনা নামঘৰৰ নামঘৰীয়া দায়িত্ব লাভ কৰাৰ পাছৰে পৰা অতি নিষ্ঠাৰে তেওঁৰ দায়িত্ব পালন কৰিছিল। কলিতাৰ মৃত্যুত বিভিন্নজনে শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰি এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰি মৃতকৰ আত্মাৰ চিৰশান্তি কামনা কৰে। অতি অমায়িক আৰু স্বভাৱসুলভ কথাৰে অঞ্চলটোৰ প্ৰতিজন লোকৰ হৃদয় জয় কৰা কলিতাৰ মৃত্যুত উত্তৰ গুৱাহাটী সাংবাদিক সন্থাৰ লগতে উত্তৰ গুৱাহাটীৰ বিভিন্ন দল-সংগঠনৰ তৰফৰ পৰা গভীৰ শোক প্ৰকাশ কৰা হয়।

## ৰামদিয়াত ড° নৃপেন চন্দ্ৰ দাস সোঁৱৰণী গ্ৰাম্য পুথিভঁৰাল উদ্বোধন

**অগ্ৰদূত বাৰ্তা**
**হাজো, ২১ আগষ্ট ঃ** ৰামদিয়াৰ সু-সন্তান তথা সমাজ সৌৰভ ড° নৃপেন চন্দ্ৰ দাসৰ জন্মদিনৰ লগত সংগতি ৰাখি ৰামদিয়াৰ উজানকুড়িত ড° নৃপেন চন্দ্ৰ দাসৰ প্ৰতিকৃতিত বন্তি প্ৰজ্বলন কৰে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক অতুল চন্দ্ৰ কাকতিয়ে আৰু মাল্যাৰ্পণ কৰে প্ৰয়াত দাসৰ সহধৰ্মিণী স্বপ্না দাসে। অনুষ্ঠানত আইসকলৰ নাম-প্ৰসংগৰ পাছতে পুথিভঁৰাল গৃহৰ উদ্বোধন কৰা হয়। পুথিভঁৰালৰ গৃহ উদ্বোধন কৰে বিশিষ্ট সাহিত্যিক-চিন্তাবিদ তথা ড° নৃপেন চন্দ্ৰ দাস সোঁৱৰণী গ্ৰাম্য পুথিভঁৰালৰ সভাপতি প্ৰভাত চন্দ্ৰ দাসে। গ্ৰাম্য পুথিভঁৰালটোৱে শৈক্ষিক দিশত বৃহত্তৰ ৰামদিয়াত এক নতুন জাগৰণ আনিব পাৰিব বুলি উদ্বোধক প্ৰভাত চন্দ্ৰ দাসে আশা প্ৰকাশ কৰে। অনুষ্ঠানত ড° নৃপেন চন্দ্ৰ দাস সোঁৱৰণী গ্ৰাম্য পুথিভঁৰালৰ কাৰ্যকৰী সভাপতি মহিবুদ্দিন আহমেদ, সম্পাদক প্ৰাণজিৎ দেউৰীয়া, সহকাৰী সম্পাদকদ্বয় কণমণি ডেকা, মহিবুল্লা আলীকে ধৰি গণ্যমান্য একাংশ বিশিষ্ট লোক উপস্থিত থাকে।

## শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পুৰুষোত্তম আঞ্চলিকৰ মূল কাৰ্যালয়ৰ নামঘৰৰ গুৰু আসন প্ৰতিষ্ঠা

**ষ্টাফ ৰিপৰ্টাৰ**
**নগাঁও, ২১ আগষ্ট ঃ** শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পুৰুষোত্তম আঞ্চলিক শাখাৰ উত্তৰ পেটবঢ়াতস্থিত মূল কাৰ্যালয়ৰ স্থায়ী আসন ভাগ যোৱা ১৬ আগষ্টত মাংগলিক ৰীতি-নীতিৰে মুকলি কৰা হয়। এই উপলক্ষে পুৱা পৰিৱেশ নিকাকৰণৰ পাছত নামঘৰৰ চৌহদত বৃক্ষৰোপণ কৰা হয়। তাৰ পাছতে উখল-মাখল পৰিৱেশত নামঘৰৰ স্থায়ী গুৰু আসন ভাগ পুনৰ প্ৰতিষ্ঠা কৰা হয়। নগাঁও জিলাৰ নামঘৰ পৰিচালনা সমিতিৰ সভাপতি খগেন পাতৰে গুৰু আসনখন পুনৰ প্ৰতিষ্ঠা কৰে। উক্ত অনুষ্ঠানত জ্যেষ্ঠ নামাচাৰ্য বকুল ডেকা, আঞ্চলিকৰ প্ৰাক্তন সভাপতি যোগেন বৰা, পুৰুষোত্তম আঞ্চলিকৰ উপ-সভাপতি ললিত ডেকা, পাঠাচাৰ্য বুলেশ্বৰ হাজৰিকা, জ্যেষ্ঠ সংগী ঘন ডেকা আৰু নামাচাৰ্য হৰিনাথ বৰুৱাই আসনভাগ পুনৰ প্ৰতিষ্ঠা কাৰ্যসূচীত অংশগ্ৰহণ কৰে। উল্লেখ্য যে ঘাঁহী ভাটিকুৰি প্ৰাথমিক শাখা আৰু ঘাঁহী মাধৱদেৱ প্ৰাথমিক শাখাৰ ভকত বৈষ্ণৱসকলে নাম-প্ৰসংগ কৰে। স্থায়ী গুৰু আসন পুনৰ প্ৰতিষ্ঠা অনুষ্ঠানত শ্ৰীমন্ত শংকৰদেৱৰ সংঘৰ প্ৰাক্তন প্ৰধান সম্পাদক প্ৰফুল্ল চন্দ্ৰ বৰা, বিশিষ্ট সমাজসেৱক ৰূপন হাজৰিকা, পুৰুষোত্তম আঞ্চলিকৰ সভাপতি ৰাজেন শইকীয়া, সম্পাদক প্ৰদীপ ডেকা, আইমাতৃ কল্যাণ সমিতিৰ বিষয়ববীয়াসকল, সেৱাবাহিনীৰ সদস্য বৃন্দ আৰু বিভিন্ন প্ৰান্তৰ ভকত বৈষ্ণৱসকল উপস্থিত থাকে।



# কাজিৰঙাৰ কাষৰ শ শ হেক্টৰ মাটি

*এক পৃষ্ঠাৰ পৰা* জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে। আজি এই দাবী উত্থাপন কৰি ইয়াত এখন সংবাদমেলত পৰিষদৰ সভাপতি পলাশ চাংমাই কয়, 'কাজিৰঙাৰ পৰিৱেশ সংবেদনশীল অঞ্চলৰ পৰিসৰ হ্ৰাস কৰি ৰাজ্য চৰকাৰে নিকটৱৰ্তী কাৰ্বি আংলং জিলাৰ পাহাৰসমূহ খান্দি ধ্বংস কৰাৰ ষড়যন্ত্ৰ কৰিছে আৰু কাজিৰঙাৰ কাষৰীয়া শ শ হেক্টৰ মাটি বহিৰাগত কৰ্প'ৰেট গোষ্ঠীক চমজাই দিবলৈ বিচাৰিছে। পৰিৱেশ সংবেদনশীল মণ্ডলত শিল, কয়লা, আন খনিজ আদিৰ খনন, শিলৰ কুৰেৰী, কাঠৰ মিল, বৃহৎ ফেক্টৰী, প্ৰচুৰ কাৰ্বন নিৰ্গমন হোৱা উদ্যোগৰ বাহিৰে আন সকলো কাম কৰিব পাৰে। বহু তাৰকাযুক্ত হোটেল, ৰিজৰ্ট আদি কঠোৰ বাধ্যবাধকতাৰ অনুসৰণ কৰি নিৰ্মাণ হ'ব পাৰে। এই বিষয়সমূহ পৰিৱেশ সুৰক্ষা আইন ১৯৮৬ আৰু কেন্দ্ৰীয় বন মন্ত্ৰণালয়ৰ নিৰ্দেশনাসমূহ লক্ষ্য কৰিলে স্পষ্ট হয়।' কাৰ্বি আংলঙৰ ভূগৰ্ভৰ কয়লা, কোৱাটছ শিল, চূণশিল আদিৰ গোপন বেহা আৰম্ভ হৈছে বুলিও পৰিষদে অভিযোগ উত্থাপন কৰে। পৰিষদে লগতে অভিযোগ উত্থাপন কৰে যে এনে অমূল্য সম্পদৰ বাবে বণিক গোষ্ঠী, মন্ত্ৰী-বিধায়কৰ ব্যৱসায়িক স্বাৰ্থ সিদ্ধিৰ বাবে চৰকাৰে কাজিৰঙাৰ পৰিৱেশ সংবেদনশীল মণ্ডলৰ পৰিসৰ হ্ৰাসৰ পৰিকল্পনা কৰিছে। এই সম্পৰ্কত পৰিষদে লগতে কয়, 'বৰ্তমানে কাজিৰঙাত বাস কৰি থকা লোকসকলৰ স্বাভাৱিক জীৱন-যাপনত ন্যূনতম বাধা-বিঘিনি অহাটোও কামনা নকৰো। তাৰ অৰ্থ এয়া নহয় যে পৰিৱেশ সংবেদনশীল মণ্ডলৰ পৰিসৰ কোনো কাৰণত হ্ৰাস কৰিব নালাগে।

কাজিৰঙাত বাস কৰি থকা স্থানীয় বাসিন্দাসকলক শিথিলতা প্ৰদান কৰি স্বাভাৱিক জীৱন-যাপনৰ সুবিধা প্ৰদান কৰা উচিত।' আনহাতে, যোৱা ১৯ আগষ্টৰ নিশা শ্বিলঙত প্ৰতিবাদৰ নামত খাচি ছাত্ৰ সন্থাই অসমীয়া মানুহ আৰু অসমত পঞ্জীয়নভুক্ত বাহনত কৰা আক্ৰমণক লৈয়ো যুৱ-ছাত্ৰ পৰিষদে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। এই ঘটনাৰ বাবে খাচি ছাত্ৰ সন্থা আৰু মেঘালয় চৰকাৰক অসমৰ ওচৰত শীঘ্ৰে ক্ষমা খুজিবলৈ পৰিষদে দাবী জনাইছে। অন্যথা ৰাজ্যখনৰ বিৰুদ্ধে অৰ্থনৈতিক অৱৰোধ কৰা হ'ব বুলি পৰিষদে স্পষ্ট কৰি দিছে।

# ডাবল ইঞ্জিনৰ চৰকাৰ দাবী কৰা সকল

*এক পৃষ্ঠাৰ পৰা* গগৈয়ে কয়, 'উত্তৰ-পূবৰ সাতখন ৰাজ্যতে বিজেপি চৰকাৰ, কেন্দ্ৰতো বিজেপি চৰকাৰ আছে। ডাবল ইঞ্জিনৰ চৰকাৰ বুলি দাবী কৰাসকল এতিয়া ক'ত লুকাই আছে?' উত্তৰ-পূবক নেতৃত্ব দিব পৰাকৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰে এজন যোগ্য নেতা বিচাৰি নাপালে বুলিও কংগ্ৰেছ নেতাজনে অভিযোগ উত্থাপন কৰে। তেওঁ লগতে কয়, 'উত্তৰ-পূবৰ যোগ্য নেতাৰ অভাৱৰ বাবেই অসম-অৰুণাচল, অসম-মিজোৰাম, অসম-নগালেণ্ড আৰু শেহতীয়াকৈ অসম-মেঘালয়ৰ মাজত সংঘাত অব্যাহত আছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে উত্তৰ-পূবক বুজি নাপায়।' বিগত ১২ বছৰত ডাবল ইঞ্জিন চৰকাৰে যিবোৰ মৌলিক সমস্যা সমাধানত গুৰুত্ব আৰোপ কৰিব লাগিছিল তাৰ পৰিৱৰ্তে কেৱল ছিণ্ডিকেট চলোৱাত ব্যস্ত থাকিল বুলিও গগৈয়ে অভিযোগ উত্থাপন কৰে। তেওঁ লগতে কয়, 'বিজেপি চৰকাৰৰ অবাধ ছিণ্ডিকেটৰাজৰ বাবে পূব অসমত মহাপ্ৰলয়ৰ সৃষ্টি হ'ল। আনকি উত্তৰ-পূবৰ ৰাজ্যসমূহক গঠনক লৈ বিজেপিয়ে গঠন কৰা নেডা বিফল হোৱাৰ মূল কাৰণ ছিণ্ডিকেট বুলিও তেওঁ মন্তব্য কৰে।

আনহাতে, বিতৰ্কিত পিএম কেয়াৰ ফাণ্ডত আঠ হেজাৰ কোটি টকা জমা থকাৰ পাছতো অসমৰ বান দুৰ্গতক সাহায্যৰ বাবে কেন্দ্ৰই মাত্ৰ চাৰিশ কোটি টকাহে দিলে বুলিও গগৈয়ে ক্ষোভ প্ৰকাশ কৰে। তেওঁ কয়, 'পিএম কেয়াৰ ফাণ্ডত এতিয়াও আঠ হেজাৰ কোটি টকা জমা আছে; কিন্তু বিজেপি চৰকাৰে অসমক কেৱল চাৰিশ কোটি টকাহে দিছে। অৰ্থাৎ ৰাজ্য চৰকাৰে অসমৰ প্ৰলয়ংকৰী বান পৰিস্থিতি কেন্দ্ৰক বুজোৱাত ব্যৰ্থ হ'ল। নিজৰ ব্যৰ্থতা ঢাকিবলৈ এতিয়া ৰাজ্য চৰকাৰে বিৰোধী দলক দোষ দিয়ে, ইউটিউবাৰক বেংক একাউণ্ট পৰীক্ষা কৰিব বুলি ভাবুকি দিয়ে। চৰকাৰে নিজে কি কৰিছে সেয়া ৰাইজক দেখুৱাওক।' আনহাতে আগন্তুক নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে কংগ্ৰেছ সাজু বুলিও গগৈয়ে মন্তব্য কৰে। এই সম্পৰ্কত তেওঁ কয়, 'উপ-নিৰ্বাচন হ'ব কেতিয়া আমি সেই কথা জানিব বিচাৰো। কংগ্ৰেছে ভাবিছিল আগষ্টত উপ-নিৰ্বাচন হ'ব। কিন্তু আগষ্টত নহ'ল, ছেপ্টেম্বৰতো হোৱাৰ আশা নাই। আমাৰ বোধেৰে উপ-নিৰ্বাচনৰ বাবে বিজেপি সাজু হ'ব পৰা নাই অথবা তেওঁলোকৰ অংক ক'ৰবাত মিলা নাই সেই কাৰণে দিন-বাৰ ঘোষণা কৰা নাই।' ইপিনে, কাজিৰঙাৰ ইক' চেনছিটিভ জ'নৰ সন্দৰ্ভত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয়, 'মই নিজেও কাজিৰঙাৰ কে'বাবাৰো সাংসদ আছিলো। কাজিৰঙাৰ স্থানীয় মানুহে কি বিচাৰে আমি জানো। পৰিৱেশিক সংবেদনশীল অঞ্চলৰ পৰিসৰ কমাই আনিব খোজাৰ আঁৰত গভীৰ ষড়যন্ত্ৰ লুকাই আছে। সেই অঞ্চলত এতিয়া হিমন্ত বিশ্ব শৰ্মা, পীযুষ হাজৰিকা আৰু তেওঁলোকক কমিছন দিয়া মানুহে অবৈধভাৱে পাথৰৰ কুৱেৰি খুলি বহি আছে। অবৈধ ছিণ্ডিকেটক বৈধতা প্ৰদানৰ বাবে পৰিৱেশ সংবেদনশীল মণ্ডলৰ পৰিসৰ হ্ৰাস কৰিবলৈ বিচাৰিছে।' চৰকাৰ এই ক্ষেত্ৰত সফল হ'লে কাজিৰঙাৰ মাটি আদানী-আম্বানীয়ে দখল কৰি তাত ডাঙৰ ডাঙৰ ৰিজৰ্ট, কোম্পানী খুলিব বুলিও গগৈয়ে অভিযোগ উত্থাপন কৰে। ফলত প্ৰাকৃতিক ভাৰসাম্য নষ্ট হ'ব, পানী প্ৰদূষিত হ'ব আৰু বন্য জন্তুৰ সংঘাত বৃদ্ধি পাব বুলি তেওঁ আশংকা কৰে।

# শ্বিলঙত পেট্ৰ'ল বোমা নিক্ষেপ

চৰকাৰে গুৰুত্ব নিদিয়াৰ অভিযোগত খাচি ছাত্ৰ সন্থাই ৰূপায়ণ কৰা হিংসাত্মক প্ৰতিবাদৰ প্ৰতিক্ৰিয়া ৰাজ্যখনত আজিও বাহাল আছে। যোৱা নিশা মেঘালয়ৰ কে'বাটাও স্থানত বিক্ষিপ্ত ঘটনা সংঘটিত হয়। একে সময়তে অসমৰ চালকৰ নেতৃত্বত যোৱাবাটত চলা অৱৰোধ কাৰ্যসূচীক লৈও আজি মেঘালয়ত প্ৰতিক্ৰিয়া তীব্ৰতৰ হয়। ইপিনে, শ্বিলঙত সংঘটিত ঘটনাক লৈ মেঘালয় উচ্চ ন্যায়ালয়ে হিংসাত্মক কাৰ্যত লিপ্ত দুৰ্বৃত্তক শীঘ্ৰে আইনৰ আওতালৈ আনিবলৈ ৰাজ্য চৰকাৰক আজি নিৰ্দেশ দিয়ে। ইয়াৰ মাজতে আকৌ যোৱাবাটত অসমৰ চালকে অব্যাহত ৰখা পথ অৱৰোধক প্ৰত্যাহ্বান জনাই মেঘালয়ে বিকল্প পথেৰে ৰাজ্যখনৰ জনসাধাৰণক অসমত প্ৰৱেশৰ পৰামৰ্শ আজি দিয়ে। ইয়াকে লৈ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। এই অস্থিৰ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত পৰ্যটকৰে সদায় গিজগিজাই থকা শ্বিলং চহৰ আজিও নিমাওমাও হৈ ৰয়। শ্বিলঙৰ স্থানীয় লোকৰ জীৱন যাত্ৰা স্বাভাৱিক হৈ থাকিলেও পৰ্যটক শূন্য পৰিৱেশে মেঘালয়ৰ ৰাজধানী চহৰখনক সেৰেঙা কৰি ৰাখে। একে পৰিৱেশ বিৰাজ কৰিছে মেঘালয়ৰ চৌদিশে সিঁচৰতি হৈ থকা পৰ্যটনস্থলীসমূহতো। মেঘালয়ৰ হোটেল, হোমষ্টে আদি আজি উদং হৈ পৰি ৰয়। আগতীয়া বুকিংবোৰো পৰ্যটকে বাতিল কৰাত দুশ্চিন্তাত ভুগিছে ব্যৱসায়ীসকল। অসমৰ বাহন আৰু সাধাৰণ লোকৰ ওপৰত চলা নিৰ্বিচাৰ আক্ৰমণৰ বাবেই যে আজি মেঘালয় এই পৰিস্থিতিৰ সন্মুখীন হ'বলগীয়া হৈছে তাক ৰাজ্যখনৰ কে'বাজনো বিশিষ্ট ব্যক্তিয়ে ৰাজহুৱাভাৱে সদৰী কৰে।

শ্বিলঙত সংঘটিত হিংসাত্মক ঘটনাৰ প্ৰসাৰ ঘটিব নোৱাৰাকৈ ইতিমধ্যে ৰেপিড একচন ফ'ৰ্চৰ লগতে কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ পাঁচটা কোম্পানী নিয়োগ কৰা হৈছে। মেঘালয় আৰক্ষীয়েও তৎপৰতা বৃদ্ধি কৰিছে। শ্বিলঙত নিশা আৰক্ষী চকীলৈ পেট্ৰ'ল বোমা নিক্ষেপ কৰে দুষ্কৃতিকাৰীয়ে। ইপিনে, মাজনিশা জয়ন্তীয়া পাহাৰত দুৰ্বৃত্তই এখন বিলাসী বাহনত অগ্নিসংযোগ কৰে। আৰক্ষী আৰু অগ্নিনিৰ্বাপক বাহিনীয়ে জুই নিয়ন্ত্ৰণৰ চেষ্টা চলায় যদিও বাহনখন ভস্মীভূত হয়। নিশা শ্বিলঙৰ নংমেনছং আৰক্ষী চকীলৈ দুৰ্বৃত্তই পেট্ৰ'ল বোমা নিক্ষেপৰ এক ঘটনা সংঘটিত হয়। দক্ষিণ খাচি পাহাৰৰ এখন পশু চিকিৎসালয়তো দুৰ্বৃত্তই যোৱা নিশা পেট্ৰ'ল বোমা নিক্ষেপ কৰে। তদুপৰি নংপোত জলসম্পদ বিভাগৰ কাৰ্যালয় চৌহদত ৰখাই থোৱা এখন বাহনতো দুৰ্বৃত্তই অগ্নিসংযোগ কৰে।

আৰক্ষীয়ে এইবোৰ ঘটনাৰ লগতে ১৯ আগষ্টত প্ৰতিবাদী সমদলৰ সময়ত হিংসাত্মক ঘটনা সংঘটিত কৰা দুৰ্বৃত্তৰ সন্ধানত ব্যাপক অভিযান অব্যাহত ৰাখিছে। ইয়াৰ মাজতে কালি গ্ৰেপ্তাৰ কৰা খাচি ছাত্ৰ সন্থাৰ সভাপতি, উপ-সভাপতি আৰু সাধাৰণ সম্পাদকক শ্বিলঙৰ কাৰাগাৰৰ পৰা নিৰাপত্তাজনিত কাৰণত আন কাৰাগাৰলৈ স্থানান্তৰ কৰা হয়। সেই অনুসৰি নেতা তিনিজনক উইলিয়াম নগৰ জিলা কাৰাগাৰ আৰু তুৰা কাৰাগাৰলৈ স্থানান্তৰ কৰা হয়। তিনি শীৰ্ষ নেতাক গ্ৰেপ্তাৰৰ প্ৰতিবাদত আজি খাচি ছাত্ৰ সন্থাই এক সমদল উলিওৱাৰ ঘোষণা কৰিছিল। কিন্তু আৰক্ষী আৰু প্ৰশাসনৰ কঠোৰ স্থিতিত সংগঠনটোৱে এই কাৰ্যসূচী বাতিল কৰে।

### অসমৰ চালক সংগঠনক প্ৰত্যাহ্বান

শ্বিলঙত আক্ৰমণৰ বলি হোৱাৰ প্ৰতিবাদত অসম ৰাজ্যিক চালক সন্থাই যোৱাবাটত মেঘালয়ৰ বাহনক অসমত প্ৰৱেশত বাধা প্ৰদান কৰাক লৈ আজি 'অল শ্বিলং টুৰিষ্ট টেক্সি এছ'চিয়েচন'-এ প্ৰতিক্ৰিয়া ব্যক্ত কৰে। সংগঠনটোৰ সভাপতি এছ'লিয়াছ বি মাৰাকে অভিযোগ কৰে যে প্ৰতিবাদৰ নামত অসমৰ চালকসকলে যোৱাবাটত মেঘালয়ৰ বাহনক বাধা প্ৰদান কৰাৰ উপৰি ক্ষতিসাধন কৰিছে। নিৰীহ চালকসকলক এনেদৰে হাৰাশাস্তি কৰাটো কোনোপধ্যে গ্ৰহণযোগ্য নহয়। ইয়াৰ বাবে গৰিহণা দি মাৰাকে কয়, 'খাচি ছাত্ৰ সন্থাৰ প্ৰতিবাদী সমদলৰ সময়ত অসম পঞ্জীয়নভুক্ত বাহনৰ ক্ষতিসাধন কৰাটোক আমি গৰিহণা দিছো। কিন্তু তাৰ প্ৰতিক্ৰিয়াস্বৰূপে মেঘালয়ৰ বাহন আৰু চালকৰ বিৰুদ্ধে ব্যৱস্থা লোৱাটো কেতিয়াও ন্যায়সংগত হ'ব নোৱাৰে। যেতিয়াই অসম আৰু মেঘালয়ৰ মাজত কোনো বিষয়ক লৈ উত্তেজনাপূৰ্ণ পৰিস্থিতিৰ সৃষ্টি হয় তেতিয়া কিয় মেঘালয়ৰ টুৰিষ্ট টেক্সিক লক্ষ্য কৰি লোৱা হয়। এই ধৰণৰ পৰিস্থিতিৰ সৃষ্টি হ'লে মেঘালয়ৰ পৰিবহণ সন্থাই শান্তি প্ৰতিষ্ঠাৰ বাবে প্ৰথমে চেষ্টা চলাই আহিছে। কিন্তু এইবাৰ আমি এনে উদ্যোগ নলওঁ। এইবাৰ অসমৰ ফালৰ পৰা প্ৰথম পদক্ষেপ ল'ব লাগিব।' মাৰাকে এইবুলিও কয় যে যদিহে অসমৰ সংগঠনকেইটাই চলিত সমস্যাৰ সমাধানটো বিচাৰে, তেন্তে আলোচনাৰ বাবে তেওঁলোক প্ৰথম আগবাঢ়ি আহিব লাগিব।

### বিকল্প পথেৰে অসমত প্ৰৱেশৰ নিৰ্দেশনা

যোৱাবাটত অব্যাহত থকা চালকৰ পথ অৱৰোধৰ পাছত মেঘালয়ৰ ৰাইজক বিকল্প ৰাস্তাৰে অসমত প্ৰৱেশৰ জাননী জাৰি কৰিছে মেঘালয়ে। আজি ৰি-ভই জিলাৰ উপায়ুক্ত অভিষেক ছাইনিয়ে এই সন্দৰ্ভত আনুষ্ঠানিক জাননী জাৰি কৰে। সেই অনুসৰি শ্বিলং, নংপো আৰু বৰ্ণিহাটৰ পৰা লোকপ্ৰিয় গোপীনাথ বৰদলৈ বিমানকোঠ আৰু গুৱাহাটী ৰেলৱে ষ্টেছনলৈ যাবলগীয়া যাত্ৰীসকলক বৰ্ণিহাট-পিলিংকাটা-কিলিং পথ হৈ অথবা নংপো-পাথৰখাম-বাণী পথ হৈ যাত্ৰা কৰিবলৈ পৰামৰ্শ দিয়া হৈছে। একেদৰে গুৱাহাটীৰ পৰা শ্বিলং অভিমুখী যাত্ৰা কৰিবলগীয়া লোকসকলক বশিষ্ঠ-পিলিংকাটা-কিলিং হৈ অথবা বাণী-পাথৰখাম-মাইৰাং পথেৰে যাত্ৰা কৰিবলৈ পৰামৰ্শ দিয়া হৈছে।

### উচ্চ ন্যায়ালয়ৰ কঠোৰ স্থিতি

প্ৰতিবাদী সমদলৰ সময়ত খাচি ছাত্ৰ সন্থাই সংঘটিত কৰা হিংসাত্মক ঘটনাক লৈ কঠোৰ স্থিতি গ্ৰহণ কৰিছে মেঘালয় উচ্চ ন্যায়ালয়ে। উল্লেখ্য যে এই ঘটনাক লৈ উচ্চ ন্যায়ালয়খনে নিজাববীয়াকৈ এখন ৰাজহুৱা স্বাৰ্থ জড়িত আবেদন (পিআইএল) গ্ৰহণ কৰিছে। আজি মেঘালয় উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠে অহা ২৪ আগষ্টৰ ভিতৰত মেঘালয় চৰকাৰক সমস্ত ঘটনাৰ প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিছে। ইয়াৰ লগতে হিংসাত্মক ঘটনাত জড়িত দুৰ্বৃত্তক তাৎক্ষণিকভাৱে আইনৰ আওতালৈ আনিবলৈও ন্যায়ালয়ে নিৰ্দেশ প্ৰদান কৰে।

# গা ধুবলৈ একেলগে পুখুৰীত নামি

*এক পৃষ্ঠাৰ পৰা* আনহাতে, নাবালিকাকেইগৰাকী বহু দেৰিলৈ ঘৰলৈ ঘূৰি নহাত পৰিয়ালৰ লোকে বিচাৰ-খোচাৰ আৰম্ভ কৰে। তেনে অৱস্থাতে স্থানীয় একাংশ লোকে চাৰিওকেইগৰাকীক পুখুৰীটোৰ পানীৰ ওপৰত ভাহি থকা প্ৰত্যক্ষ কৰে। পৰিয়াল তথা স্থানীয় লোকে চাৰিওকে পুখুৰীৰ পানীৰ পৰা উদ্ধাৰ কৰি স্থানীয় চিকিৎসালয়লৈ নিয়ে যদিও চিকিৎসকে তেওঁলোকক মৃত বুলি ঘোষণা কৰে। মৃতাকেইগৰাকীক দামুগাঁৱৰ নিবাসী আব্দুল মোতালেবৰ দুই কন্যা মাচুমা খাতুন (আঠ) আৰু ৰাকিবা খাতুন (ন), টেকাইমাৰীৰ ছহিদুৰ ৰহমানৰ কন্যা চঞ্চমা খাতুন (আঠ) আৰু ছমেছ আলীৰ কন্যা চুহানা পাৰবীন (১০) বুলি চিনাক্ত কৰা হৈছে। দুৰ্ভগীয়া নাবালিকাকেইগৰাকীৰ অন্যতম মাচুমা পঞ্চম শ্ৰেণীৰ ছাত্ৰী আছিল। আনকেইগৰাকী ক্ৰমে ৰাকিবা চতুৰ্থ শ্ৰেণীৰ, চঞ্চমা তৃতীয় শ্ৰেণীৰ আৰু চুহানা তৃতীয় শ্ৰেণীৰ ছাত্ৰী আছিল। আটাইকেইগৰাকী দৰিদ্ৰ পৰিয়ালৰ সন্তান আছিল। ইতিমধ্যে চাৰিওৰে মৃতদেহ ময়নাতদন্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰিছে। এই মৰ্মান্তিক ঘটনাৰ খবৰ পাই ঘটনাস্থলীত চিৰাঙৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক উপস্থিত হয়।

### ভূ-মাফিয়াৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবী এবিএমছুৰ

আজি পাগলাবীৰ দামুগাঁৱত যিটো পুখুৰীত নামি চাৰি নাবালিকাৰে প্ৰাণ হেৰুৱালে সেই পুখুৰীটো উন্মুক্ত অৱস্থাত আছে। একাংশ ভূ-মাফিয়াই অবৈধভাৱে বালি উত্তোলনৰ বাবে পুখুৰীটো খান্দিছিল। মাটি খান্দি বালি খনন কৰি পুখুৰীটো খন্দাৰ ফলত এই শোকাৱহ ঘটনা সংঘটিত হৈছে বুলি এবিএমছুৰ বিজনী জিলা সমিতিয়ে অভিযোগ উত্থাপন কৰিছে। যমদূত সদৃশ এই পুখুৰী খন্দা লোকসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে এবিএমছুৰ বিজনী জিলা সভাপতি মুজাম্মিল ৰহমান আৰু সহকাৰী সাধাৰণ সম্পাদক মেহদী আলমে।

ইপিনে, স্থানীয় একাংশ লোকৰ মতে অঞ্চলটোত এনে আৰু পুখুৰী আছে। এই সন্দৰ্ভত জ্যেষ্ঠ আৰক্ষী অধীক্ষক বৰাই কয়, 'সদ্যহতে আমি এই ঘটনাক লৈ ল'বলগীয়া পদক্ষেপ গ্ৰহণ কৰিছোঁ। এনে পুখুৰী সন্দৰ্ভত আমি অনুসন্ধান কৰিম।'

ইপিনে, ঘটনাটোৰ পাছত গাঁওখনত শোকাৱহ পৰিৱেশৰ সৃষ্টি হয়। দুৰ্ভগীয়া নাবালিকাকেইগৰাকীৰ পৰিয়ালে জনোৱা মতে আজি দুপৰীয়া স্কুলৰ পৰা আহি তেওঁলোকে ঘৰৰ ওচৰৰ পুখুৰীটোত গা ধুবলৈ গৈ মৃত্যুক সাৱটি ল'লে।

# মহানগৰীৰ স্পৰ্শকাতৰ তিনি

*এক পৃষ্ঠাৰ পৰা* আন এক ভূমিস্খলনৰ ঘটনা সংঘটিত হয়। যোৱা নিশা চান্দমাৰি আৰক্ষী থানাৰ অধীনৰ কৃষ্ণ নগৰত সংঘটিত ভূমিস্খলনত হৰিপুৰ অঞ্চলৰ এটা পৰিয়াল কথমপি প্ৰাণৰক্ষা পৰে। পাহাৰৰ শিল আৰু মাটিৰ বৃহৎ এটা অংশ হৰ্ষজ্যোতি পাঠক নামৰ এজন লোকৰ ঘৰৰ এটা কোঠাৰ ওপৰত হুৰমুৰকৈ খহি পৰে। ইয়াৰ ফলত পৰিয়ালটোৰ কথমপি প্ৰাণৰক্ষা পৰে। ইপিনে, হেঙেৰাবাৰীতো ভূমিস্খলনৰ আন এটা ঘটনা সংঘটিত হয়। পূৰ্বাঞ্চল নগৰত পাহাৰৰ মাটি এটা ঘৰৰ ওপৰত খহি পৰে। ইপিনে, বামুণীমৈদামৰ জ্যোতিনগৰৰ গণেশ নগৰতো আন এক ভূমিস্খলনৰ ঘটনা সংঘটিত হয়। গণেশ নগৰৰ নামঘৰ পথত পাহাৰৰ বৃহৎ অংশ খহি পৰাত পথ যোগাযোগ ব্যাহত হয়।

# মিচিং-সোণোৱাল কছাৰী

*এক পৃষ্ঠাৰ পৰা* কছাৰী স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ বাবেও ত্বৰান্বিত কৰিছে বিজেপিয়ে। ইয়াৰ বাবে আজি দলটোৱে পৰিষদ দুখনৰ নিৰ্বাচনৰ বাবে প্ৰবন্ধন সমিতি গঠন কৰে। কালি অনুষ্ঠিত দলৰ নিৰ্বাচনকেন্দ্ৰিক এখন বৈঠকৰ সিদ্ধান্ত অনুসৰি মিচিং পৰিষদৰ নিৰ্বাচন প্ৰবন্ধন সমিতিৰ আহ্বায়কৰূপে নিযুক্তি দিয়া হৈছে মন্ত্ৰী বিমল বড়াক। এই সমিতিৰ সদস্য সচিব হ'ল বিধায়ক ভুবন পেগু। সদস্য হিচাপে আন কে'বাজনৰ লগতে মন্ত্ৰী ডাঃ ৰণোজ পেগু, সাংসদ প্ৰদান বৰুৱা, বিধায়ক নৱ কুমাৰ দলে আৰু বিধায়ক ভুবন গাম অন্তৰ্ভুক্ত কৰা হৈছে। সোণোৱাল কছাৰী পৰিষদৰ আহ্বায়ক হ'ল মন্ত্ৰী ডাঃ ৰণোজ পেগু। এই সমিতিৰ সদস্যসকলৰ ভিতৰত আছে সাংসদদ্বয় ৰঞ্জিত দত্ত আৰু প্ৰদান বৰুৱা, কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা আৰু সোণোৱাল কছাৰী ভোটাৰ থকা সমষ্টিৰ বিধায়কসকল। শিলচৰ পৌৰসভাৰ নিৰ্বাচন সমিতিৰ আহ্বায়ক হ'ল মন্ত্ৰী কৌশিক ৰায়। এই সমিতিৰ সদস্য হিচাপে দলৰ বৰাকৰ সাংসদ আৰু বিধায়কসকলক অন্তৰ্ভুক্ত কৰা হৈছে।

# মদ্যপানৰ বাবে ৮০ টকা

*এক পৃষ্ঠাৰ পৰা* গাঁৱত এই নৃশংস কাণ্ড সংঘটিত হয়। আৰক্ষী সূত্ৰই জনোৱা মতে, বিলতীয়া গাঁৱৰ দৰিদ্ৰ দম্পতী নবীন দাস আৰু তেওঁৰ পত্নীয়ে ঘৰৰ ওচৰৰে সমবায় বজাৰত চাহ, ঘুগুনি বিক্ৰী কৰি তিনিজনীয়া পৰিয়াল পোহপাল দি আছিল। অৱশ্যে দাসে অত্যধিক মদ্যপান কৰি নিতৌ কাজিয়া পেচাল কৰি থাকে। যোৱা নিশা তেওঁ পত্নীক মদ্যপান কৰিবলৈ ৮০ টকা বিচাৰে। পত্নীয়ে এই ধন নিদিয়াৰ বাবেই তেওঁক লোকজনে চোকা ছুৰীৰে ঘপিয়াই গুৰুতৰভাৱে আহত কৰে। স্বামীয়ে কৰা ছুৰিকাঘাতত তেজৰে লুতুৰি পুতুৰি হৈ বাগৰি পৰি প্ৰাণৰক্ষাৰ বাবে চিঞৰ-বাখৰ কৰাত প্ৰতিবেশী ঘটনাস্থলীত উপস্থিত হৈ মহিলাগৰাকীৰ পিঠিত এখন ছুৰী সোমাই থকা প্ৰত্যক্ষ কৰে। লগে লগে তেওঁক প্ৰতিবেশীয়ে ধিং এফআৰইউত ভৰ্তি কৰাই যদিও মহিলাগৰাকীৰ স্বাস্থ্যৰ অৱস্থা অধিক শোচনীয় হৈ পৰাত চিকিৎসকে নগাঁৱলৈ প্ৰেৰণ কৰে। পৰৱৰ্তী সময়ত মহিলাগৰাকীক নগাঁও চিকিৎসা মহাবিদ্যালয়লৈ নিয়ে যদিও চিকিৎসকে মহিলাগৰাকীৰ অৱস্থা অধিক অৱনতি হোৱাত গুৱাহাটীলৈ প্ৰেৰণ কৰে। পাছত মহিলাগৰাকীক নগাঁৱৰ ব্যক্তিগত নাৰ্ছিং হোম এখনত ভৰ্তি কৰাই যদিও তাতো মহিলাগৰাকীক গুৱাহাটীলৈ নিয়াৰ বাবে পৰামৰ্শ আগবঢ়ায়। সেই মতেই নিশাই মহিলাগৰাকীক গুৱাহাটী জিএমচিএইছত ভৰ্তি কৰা হয়। আজি পুৱা মহিলাগৰাকীক এক জটিল অস্ত্ৰোপচাৰ কৰি তেওঁ দেহৰ পৰা ছুৰীখন উলিওৱা হয় যদিও বৰ্তমানেও তেওঁ সংকটমুক্ত নহয় বুলি চিকিৎসকে জনায়। 'দৈনিক অগ্ৰদূত'ৰ আগত এই কথা সদৰী কৰে পৰিয়ালটোৰ প্ৰতিবেশী দ্বীপ দাসে।

# মেঘালয় চৰকাৰক ক্ষমা বিচৰাৰ

*এক পৃষ্ঠাৰ পৰা* উদ্বেগ প্ৰকাশ কৰাৰ লগতে গৰিহণাও দিয়ে। ইয়াৰ লগতে ঘটনাৰ নিৰপেক্ষ তদন্ত কৰি দোষীক শাস্তি প্ৰদান কৰা, ক্ষতিগ্ৰস্ত বাহনৰ গৰাকী আৰু আক্ৰান্ত লোকক উপযুক্ত ক্ষতিপূৰণ প্ৰদান কৰা, অসম-মেঘালয়ৰ সীমা বিবাদ দুয়োখন ৰাজ্যৰ চৰকাৰে সমাধান কৰা আদি দাবীও উত্থাপন কৰে। এক বিবৃতিত দলটোৱে কয়, 'কোনো ৰাজনৈতিক-আঞ্চলিক অথবা জনজাতীয় দাবী উত্থাপনৰ নামত নিৰীহৰ ওপৰত আক্ৰমণ, বাহন ভাঙি চূৰমাৰ কৰা, সম্পত্তি ধ্বংস কৰাৰ অধিকাৰ কাৰো নাই। প্ৰতিবাদ এক গণতান্ত্ৰিক অধিকাৰ; কিন্তু হিংসা আৰু জনসাধাৰণক লক্ষ্য কৰি আক্ৰমণ কোনো গণতান্ত্ৰিক আন্দোলনৰ পথ হ'ব নোৱাৰে। একে সময়তে শ্বিলঙৰ ঘটনাৰ প্ৰতিবাদত যোৱাবাটত মেঘালয়ৰ বাহনক বাধা প্ৰদান কৰা, যাত্ৰীসকলক সমস্যাৰ সন্মুখীন কৰা কাৰ্যও চিপিআয়ে সমৰ্থন নকৰে। এজনে কৰা অন্যায়ৰ প্ৰতিৰোধ আন ৰাজ্যৰ নিৰীহ নাগৰিকৰ ওপৰত লোৱাটো কোনো সমাধান নহয়। বৰঞ্চ এনে কাৰ্যই পৰিস্থিতি অধিক জটিল কৰিব পাৰে।' তদুপৰি দলটোৱে কয় যে অসম আৰু মেঘালয়ৰ সাধাৰণৰ মানুহৰ মাজত কোনো শত্ৰুতা নাই। বহু পৰিয়াল আৰু ব্যৱসায়িক সম্পৰ্ক দুয়োখন ৰাজ্যৰ মাজত গভীৰভাৱে জড়িত। সঘনে দুয়োখন ৰাজ্যৰ একাংশ লোকৰ মাজত সৃষ্টি হোৱা সমস্যাৰ চৰকাৰে স্থায়ী সমাধান নকৰাৰ বাবেই বাৰম্বাৰ একে ধৰণৰ পৰিস্থিতি উদ্ভৱ হোৱা বুলিও দলটোৱে মন্তব্য কৰে। দোষীক শাস্তি প্ৰদান, নিৰীহক সুৰক্ষা দিয়া আৰু সমস্যাৰ স্থায়ী সমাধান কৰাটোৱেই বৰ্তমান সময়ৰ দাবী বুলি চিপিআয়ে বিবৃতিটোত উল্লেখ কৰে।

ইপিনে, অসম জাতীয়তাবাদী যুৱ পৰিষদে শ্বিলঙত সংঘটিত ঘটনাক গৰিহণা দি অসমৰ চালক আৰু পৰ্যটকৰ ওপৰত আক্ৰমণ চলোৱা কাৰ্যত জড়িত সকলোকে অনতিবিলম্বে কৰায়ত্ত কৰাৰ দাবী জনায়। ক্ষতিগ্ৰস্ত বাহনসমূহৰ সম্পূৰ্ণ মেৰামতিৰ ব্যৱস্থা কৰাৰ উপৰি মেঘালয় চৰকাৰে এই ঘটনাৰ বাবে অসমবাসীৰ ওচৰত শীঘ্ৰে ক্ষমা বিচাৰিব লাগিব বুলিও সংগঠনটোৱে দাবী উত্থাপন কৰে। অন্যথা মেঘালয়ৰ বিৰুদ্ধে সামগ্ৰিক অৱৰোধকে ধৰি কঠোৰ গণতান্ত্ৰিক কাৰ্যসূচী অসম জাতীয়তাবাদী যুৱ পৰিষদে গ্ৰহণ কৰিবলৈ বাধ্য হ'ব বুলি সাধাৰণ সম্পাদক উদয়ন কুমাৰ গগৈয়ে সকীয়াই দিয়ে।

# দৰিদ্ৰৰ মাটি পুঁজিপতিক

*এক পৃষ্ঠাৰ পৰা* চলোৱা অভিযোগ তুলি আজি সদৌ তিৱা ছাত্ৰ সন্থাই পশ্চিম কাৰ্বি আংলঙৰ থাৰাকুঞ্জিত উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। আমৰি সমষ্টিৰ অন্তৰ্গত অঞ্চলটোত অসম চৰকাৰে কে'বা হেজাৰ কোটি টকা ব্যয়ৰে শক্তি সংৰক্ষণ প্ৰকল্প (পাম্পড ষ্ট'ৰেজ প্ৰকল্প) স্থাপন কৰিবলৈ লোৱা কাৰ্যৰ বিৰোধিতা কৰি স্থানীয় ৰাইজৰ সহযোগত সংগঠনটোৱে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। উল্লেখ্য যে ৰাজ্য চৰকাৰে ২৭,১০০ কোটি টকা ব্যয় সাপেক্ষে চাৰিটা পাম্পড ষ্ট'ৰেজ শক্তি প্ৰকল্প স্থাপনৰ অনুমতি দিছে। ইয়াৰে এটা হ'ল থাৰাকুঞ্জিত স্থাপনৰ লক্ষ্য লোৱা হৈছে। প্ৰকল্পটোৰ বাবে দুই শতাধিক বিঘা মাটি অধিগ্ৰহণৰ প্ৰয়োজন হ'ব। আনহাতে, প্ৰকল্পটোৰ বাবে মাটি এৰি নিদিয়ে বুলি স্পষ্ট কৰি দিছে স্থানীয় ৰাইজে। শ শ বছৰ ধৰি ভোগ কৰি অহা ভূমি এৰি দিলে অঘৰী জীৱন কটাবলগীয়া হোৱাৰ আশংকাত ৰাইজে ভূমি এৰি নিদিয়াৰ হুংকাৰ দিছে। আজি তিৱা ছাত্ৰ সন্থাৰ প্ৰতিবাদত স্থানীয় ৰাইজেও অংশগ্ৰহণ কৰে। প্ৰতিবাদস্থলীত সংগঠনটোৰ নেতৃত্বই কয়, 'আজো ককাৰ দিনৰে পৰা আমি বাস কৰি অহা ভূমি কোনো কাৰণতে এৰি নিদিওঁ। আমাক উন্নয়নৰ নামত প্ৰহসনৰ ৰাজনীতি নালাগে। আমাক প্ৰকৃত উন্নয়ন তথা চিকিৎসালয়, মহাবিদ্যালয় লাগে। আমাৰ ৰাইজেও ভূমি এৰি নিদিয়ে বুলিও স্পষ্ট কৰি দিছে।' তিৱা ছাত্ৰ সন্থাৰ নেতৃত্বই লগতে কয়, 'আমি জাতি-মাটি-ভেটি সুৰক্ষাৰ বাবে কাৰ্বি স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য নিৰ্বাচন কৰিছো। বিধায়ক নিৰ্বাচন কৰিছো। আমাক সুৰক্ষা দিয়াৰ পৰিৱৰ্তে এইসকলে আমাৰ মাটি কাঢ়ি নিবলৈহে লৈছে। অচিৰেই চৰকাৰে এই প্ৰকল্প স্থাপনৰ সিদ্ধান্ত প্ৰত্যাহাৰ কৰক। অন্যথা আমি জংগী আন্দোলন গঢ়ি তুলিম।' প্ৰকল্পটো স্থাপন হ'লে অঞ্চলটোৰ চাৰি-পাঁচখন গাঁৱৰ লোকে ভূমি হেৰুৱাব লাগিব বুলিও তিৱা ছাত্ৰ সন্থাই আশংকা কৰে। একেদৰে প্ৰতিবাদস্থলীত এগৰাকী মহিলাই কয়, 'আমি খেতি-বাতি কৰি জীয়াই থকা মানুহ। আমাৰ ল'ৰা-ছোৱালীৰ চাকৰি নাই। খেতি কৰিয়ে জীয়াই থাকিব লাগিব। আমি আমাৰ মাটি এৰি নিদিওঁ।' প্ৰতিবাদকাৰীসকলে 'বিজেপি হায় হায়, বিজেপি চৰকাৰ গ' বেক, মাটি এৰি নিদিওঁ' ধ্বনি দি বহু সময় ধৰি পৰিৱেশ উত্তাল কৰি ৰাখে।

# মাথোঁ এটা ম'বাইল ফোনৰ

*এক পৃষ্ঠাৰ পৰা* দিবলৈ আবদাৰ কৰি আছিল। অজ্ঞাত কাৰণত পিতৃয়ে পুত্ৰৰ এই আবদাৰ পূৰণ কৰা নাছিল। ইয়াকে লৈ ক্ষুব্ধ কুনালে আজি পুৱা ১০ বজাত ঘৰৰ ওচৰৰ খাভড়া পাহাৰৰ টিলাত উঠি ওপৰৰ পৰা জঁপিয়াই আত্মহত্যাৰ ভাবুকি দিয়ে পিতৃ-মাতৃক। পুত্ৰৰ এই কাণ্ড দেখি চান্দগুড়ে আৰু তেওঁৰ পত্নী সংগীতা চান্দুগুড়েই ঘটনাস্থলীলৈ দৌৰ দিয়ে। পুত্ৰক পাহাৰৰ তললৈ নমাই অনাৰ চেষ্টা আৰম্ভ কৰে পিতৃ-মাতৃয়ে। কিন্তু পিতৃ-মাতৃৰ অনেক কাকুতি-মিনতি সত্ত্বেও কুনালে পাহাৰৰ তললৈ নামি আহিবলৈ অস্বীকাৰ কৰে। তাৰ পৰিৱৰ্তে তেওঁ পাহাৰৰ চূড়ালৈহে উঠে। আনহাতে, এই ঘটনাৰ খবৰ পাই ঘটনাস্থলীত স্থানীয় বহু লোকৰ লগতে দুৰ্যোগ উপশম বাহিনী, আৰক্ষী, অগ্নিনিৰ্বাপক বাহিনী আদি উপস্থিত হৈ যুৱকজনক তললৈ নমাই অনাৰ চেষ্টা কৰে। তলত অগ্নিনিৰ্বাপক বাহিনীয়ে জালো পাতে। তেতিয়া কুনালে তললৈ জঁপ দিয়াৰ স্থান সলনি কৰে। এনেদৰে কে'বা ঘণ্টা পাৰ হয়। অৱশেষত দিনৰ তিনি বজাত পাহাৰৰ চূড়াত অৱস্থান কৰি থকা কুনালৰ ওচৰত পিতৃ উপস্থিত হয়। সেই মুহূৰ্ততে কুনালে তললৈ মৰণজঁপ দিয়ে। তেতিয়া পুত্ৰক বচাবলৈ যাওতে পিতৃও তললৈ নিজৰ অজানিতে সৰি পৰে। ফলত দুয়োৰে মৃত্যু হয়। এনেদৰে স্বামী-পুত্ৰৰ নিশ্চিত মৃত্যু দেখি কুনালৰ মাতৃয়েও পাহাৰৰ তললৈ জঁপি দি মৃত্যুক আঁকোৱালি লয়। ইতিমধ্যে আৰক্ষীয়ে তিনিওৰে মৃতদেহ উদ্ধাৰ কৰিছে। স্বাভাৱিকতে এই মৰ্মান্তিক ঘটনাই দেশজুৰি চৰ্চা লাভ কৰিছে। বিভিন্নজনে বিভিন্ন ধৰণে ঘটনাটো ব্যাখ্যা কৰিছে। একাংশই ঘটনাটোক যুৱ উচ্ছৃংখলাৰ ফল বুলি ব্যাখ্যা কৰিছে। আন একাংশই আকৌ ম'বাইল ফোনৰ আসক্তিক জগৰীয়া কৰিছে।

# খাচি ছাত্ৰ সন্থাৰ আভ্যন্তৰীণ বিষয়ত

*এক পৃষ্ঠাৰ পৰা* ৰাখিছে। মই নিজেও মেঘালয় মুখ্যমন্ত্ৰী কনৰাড চাংমাৰ লগত কথা পাতিছো। উপ-মুখ্যমন্ত্ৰী এছ ধৰকৰ লগতো মোৰ সঘনে যোগাযোগ হৈ আছে। প্ৰতিবাদৰ নামত যি অনাকাংক্ষিত ঘটনা সংঘটিত কৰা হয় ই অত্যন্ত দুৰ্ভাগ্যজনক। অসমৰ যানবাহনক আক্ৰমণৰ লক্ষ্য কৰি লোৱাত বহু লোকে আঘাত পাইছে। এই প্ৰতিবাদ খাচি ছাত্ৰ সন্থাৰ আভ্যন্তৰীণ বিষয় আছিল। তেনেস্থলত অসমৰ জনসাধাৰণক কিয় ২লক্ষ্য কৰি লোৱা হ'ল? মেঘালয়ৰ ফালৰ পৰা আলোচনাৰ প্ৰস্তাৱ দিছে, খুব সোনকালে আমি আলোচনাত বহিম।' লগতে কয় যে মেঘালয়ৰ লগত অসমৰ সম্পৰ্ক বহু পুৰণি। সেই সম্পৰ্ক যাতে সংঘটিত ঘটনাই বিনষ্ট কৰিব নোৱাৰে তাক সকলোৱে লক্ষ্য কৰিব লাগিব। কিছুমানৰ ভুলৰ বাবে জনসাধাৰণে আশা নকৰা ঘটনা ঘটিছে বুলি তেওঁ কয়। বৰাই এই মন্তব্যও কৰে যে এনেবোৰ ঘটনাত মেঘালয়ৰে আটাইতকৈ বেছি লোকচান হ'ব। কাৰণ এই সময় পৰ্যটক যোৱাৰ সময়। অসমৰো লোকচান হ'ব। গতিকে সকলোৱে সমস্যাটোৰ সমাধান বিচাৰিম। এইখন ভাৰত-পাকিস্তান নহয় বুলিও বৰাই মন্তব্য কৰে। সমস্যাৰ সমাধান আৰু সাম্প্ৰতিক পৰিস্থিতিত মেঘালয়ত আবদ্ধ অসমৰ লোকৰ সুৰক্ষাৰ বাবে মুখ্য সচিব, আৰক্ষী সঞ্চালক প্ৰধান পৰ্যায়ত যোগাযোগ চলি থকা বুলি বৰাই সদৰী কৰে। অসম আৰক্ষীয়ে হেল্পলাইন নম্বৰ মুকলি কৰা বুলিও মন্তব্য কৰে।

# বছৰি লাখ লাখ ছাত্ৰ-ছাত্ৰীয়ে এৰিছে

*এক পৃষ্ঠাৰ পৰা* প্ৰত্যাখ্যানলৈ' শীৰ্ষক এক অভিযানৰ প্ৰাথমিক প্ৰক্ৰিয়াৰ সূচনা কৰে। ইয়াৰ বাবে আয়োজিত এখন সভাত সমগ্ৰ শিক্ষা অসমৰ পৰা দাখিল কৰা প্ৰতিবেদনত আধাতে শিক্ষানুষ্ঠান ত্যাগ কৰা ছাত্ৰ-ছাত্ৰীৰ বৃহৎ সংখ্যাৰ উল্লেখ কৰা হয়। সভাত উপস্থিত থকা শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱেও এই কথা মানি ল'বলৈ বাধ্য হয়।

সভাত দাখিল কৰা তথ্য অনুসৰি ২০২৫ত চলোৱা এক জৰীপত অসমৰ ৪,৫২,৩২১ শিক্ষাৰ্থীয়ে আধাতে শিক্ষানুষ্ঠান ত্যাগ কৰে। এইসকলৰ বয়স ১৪ৰ পৰা ১৮ বছৰৰ ভিতৰত। এই জৰীপত আন এক উদ্বেগজনক তথ্যও পোহৰলৈ আহে। সেই অনুসৰি পঞ্চম, অষ্টম আৰু দশম শ্ৰেণীৰ কে'বা হেজাৰ ছাত্ৰ-ছাত্ৰীয়ে শিক্ষানুষ্ঠান ত্যাগ কৰে। এই সংখ্যা হ'ল ৬৮,৪১০ গৰাকী। তদুপৰি এক বৃহৎসংখ্যক ছাত্ৰ-ছাত্ৰীৰ শিক্ষানুষ্ঠানত উপস্থিতি একেবাৰে সীমিত। ইয়াৰ এক উদাহৰণ হিচাপে বৈঠকত তথ্য দাখিল কৰা হয় যে একেৰাহে ৪৫তকৈ অধিক দিন শিক্ষানুষ্ঠানত উপস্থিত নথকা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা হ'ল ৪,৪৩,৯৫৪ গৰাকী। ইপিনে, চৰকাৰী বিদ্যালয়ত প্ৰথম শ্ৰেণীত বৃহৎ সংখ্যাত অৱনমিত হৈছে নামভৰ্তিৰ সংখ্যা। অংগনবাড়ী কেন্দ্ৰত যিমান সংখ্যক শিশুৰ নামভৰ্তি হয় তাৰ বিপৰীতে প্ৰথম শ্ৰেণীত নামভৰ্তিৰ সংখ্যা যথেষ্ট কম হৈছে। যোৱা এবছৰত চৰকাৰী বিদ্যালয়ত প্ৰথম শ্ৰেণীত নামভৰ্তি কৰা শিক্ষাৰ্থীৰ সংখ্যা ২৫ হেজাৰ হ্ৰাস হয়। এই প্ৰসংগতে সভাত শিক্ষামন্ত্ৰী ডাঃ পেগুৱে উল্লেখ কৰে যে প্ৰাথমিক পৰ্যায়ত অসমত আধাতে শিক্ষানুষ্ঠান ত্যাগ কৰা ছাত্ৰ-ছাত্ৰীৰ হাৰ ৩.৮ শতাংশ আৰু মাধ্যমিক পৰ্যায়ত এই হাৰ হ'ল ১৭.৫ শতাংশ। এই প্ৰসংগতে উল্লেখ্য যে প্ৰাথমিক পৰ্যায়ত আধাতে বিদ্যালয় ত্যাগ কৰা শিক্ষাৰ্থীৰ ৰাষ্ট্ৰীয় হাৰ হ'ল ২.৩ শতাংশ। একেদৰে মাধ্যমিক পৰ্যায়ত ৰাষ্ট্ৰীয় হাৰ হ'ল ৮.২ শতাংশ। শিক্ষামন্ত্ৰীয়ে এই তথ্যও উল্লেখ কৰে যে অসমত প্ৰায় পাঁচ লাখ শিক্ষাৰ্থীয়ে আধাতে শিক্ষা জীৱন ত্যাগ কৰে। ইয়াৰে প্ৰায় ৩০ শতাংশ ছাত্ৰ-ছাত্ৰীয়ে পৰিয়ালৰ আৰ্থিক দুৰৱস্থাৰ বাবে শিক্ষা জীৱন আধাতে এৰিবলৈ বাধ্য হয়।

এনেদৰে আধাতে শিক্ষানুষ্ঠান ত্যাগ কৰা আৰু নামভৰ্তিৰ সংখ্যা কে'বা হেজাৰলৈ হ্ৰাস হোৱাৰ কাৰণ শিক্ষা বিভাগে সংশ্লিষ্ট পৰিয়ালবোৰৰ ঘৰে ঘৰে গৈ সংগ্ৰহ কৰাৰ সিদ্ধান্ত লৈছে। ইয়াৰ বাবে অহা ২৩ ছেপ্টেম্বৰলৈ চলিব শিক্ষা যাত্ৰা শীৰ্ষক অভিযান।

# পুৱাৰ পৰা যোৱাবাটৰ ৰাষ্ট্ৰীয় পথত বহি

*এক পৃষ্ঠাৰ পৰা* অসমৰ অন্যান্য কে'বাটাও সংগঠনে। প্ৰতিবাদৰ ফলত মেঘালয়ত পঞ্জীয়নভুক্ত এখনো বাহনে আজি যোৱাবাট হৈ গুৱাহাটী তথা অসমত প্ৰৱেশ কৰিব নোৱাৰিলে। প্ৰৱেশৰ চেষ্টা চলোৱা সকলো বাহনক প্ৰতিবাদকাৰীসকলে ওভতাই পঠিয়ায়। অভিযোগ অনুসৰি, প্ৰতিবাদৰ সময়ত কে'বাখনো বাহনৰ ক্ষতিসাধনো কৰা হয়। ইয়াৰ প্ৰতিক্ৰিয়া মেঘালয়ৰ চালক সন্থায়ো আজি প্ৰকাশ কৰে। ইয়াৰ ফলত সামগ্ৰিক পৰিস্থিতি উদ্বেগজনক হৈ পৰে। ইপিনে, এই অচলাৱস্থা তথা স্পৰ্শকাতৰ পৰিস্থিতিত মেঘালয়ৰ বিভিন্ন স্থানত আবদ্ধ হৈ পৰিছে অসমৰ বৃহৎসংখ্যক পৰ্যটকৰ লগতে কৰ্মসূত্ৰে যোৱা লোক। একেদৰে আবদ্ধ হৈ পৰিছে অসমৰ বহু বাহনো। চৰম নিৰাপত্তাহীনতাত ভোগা সেইসকলৰ সহায়ৰ বাবে আজি অসম আৰক্ষীয়ে দুটা হেল্পলাইন নম্বৰ মুকলি কৰে। ইপিনে, চালকৰ নিৰাপত্তা নিশ্চিত নোহোৱা আৰু মেঘালয়ত সাম্প্ৰতিক পৰিস্থিতিৰ বাবে অসমৰ পেট্ৰ'লিয়াম মজদুৰ ইউনিয়নে ৰাজ্যখনলৈ ইন্ধনবাহী বাহন নচলোৱাৰ সিদ্ধান্তও আজি ঘোষণা কৰে। সংগঠনটোৰ সভাপতি শ্যাম নেওগে অসমৰ চালকৰ নিৰাপত্তা নিশ্চিত নোহোৱালৈকে ইন্ধন কঢ়িয়াই নিয়া নহ'ব বুলি কৰা ঘোষণাৰ ফলত মেঘালয়ত পেট্ৰ'ল, ডিজেল আৰু ৰন্ধন গেছৰ নাটনিৰ আশংকাও স্পষ্ট হৈছে। এই পৰিস্থিতিৰ মাজতে অসম চৰকাৰৰ মন্ত্ৰী অতুল বৰাই শীঘ্ৰে পৰিস্থিতিৰ অৱসান হ'ব বুলি আশা প্ৰকাশ কৰে।

### পুৱাৰে পৰা উত্তপ্ত যোৱাবাট

কালি দিনজোৰা প্ৰবল প্ৰতিবাদত সাধাৰণ জনতাৰ দুৰ্ভোগ বৃদ্ধি হোৱাৰ পৰিপ্ৰেক্ষিতত নিশা আঠ বজাৰ পৰা অসম ৰাজ্যিক চালক সন্থাই সাময়িকভাৱে তেওঁলোকৰ কাৰ্যসূচী স্থগিত ৰাখে। আজি পুৱা সাত বজাৰ পৰা একে কাৰ্যসূচী একে স্থানত ৰূপায়ণৰো ঘোষণা কৰা হৈছিল। সেই অনুসৰিয়ে আজি নিৰ্দিষ্ট সময়ৰ পৰা সংগঠনটোৱে শ্বিলঙত খাচি ছাত্ৰ সন্থাই যোৱা ১৯ আগষ্টত অসমৰ বাহন আৰু চালকৰ ওপৰত সংঘটিত কৰা আক্ৰমণৰ বিৰুদ্ধে পুনৰ অৱৰোধ গঢ়ি তোলে। শ্বিলঙলৈ যোৱা আৰু শ্বিলঙৰ পৰা অহা ৰাষ্ট্ৰীয় পথৰ দুয়োটা অংশত ছামিয়ানা টানি পথ অৱৰোধ কৰে। এই প্ৰতিবাদৰ মাজতে শ্বিলঙৰ পৰা যোৱাবাটত উপস্থিত হয় অসমত পঞ্জীয়নভুক্ত একাধিক বাহন। এনে এখন মিনি ট্ৰাকত সন্মুখৰ আয়না ভঙা অৱস্থাত আছিল। চালকে জনোৱা মতে, যোৱাবাটলৈ আহি থকা সময়তে পথত নিচেই পুৱাতে দুৰ্বৃত্তই শিল দলিয়াই আয়নাখন ভাঙে। ইয়াকে লৈ ক্ষোভিত হৈ পৰে প্ৰতিবাদকাৰীসকল। একাংশ প্ৰতিবাদকাৰীয়ে পথৰ ওপৰত বাগৰিও প্ৰতিবাদ সাব্যস্ত কৰে। অসমৰ চালকৰ ওপৰত অত্যাচাৰ নচলিব, অসমৰ বাহনৰ নিৰাপত্তা নিশ্চিত কৰক, ক্ষতিগ্ৰস্ত বাহনৰ ক্ষতিপূৰণ দিয়ক, মেঘালয় চৰকাৰ হায় হায় আদি ধ্বনিৰে প্ৰতিবাদকাৰীসকলে প্ৰতিবাদস্থলী উত্তাল কৰি তোলে।

এই প্ৰতিবাদ চলি থকাৰ সময়তে এখন সামগ্ৰী পৰিবাহী মেঘালয়ৰ পঞ্জীয়নভুক্ত সৰু বাহনে বলপূৰ্বক অসমত প্ৰৱেশৰ চেষ্টা চলায়। প্ৰতিবাদী চালকসকলে ৰ'বলৈ দিয়া সত্ত্বেও চালকে বাহনখন বেগেৰে চলাই নিয়াৰ চেষ্টা চলায়। ইয়াকে লৈ পৰিস্থিতি অধিক উত্তপ্ত হৈ পৰে। অৱশ্যে বাহনখন ৰখাবলৈ সক্ষম হয় প্ৰতিবাদকাৰীসকল। তেওঁলোকে চালকজনক ইয়াৰ বাবে জবাবদিহি কৰে। তাৰ মাজতে দুষ্কৃতিকাৰীয়ে বাহনখনৰ সন্মুখৰ আয়নাৰ ক্ষতিসাধন কৰে। ইয়াকে লৈ সৃষ্টি হোৱা ভিৰৰ মাজতে মুখ ঢাকি হেলমেট পৰিধান কৰা এজন লোকে পৰিস্থিতি অধিক উত্তপ্ত কৰাৰ চেষ্টা চলায়। লোকজনক এই কাৰ্যত বাধা প্ৰদান কৰে প্ৰতিবাদকাৰী একাংশ চালকে। পাছত সেই স্থানত উপস্থিত থকা আৰক্ষীয়ে তৎপৰতাৰে যুৱকজনক তাৰ পৰা আঁতৰাই নিয়ে। চালকসকলৰ এই প্ৰতিবাদত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদকে ধৰি কে'বাটাও সংগঠনে আজি সহযোগিতা কৰে। এই প্ৰতিবাদৰ ফলত শ্বিলঙৰ পৰা যোৱাবাট অভিমুখী পথত কে'বা কিলোমিটাৰজোৰা যানজঁটৰ সৃষ্টি হয়। একেদৰে শ্বিলং অভিমুখী অসমৰ পথতো একে বৃহৎ যানজঁট লাগে।

অসমৰ চালকৰ এই প্ৰতিবাদৰ ফলত মেঘালয়লৈও কোনো লোক আজি যাব নোৱাৰিলে। যোৱাবাটত আজি মেঘালয়লৈ ফুৰিবলৈ যোৱাবাটত উপস্থিত হয় দেশৰ কে'বাখনো ৰাজ্যৰ পৰ্যটক। তেওঁলোক আজি যোৱাবাটতে আবদ্ধ হৈ পৰে। এই লোকসকল দিল্লী, মুম্বাই আদি ৰাজ্যৰ পৰা আহিছিল। একেদৰে আজি মেঘালয়ৰ এজন উচ্চপদস্থ বিষয়াৰ এছক'ৰ্ট বাহন আহি যোৱাবাটত উপস্থিত হয়। প্ৰতিবাদকাৰীৰ বাধাত এই বাহনখনো উভতি যাবলৈ বাধ্য হয়।

এই প্ৰতিবাদক লৈ অসম ৰাজ্যিক চালক সন্থাৰ সভাপতি ধ্ৰুৱৰাজ অসমে আজি কয় যে বাৰম্বাৰ একে সমস্যাৰ সন্মুখীন তেওঁলোক হৈ আহিছে, বাৰম্বাৰ একে নিৰাপত্তাহীনতাত তেওঁলোক সন্মুখীন হৈ আহিছে। গতিকে ইয়াৰ এক স্থায়ী সমাধান এইবাৰ লাগিবই। সেয়েহে তেওঁলোকৰ প্ৰতিবাদো চলি থাকিব। অৱশ্যে নিশাৰ সুযোগ লৈ দুষ্কৃতিকাৰীয়ে যাতে এই প্ৰতিবাদৰ নামত কোনো দুষ্কাৰ্য সংঘটিত কৰিব নোৱাৰে তাৰ পৰিপ্ৰেক্ষিতত আজিও সংগঠনটোৱে সন্ধিয়াৰ পৰা কাইলৈ পুৱালৈ প্ৰতিবাদী কাৰ্যসূচী সাময়িকভাৱে স্থগিত ৰখা বুলি জনায়। কাইলৈ পুৱাৰ পৰা পুনৰ প্ৰতিবাদী কাৰ্যসূচী আৰম্ভ হ'ব বুলিও সভাপতিজনে সদৰী কৰে।

### আৰক্ষীৰ হেল্পলাইন নম্বৰ মুকলি

শ্বিলঙক কেন্দ্ৰ কৰি সৃষ্টি হোৱা উদ্বেগজনক পৰিস্থিতিত অসমৰ বৃহৎসংখ্যক লোক মেঘালয়ত আবদ্ধ হৈ পৰিছে। ইয়াৰে বহু সংখ্যক লোক পৰ্যটক হিচাপে ৰাজ্যখনলৈ গৈছিল। আবদ্ধ আন বহু লোক বৃত্তিগত সূত্ৰে ৰাজ্যখনলৈ গৈছিল। এই লোকসকল সাম্প্ৰতিক পৰিস্থিতিত মেঘালয়তে আবদ্ধ হৈ আছে। আৰক্ষীৰ তথ্য অনুসৰি চেৰাপুঞ্জীতে কে'বাশ লোকৰ উপৰি শতাধিক বাহন আবদ্ধ হৈ আছে। আবদ্ধ হৈ পৰা আৰু যাতায়াতৰ সমস্যাত পৰা অসমৰ লোকসকলৰ সহায়ৰ বাবে আজি অসম আৰক্ষীয়ে মুকলি কৰা হেল্পলাইন নম্বৰ দুটা হ'ল ০৩৬১২৩৮১৫১১ আৰু ৯১৮১০১৪৮৮৮। এই নম্বৰত ফোন কৰি অথবা হোৱাটছএপযোগে অসম আৰক্ষীৰ সহায় ল'ব পাৰিব।

# ককৰোচৰ প্ৰতিবাদত পেলেট গানৰ

*এক পৃষ্ঠাৰ পৰা* ৰুজু কৰে। ইয়াক লৈ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি ৰাহুলে দাবী কৰে যে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ নিৰ্দেশত দিল্লী আৰক্ষীয়ে এই গোচৰ ৰুজু কৰে। ইয়াৰ পূৰ্বে 'সংসদ চলো' যাত্ৰাত অংশ লোৱাৰ সময়ত পেলেট গানৰ গুলিবৰ্ষণৰ ভুক্তভোগী শ্বাহিল লোচাব নামৰ ১৯ বছৰীয়া ছাত্ৰজনক লগত লৈ ৰাহুলে ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে। তেওঁৰ এই প্ৰতিবাদী কাৰ্যসূচী চলি থকা সময়ত বৃহৎ সংখ্যক কংগ্ৰেছ কৰ্মীয়ে প্ৰতিবাদস্থলীত বিভিন্ন ধ্বনি দি পৰিৱেশ উত্তাল কৰে। ৰাহুল থানাৰ সন্মুখত উপস্থিত হোৱাৰ লগে লগে আৰক্ষীয়ে সমগ্ৰ অঞ্চলটোত বেৰিকেড স্থাপন কৰাৰ লগতে থানাৰ প্ৰৱেশদ্বাৰসমূহ ভিতৰৰ পৰা বন্ধ কৰি দিয়ে। পাছত থানাৰ সন্মুখত ৰাহুলসহ উপস্থিত হোৱা কংগ্ৰেছ কৰ্মীসকলে ভিতৰত প্ৰৱেশ কৰিবলৈ বিচাৰি ধ্বনি দি পৰিৱেশ উত্তাল কৰে। ৰাহুল থানাৰ সন্মুখত উপস্থিত হোৱাৰ কিছু সময় পাছত প্ৰতিবাদস্থলীত প্ৰিয়ংকা গান্ধী ভদ্ৰাও উপস্থিত হয় আৰু ধৰ্ণাত অংশগ্ৰহণ কৰে। সূত্ৰই জনোৱা মতে, ৰাহুলৰ এই প্ৰতিবাদৰ পাছতে তেওঁৰ দাবীৰ ভিত্তিত দিল্লী আৰক্ষীয়ে গোচৰ ৰুজু কৰে।

উল্লেখ্য যে পাৰ্লামেণ্ট ষ্ট্ৰীট আৰক্ষী থানাৰ সন্মুখত উপস্থিত হোৱাৰ পূৰ্বে ৰাহুলে শ্বাহিলক লৈ প্ৰথমে মন্দিৰ মাৰ্গ আৰক্ষী থানাত উপস্থিত হয়। দুয়োৰে উদ্দেশ্য আছিল ২০ জুলাইৰ প্ৰতিবাদত নিৰাপত্তা বাহিনীৰ পেলেট গান ব্যৱহাৰক লৈ এজাহাৰ দাখিল কৰা। কিন্তু ভুক্তভোগী শ্বাহিলৰ এজাহাৰ গ্ৰহণ কৰিবলৈ মন্দিৰ মাৰ্গ আৰক্ষীয়ে অস্বীকাৰ কৰে। তেতিয়া এই আৰক্ষী থানাৰো দায়িত্বত থকা পাৰ্লামেণ্ট ষ্ট্ৰীট আৰক্ষী থানা সংলগ্ন উপ-আৰক্ষী আয়ুক্ত (ডিচিপি)ৰ কাৰ্যালয়লৈ ৰাহুল আৰু শ্বাহিলসহ বহু সংখ্যক কংগ্ৰেছ কৰ্মীয়ে যাত্ৰা কৰে। এই খবৰ পোৱাৰ লগে লগে চৰকাৰে তাৎক্ষণিকভাৱে পাৰ্লামেণ্ট ষ্ট্ৰীট সংযোগী সমগ্ৰ অঞ্চলত বৃহৎ সংখ্যক ৰেপিড একচন ফ'ৰ্চৰ জোৱান নিয়োগ কৰে। ইয়াৰ পূৰ্বে ৰাহুলে জ্যেষ্ঠ আৰক্ষী বিষয়াবৰ্গৰ স'তে আলোচনাত মিলিত হয়। আলোচনাস্থলীৰ পৰা ওলাই আহি তেওঁ অভিযোগ উত্থাপন কৰে যে শ্বাহিলৰ এজাহাৰ ল'বলৈ আৰক্ষীয়ে অস্বীকাৰ কৰে। লগতে তেওঁ যোৱা ২০ জুলাইৰ যুৱ-ছাত্ৰ প্ৰতিবাদকাৰীৰ ওপৰত নিৰাপত্তা বাহিনীয়ে পেলেট গানৰে গুলিবৰ্ষণ কৰা কাণ্ডৰ বাবে প্ৰত্যক্ষভাৱে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক জগৰীয়া কৰে। গৃহমন্ত্ৰী শ্বাহলৈ তীক্ষ্ণ বাক্যবাণ নিক্ষেপ কৰি তেওঁ কয়, 'অমিত শ্বাহ ডাঙৰীয়া, কিয় আপুনি ন্যায়ক লৈ আতংকিত? এই ভয়ে প্ৰতিপন্ন কৰিছে যে আপুনি আপোনাৰ অপৰাধ মানি ল'লে।' নিৰস্ত্ৰ ছাত্ৰ-ছাত্ৰীৰ ওপৰত নিৰাপত্তা বাহিনীয়ে প্ৰদৰ্শন কৰা এই বৰ্বৰতাৰ বাবে গোচৰ ৰুজু হ'ব লাগিবই বুলিও জ্যেষ্ঠ কংগ্ৰেছ নেতাজনে হুংকাৰ দিয়ে। তেওঁ লগতে কয়, 'এক ন্যায়িক তদন্ত হ'ব লাগিব। এই বৰ্বৰতাৰ বাবে দায়ী কোন তাৰ বাবে ওপৰৰ পৰা তললৈ প্ৰতিজনৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। আমি শ্বাহিল আৰু তেওঁৰ দৰে প্ৰত্যেক ভুক্তভোগী ছাত্ৰ-ছাত্ৰীৰ ন্যায় নিশ্চিত কৰিম।' উল্লেখ্য যে ককৰোচৰ 'সংসদ চলো' যাত্ৰাত নিৰাপত্তা বাহিনীৰ বৰ্বৰতাক লৈ সংসদৰ ভিতৰে-বাহিৰে সৰৱ হৈ আহিছে। আজি তেওঁ পাৰ্লামেণ্ট ষ্ট্ৰীট আৰক্ষী থানাৰ বাহিৰত শ্বাহিলক দেখুৱাই লগতে কয়, 'তেওঁৰ শৰীৰত দুই শতাধিক পেলেটে আঘাত হানিলে। এইবোৰ হৈছে এইমছ আৰু লেডী হাৰ্ডিঞ্জ হাস্পতালৰ প্ৰতিবেদন। এই প্ৰতিবেদনসমূহত কৈছে যে শ্বাহিলৰ শৰীৰক দুই শতাধিক পেলেটে আঘাত হানে। তেওঁৰ এটা চকুত দুটা পেলেট লাগে। চকুটোৰ দৃষ্টিশক্তি ঘূৰি আহিব নে নাই সেয়া নিশ্চিত হোৱা নাই।' দিল্লী আৰক্ষীয়ে নিৰস্ত্ৰ প্ৰতিবাদকাৰীৰ ওপৰত পেলেট গানৰে গুলিবৰ্ষণ কৰা নাছিল বুলি কৰা দাবী উল্লেখ কৰি ৰাহুলে পুনৰ কয়, 'যদি আৰক্ষীৰ এই ভাষ্য সত্য তেন্তে মাথোঁ এটা প্ৰশ্নৰ উদয় হয়। সেয়া হৈছে যদি আপোনালোক (দিল্লী আৰক্ষী)-এ পেলেট গানৰে গুলিবৰ্ষণ কৰা নাছিল তেন্তে প্ৰতিবাদকাৰীসকলৰ ওপৰত কোনোবাজনে পেলেট বৰ্ষণ কৰিবই লাগিব। সম্ভৱতঃ আন কোনোবাই শ্বাহিলৰ ওপৰত পেলেট গানৰে গুলিবৰ্ষণ কৰে। যদি কোনেও কৰা নাছিল তেন্তে তেওঁ নিজকে পেলেট গানৰে গুলিবৰ্ষণ কৰিব লাগিব।'

আনহাতে, তেতিয়া ৰাহুলৰ স'তে থকা শ্বাহিলে কৈছিল, 'যোৱা ১৪ আগষ্টত মই সাত পৃষ্ঠাৰ অভিযোগপত্ৰ লিখি মোৰ অধিবক্তাক দিছিলো; কিন্তু মোৰ গোচৰ পঞ্জীয়ন নহ'ল।' এই ঘটনাৰ পাছত তেওঁ এইমছৰ ট্ৰমা কেন্দ্ৰতো ভৰ্তি হ'ব লগা হয়। পেলেট গানৰ গুলিয়ে তেওঁৰ চকুৰ উপৰি পেটতো আঘাত হানে।

উল্লেখ্য যে ইয়াৰ পূৰ্বে অলপতে একেটা দাবীৰ সমৰ্থনত ৰাহুল আৰু সমাজবাদী পাৰ্টিৰ মুৰব্বী অখিলেশ যাদৱৰ নেতৃত্বত বিৰোধীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লোক কল্যাণ মাৰ্গস্থিত বাসভৱনলৈ যাত্ৰা কৰিছিল। এই যাত্ৰাৰ সময়ত আৰক্ষীয়ে ৰাহুল-অখিলেশক কিছু সময়ৰ বাবে আটক কৰি ৰাখিছিল।






# তেজপুৰৰ ডাঃ ৰণজিৎ বৰুৱাৰ মৃত্যু

*আঠ পৃষ্ঠাৰ পৰা* মৃত্যুক আঁকোৱালি লয়। চিকিৎসালয় কৰ্তৃপক্ষই ডেংগু ৰোগত আক্ৰান্ত হোৱাৰ পাছত হৃদযন্ত্ৰজনিত ৰোগত মৃত্যু মুখত পৰে বুলি পৰিয়ালক অৱগত কৰে। আনহাতে, এসময়ৰ তেজপুৰৰ বিখ্যাত পাৰিজাত হোটেলৰ স্বত্বাধিকাৰী তথা তেজপুৰৰ সকলো শ্ৰেণীৰ নাগৰিকৰ মাজতেই জনপ্ৰিয় ব্যক্তি হিচাপে পৰিচিত চিকিৎসক বৰুৱাৰ মৃত্যুৰ সংবাদ পোৱাৰ পাছতেই তেজপুৰত শোকৰ ছাঁ পৰে। ভাৰতীয় চিকিৎসা সন্থাৰ তেজপুৰ শাখাৰ আজীৱন সদস্য আছিল তেওঁ। উল্লেখ্য যে যোৱা পহিলা জুলাইত ভাৰতীয় চিকিৎসা সন্থাৰ তেজপুৰ শাখাই বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰিছিল প্ৰবীণ চিকিৎসকজনক। তাহানিতেই এমবিবিএছ ডিগ্ৰী লাভ কৰাৰ পাছতো চিকিৎসা সেৱাত জড়িত নহৈ হোটেল ব্যৱসায়ী পিতৃৰ পদাংক অনুসৰণ কৰি সেই সময়ৰ বিখ্যাত হোটেল হিচাপে পৰিচিত 'পাৰিজাত' হোটেল পৰিচালনাত আত্মনিয়োগ কৰি হোটেলখন সকলো শ্ৰেণীৰ লোকৰ বাবে সমাদৰ লাভ কৰোৱাত সফলকাম হৈছিল। তেজপুৰ কুমাৰ গাঁৱৰ শংকৰ মন্দিৰ প্ৰতিষ্ঠা লগ্নৰ অন্যতম কাণ্ডাৰী, জয়মতী পথাৰৰ দাতা পৰিয়ালৰ সন্তান, অসমীয়া ক্লাবৰ আজীৱন সদস্যৰৰ নশ্বৰদেহ আজি দুপৰীয়া বাসগৃহ আহি পোৱাত ভাৰতীয় চিকিৎসা সন্থাৰ তেজপুৰ শাখাৰ বিষয়ববীয়াসকলৰ লগতে তেজপুৰৰ বিভিন্ন ব্যক্তি-অনুষ্ঠানে শ্ৰদ্ধা জ্ঞাপন কৰে। মৃত্যুৰ সময়ত পত্নীৰ লগতে এজন পুত্ৰ, বোৱাৰী, এগৰাকী কন্যা, জোঁৱাই, নাতি- নাতিনীৰ লগতে বহু আত্মীয় স্বজনক এৰি যায়।

# অবৈধ আৰু চোৰাং ব্যৱসায়ৰ কৰিড'ৰলৈ

*আঠ পৃষ্ঠাৰ পৰা* আৰক্ষীয়ে অৱশেষত জব্দ কৰা এ-এছ-২৩ চিচি ৪৫০২ নম্বৰৰ বাহনৰ লগতে গৰু সহ চালক আৰু সৰবৰাহকাৰীৰ অভিযুক্তক নিজৰ জিম্মাত লয়। কাকপথাৰ আৰক্ষী থানাৰ অন্তৰ্গত মৃদংপৰাত এই ঘটনা সংঘটিত হয়। বাহনখনত মুঠ চাৰিটা গো-ধন আছিল । অভিযোগ অনুসৰি নিশা হ'লেই চোৰাং তথা অবৈধ কাঠ, গৰু ইত্যাদি কঢ়িওৱা বাহন বিনা দ্বিধাই পাৰ হৈ যায় এই পথেৰে। মৃদংপৰাত যুৱ সংঘ তথা ৰাইজে জব্দ কৰা সন্দেহজনক চুৰি গৰুসহ চালক, সৰবৰাহকাৰী বাহনে বহু তথ্য উদঙাইছে। গাঁওখনৰ মাজেৰে উক্ত পথছোৱাইদি দৈনিক অচিনাক্ত আৰু সন্দেহজনক বাহনৰ লগতে ব্যক্তি আৰু নিশা হ'লেই চোৰাং কাঠ, গৰু সৰবৰাহ কৰা বাহন চলাচল কৰে । সপ্তাহটোৰ বৃহস্পতি, শুকুৰবাৰ আৰু শনিবাৰে নিশা হ'লেই বন বিভাগৰ জ্ঞাতে ছখনৰ পৰা আঠখনলৈ চোৰাং কাঠভৰ্তি ট্ৰাক পাৰ হৈ যায় এই পথেৰে । আনহাতে, নিশা হ'লেই অসম-অৰুণাচল সীমান্তৰ ডিৰাক গেট অতিক্ৰম কৰি কাকপথাৰৰ ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথেৰে কাকপথাৰ আৰক্ষী থানা আৰু বনাঞ্চলিক কাৰ্যালয়ৰ সন্মুখেদি চোৰাং কাঠৰ লগতে কয়লা পৰিবাহী বাহন সৰবৰাহ হোৱাৰ অভিযোগ উত্থাপন হৈ আহিছে । এই ক্ষেত্ৰত আৰক্ষী, বন বিভাগৰ ভূমিকাৰ ওপৰতো প্ৰশ্ন উত্থাপন হৈছে ।

# নগাঁও জিলা সাহিত্য সভাৰ ৫৪ সংখ্যক

*আঠ পৃষ্ঠাৰ পৰা* শক্তিশালী নহ'লে ভাষা, সংস্কৃতি কেতিয়াও শক্তিশালী নহয়। নগাঁও জিলা সাহিত্য সভাৰ সম্পাদক ৰাজীৱ কুমাৰ হাজৰিকাই উদ্দেশ্য ব্যাখ্যা কৰা সভাত সভাপতিত্ব কৰি দিয়া ভাষণত নগাঁও জিলা সাহিত্য সভাৰ সভাপতি ড° শৰৎ বৰকটকীয়ে কয় যে অসম সাহিত্য সভাৰ পতাকাখন এখন সাধাৰন পতাকা নহয়, এইখন অসমীয়াৰ ভাষা, সাহিত্য, সংস্কৃতি আৰু জাতীয় চেতনাৰ প্ৰতীক। এই পতাকাই আমাক আমাৰ শিপাৰ স'তে সংযুক্ত হৈ থাকিবলৈ, অসমীয়া ভাষা-সাহিত্যক সমৃদ্ধ কৰিবলৈ আৰু নতুন প্ৰজন্মৰ মাজত মাতৃভাষাৰ প্ৰতি সজাগ হৈ থকাৰ অনুপ্ৰেৰণা দিয়ে। নগাঁও জিলা সাহিত্য সভাৰ ৫৪ বছৰৰ এই যাত্ৰা কেৱল এটা সংগঠনৰ যাত্ৰা নহয়; ইয়াৰ লগত নগাঁও জিলাৰ সাহিত্য-সংস্কৃতিৰ এক দীঘলীয়া ইতিহাস জড়িত হৈ আছে। বহু সাহিত্যিক, কবি, লেখক, শিক্ষাবিদ আৰু সংস্কৃতিপ্ৰেমীৰ অক্লান্ত সাধনা আৰু ত্যাগে এই অনুষ্ঠানক আজিৰ পৰ্যায়লৈ লৈ আহিছে। তেওঁলোক আমাৰ সকলোৰে শ্ৰদ্ধাৰ পাত্ৰ। তেওঁ লগতে কয় যে আজিৰ ডিজিটেল যুগত ভাষা আৰু সাহিত্যৰ সন্মুখত নতুন প্ৰত্যাহ্বান আহিছে। সেয়ে সাহিত্য সভাৰ দায়িত্ব আগতকৈ অধিক। আমাৰ সাহিত্যক নতুন প্ৰজন্মৰ হাতত তুলি দিয়াৰ লগতে ডিজিটেল মাধ্যমতো অসমীয়া ভাষাক শক্তিশালী ৰূপত প্ৰতিষ্ঠা কৰিব লাগিব। ড° বৰকটকীয়ে আৰু কয় যে, নগাঁও সাহিত্য-সংস্কৃতিৰ উৰ্বৰ ভূমি। এই মাটিৰ পৰাই বহু প্ৰতিভাৰ সৃষ্টি হৈছে। সেই ঐতিহ্যক আগুৱাই নি ভাষা, সাহিত্য, সংস্কৃতি আৰু মানৱীয় মূল্যবোধৰ এক শক্তিশালী সেতু হিচাপে নগাঁও জিলা সাহিত্য সভাই আগন্তুক দিনতো কাম কৰি যাব লাগিব। আমাৰ মাতৃভাষা চিৰজীৱী হওক, অসমীয়া সাহিত্য অধিক সমৃদ্ধ হওক আৰু আমাৰ সাংস্কৃতিক ঐতিহ্য নতুন প্ৰজন্মৰ মাজত চিৰদিন জীয়াই থাকক। তেওঁ লগতে কয় যে সাহিত্য কেৱল মনোৰঞ্জনৰ বিষয় নহয়। সাহিত্যই মানুহক মানুহৰ স'তে সংযোগ কৰে। সমাজক আত্মসমলোচনাৰ সুযোগ দিয়ে আৰু মানৱীয় মূল্যবোধক জীয়াই ৰাখে। সেয়ে সাহিত্য সভাৰ দায়িত্ব কেৱল সাহিত্য চৰ্চাতে সীমাবদ্ধ নহয়; ভাষা, সংস্কৃতি, মূল্যবোধ আৰু সামাজিক দায়বদ্ধতাৰ ক্ষেত্ৰতো সাহিত্য সভাই নেতৃত্ব দিব লাগিব বুলি ড° বৰকটকীয়ে মন্তব্য কৰে।

# ভাদমহীয়া নাম-প্ৰসংগৰ মাজতে নামঘৰৰ

*আঠ পৃষ্ঠাৰ পৰা* পৰৱৰ্তী সময়ত বৰপথাৰ অঞ্চলৰ সংগীত শিক্ষয়িত্ৰী চিত্ৰা দেৱৰ ওচৰত শাস্ত্ৰীয় সংগীতৰ প্ৰশিক্ষণ গ্ৰহণ কৰি নিজৰ সংগীত সাধনাক অধিক সুদৃঢ় কৰি তোলে। নিয়মিত অনুশীলন, একাগ্ৰতা আৰু প্ৰতিভাৰ বলত অতি কম বয়সতে আইচেংফাই বিভিন্ন সংগীত প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি বহু সংখ্যক বঁটা-বাহন লাভ কৰিবলৈ সক্ষম হৈছে। প্ৰতিযোগিতাৰ মঞ্চতে সীমাবদ্ধ নাথাকি বিভিন্ন সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠানতো গীত পৰিৱেশন কৰি তেওঁ ইতিমধ্যে ৰাইজৰ মাজত এক সুকীয়া পৰিচয় গঢ়ি তুলিছে। তেওঁৰ সুললিত কণ্ঠ, সুৰৰ ওপৰত থকা দখল আৰু গীত পৰিৱেশনৰ স্বকীয় শৈলীয়ে শ্ৰোতাসকলক বিশেষভাৱে আকৰ্ষিত কৰি আহিছে। ইয়াৰ মাজতে বৃহস্পতিবাৰে সন্ধিয়া ভাদ মাহৰ নাম-প্ৰসংগৰে মুখৰিত হৈ থকা ঢেঁকাহোলা নামঘৰৰ পবিত্ৰ পৰিৱেশত আইচেংফা ফুকনৰ প্ৰথম ভক্তিমূলক গীত 'কৃষ্ণ যদুৰাই' আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। পিতৃ-মাতৃ আৰু পৰিয়ালৰ লোকৰ উপস্থিতিত অনুষ্ঠিত এই গীত মুকলি অনুষ্ঠানত গীতটি আনুষ্ঠানিকভাৱে মুকলি কৰে সৰুপথাৰ সমজিলাৰ ৰাজহ চক্ৰ বিষয়া মনোজ কুমাৰ দলেই। অনুষ্ঠানত ৰাজহ চক্ৰ বিষয়া মনোজ কুমাৰ দলেৰ উপৰি সৰুপথাৰ সমজিলা সাংবাদিক সংস্থাৰ সভাপতি দ্বিপেন কুমাৰ বৰা, আইচেংফাৰ সংগীত গুৰু চিত্ৰা দেৱ, তদুপৰি সংখ্যক ভকত-বৈষ্ণৱ আৰু স্থানীয় ৰাইজ উপস্থিত থাকে। 'কৃষ্ণ যদুৰাই' গীতটিৰ কথা আৰু সুৰ অংকুৰ বুঢ়াগোহাঁইৰ। সংগীত শ্যামল ভুঞা, শব্দ সংমিশ্ৰণ শংকৰ জে. বৰুৱাৰ। গীতটিত খোল-নাগাৰা বজাইছে ঋত্বিক বৰাই, বাঁহীত দাদু ৰাজখোৱা, মেণ্ডুত সমুদ্ৰদীপ শৰ্মা আৰু পাৰ্কাচনত জিণ্টু নেওগে সহযোগিতা আগবঢ়াইছে। গীতটি মুকলি কৰাৰ পূৰ্বে আইচেংফা ফুকন আৰু তেওঁৰ পিতৃ-মাতৃয়ে শিৱসাগৰ, চৰাইদেউ, নাজিৰা, যোৰহাট আদি অঞ্চলৰ বানপীড়িত লোকসকলৰ মংগল কামনাৰে লগতে গীতটিৰ সফলতাৰ বাবে নামঘৰত শৰাই আগবঢ়ায়। একেদৰে আইচেংফাৰ সংগীত প্ৰতিভাক আগুৱাই নিয়াৰ ক্ষেত্ৰত পিতৃ ডিম্পল ফুকন আৰু মাতৃ পলাশী বৰুৱাই আগবঢ়াই অহা উৎসাহ, সহযোগিতা আৰু অনুকূল পৰিৱেশৰ বাবেও উপস্থিত ৰাইজে তেওঁলোকক প্ৰশংসা কৰে। আইচেংফা ফুকন বৰ্তমান সৰুপথাৰ সমজিলাৰ বৰপথাৰস্থিত অমৃত ইণ্টাৰনেচনেল স্কুলৰ একাদশ শ্ৰেণীৰ ছাত্ৰী।

# মধ্যভোগীৰ প্ৰৰোচনাত নাজিৰাত

*আঠ পৃষ্ঠাৰ পৰা* আগবঢ়োৱা বানপীড়িত স্থানীয় সাংবাদিকসকলক আৰ্থিক সাহায্য আগবঢ়োৱাৰ বাবে বিভিন্ন সংবাদ প্ৰতিষ্ঠানে বদৰুদ্দিন আজমলৰ এই বদান্যতাৰ শলাগ লয়। আজমল ফাউণ্ডেচনৰ তৰফৰ পৰা ইতিমধ্যে প্ৰায় এশ বাবগৰাকী সংবাদকৰ্মীক আৰ্থিক সাহায্য আগবঢ়োৱা বুলি ফাউণ্ডেচনে সদৰি কৰে যদিও নাজিৰাত আজমল ফাউণ্ডেচনৰ তৰফৰ পৰা নাগৰিক মঞ্চৰ ৰফিকুল ৰহমান নামৰ এজন যুৱকক নাজিৰাৰ বানপীড়িত সংবাদকৰ্মীৰ এখন তালিকা প্ৰস্তুতৰ দায়িত্ব প্ৰদান কৰা হয়। নাজিৰাত এটা স্থানীয় পৰ্টেল খুলি নিজকে স্বয়ম্ভু সাংবাদিক বুলি জাহিৰ কৰা ৰফিকুলে বানত তিলমানো ক্ষতি নোহোৱা সাংবাদিকৰ নামো তালিকাখনত অন্তৰ্ভুক্ত কৰি সেই তালিকাখন অন্তৰ্ভুক্ত কৰি অৰ্পণ কৰে। সেই মৰ্মে নাজিৰাৰ সেই সংবাদকৰ্মীসকলে আজমল ফাউণ্ডেচনৰ পৰা আৰ্থিক সাহায্য লাভ কৰে যদিও স্বয়ম্ভু সাংবাদিকজনৰ এনে কাৰ্যৰ ফলত সাহায্যৰ পৰা বঞ্চিত হয় নাজিৰাৰ বহুকেইজন বানপীড়িত সংবাদকৰ্মী। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে আজমল ফাউণ্ডেচনৰ তৰফৰ পৰা বানপীড়িত লোকৰ বাবে যোগান ধৰা সাহায্য সামগ্ৰী বিতৰণৰ নামতো খেলি-মেলি কৰি ইতিমধ্যে নাজিৰা আমোলাপট্টি মছজিদ জামাতৰ বৈঠকৰ সৰ্বসম্মত সিদ্ধান্তমতে তেওঁৰ পৰা ৰফিকুল ৰহমানক ... কৰি ৰাখিছে। আনকি উক্ত সমগ্ৰ বিষয়টো নাজিৰা আদৰ্শ আৰক্ষী থানাৰ মজিয়া পোৱাত আজমল ফাউণ্ডেচনৰ হস্তক্ষেপতহে অৱশেষত বিষয়টো মীমাংসা হৈছিল। পৰৱৰ্তী সময়ত নাজিৰা সমজিলাৰ শিমলুগুৰিস্থিত ব্ৰহ্মপুত্ৰ ল'গত আজমল ফাউণ্ডেচনৰ তৰফৰ পৰা মৌলানা ফজলুল কৰিম কাচিমিয়ে বানাক্ৰান্ত ৰাইজক কৰা সাহায্য সহযোগ সন্দৰ্ভত এখন সংবাদমেলৰ আয়োজন কৰে। উক্ত সংবাদ মেলৰ শেষত নাজিৰাৰ সংবাদসেৱীসকলে সাহায্যৰ পৰা বঞ্চিত হোৱা সংবাদকৰ্মীৰ বিষয়টো অৱগত কৰি এক স্মাৰক পত্ৰ দিয়ে যদিও [illegible] অনুযোগ কৰিছিল। সেই সময়তো মৌলানা ফজলুল কৰিম কাচিমিয়ে বিতৰ্কিত স্বয়ম্ভু সাংবাদিক ৰফিকুলক সমস্ত দায়িত্ব দিয়া বুলি জানিবলৈ দিয়ে পুনৰ এখন তালিকা প্ৰস্তুত কৰি আজমল ফাউণ্ডেচনলৈ প্ৰেৰণ কৰিবলৈ ফাললৈ কটাৰ চেষ্টা কৰে। ইফালে, চৰজমিন তদন্ত অবিহনে আজমল ফাউণ্ডেচনে বিষয়ববীয়াই নাজিৰাত কোনো মধ্যভোগী লোকৰ দ্বাৰা পৰিচালিত হোৱাৰ অভিযোগ উত্থাপিত হোৱাৰ সময়ত প্ৰাকৃতিক দুৰ্যোগৰ সময়তো সাংবাদিকসকলৰ ক্ষেত্ৰত এনে বৈষম্যমূলক ব্যৱহাৰ হোৱা কাৰ্যক গৰিহণা দিছে নাজিৰাৰ সাংবাদিক মহলে।

# নলবাৰীৰ অময়াপুৰত ৪২ বছৰ ধৰি

*আঠ পৃষ্ঠাৰ পৰা* দাগত এক কঠা, খেৰাজ ম্যাদী ২৩৭ নম্বৰ পট্টাৰ ৮৯ নম্বৰ দাগত এক বিঘা চাৰি কঠা ১৮ লেচা ভূমি অন্তৰ্ভুক্ত বুলি দাবী কৰা হৈছে। ৰাইজৰ প্ৰশ্ন—৪২ বছৰ ধৰি চৰকাৰী ভূমি আৱণ্টিত হৈ থকাৰ পাছতো কিয় সেই ভূমিত আজিলৈকে কোনো দৃশ্যমান প্ৰকল্প ৰূপায়ণ নহ'ল? দুটা পৰিয়ালৰ দখলৰ অভিযোগ খেলপথাৰখনৰ কিছু অংশ দুটা পৰিয়ালে দীৰ্ঘদিন ধৰি নিজৰ দখলত ৰাখি খেতি কৰি অহাৰ অভিযোগো উত্থাপিত হৈছে। ইয়াৰ ফলত খেলপথাৰখনৰ মূল উদ্দেশ্য ব্যাহত হৈছে বুলি ৰাইজে অভিযোগ কৰে। ইয়াৰ উপৰি কিছুসংখ্যক নাগৰিকে অভিযোগ কৰা মতে, খেলপথাৰৰ ভূমিৰ কিছু অংশ ৰাজনৈতিক প্ৰভাৱ আৰু ক্ষমতা ব্যৱহাৰ কৰি ব্যক্তিগত নামত কৰাৰ প্ৰচেষ্টা দীৰ্ঘদিন ধৰি চলি আহিছে। অৱশ্যে এই অভিযোগসমূহৰ স্বতন্ত্ৰ চৰকাৰী নিশ্চিতকৰণ হোৱা নাই। বিভাগীয় মৌনতাক লৈ প্ৰশ্ন এই সময়ত বিষয়টোক লৈ অসম বীজ-কিনা নিগমৰ ভূমিকা সন্দৰ্ভতো প্ৰশ্ন উত্থাপিত হৈছে। ইমান বছৰ ধৰি ভূমি অব্যৱহৃত হৈ থকাৰ পিছতো বিভাগটোৱে কিয় কোনো কাৰ্যকৰী পদক্ষেপ গ্ৰহণ কৰা নাই-সেই লৈ স্থানীয় ৰাইজৰ মাজত ৰহস্যৰ সৃষ্টি হৈছে। ৰাইজৰ মতে, কোনো চৰকাৰী বিভাগ বা নিগমৰ নামত ভূমি আৱণ্টন কৰাৰ মূল উদ্দেশ্য যদি নিৰ্দিষ্ট সময়ৰ ভিতৰত পূৰণ নহয়, তেন্তে চৰকাৰী নীতি-নিয়ম অনুসৰি সেই ভূমিৰ পুনৰ ব্যৱহাৰ বা অন্য জনকল্যাণমূলক প্ৰকল্পৰ বাবে ব্যৱহাৰৰ সম্ভাৱনা থাকে। সেয়েহে ইমান দীঘলীয়া সময় ধৰি ভূমিখণ্ড অব্যৱহৃত হৈ থকাৰ বিষয়টো চৰকাৰে গুৰুত্বসহকাৰে পৰীক্ষা কৰা প্ৰয়োজন বুলি ৰাইজে দাবী জনাইছে। স্থানীয় ৰাইজৰ অভিযোগ অনুসৰি, এই সমস্যা নতুন নহয়। পূৰ্বৰ বিধায়ক ভূমিকা বৰ্মনৰ কাৰ্যকালতো বিষয়টো উত্থাপন কৰা হৈছিল যদিও ৰাইজৰ আবেদনৰ প্ৰতি প্ৰয়োজনীয় গুৰুত্ব দিয়া নহ'ল বুলি অভিযোগ উঠিছে। একেদৰে পূৰ্বৰ বিজেপি বিধায়ক অশোক শৰ্মাৰ কাৰ্যকালতো সমস্যাটোৰ স্থায়ী সমাধান নহ'ল বুলি স্থানীয় ৰাইজে ক্ষোভ প্ৰকাশ কৰিছে। বৰ্তমানৰ বিধায়ক তথা অসম চৰকাৰৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই তেখেতে প্ৰতিনিধিত্ব কৰা সমষ্টিৰ অময়াপুৰৰ এই ৰাজহুৱা ভূমি আৰু খেলপথাৰখনৰ বিষয়টোৱে আশানুৰূপ গুৰুত্ব লাভ কৰিব বুলি এতিয়া ৰাইজে আশা কৰিছে। ইয়াৰ উপৰি, অময়াপুৰ আৰু ইয়াৰ পাৰ্শ্ববৰ্তী অঞ্চলৰ যুৱচামে দীৰ্ঘদিনৰ পৰা এখন স্থায়ী ক্ৰীড়া প্ৰশিক্ষণ কেন্দ্ৰৰ দাবী জনাইছে। বিশেষকৈ অঞ্চলটোত এখন চৰকাৰী স্বাস্থ্য উপকেন্দ্ৰ নিৰ্মাণ কৰাৰ দাবী উত্থাপন কৰিছে ৰাইজে। স্থানীয় ৰাইজৰ মতে, যদি কোনো কাৰণত পূৰ্বৰ উদ্দেশ্যত প্ৰকল্প ৰূপায়ণ সম্ভৱ নহয়, তেন্তে চৰকাৰৰ আইন আৰু নীতি-নিয়ম অনুসৰি ভূমিখণ্ডটো পুনৰ মূল্যায়ন কৰি অঞ্চলবাসীৰ প্ৰকৃত প্ৰয়োজন পূৰণ কৰিব পৰা স্বাস্থ্যকেন্দ্ৰ, ক্ৰীড়া আন্তঃগাঁথনি অথবা আন কোনো জনকল্যাণমূলক প্ৰকল্পৰ বাবে ব্যৱহাৰ কৰিব পাৰে।

## এটি মনোমুগ্ধকৰ অনুষ্ঠানৰ কথাৰে

যোৱা ১৬ আগষ্টত দেওবাৰে এটি মনোমুগ্ধকৰ সংগীত অনুষ্ঠানত জড়িত হ'বলৈ পাই মনত বিমল আনন্দ অনুভৱ কৰিছিলো। অনুষ্ঠানটো লক্ষ্যধৰ চৌধুৰী, ঊষা চৌধুৰী। ন্যাসৰ সশ্ৰদ্ধ নিবেদন, লক্ষ্যধৰ চৌধুৰীৰ পুণ্য তিথিৰ স'তে সংগতি ৰাখি ডাঃ অনুপজ্যোতি চৌধুৰীৰ পৰিচালনাত সুধাকণ্ঠ ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষৰ উপলক্ষ্যত নিৰ্বাচিত গীতৰ শৰাই। অনুষ্ঠানটো অনুষ্ঠিত হৈছিল উজান বজাৰৰ কুমাৰ ভাস্কৰ নাট্য মন্দিৰত সন্ধিয়া ছয় বজাত। ডাঃ অঞ্জনজ্যোতি চৌধুৰীৰ নাতি ল'ৰা পাঁচ বছৰীয়া আদৃত চৌধুৰীয়ে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ বিৰচিত বৰগীত 'শুন শুন ৰে সুৰ, বৈৰী প্ৰমাণা'ৰে অনুষ্ঠানৰ আৰম্ভ কৰা হয়। অনুষ্ঠান আৰম্ভ হোৱাৰ প্ৰাক্‌মুহূৰ্তত উজনি অসমৰ প্ৰলয়ংকৰী বানত মৃত্যু হোৱা ব্যক্তিসকললৈ, এক মিনিট সময় মৌনতা অৱলম্বন কৰি শ্ৰদ্ধাঞ্জলি জনোৱা হয়।

সভাত উপস্থিত থকা বিশিষ্ট লেখক গৌতম প্ৰসাদ বৰুৱা, গীতিকাৰ কীৰ্তিকমল ভূঞা, সংগীত পৰিচালক ৰমেন চৌধুৰী, শিল্পী সূৰ্য গোস্বামী আৰু পৰিয়ালৰ হৈ ড° অমৰজ্যোতি চৌধুৰীয়ে লক্ষ্যধৰ চৌধুৰীৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে।

অনুষ্ঠানত মৰমী শৰ্মা, সংস্কৃতা মালাকাৰ, সেলিমা খাতুন, ললিতা লহকৰ, ডাঃ পল্লৱী বৰা, নীলাভ ডেকা, দীপশিখা ডেকা, অঞ্জনজ্যোতি চৌধুৰী, নিত্যানন্দ ডেকা, ৰাজশ্ৰী কলিতা, ইন্দ্ৰজিত কলিতা, ডাঃ জয়ন্ত দাস আদিয়ে অনুষ্ঠানত গীত পৰিবেশন কৰে। বাদ্যযন্ত্ৰত সহায় কৰিছিল অমৰজ্যোতি ডেকা, ইন্দ্ৰ বৰুৱা, পৰমেশ্বৰ বসুমতাৰী, দীপক তালুকদাৰ (তবলা), দীপক তালুকদাৰ (খোল), ৰূপজ্যোতি শৰ্মা আদিয়ে।

ন্যাসৰ ফালৰ পৰা অনুষ্ঠানৰ মাজতে আদৃতৰ শিক্ষাগুৰুসকলক সম্বৰ্ধনা জনোৱা হয়।

এই অনুষ্ঠানৰ মধ্যমণি লক্ষ্যধৰ চৌধুৰীৰ আজোনাতি, ডাঃ অঞ্জনজ্যোতি চৌধুৰীৰ নাতি পাঁচ বছৰীয়া আদৃত চৌধুৰীয়ে পৰিবেশন কৰা ভূপেন হাজৰিকা আৰু জুবিন গাৰ্গৰ গীতে দৰ্শক-শ্ৰোতাৰ পৰা ভূয়সী প্ৰশংসা লাভ কৰিছিল। আমিও আদৃতৰ উত্তৰোত্তৰ সৰ্বমংগল কামনা কৰিছো।

এই অনুষ্ঠানৰ কলা নিৰ্দেশক আছিল অনুপজ্যোতি চৌধুৰী। অনুষ্ঠানটো সুন্দৰ সাবলীল, শব্দ চয়নেৰে আঁত ধৰিছিল, গুৱাহাটী ডেণ্টেল কলেজৰ মুৰব্বী অধ্যাপিকা ডাঃ ৰুবী কটকীয়ে। ডাঃ কটকীলৈ শুভেচ্ছা থাকিল।

**ড° ধৰণী ধৰ গোস্বামী**
**হেঙেৰাবাৰী,**
**৯৮৬৪৩-৩৬৫৭৩**

# নগাবন্ধাত সমাজকৰ্মীৰ মৃত্যুত শোক

**অগ্ৰদূত বাৰ্তা**
**বেবেজীয়া, ২২ আগষ্ট ঃ** মৰিগাঁও জিলাৰ নগাবন্ধা গাঁৱৰ নিৱাসী অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক, সমাজকৰ্মী, ধৰ্মপ্ৰাণ ব্যক্তি আলহাজ আব্দুল খালেক ৰেজৱী (৯১)ৰ যোৱা ১৯ আগষ্টৰ নিশা গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যু হয়। নগাবন্ধা অঞ্চলৰ বুনিয়াদী শিক্ষাৰ অন্যতম বাটকটীয়াৰূপে পৰিচিত বিশিষ্ট সমাজ হিতৈষীজনে বিভিন্ন সময়ত অঞ্চলৰ কে'বাখনো প্ৰাথমিক বিদ্যালয়ত শিক্ষকতা কৰি শেষত নগাবন্ধা প্ৰাথমিক বিদ্যালয়ৰ পৰা ১৯৯৬ত প্ৰধান শিক্ষকৰূপে অৱসৰ গ্ৰহণ কৰে। তেওঁ নগাবন্ধা আঞ্চলিক হাফিজীয়া আৰু ক্বাৰিয়ানা মাদ্ৰাছা, নগাবন্ধা বজাৰ আঞ্চলিক জামে মছজিদ পৰিচালনা সমিতিৰ সভাপতিৰূপে থকাৰ উপৰি অঞ্চলটোৰ প্ৰায়বোৰ সামাজিক, শৈক্ষিক, সাংস্কৃতিক, ক্ৰীড়া আৰু ধৰ্মীয় অনুষ্ঠানৰ স'তে জড়িত আছিল। মৃত্যুৰ সময়ত তেওঁ ইহসংসাৰত পত্নীৰ লগতে ছগৰাকী কন্যা-জোঁৱাই, নাতি-নাতিনীসহ বহু আত্মীয়-স্বজন তথা গুণমুগ্ধক এৰি যায়। বিশিষ্ট সমাজকৰ্মীজনৰ আজি দিনৰ দুই বজাত নগাবন্ধা ছোৱালী মধ্য ইংৰাজী বিদ্যালয় প্ৰাংগণত গণ্যমান্য ব্যক্তিসকলৰ উপস্থিতিত জানাজা নামাজ সম্পন্ন কৰা হয়। তেওঁৰ বিয়োগত গ্ৰামাঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰিছে।

# তেজপুৰত একাধিক স্থানৰ পৰা

*আঠ পৃষ্ঠাৰ পৰা* যথেষ্ট উদ্বিগ্ন হৈ পৰিছে। আনহাতে, কালি দুপৰীয়া মিছন চাৰিআলিৰ সমীপৰ শুক্লেশ্বৰ নগৰৰ পৰাও এগৰাকী মহিলাৰ ডিঙিৰ চেইন কাঢ়ি লৈ যায় দুৰ্বৃত্তই। দুপৰীয়া বিদ্যালয়ৰ পৰা সন্তানক নিবলৈ অহা মহিলাগৰাকীৰ ডিঙিৰ চেইন কাঢ়ি মটৰ চাইকেলেৰে উধাও হয় নীলা ছোলা পৰিধান কৰা দুৰ্বৃত্তই। ইপিনে, তেজপুৰৰ কমাৰচুবুৰীতো অনুৰূপ ঘটনা সংঘটিত হৈছে। উল্লেখ্য যে, একেদিনাই দলবদ্ধভাৱে সংঘটিত এই ঘটনা বহিঃৰাজ্যৰ দুৰ্বৃত্তৰ দলে কৰা বুলি সম্প্ৰতি চৰ্চিত হৈছে। ইতিমধ্যে গোপন কেমেৰাত আবদ্ধ হোৱা দুৰ্বৃত্তৰ ছবিয়েও এই সন্দেহ ঘণীভূত কৰাৰ লগতে একেদিনাই তেজপুৰৰ একাধিক স্থানত তথা দুৰ্বৃত্তৰ হাতত মাৰণাস্ত্ৰ থকাৰ ঘটনাই তেজপুৰত বহিঃৰাজ্যৰ অপৰাধী চক্ৰই পৰিকল্পিতভাৱেই এই ঘটনা সংঘটিত কৰা বুলি চৰ্চা চলিছে। উল্লেখ্য যে, এই ঘটনাসমূহৰে জড়িত কোনো দুৰ্বৃত্ত এইপৰ্যন্ত আৰক্ষীয়ে কৰায়ত্ত কৰিব পৰা নাই।

# গোৱালপাৰা জিলা সাহিত্য সভাৰ

*আঠ পৃষ্ঠাৰ পৰা* বজাত বৃক্ষ ৰোপণ। পুৱা ১০ বজাত সাহিত্যানুষ্ঠানৰ সঞ্চালনা কৰিব বিশিষ্ট কবি কালিদাস ৰাভা হাটোই। দিনৰ ১১-৩০ বজাত অনুষ্ঠিত হ'ব লগা মুকলি সভা উদ্বোধন কৰিব গোৱালপাৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুভাষ বৰ্মনে। মুকলি সভাত উপস্থিত থাকিব অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামী, গোৱালপাৰা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ড° সিদ্ধিনাথ শৰ্মা, অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিত বৰা, বিধায়ক পৱিত্ৰ ৰাভা, নিখিল ৰাভা সাহিত্য সভাৰ প্ৰধান সম্পাদক ৰাজকুমাৰ ৰাভাৰ লগতে বহু বিশিষ্ট ব্যক্তি। মুকলি সভাত পাঁচখনকৈ গ্ৰন্থ উন্মোচন কৰিব গোৱালপাৰা জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি প্ৰকাশ ৰাভাই।

# অৱসৰপ্ৰাপ্ত অধীক্ষক অভিযন্তা

*আঠ পৃষ্ঠাৰ পৰা* অভিযন্তা হিচাপে ধনশিৰি প্ৰকল্প সংমণ্ডল (জল) কেনেল-১ ওদালগুৰি, কাৰ্যবাহী অভিযন্তা হিচাপে ধনশিৰি প্ৰকল্প বান্ধ সংমণ্ডল (জল) ভৈৰৱকুণ্ড, যোৰহাট, শিৱসাগৰ, গোলাঘাটত, অধীক্ষক অভিযন্তা হিচাপে নলবাৰী, ডিব্ৰুগড় আৰু শেষত সেই পদৰ পৰাই অধীক্ষক অভিযন্তা হিচাপে যোৰহাটৰ পৰা ২০০০ত অৱসৰ গ্ৰহণ কৰে। ২০০৬ত তেওঁ মক্কালৈ গৈ পবিত্ৰ হজব্ৰত সম্পন্ন কৰে।

মৃত্যুৰ সময়ত তেওঁৰ পৰিবাৰ চামচুন আৰা বেগম (আবেদা), দুই পুত্ৰ, এগৰাকী জীয়ৰীসহ পৰিয়ালৰ অনেক আত্মীয়ক ইহসংসাৰত এৰি যায়। ১৮ আগষ্টত সিজুবাৰী ঈদগাহ কবৰস্থানত অনেক গুণমুগ্ধ আৰু আত্মীয়ৰ উপস্থিতিত হকৰ জানাজা সম্পন্ন কৰা হয়। তেওঁৰ মৃত্যুত গোলাঘাট শান্তিপুৰ জামাত, ফেচুৱাল গৰঙা জামাত, হাতীগাঁও চাৰিআলি মছজিদ জামাত কমিটী আদিয়ে শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে।

# আদিবাসী সংস্কৃতি সংৰক্ষণ

*আঠ পৃষ্ঠাৰ পৰা* হয়। তেওঁ কে'বাটাও কুডুখ, মুণ্ডাৰী, নাগপুৰী কৰম গানৰ উদাহৰণ দি কয়, কৰম গানসমূহত যথেষ্ট সংখ্যক নদী, ঠাই আৰু নগৰৰ নাম আছে, যেনে- কুডুম নেদিক, কুৰুমেক পানী, কুডুম পাহাড়ী, হৰদি নগৰে, ঝালড়, কাঁশ নদী, মালাদহ, সিন্ধু নদী, মেলুহা আদি। গানসমূহত এনে নদী, ঠাই আৰু নগৰৰ নাম উল্লেখ থকা প্ৰসংগই আদিবাসী মানুহখিনিৰ লগত থকা যোগসূত্ৰ, স্থানান্তৰৰ ইতিহাস আৰু কৰম পৰ্বৰ উৎপত্তিস্থলৰ সাক্ষ্য বহন কৰে। কাৰ্যসূচীৰ আৰম্ভণিতে কৰ্মশালাটিৰ শুভ উদ্বোধন কৰে শোণিতপুৰ জিলা মুণ্ডাৰী সাহিত্য সভাৰ সভাপতি গ্ৰেট প'ল গুড়ীয়াই। তেওঁ ভাষণ প্ৰসংগত কৰম নাচ-গীতৰ এক বিশেষ বৈশিষ্ট্যঞ্জয় আছে বুলি উল্লেখ কৰি কালক্ৰমে বিলুপ্তিৰ গৰাহত থকা আদিবাসী সংস্কৃতিক জীয়াই ৰাখিবলৈ নৱ প্ৰজন্মক শিকোৱা আৰু উৎসাহিত কৰাৰ আহ্বান জনায়। উদ্বোধনী অনুষ্ঠানটিত ঢেকিয়াজুলিৰ বহুকেইজন আদিবাসী জনগোষ্ঠীৰ সংস্কৃতি সাধকে অতিথিৰূপে অংশগ্ৰহণ কৰি আদিবাসী সংস্কৃতি সন্দৰ্ভত ভাষণ ৰখাৰ সমান্তৰালকৈ কৰম গীত গোৱাৰ উপৰি মাদলত চেও ধৰে। ডেৰ মাহ ধৰি অনুষ্ঠিত হ'বলগা কৰ্মশালাখনি জিলাখনৰ তিনিখনকৈ গাঁও আৰু বাগিচাক এটা মণ্ডল হিচাপে লৈ প্ৰায় ১২ টা মণ্ডলত কৰম গীত-নাচৰ কৰ্মশালা কৰিব। উল্লেখ্য যে কৰ্মশালাৰ অন্তত বৰছলা চাহ বাগিচা খেলপথাৰত ৩০ ছেপ্টেম্বৰত হ'বলগা ৰাজহুৱাভাৱে কৰম পৰ্বত কৰম নাচ-গীতৰ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

# মিচিং স্বায়ত্তশাসিত পৰিষদৰ খচৰা ভোটাৰ তালিকা প্ৰকাশ ঃ বিশ্বনাথত দুটা সমষ্টিত ৩২,১৬৪ ভোটাৰ

## ২৭ নম্বৰ লোহিতমুখত ৩৮ টা আৰু ৩৭ নম্বৰ বুৰৈ সমষ্টিত ভোট কেন্দ্ৰ ৪৫ টা

**অগ্ৰদূত বাৰ্তা**
**বিশ্বনাথ চাৰিআলি, ২১ আগষ্ট ঃ** অসম ৰাজ্যিক নিৰ্বাচন আয়োগে জাৰি কৰা নিৰ্দেশনা আৰু অধিসূচনা অনুসৰি বিশ্বনাথ জিলাৰ ২৭ নম্বৰ লোহিতমুখ আৰু ৩৭ নম্বৰ বুৰৈ সমষ্টিৰ বাবে মিচিং স্বায়ত্তশাসিত পৰিষদৰ খচৰা ভোটাৰ তালিকা ২০২৬ৰ পহিলা জানুৱাৰী যোগ্যতাৰ ভিত্তি তাৰিখ হিচাপে লৈ ১৯ আগষ্টত প্ৰকাশ কৰা হৈছে। মিচিং স্বায়ত্তশাসিত পৰিষদ (নিৰ্বাচন) বিধি, ২০০৫ৰ ১৬ নম্বৰ নিয়মৰ অধীনত অসম ৰাজ্যিক নিৰ্বাচন আয়োগে ক্ষমতা প্ৰদান কৰি জাৰি কৰা অধিসূচনা অনুসৰি নিৰ্বাচক পঞ্জীয়ন বিষয়াসকলে মিচিং স্বায়ত্তশাসিত পৰিষদ সমষ্টিৰ নিৰ্বাচনী তালিকা প্ৰস্তুত কৰিছে। প্ৰকাশ কৰা এই খচৰা ভোটাৰ তালিকাত বিশ্বনাথ জিলাৰ অন্তৰ্গত মিচিং স্বায়ত্তশাসিত পৰিষদৰ দুয়োটা সমষ্টিৰ মুঠ ভোট কেন্দ্ৰৰ সংখ্যা হৈছে ৮৩ টা। এই দুয়োটা সমষ্টিত সৰ্বমুঠ ৩২,১৬৪ গৰাকী ভোটাৰ সন্নিবিষ্ট কৰা হৈছে। ইয়াৰে পুৰুষ ভোটাৰৰ সংখ্যা হৈছে ১৬,৩৪৯ গৰাকী আৰু মহিলা ভোটাৰৰ সংখ্যা হৈছে ১৫,৮১৫ গৰাকী। খচৰা ভোটাৰ তালিকা অনুসৰি ২৭ নম্বৰ লোহিতমুখ সমষ্টিত ৩৮ টা ভোটগ্ৰহণ কেন্দ্ৰ আৰু ৪৮ খন অধিসূচিত মিচিং স্বায়ত্তশাসিত পৰিষদ (এমএচি)ৰ গাঁও আছে। এই সমষ্টিত মুঠ ভোটাৰ সন্নিবিষ্ট হৈছে ১৭,১৮০ গৰাকী। ইয়াৰে ৮৭০০ জন হৈছে পুৰুষ আৰু ৮৪৮০ গৰাকী হৈছে মহিলা ভোটাৰ।

আনহাতে, ৩৭ নম্বৰ বুৰৈ সমষ্টিত ৪৫ টা ভোটগ্ৰহণ কেন্দ্ৰ আৰু ৫৩ খন অধিসূচিত মিচিং স্বায়ত্তশাসিত পৰিষদৰ (এমএচি) গাঁও আছে। এই সমষ্টিত সন্নিবিষ্ট কৰা হৈছে ১৪,৯৮৪ গৰাকী ভোটাৰ। ইয়াৰে ৭৬৪৯ জন পুৰুষ আৰু ৭৩৩৫ গৰাকী মহিলা ভোটাৰ।

বিশ্বনাথ জিলাৰ ২৭ নম্বৰ লোহিতমুখ আৰু ৩৭ নম্বৰ বুৰৈ মিচিং স্বায়ত্তশাসিত পৰিষদ (এমএচি) সমষ্টি দুটাৰ খচৰা ভোটাৰ তালিকা অসম ৰাজ্যিক নিৰ্বাচন আয়োগৰ অ'ইআৰএমএছ ৰেবছাইট ermssec.assam.gov.inত প্ৰকাশ কৰা হৈছে। নিৰ্বাচকসকলে ভাৰতীয় নিৰ্বাচন আয়োগে ইতিমধ্যে আবণ্টন দিয়া ইপিআইচি নম্বৰৰ জৰিয়তে অথবা ৱেবছাইটৰ Citizen Corner-ৰ পৰা নিজ নিজ ভোটগ্ৰহণ কেন্দ্ৰৰ খচৰা নিৰ্বাচনী তালিকা ডাউনলোড কৰি নিজৰ নাম পৰীক্ষা কৰিব পাৰিব। বিশ্বনাথ জিলা প্ৰশাসনৰ চৰকাৰী ৱেবছাইট biswanath.assam.gov.inৰ জৰিয়তেও oerms ৱেবছাইটত প্ৰৱেশ কৰিব পাৰিব।

জিলা আয়ুক্তৰ সন্মিলন কক্ষত ৰাজনৈতিক দলসমূহৰ উপস্থিতিত প্ৰকাশ কৰা হয় এই খচৰা ভোটাৰ তালিকা। খচৰা ভোটাৰ তালিকাৰ সন্দৰ্ভত সমষ্টি দুটাৰ ভোটাৰৰ দাবী আৰু আপত্তি থাকিলে পূৰণৰ অন্তিম সময় দিয়া হৈছে ২০২৬ৰ তিনি ছেপ্টেম্বৰত।

# দুধনৈ মহাবিদ্যালয়ত সংহত শিক্ষক শিক্ষা-স্নাতকোত্তৰ পাঠ্যক্ৰমৰ দীক্ষাৰম্ভ

**অগ্ৰদূত বাৰ্তা**
**দুধনৈ, ২১ আগষ্ট ঃ** নামনি অসমৰ উচ্চ শিক্ষাৰ অগ্ৰণী শিক্ষানুষ্ঠান দুধনৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ত কালি উচ্চ শিক্ষাৰ ক্ষেত্ৰত আন এক নৱ সংযোজনৰ আৰম্ভণি হয়। আজি মহাবিদ্যালয়ত সংহত শিক্ষক শিক্ষা পাঠ্যক্ৰম আৰু স্নাতকোত্তৰ পাঠ্যক্ৰমৰ দীক্ষাৰম্ভৰ আৰম্ভ কৰা হয়। এই উপলক্ষে দুধনৈ মহাবিদ্যালয়ৰ সভাগৃহত অনুষ্ঠিত হোৱা পাঠ্যক্ৰমৰ আৰম্ভ অনুষ্ঠানৰ মুকলি সভাত পৌৰোহিত্য কৰে দুধনৈ মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° উপেন ৰাভা হাকাচামে। মুকলি সভা আৰম্ভ হোৱাৰ পূৰ্বে মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক হৰগোবিন্দ ডেকাৰ তত্ত্বাৱধানত ছাত্ৰীসকলে পৰিৱেশন কৰে দুধনৈ মহাবিদ্যালয় সংগীত। মহাবিদ্যালয়খনৰ সহকাৰী অধ্যাপিকা বন্দিতা বৰবৰাই আঁত ধৰা সভাত আদৰণি ভাষণ আগবঢ়ায় মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ললিত চন্দ্ৰ ৰাভাই। তেওঁৰ আদৰণি ভাষণত কয় যে আজিৰ দিনটো কেৱল এক নতুন শৈক্ষিক বৰ্ষৰ আৰম্ভণি নহয়, ই ছাত্ৰ-ছাত্ৰীৰ জীৱনৰ এক নতুন অধ্যায়ৰো আৰম্ভণি। এয়া জ্ঞান আহৰণ, আত্মঅন্বেষণ, দায়িত্ববোধ আৰু ৰূপান্তৰৰ এক যাত্ৰা। প্ৰতিষ্ঠা কালৰে পৰা মহাবিদ্যালয়খনে শৈক্ষিক পৰিসৰ সম্প্ৰসাৰণ কৰাৰ লগতে সমাজৰ বৃহৎ অংশলৈকে সেৱা আগবঢ়াবলৈ সক্ষম হৈছে। ১৯৭২ত স্থাপিত মহাবিদ্যালয়খনে আজি পাঁচ দশকৰো অধিক কাল ধৰি শিক্ষাৰ সেৱাত নিয়োজিত হৈ ইয়াৰ শৈক্ষিক যাত্ৰাৰ এক নতুন গুৰুত্বপূৰ্ণ পৰ্যায়ত প্ৰৱেশ কৰিছে। ২০২৬-২৭ শৈক্ষিক বৰ্ষৰ পৰা সংহত শিক্ষক শিক্ষা পাঠ্যক্ৰম আৰু স্নাতকোত্তৰ কাৰ্যসূচী আৰম্ভ কৰাৰ লগে লগে মহাবিদ্যালয়খনে উচ্চ শিক্ষা, শিক্ষক শিক্ষা, গৱেষণা আৰু পেছাগত বিকাশৰ ক্ষেত্ৰত নতুন সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিছে। সংহত শিক্ষক শিক্ষা পাঠ্যক্ৰম কাৰ্যসূচীয়ে বিষয়ভিত্তিক জ্ঞানক পেছাগত প্ৰস্তুতিৰ স'তে সংযুক্ত কৰি শিক্ষক শিক্ষাৰ ক্ষেত্ৰত এক প্ৰগতিশীল দৃষ্টিভংগী প্ৰতিনিধিত্ব কৰিছে। আনহাতে, স্নাতকোত্তৰ কাৰ্যসূচীত যোগদান কৰা ছাত্ৰ-ছাত্ৰীয়ে এনে এক উচ্চতৰ শৈক্ষিক পৰ্যায়ত প্ৰৱেশ কৰিছে, য'ত সমালোচনামূলক চিন্তা, গৱেষণা আৰু স্বতন্ত্ৰভাৱে জ্ঞান আহৰণৰ গুৰুত্ব ক্ৰমাৎ বৃদ্ধি পায়। সেয়ে দীক্ষাৰম্ভ কেৱল এক উদ্বোধনী অনুষ্ঠান নহয়। ই ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ জৰিয়তে প্ৰতিষ্ঠানখনৰ সংস্কৃতি, মূল্যবোধ আৰু শৈক্ষিক পৰম্পৰাৰ স'তে পৰিচিত হোৱাৰ এক আৰম্ভণি। ইপিনে, সভাত মুখ্য অতিথিৰূপে উপস্থিত থাকে শিক্ষক শিক্ষাৰ ৰাষ্ট্ৰীয় পৰিষদৰ পূৰ্বোত্তৰ সমিতিৰ অধ্যক্ষ ড° দিব্যজ্যোতি মহন্তই। শিক্ষাবিদজনে ছাত্ৰ-ছাত্ৰীক উদ্দেশ্যি কয় যে ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০ ৰ জৰিয়তে শিক্ষক শিক্ষাৰ কিছু পৰিৱৰ্তন আনিছে। এই পাঠ্যক্ৰম চাৰি বছৰীয়া হৈছে। বিএ,বিএছচিৰ দৰেই চাৰিবছৰীয়া ডিগ্ৰী হ'ব। এই পাঠ্যক্ৰমত নামভৰ্তিৰ বাবে দ্বাদশ শ্ৰেণী উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীয়ে অতিকমেও ৫০ শতাংশ নম্বৰ লাভ কৰিব লাগিব।


# বাইহাটা চাৰিআলি আৰক্ষীৰ জালত গো-সৰবৰাহকাৰী ৰুহুল আমিন

**অগ্ৰদূত বাৰ্তা**
**দুমুনিচকী, ২১ আগষ্ট ঃ** বহিঃৰাজ্যলৈ অবৈধভাৱে গো-ধন সৰবৰাহ চলাই অহা ঘটনাৰ অন্যতম মূল অভিযুক্ত ৰুহুল আমিনক অৱশেষত আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। যোৱা নিশা ছিপাঝাৰ আৰক্ষী আৰু বাইহাটা চাৰিআলি আৰক্ষীৰ এক যুটীয়া অভিযানত গো সৰবৰাহৰ লগত জড়িত থকাৰ অভিযোগত অভিযুক্ত ৰুহুলক তেওঁৰ ঘৰৰ ওচৰৰ ব্যৱসায়িক প্ৰতিষ্ঠানৰ পৰা গ্ৰেপ্তাৰ কৰে। ৰুহুলক গ্ৰেপ্তাৰ কৰাৰ সময়ত তেওঁৰ জিম্মাৰ পৰা আৰক্ষীয়ে নগদ ধন ২,০০,০০০ টকা, এটা ছেমছাং এছ২৫ স্মাৰ্টফোন, এটা ভিভ' স্মাৰ্টফোন, এখন বাহন, এএছ-০১ ডিএন-০৪০৮ নম্বৰৰ এখন ছুইফ্ট ডিজায়াৰ জব্দ কৰিবলৈ সক্ষম হয়। ইয়াৰ পাছত অভিযুক্ত ব্যক্তিৰ বাসগৃহত তালাচী চলোৱা হয়। তালাচী সম্পূৰ্ণ হোৱাৰ পাছত অভিযুক্ত লোকজনক জব্দকৃত সামগ্ৰীসমূহৰ স'তে বাইহাটা চাৰিআলি থানালৈ অনা হয়। উল্লেখ্য যে গো সৰবৰাহৰ স'তে জড়িত থকা এটা ভিডিঅ' ভাইৰেল হোৱাৰ পাছতে ৰাইজৰ মাজত ব্যাপক চৰ্চা লাভ কৰিছিল ৰুহুলে। আনহাতে, অভিযানৰ অংশৰূপে আৰক্ষীৰ দলটোৱে ৰুহুলৰ বাসগৃহতো বিশেষ তালাচী চলায়। সম্প্ৰতি অধিক তথ্য লাভৰ বাবে আৰু তদন্তৰ খাতিৰত ধৃত ৰুহুলক বাইহাটা চাৰিআলি আৰক্ষী থানাত ৰখা হৈছে। আৰক্ষীয়ে এই সমগ্ৰ ঘটনা সন্দৰ্ভত ১৭৭/২০২৬ নম্বৰত এক নতুন গোচৰ ৰুজু কৰি তদন্ত প্ৰক্ৰিয়া তীব্ৰতৰ কৰি তুলিছে।

# যোৰহাটৰ ৰাজেশ বৰদলৈলৈ ৰাষ্ট্ৰীয় শিক্ষক বঁটা

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**যোৰহাট, ২১ আগষ্ট ঃ** বিদ্যালয় শিক্ষা আৰু সাক্ষৰতা বিভাগে ঘোষণা কৰা ৰাষ্ট্ৰীয় শিক্ষক বঁটা ২০২৬ৰ বাবে অসমৰ একমাত্ৰ শিক্ষকৰূপে যোৰহাটৰ ৰাজেশ বৰদলৈ নিৰ্বাচিত হৈছে। উত্তৰ-পশ্চিম যোৰহাটৰ কলবাৰী আদৰ্শ জনজাতি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক বৰদলৈ এই সন্মানৰ বাবে নিৰ্বাচিত হোৱাত যোৰহাটৰ লগতে অসমৰ শিক্ষা মহলত আনন্দৰ সৃষ্টি হৈছে। যোৰহাটৰ বৰভেটা জেইল ৰোডৰ নিবাসী বৰদলৈ ছাত্ৰাৱস্থাৰ পৰাই মেধাৱী আছিল। কৰ্মজীৱনৰ আৰম্ভণিতে সৰ্বশিক্ষা অভিযানৰ স'তে জড়িত হৈ সমল ব্যক্তিৰূপে দায়িত্ব পালন কৰাৰ পাছত তেওঁ স্থায়ী শিক্ষক পদত নিযুক্তি লাভ কৰে। সম্প্ৰতি তেওঁ কলবাৰী আদৰ্শ জনজাতি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত সহকাৰী শিক্ষকৰূপে কৰ্মৰত। দেশৰ মুঠ ৪৮ গৰাকী শিক্ষকক ৰাষ্ট্ৰীয় শিক্ষক বঁটা ২০২৬ৰ বাবে নিৰ্বাচিত কৰা হৈছে। উল্লেখ্য যে নেছনেল জুৰি ব'ৰ্ডে যোৱা ১৩ আগষ্টত ভিডিঅ' কনফাৰেন্সৰ জৰিয়তে গুৱাহাটীৰ পৰা বৰদলৈৰ সাক্ষাৎকাৰ গ্ৰহণ কৰিছিল। অসমৰ একমাত্ৰ শিক্ষকৰূপে তেওঁৰ নিৰ্বাচনে যোৰহাটৰ শিক্ষা ক্ষেত্ৰলৈ বিশেষ স্বীকৃতি কঢ়িয়াই আনিছে।

# জয়ন্তী দেৱীৰ মৃত্যুত শোক




**অগ্ৰদূত বাৰ্তা**
**ছিপাঝাৰ, ২১ আগষ্ট ঃ** দৰং জিলাৰ হাজৰিকাপাৰা গাঁৱৰ ৰঙাষাড়পাৰা নিৱাসী প্ৰয়াত অৰুণ শৰ্মাৰ সহধৰ্মিণী তথা সৰবৰহী মহিলা জয়ন্তী দেৱী (৬৩)ৰ যোৱা নিশা গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। হাঁওফাঁওৰ এক ৰোগত আক্ৰান্ত হৈ কিছুদিন নেমকেয়াৰ হাস্পতালত চিকিৎসাধীন হৈ থাকি তেওঁ শেহতীয়াভাৱে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন হৈ আছিল। দেৱীয়ে মৃত্যুৰ সময়ত একমাত্ৰ পুত্ৰ ৰিপন শৰ্মা, জীয়ৰী তৃষ্ণা দেৱী, জোঁৱাই অনন্ত শৰ্মা, নাতি-নাতিনী আৰু বহু গুণমুগ্ধক ইহসংসাৰত এৰি যায়। সৰ্বজনপ্ৰিয় তথা মৰমিয়াল মহিলাগৰাকীৰ মৃত্যুত অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰে।

# কাহিলীপাৰাৰ উজ্জ্বল নগৰত শ্ৰীশ্ৰীকৃষ্ণ জন্মাষ্টমী উৎসৱৰ আয়োজন

**গুৱাহাটী, ২১ আগষ্ট ঃ** অহা তিনি আৰু চাৰি ছেপ্টেম্বৰত বৰ্ণাঢ্য কাৰ্যসূচীৰে উজ্জ্বল নগৰ ৰাজহুৱা নামঘৰ প্ৰাংগণত ৩৮ সংখ্যক শ্ৰীশ্ৰীকৃষ্ণ জন্মাষ্টমী উৎসৱ উদ্‌যাপন কৰিবলৈ আয়োজন কৰা হৈছে। জন্মাষ্টমী উৎসৱৰ প্ৰথম দিনা উদ্‌যাপন সমিতিৰ সভাপতি ধৰ্মকান্ত ডেকাই পতাকা উত্তোলনেৰে উৎসৱৰ আৰম্ভণি কৰিব। ইয়াৰ পাছত স্মৃতি তৰ্পণ কৰিব উদ্‌যাপন সমিতিৰ উপদেষ্টা ঘনকান্ত কলিতা আৰু সুৰেশ চন্দ্ৰ দাসে। জন্মাষ্টমী উৎসৱ উপলক্ষে ল'ৰা-ছোৱালীৰ মাজত বিভিন্ন খেল-ধেমালি প্ৰতিযোগিতা, চিত্ৰাংকন প্ৰতিযোগিতা, আকস্মিক বক্তৃতা, কবিতা আবৃত্তি, কুইজ আৰু লোকগীত প্ৰতিযোগিতা অনুষ্ঠিত কৰা হ'ব। দিনৰ ১০.৩০ বজাৰ পৰা মহিলাৰ দিহানাম প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। মহিলাৰ দিহানাম প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ নগদ ১২ হেজাৰ টকা আৰু বঁটা, দ্বিতীয় পুৰস্কাৰ নগদ ন হেজাৰটকা আৰু বঁটা, তৃতীয় পুৰস্কাৰ নগদ সাত হেজাৰ টকা আৰু বঁটা! সন্ধিয়া সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিব কণ্ঠশিল্পী ৰূপালী কাশ্যপে। সাংস্কৃতিক অনুষ্ঠানত স্থানীয় শিল্পীৰ লগতে আমন্ত্ৰিত শিল্পী চুইটী দাসে গীত পৰিৱেশন কৰিব। দ্বিতীয় দিনা ভাগৱত শোভাযাত্ৰা আৰু ঊষা কীৰ্তন আৰম্ভ হ'ব। ইয়াৰ পিছত সৰু ল'ৰা-ছোৱালীৰ (সাত বছৰ বয়সলৈকে) মাজত শ্ৰীশ্ৰীকৃষ্ণৰ ৰূপ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। দিনৰ ১০.৩০ বজাৰ পৰা ভাগৱত পাঠ কৰিব সতীশ তহবিলদাৰে আৰু ১২.৩০ বজাৰ পৰা স্থানীয় আয়তীসকলৰ নাম-প্ৰসংগ অনুষ্ঠিত হ'ব। আবেলি মুকলি আৰু বঁটা বিতৰণী সভা অনুষ্ঠিত হ'ব। সভাত অন্যান্য অতিথিৰ লগতে নিৰ্দিষ্ট বক্তা হিচাপে যুৱ বক্তা এঞ্জেলা চাংমাই অংশ গ্ৰহণ কৰিব। মুকলি সভাত বিজয়ী প্ৰতিযোগীসকলক বঁটা প্ৰদান কৰা হ'ব আৰু ২০২৫-২৬ৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা স্থানীয় ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জনোৱা হ'ব। সন্ধিয়া ৮.০০ বজাৰ পৰা নাগাৰা নাম অনুষ্ঠিত হ'ব। পৰিৱেশন কৰিব ৰঙিয়াৰ পাঠিকা ময়ূৰী নাথ আৰু ছিপাঝাৰৰ পাঠিকা ভূমিকা ডেকাই। দিহানাম আৰু অন্যান্য প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে ৮৭৫২৯৭৯৯০৯, ১১০১১৪৫৬৪০, ৮৪৮৬৬০১৪৪১ আৰু ৯৯৫৪৩৭৬৮৯৭ নম্বৰত যোগাযোগ কৰিব পাৰিব।

# ১০০ শতাংশ চাৰ্জৰ পিছত ফোন বিস্ফোৰণ হ'ব পাৰেনে ?




আপোনাৰ ফোনটো ৰাতিটোৰ ভিতৰতে প্লাগ ইন কৰি ৰখাটোৱে সাধাৰণতে কোনো ডাঙৰ বিপদৰ সৃষ্টি নকৰে, কাৰণ আধুনিক স্মাৰ্টফোনসমূহে অতিৰিক্ত চাৰ্জিং ৰোধ কৰিবলৈ চাৰ্জিং প্ৰক্ৰিয়াটো নিজেই পৰিচালনা কৰে। কিন্তু দৈনিক দীৰ্ঘ সময়ৰ বাবে ফোনটো ১০০ শতাংশ চাৰ্জত ৰাখিলে আৰু ইয়াক অতিমাত্ৰা গৰম হ'বলৈ দিলে বেটাৰীৰ দীৰ্ঘায়ুত প্ৰভাৱ পৰিব পাৰে। কেইটামান সহজ সাৱধানতা মানি চলিলে আপুনি বেটাৰীটো অধিক সময়ৰ বাবে ভাল অৱস্থাত ৰাখিব পাৰে।

স্মাৰ্টফোন আমাৰ দৈনন্দিন জীৱনৰ এক অপৰিহাৰ্য অংগ হৈ পৰিছে। বেটাৰী শেষ নহয় তাৰ বাবে বহুতে শুই উঠাৰ আগতে নিজৰ ফোন প্লাগ ইন কৰি সাৰ পোৱাৰ লগে লগে আনপ্লাগ কৰে। ইয়াৰ ফলত প্ৰায়ে এটা প্ৰশ্ন উত্থাপন হয় যে ১০০ শতাংশ চাৰ্জ পোৱাৰ পিছতো ফোনটো প্লাগ ইন হৈ থাকিলে বেটাৰীৰ ক্ষতি হয়নে ? এই লেখাটোত আমি বুজাই দিছো যে যদি আপুনি আপোনাৰ ফোনটো সম্পূৰ্ণ চাৰ্জ হোৱাৰ পিছত আনপ্লাগ নকৰে তেন্তে কি হয়। জানো আহক।

**স্মাৰ্টফোনত এই প্ৰযুক্তিৰ বৈশিষ্ট্য আছে**

সহজ ভাষাত ক'বলৈ গ'লে, ফোনটো ৰাতিটোৰ বাবে প্লাগ ইন কৰি ৰাখিলে মাজে মাজে কোনো বিশেষ ক্ষতি নহয়। আধুনিক স্মাৰ্টফোনত এনে প্ৰযুক্তি সজ্জিত কৰা হৈছে যাৰ ফলত বেটাৰী অতিমাত্ৰা চাৰ্জ হোৱাত বাধা দিয়ে। বেটাৰী ১০০ শতাংশ পোৱাৰ পিছত ফোনটোৰ চাৰ্জিং চিষ্টেমে পাৱাৰ ইনপুট নিয়ন্ত্ৰণ কৰে। ইয়াৰ পিছত, ই পটভূমি প্ৰক্ৰিয়া বা অধিসূচনাৰ ফলত হোৱা সৰু বেটাৰী খৰচৰ ক্ষতিপূৰণ দিবলৈ প্ৰয়োজনীয় শক্তিহে লয়।

**বেটাৰীৰ বাবে আদৰ্শ নহয়**

কিন্তু ইয়াৰ অৰ্থ এইটো নহয় যে প্ৰতিদিনে ফোনটো ১০০ শতাংশ প্লাগ ইন কৰি ৰখাটো বেটাৰীৰ বাবে ভাল। দীৰ্ঘ সময়ৰ বাবে সম্পূৰ্ণ চাৰ্জ বজাই ৰাখিলে বেটাৰীত ভল্টেজৰ চাপ পৰে। ইয়াৰ ফলত সময়ৰ লগে লগে বেটাৰীৰ ক্ষমতা হ্ৰাস পোৱাৰ হাৰ ত্বৰান্বিত হ'ব পাৰে।

**ফোনটো গৰম হ'লে কি হ'ব ?**

যদি ফোনটোও চাৰ্জ কৰাৰ সময়ত গৰম হয় তেন্তে এই প্ৰভাৱ আৰু অধিক তীব্ৰতৰ হ'ব পাৰে। সেইবাবেই বহু আধুনিক স্মাৰ্টফোনত বেটাৰীৰ স্বাস্থ্য ৰক্ষাৰ বাবে ডিজাইন কৰা বিশেষ বৈশিষ্ট্য আছে। আইফোনত অপ্টিমাইজড বেটাৰী চাৰ্জিং আৰু চেমচাং আৰু গুগল ফোনত এডাপ্টিভ চাৰ্জিংৰ দৰে বৈশিষ্ট্যই স্বয়ংক্ৰিয়ভাৱে চাৰ্জিং প্ৰক্ৰিয়া পৰিচালনা কৰে। বহুতো এণ্ড্ৰইড ফোনত ৮০ বা ৮৫ শতাংশ চাৰ্জিং বন্ধ কৰাৰ বিকল্পও আছে। ইয়াৰ উপৰিও ফোনটোৰ উষ্ণতা বৃদ্ধি হ'লে চাৰ্জিং লেহেমীয়া বা বন্ধ কৰাৰ ব্যৱস্থা আছে।

**১০০ শতাংশ চাৰ্জিং এৰক**

যদি আপুনি আপোনাৰ বেটাৰীক দীৰ্ঘম্যাদীভাৱে ভাল অৱস্থাত ৰাখিব বিচাৰে, তেন্তে চাৰ্জ অতি কম স্তৰলৈ নামিবলৈ নিদিয়াকৈ বা বাৰে বাৰে ১০০ শতাংশ লৈকে যাবলৈ নিদিবলৈ চেষ্টা কৰক। ২০ ৰ পৰা ৮০—৯০ শতাংশৰ ভিতৰত চাৰ্জৰ স্তৰ বজাই ৰখাটো আদৰ্শ বুলি গণ্য কৰা হয়। লগতে চাৰ্জ কৰাৰ সময়ত ফোনটো কম্বল বা বিচনাৰ তলত ৰখাৰ পৰা বিৰত থাকক; ইয়াৰ পৰিৱৰ্তে, ইয়াক কঠিন, ঠাণ্ডা পৃষ্ঠত ৰাখক আৰু এটা উচ্চমানৰ চাৰ্জাৰ ব্যৱহাৰ কৰক।

সামগ্ৰিকভাৱে, আপোনাৰ ফোনটো ৰাতিটোৰ ভিতৰতে প্লাগ ইন কৰি ৰখাটো বিপজ্জনক নহয়, কিন্তু আপোনাৰ চাৰ্জিং অভ্যাসৰ প্ৰতি অলপ মনোযোগ দিলে বছৰ বছৰ ধৰি বেটাৰীৰ স্বাস্থ্য ৰক্ষা কৰাত সহায়ক হ'ব পাৰে।

দৈনিক অগ্ৰদূত শনিবৰীয়া

গুৱাহাটী, ২২ আগষ্ট, ২০২৬ শনিবাৰ, পৃষ্ঠা ১২

বৰ্ণালী

**ভিকি আৰু কেটৰিনাই এটা সুখী বিবাহৰ বাবে সহজ মন্ত্ৰ শ্বেয়াৰ কৰিছে। কেনেকৈ সুন্দৰ বৈবাহিক সম্পৰ্ক বজাই ৰাখিব পাৰি সেই সন্দৰ্ভত ভিকিৰ এটা পুৰণি বক্তব্যই পুনৰবাৰ নেটিজেনৰ দৃষ্টি আকৰ্ষণ কৰিছে**

# কেনেকৈ সুন্দৰ বৈবাহিক সম্পৰ্ক বজাই ৰাখিব পাৰি

## ভিকি-কেটৰিনাৰ তিনিটা সহজ মন্ত্ৰ শ্বেয়াৰ



ভিকি কৌশল আৰু কেটৰিনা কাইফক বলীউডৰ অন্যতম আদৰ্শ দম্পতী হিচাপে গণ্য কৰা হয়। অভিনয়ৰ দক্ষতাৰ বাহিৰেও ভিকিক এজন আদৰ্শ জীৱন সংগী হিচাপে সঘনাই প্ৰশংসা কৰা হয়। সুন্দৰ আৰু স্থায়ী বিবাহ বজাই ৰখাৰ বিষয়ে তেওঁ দিয়া এটা পুৰণি অথচ অতি উল্লেখযোগ্য বক্তব্য শেহতীয়াকৈ পুনৰ উত্থাপিত হৈছে আৰু নেটিজেনসকলৰ দৃষ্টি আকৰ্ষণ কৰিছে। ভিকি কৌশলৰ মতে বিবাহ 'এৰেঞ্জড' হওক বা 'লাভ মেৰেজ' হওক, প্ৰেম আৰু পাৰস্পৰিক বুজাবুজি হৈছে সম্পৰ্কটো স্থায়ী কৰি ৰখাৰ বাবে আটাইতকৈ প্ৰয়োজনীয় উপাদান।

শেহতীয়াকৈ দিয়া এক সাক্ষাৎকাৰত সফল বিবাহিত জীৱন নিশ্চিত কৰাৰ উপায়ৰ বিষয়ে আলোচনা কৰি থাকোঁতে ভিকি কৌশলে তিনিটা মূল কাৰকৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল:

**প্ৰেম আৰু সহানুভূতি:** প্ৰেমে যিকোনো বিবাহৰ ভেটি গঠন কৰে, লগতে ইজনে সিজনৰ প্ৰতি দয়ালু মনোভাৱ।

**পাৰস্পৰিক বুজাবুজি:** দুজন ব্যক্তিৰ মানসিকতা আৰু ব্যক্তিত্ব বেলেগ বেলেগ হ'ব পাৰে। ভিকিয়ে কোৱাৰ দৰে, আপোনাৰ সংগীক সম্পূৰ্ণৰূপে সলনি কৰাৰ প্ৰয়োজন নাই। মই যে এজন সুকীয়া ব্যক্তি আৰু তাইও সেই সৰল সত্যটো গ্ৰহণ কৰা-আৰু তাৰ পিছত এক ভাগ-বতৰা বুজাবুজি গঢ়ি তোলাটোৱেই-সঁচা অৰ্থত গুৰুত্বপূৰ্ণ।ক্টি

**পাৰিবাৰিক সুখঃ** সম্পৰ্কৰ ভিতৰত যদি পাৰস্পৰিক বুজাবুজি থাকে আৰু পৰিয়ালত সুখৰ প্ৰাধান্য থাকে, তেন্তে বিবাহৰ ধৰণ ব্যৱস্থা বা প্ৰেম এটা উল্লেখযোগ্য বিষয় হোৱা বন্ধ হৈ পৰে। মনোবিজ্ঞানীসকলে ভিকি কৌশলৰ মতামতক সম্পূৰ্ণৰূপে সমৰ্থন কৰি আৰু তিনিটা কথা যোগ কৰিছে:

**অহংকাৰ আৰু অত্যধিক আশাক এৰি দিয়া:** এজন অংশীদাৰৰ মতামত বেলেগ হ'ব পাৰে, কিন্তু পাৰস্পৰিক সন্মান অতি গুৰুত্বপূৰ্ণ। ইগো আৰু অবাস্তৱিক আশাই সম্পৰ্কক তিক্ত কৰি তুলিব পাৰে।

**সঠিক যোগাযোগঃ** কোনোবাই আক্ৰমণাত্মক নহৈ নিজৰ প্ৰয়োজন আৰু অনুভৱ নিজৰ সংগীৰ আগত প্ৰকাশ কৰিব লাগে। তুচ্ছ কথাবোৰৰ পৰা ডাঙৰ কথা নহয়: দৈনন্দিন সৰু সৰু মতানৈক্যবোৰক অনুপাতৰ বাহিৰত উৰুৱাই দিয়াতকৈ গ্ৰহণ কৰাৰ মানসিকতা গঢ়ি তোলাটো গুৰুত্বপূৰ্ণ; কিন্তু ডাঙৰ বিষয়বোৰ আওকাণ কৰা উচিত নহয় বৰঞ্চ আলোচনাৰ জৰিয়তে সমাধান কৰা উচিত।

**ভিকি কৌশলৰ মতে সুখী বিবাহৰ বাবে আটাইতকৈ গুৰুত্বপূৰ্ণ কাৰক কি ?**

উত্তৰঃ বিকি কৌশলৰ মতে, সেয়া আয়োজিত হওক বা প্ৰেমৰ বিবাহ হওক, সম্পৰ্কটো টিকিয়াই ৰখাৰ চাবিকাঠি নিহিত হৈ আছে প্ৰেম, সহানুভূতি আৰু নিজৰ সংগী সলনি কৰিবলৈ চেষ্টা নকৰাকৈ পাৰস্পৰিক বুজাবুজি গঢ়ি তোলা।

**সংগীৰ মানসিকতা সলনি কৰাৰ সন্দৰ্ভত বিকি কৌশলে কি পৰামৰ্শ দিছে?**

উত্তৰঃ বিকীয়ে উল্লেখ কৰিছে যে বিয়াৰ পিছত নিজৰ বা সংগীৰ ব্যক্তিত্ব সম্পূৰ্ণৰূপে সলনি কৰাৰ প্ৰয়োজন নাই। আচল লক্ষ্য হ'ল দুজন সুকীয়া ব্যক্তিক গ্ৰহণ কৰি এক সুন্দৰ বুজাবুজি গঢ়ি তোলা।

**ইগোৱে বিবাহিত জীৱনত কেনে প্ৰভাৱ পেলায় ?**

উত্তৰঃ থেৰাপিষ্টসকলৰ মতে ইগো বা অত্যধিক আশাই বৈবাহিক সম্পৰ্কৰ আৱেগিক ভাৰসাম্য বিঘ্নিত কৰি তিক্ততাৰ জন্ম দিয়ে।

# প্ৰেমৰ সম্পৰ্কত সুস্থভাৱে কেনেকৈ তৰ্কত জয়ী হ'ব ?

প্ৰেমৰ সম্পৰ্কত তৰ্ক-বিতৰ্ক অনিবাৰ্য। বিশেষজ্ঞসকলে কয় যে ভুল পদ্ধতিৰে চম্ভালি লোৱা যুক্তিৰ ফলত সুস্থ সম্পৰ্কবোৰ প্ৰায়ে নষ্ট হৈ পৰে। অন্যায়ভাৱে যুঁজি নোযোৱাকৈ তৰ্ক কৰাৰ ১২টা সুস্থ উপায় আগবঢ়োৱা হ'ল:

১ হঠাতে তৰ্ক আৰম্ভ নকৰিব। শান্তভাৱে বিষয়টো উত্থাপন কৰক, হয়তো গৰম চাহ, কফি বা কিছুমান জলপানৰ ওপৰত।

২ এটা ভিত্তি নিয়ম নিৰ্ধাৰণ কৰক: কঠোৰ শব্দ, অশ্লীল শব্দ, অপমান বা কটুক্তি নকৰিব।

৩ লাহে লাহে আৰু নিম্ন শান্ত মাতেৰে কথা কওক।

৪ অনুসন্ধিৎসু হওক। আপুনি কেনেকৈ তেনেকুৱা কৰিব পাৰিলে ? বুলি সোধাৰ সলনি সেই মুহূৰ্তত আপুনি কি ভাবি আছিল ?

৫ যুক্তিযুক্তভাৱে কথা কওক আৰু অযুক্তিকৰ কথা কোৱাৰ পৰা বিৰত থাকক।

৬ সমস্যাৰ মূল কাৰণ চিনাক্ত কৰা। হয়তো কেৱল দামী বস্তু এটা কিনাৰ কথাই নহয়; দীৰ্ঘদিনীয়া অৱহেলা বা অসন্মানো ইয়াৰ অন্তৰ্নিহিত বিষয় হ'ব পাৰে।

৭ কোমল স্পৰ্শ, যেনে হাত ধৰি বা কান্ধত হাত ৰখা, টেনচন বিয়পাই দিয়াত সহায় কৰিব পাৰে।

৮ সময়ে সময়ে লিখিতভাৱেও নিজৰ অনুভৱ প্ৰকাশ কৰিব পাৰে।

৯ যদি আলোচনা বেছি উত্তপ্ত হয়, তেন্তে পিছত কথা-বতৰা আগবঢ়াই নিয়াৰ পৰামৰ্শ দিব।

১০ আপোনাৰ সংগীৰ কথা ভালদৰে শুনা, তাৰ পিছত চিন্তাশীলভাৱে সঁহাৰি দিব।


১১ ক্লেম আপ বা চিঞৰিব নালাগে; নিজৰ অনুভৱবোৰ মুকলিকৈ প্ৰকাশ কৰক।

১২ প্ৰতিটো সমস্যা এদিনতে সমাধান কৰিব নোৱাৰি। এনেকুৱা কিবা এটা কওক, মই তোমাক ভাল পাওঁ। আজি নহ'লে কাইলৈ এই বিষয়ে কথা পাতিব পাৰিম। আমি একেলগে এই সমস্যাটো সমাধান কৰিম।



**যিকোনো ফটো বা ভিডিঅ' মচি পেলোৱাৰ আগতে, নিশ্চিত কৰক যে আপোনাৰ ফোন, কম্পিউটাৰ বা অন্য সংৰক্ষণত এটা বেকআপ কপি আছে। লগতে, আপোনাৰ সংৰক্ষণ সংপৃক্ত নহয় সুনিশ্চিত কৰিবলে সময়ে সময়ে সংৰক্ষণ ব্যৱস্থাপনা কৰক, অংশ নিৰীক্ষণ কৰক**

# গুগল ফটোৰ ষ্ট'ৰেজ ভৰি পৰিলে গুৰুত্বপূৰ্ণ ফটো ডিলিট নকৰাকৈ ঠাই মুক্ত কৰক



আমি সকলোৱে আমাৰ দৈনন্দিন স্মৃতি ৰক্ষাৰ বাবে গুগল ফটোৰ ওপৰত বহু পৰিমাণে নিৰ্ভৰশীল। কিন্তু সমস্যাটো আৰম্ভ হয় যেতিয়া আমাৰ ১৫জিবি বিনামূলীয়া ক্লাউড ষ্ট'ৰেজ সম্পূৰ্ণৰূপে ভৰি পৰে। এবাৰ ই ভৰ্তি হ'লে আপোনাৰ নতুন ফটোৰ বেকআপ লোৱাই নহয়, জিমেইল আৰু গুগল ড্ৰাইভৰ দৰে গুৰুত্বপূৰ্ণ সেৱাসমূহেও কাম কৰা বন্ধ কৰি দিয়ে।

এই সমস্যা সমাধানৰ বাবে আপোনাৰ কোনো গুৰুত্বপূৰ্ণ ফটো ডিলিট কৰাৰ প্ৰয়োজন নাই। আপোনাৰ গুগল একাউণ্টত অধিক ঠাই মুকলি কৰিবলৈ কেইটামান সহজ আৰু চতুৰ কৌশল চেষ্টা কৰক। কেনেকৈ জানো আহক...

**প্ৰথমে জানি লওক যে কিহৰ দ্বাৰা ষ্ট'ৰেজ লোৱা হৈছে**

যিকোনো ফাইল মচি পেলোৱাৰ আগতে কিহে বেছি ঠাই লৈছে সেইটো চিনাক্ত কৰাটো গুৰুত্বপূৰ্ণ। ইয়াৰ বাবে গুগল ফটোৰ সংৰক্ষণ ব্যৱস্থাপনা অংশলৈ যাওক। ইয়াত আপুনি ডাঙৰ ভিডিঅ' ফাইল, স্ক্ৰীণ ৰেকৰ্ডিং, হোৱাটছএপ বেকআপ, স্ক্ৰীণশ্বট, আৰু অন্যান্য গধুৰ ফাইলৰ বিষয়ে তথ্য পাব। ইয়াৰ ফলত কি মচি পেলাব আৰু কি ৰাখিব সেইটো নিৰ্ণয় কৰাত সহজ হ'ব।

**ম্লান আৰু ডুপ্লিকেট ফটো আঁতৰাই পেলাওক**

Google Photos এ প্ৰায়ে ম্লান ফটো, স্ক্ৰীণশ্বট, আৰু একাধিক অনুৰূপ ফটো পৃথক শ্ৰেণীত প্ৰদৰ্শন কৰে। যদি কোনো ফাইল আছে যাৰ আৰু প্ৰয়োজন নাই, সিহতক মচি পেলালে উল্লেখযোগ্য সংৰক্ষণ মুক্ত হব পাৰে ।

ইয়াৰ দ্বাৰা আপোনাৰ গুৰুত্বপূৰ্ণ ফটোসমূহ সুৰক্ষিত হৈ থাকিব।

**. সংৰক্ষণ সংৰক্ষক সংহতি ব্যৱহাৰ কৰক**

যদি আপুনি প্ৰতিখন ফটো "Original Quality" ত বেকআপ লৈছে, তেন্তে আপোনাৰ 15GB স্থান পূৰণ হ'বলৈ বেছি সময় নালাগিব। সৰ্বোত্তম সমাধান হল এপটোৰ ছেটিংছলৈ গৈ ষ্ট'ৰেজ চেভাৰ নিৰ্বাচন কৰা। এই স্মাৰ্ট পদ্ধতিয়ে আপোনাৰ ফটো আৰু ভিডিঅ'ৰ ফাইলৰ আকাৰ বহু পৰিমাণে হ্ৰাস কৰে। আটাইতকৈ ভাল কথাটো হ'ল সাধাৰণ ব্যৱহাৰৰ সময়ত বা মোবাইলৰ পৰ্দাত চালে গুণগত মানৰ কোনো লক্ষণীয় পাৰ্থক্য দেখা নাযায়।

**গধুৰ ভিডিঅ' ফাইলসমূহ স্থানান্তৰ কৰক**

৪ ৰিজ'লিউচন ভিডিঅ' আৰু দীঘলীয়া ৰেকৰ্ডিং ক্লাউড ষ্ট'ৰেজৰ আটাইতকৈ ডাঙৰ শত্ৰু। যদি আপুনি এই ভিডিঅ'সমূহ চিৰদিনৰ বাবে ক্লাউডত ৰখাৰ প্ৰয়োজন নাই, তেন্তে সিহতক আপোনাৰ কম্পিউটাৰ, লেপটপ, বাহ্যিক হাৰ্ড ড্ৰাইভ, বা পেন ড্ৰাইভলৈ স্থানান্তৰ কৰক। এইটো কৰাৰ পিছত যেতিয়া আপুনি সেইবোৰ গুগল ফটোৰ পৰা মচি পেলাব, তেতিয়া আপুনি তৎক্ষণাত যথেষ্ট পৰিমাণৰ বিনামূলীয়া ঠাই ঘূৰাই পাব।

**অবাঞ্চিত ফোল্ডাৰসমূহৰ বেকআপ তৎক্ষণাত বন্ধ কৰক**

বহু সময়ত, আমি গম নাপাওঁ, আৰু আমাৰ ফোনত বহুতো অবাঞ্চিত ফোল্ডাৰ বেকআপত বেকআপ লোৱা হৈছে। WhatsApp ছবি, ডাউনলোড, বা স্ক্ৰীণশ্বট থকা ফোল্ডাৰসমূহৰ বাবে অটো-বেকআপ সক্ৰিয় কৰা হৈছে নে নাই চাবলৈ আপোনাৰ ছেটিংছ পৰীক্ষা কৰক। ক্লাউডত সংৰক্ষণ কৰাৰ প্ৰয়োজন নোহোৱা মিম আৰু ফৰৱাৰ্ড কৰা ছবি থকা ফোল্ডাৰসমূহৰ বাবে বেকআপসমূহ তৎক্ষণাত বন্ধ কৰক।

**অধিক ঠাইৰ বাবে গুগল ৱানৰ পৰিকল্পনা বিবেচনা কৰক**

যদি আপুনি এজন শক্তিশালী ব্যৱহাৰকাৰী, বহুতো গুৰুত্বপূৰ্ণ তথ্য আছে, আৰু আপোনাৰ ফটো বা ভিডিঅ'সমূহ অন্য ঠাইলৈ লৈ যাব নিবিচাৰে, তেন্তে প্ৰিমিয়াম বিকল্প বাছি লোৱাটো বুদ্ধিমানৰ কাম। আপোনাৰ প্ৰয়োজন অনুসৰি গুগল ৱান প্লেন বাছি ল'ব পাৰে। ই আপোনাক মৌলিক ১৫ জিবিতকৈ বহু বেছি ক্লাউড স্থান দিয়ে, যিটো আপুনি গুগল ফটো, জিমেইল, আৰু গুগল ড্ৰাইভত ব্যৱহাৰ কৰিব পাৰে।

**এইবোৰ কথাত বিশেষ গুৰুত্ব দিয়ক**

যিকোনো ফটো বা ভিডিঅ' মচি পেলোৱাৰ আগতে, নিশ্চিত কৰক যে আপোনাৰ ফোন, কম্পিউটাৰ বা অন্য সংৰক্ষণত এটা বেকআপ কপি আছে। লগতে, আপোনাৰ সংৰক্ষণ সংপৃক্ত নহয় সুনিশ্চিত কৰিবলে সময়ে সময়ে সংৰক্ষণ ব্যৱস্থাপনা কৰক, অংশ নিৰীক্ষণ কৰক।

# এয়াৰ ফ্ৰাইয়াৰত ষ্টেইনলেছ ষ্টীলৰ ৰন্ধন সামগ্ৰী ব্যৱহাৰ কৰিব পাৰিনে ?

**এয়াৰ ফ্ৰাইয়াৰত অতি কম তেলেৰে ভজা খাদ্য ৰান্ধিব পাৰি। কিন্তু আপুনি জানেনে এয়াৰ ফ্ৰাইয়াৰত কেনেধৰণৰ ৰন্ধন সামগ্ৰী ব্যৱহাৰৰ বাবে উপযোগী ?**

আধুনিক পাকঘৰত এয়াৰ ফ্ৰাইয়াৰে স্থান বিচাৰি পাইছে। এতিয়া, ভজা খাদ্যৰ সোৱাদৰ লগত আৰু আপোচ কৰিব নালাগে; আপুনি যথেষ্ট কম তেল ব্যৱহাৰ কৰি একে সোৱাদ উপভোগ কৰিব পাৰে। ইয়াৰ উপৰিও ৰন্ধা-বঢ়া কৰি থাকোঁতে ষ্ট'ভৰ ওপৰত থিয় হৈ থকাৰ কোনো হেঁচা নাই-কেৱল টাইমাৰটো ছেট কৰক, আৰু কামটো শেষ হৈ যায়। কিন্তু এয়াৰ ফ্ৰাইয়াৰত কোন ধৰণৰ ৰন্ধন সামগ্ৰী ব্যৱহাৰ কৰাটো নিৰাপদ আপুনি জানেনে ?



**এয়াৰ ফ্ৰাইয়াৰত কি ধৰণৰ ৰন্ধন সামগ্ৰী ব্যৱহাৰ কৰিব পাৰি ?**

ষ্টেইনলেছ ষ্টীলৰ পৰা আৰম্ভ কৰি কাঁচলৈকে সকলো বস্তু এয়াৰ ফ্ৰাইয়াৰত ব্যৱহাৰ কৰিব পাৰি। কিন্তু এটা গুৰুত্বপূৰ্ণ কথা মনত ৰাখিব লাগিব যে ৰন্ধন সামগ্ৰীবোৰ অভেন-নিৰাপদ হ'ব লাগিব। অন্যথা ই এয়াৰ ফ্ৰাইয়াৰৰ ক্ষতি কৰিব পাৰে।

**এয়াৰ ফ্ৰাইয়াৰত কোনবোৰ ষ্টেইনলেছ ষ্টীলৰ পাত্ৰ ব্যৱহাৰ কৰিব পাৰি ?**


এয়াৰ ফ্ৰাইয়াৰে সৰু কনভেকচন অভেনৰ দৰেই কাম কৰে, ৰন্ধা-বঢ়াৰ বাবে গৰম বতাহ ব্যৱহাৰ কৰে। গতিকে অভেনত সুৰক্ষিত ষ্টেইনলেছ ষ্টীলৰ পাত্ৰ ব্যৱহাৰ কৰিব পাৰে। ষ্টেইনলেছ ষ্টীলৰ বাটি আৰু ট্ৰে উপযুক্ত বিকল্প। মাত্ৰ নিশ্চিত হওক যে তেওঁলোকে উচ্চ উষ্ণতা সহ্য কৰিব পাৰে। যদি পাত্ৰত প্লাষ্টিকৰ হেণ্ডেল, আৱৰণ বা আঠাৰে সংযুক্ত অংশ থাকে তেন্তে ব্যৱহাৰ নকৰিব। ইয়াৰ উপৰিও পাত্ৰটো এয়াৰ ফ্ৰাইয়াৰৰ টোপোলাৰ ভিতৰত সোমাব পৰাকৈ সৰু হ'ব লাগে।

**এলুমিনিয়াম ফয়েল ব্যৱহাৰ কৰিব পাৰিনে ?**

এয়াৰ ফ্ৰাইয়াৰত খাদ্য ৰন্ধা-বঢ়াৰ বাবে এটা বিল্ট-ইন বাস্কেট বা ট্ৰে থাকে। কিন্তু খাদ্য পোনে পোনে টোপোলাত ৰাখিলে ইয়াক অতি অগোছাল আৰু পৰিষ্কাৰ কৰাত কঠিন কৰি তুলিব পাৰে। ফলস্বৰূপে বহুতে ঝুৰিটোত এলুমিনিয়াম ফয়েল লাইন কৰি ৰাখে। এই কৌশলটোও ব্যৱহাৰ কৰিব পাৰে, কিন্তু গোটেই ঝুৰিটো ফয়েলত মেৰিয়াই লোৱাৰ পৰা বিৰত থাকক। লগতে প্ৰতিটো ৰন্ধা-বঢ়াৰ পিছত এলুমিনিয়াম ফয়েল সলনি কৰাটো নিশ্চিত কৰক।

**কোনবোৰ সামগ্ৰী পৰিহাৰ কৰিব লাগে ?**

এয়াৰ ফ্ৰাইয়াৰত প্লাষ্টিক একেবাৰে ব্যৱহাৰ কৰিব নালাগে। মাইক্ৰ'ৱেভ-নিৰাপদ বুলি লেবেল নথকা পাত্ৰবোৰো এয়াৰ ফ্ৰাইয়াৰত ব্যৱহাৰ কৰিব নালাগে; এই কথা চিৰামিক পাত্ৰৰ ক্ষেত্ৰতো প্ৰযোজ্য। একেদৰে কাঠৰ বাচন বা আৱৰণযুক্ত ৰন্ধন বাচন ব্যৱহাৰ কৰিব নালাগে। অৱশ্যে নিয়মীয়া কাগজৰ সলনি বাটাৰ পেপাৰ ব্যৱহাৰ কৰিব পাৰি।






# সুদীৰ্ঘ ১৫ বছৰৰ পাছত মহিলাৰ ডাবলছত পদক নিশ্চিত ভাৰতৰ

## বিশ্ব বেডমিণ্টনৰ ছেমি ফাইনেলত তৃষা-গায়ত্ৰী

**নিউজ ব্যুৰ'**

**নতুন দিল্লী, ২১ আগষ্ট ঃ** বিশ্ব বেডমিণ্টন চেম্পিয়নশ্বিপৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিলে ভাৰতৰ গায়ত্ৰী গোপীচান্দ আৰু তৃষা জলীৰ যুটি। ইয়াৰ দ্বাৰা ১৫ বছৰৰ পাছত বিশ্ব বেডমিণ্টনত মহিলাৰ ডাবলছত পদক নিশ্চিত হ'ল ভাৰতৰ। আজিৰ কোৱাৰ্টাৰ ফাইনেলত ভাৰতৰ প্ৰতিভাৱান খেলুৱৈদ্বয়ে চতুৰ্থ বাছনিপ্ৰাপ্ত চীনৰ জিয়া ই ফান আৰু ঝেং শ্বু জিয়াং যুটিক ১৬-২১, ২১-১৫, ২১-১৩ পইণ্টৰ ব্যৱধানত পৰাস্ত কৰে। ছেমি ফাইনেলত প্ৰৱেশ কৰাৰ সূত্ৰে তেওঁলোকে কমেও ব্ৰঞ্জৰ পদক লাভ কৰাটো নিশ্চিত হ'ল।




উল্লেখ্য যে খেলখনত গায়ত্ৰী আৰু তৃষাই বৃহৎ অঘটন ঘটালে। চতুৰ্থ বাছনিপ্ৰাপ্ত শক্তিশালী চীনা যুটিটোৰ বিপক্ষে প্ৰথম গেম হেৰুওৱাৰ পাছতো তেওঁলোকে জয়লাভ কৰে। তেওঁলোকৰ এই জয়ৰ ফলত ১৫ বছৰৰ পাছত বিশ্ব বেডমিণ্টনৰ মহিলাৰ ডাবলছত ভাৰতৰ পদক নিশ্চিত হ'ল। ২০১১ত অন্তিমবাৰলৈ এই ইভেণ্টত ভাৰতৰ হৈ ব্ৰঞ্জৰ পদক জয় কৰিছিল জ্বালা গুট্টা আৰু অশ্বিনী পুনাপ্পাৰ যুটিয়ে।

অৱশ্যে পৰাস্ত হ'ল ভাৰতৰ তাৰকা পুৰুষ যুটি সাত্বিকছাইৰাজ ৰেংকিৰেড্ডী আৰু চিৰাগ ছেট্টী। আজিৰ কোৱাৰ্টাৰ ফাইনেলত বিশ্বৰ তৃতীয় ৰেংকিঙৰ চীনা যুটি লিয়াং ৱেই কিং আৰু ৱাং চাঙে ২১-১৮, ২১-৯ পইণ্টত ভাৰতীয় তাৰকাদ্বয়ক পৰাস্ত কৰে।

## বিশ্বনাথলৈ গৌৰৱ কঢ়িয়ালে প্ৰিয়াসী বৰুৱাই

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ২ আগষ্ট ঃ** মহাৰাষ্ট্ৰৰ পুণেত অনুষ্ঠিত ৰাষ্ট্ৰীয় টাইকোৱান-ডো প্ৰতিযোগিতাত সাফল্যৰে বিশ্বনাথ তথা সমগ্ৰ অসমলৈ গৌৰৱ কঢ়িয়াই আনিলে প্ৰিয়াসী বৰুৱাই। পুণেৰ মহালুংগেত ১৬ আগষ্টৰ পৰা ২১ আগষ্টলৈ অনুষ্ঠিত পঞ্চম ইণ্ডিয়া টাইকোৱান-ডো কিউৰোগী ৰাষ্ট্ৰীয় চেম্পিয়নশ্বিপত বিশ্বনাথ টাইকোৱান-ডো একাডেমীৰ প্ৰতিভাৱান খেলুৱৈ প্ৰিয়াসী বৰুৱাই সোণৰ পদক আঁজুৰি আনিবলৈ সক্ষম হয়। খেলুৱৈগৰাকী কালি বিশ্বনাথ চাৰিআলিত উপস্থিত হোৱাৰ সময়ছোৱাত তেওঁক অজস্ৰ ক্ৰীড়াপ্ৰেমী, আত্মীয় আৰু বিশ্বনাথ টাইকোৱান-ডো একাডেমীৰ খেলুৱৈ আৰু প্ৰশিক্ষক-বিষয়ববীয়াসকলে চতিয়াৰ পৰা আদৰি আনে।

## ইউএছ অপেনত নেখেলে ছিনাৰে

**নিউজ ব্যুৰ'**

**নিউ য়ৰ্ক, ২১ আগষ্ট ঃ** আগন্তুক ইউএছ অপেনৰ পৰা নাম প্ৰত্যাহাৰ কৰিলে বিশ্বৰ এক নম্বৰ পুৰুষ টেনিছ খেলুৱৈ য়ান্নিক ছিনাৰে। আঁঠুৰ আঘাতৰ বাবে ইটালীৰ তাৰকাজনে বছৰৰ অন্তিমখন গ্ৰেণ্ড শ্লামত নেখেলাৰ সিদ্ধান্ত লয়। উল্লেখ্য যে বিশ্বৰ দুই নম্বৰ ৰেংকিঙৰ কাৰ্লোছ আলকাৰাজেও আঘাতৰ বাবে সন্মানীয় প্ৰতিযোগিতাখনত খেলিব নোৱাৰিব।



*ৱাংখেড়ে ষ্টেডিয়ামত অনুশীলনৰ বিৰতিত ভাৰতৰ প্ৰাক্তন ক্ৰিকেটাৰ ধৱল কুলকাৰ্ণীৰ স'তে ৰোহিত শৰ্মা।*

## আগন্তুক কুনিবাকাই অপেন কাৰাটেলৈ অসমৰ খেলুৱৈ



**অগ্ৰদূত বাৰ্তা**

**বেৰেজীয়া, ২১ আগষ্ট ঃ** পশ্চিমবংগৰ শিলিগুৰিত অহা ২৩ আগষ্টত অনুষ্ঠিত হ'বলগীয়া সপ্তম অল ইণ্ডিয়া কুনিবাকাই অপেন কাৰাটে চেম্পিয়নশ্বিপত অসমৰ ১৬ গৰাকী খেলুৱৈ (ল'ৰা-ছোৱালী)য়ে অংশগ্ৰহণ কৰিব। জাপান কাৰাটে ডো কুনিবাকাই ইণ্ডিয়া হোনবু পশ্চিমবংগ শাখাৰ ব্যৱস্থাপনাত আয়োজিত সৰ্বভাৰতীয় এই প্ৰতিযোগিতাখনত জাপান কাৰাটে ডো কুনিবাকাই ইণ্ডিয়া হোনবু মোটোবুহা চিট'ৰিঅ'ৰ অসম শাখাৰ মুখ্য কাৰিকৰী প্ৰশিক্ষক ৰেন্সি বিপুল দাসৰ তত্ত্বাৱধানত ভাগ ল'বলগীয়া অসমৰ দলটোৰ খেলুৱৈসকল হ'ল—প্ৰজ্ঞাত জ্যোতি শইকীয়া, প্ৰিন্সি শইকীয়া, হৰ্ষিত বৰা, নীলোৎপল বৰা, সুমন কুমাৰ নাথ, বেদব্ৰত দাস, প্ৰিয়ম মজুমদাৰ, শ্ৰদ্ধা ভৌমিক, কৃষিকা দেৱ, মনীষা শৰ্মা, সুদীক্ষা দাস, জ্যোতিষ্মান শৰ্মা, কিশোৰ জইছী, প্ৰণীল কুমাৰ দাস, সমীৰ দাস আৰু পৱন দাস। ইতিমধ্যে গুৱাহাটীৰ পৰা ৰেলযোগে শিলিগুৰি অভিমুখে ৰাওনা হোৱা অসমৰ দলটোত মুখ্য প্ৰশিক্ষক তথা বিচাৰকৰূপে চিহান পংকজ মুদৈৰ লগতে টীম প্ৰশিক্ষকৰূপে প্ৰিন্সি শইকীয়া আৰু টীম মেনেজাৰৰূপে জয়ন্ত মুদৈ গৈছে।

## আন্তৰ্জাতিক কাৰাটেত দুই স্বৰ্ণ প্ৰদ্যুমনৰ

**নিউজ ব্যুৰ'**


**গুৱাহাটী, ২১ আগষ্ট ঃ** আঠ বছৰীয়া শিশু প্ৰদ্যুমন নাথে কলকাতাত দুই আগষ্টত অনুষ্ঠিত দশম আন্তৰ্জাতিক কাৰাটে চেম্পিয়নশ্বিপত দুটা সোণৰ পদক জয় কৰিছে গৌৰৱ কঢ়িয়াইছে। মহানগৰীৰ সাতগাঁৱৰ প্ৰগতি নগৰ পূবৰ নিৱাসী পুলক নাথ আৰু ছোহিনী দেৱ নাথৰ পুত্ৰ প্ৰদ্যুমনে প্ৰতিযোগিতাখনৰ কাটা আৰু কুমিটেত খিতাপ অৰ্জন কৰে। তেওঁ ছেনছেই নীলমণি ডেকাৰ তত্ত্বাৱধানত অসম ঝামিকা কাই শ্বিট'-ৰিও কাৰাটে সন্থাক প্ৰতিনিধিত্ব কৰি এই কৃতিত্ব অৰ্জন কৰে। শিশু প্ৰদ্যুমনৰ এই কৃতিত্বত পৰিয়ালৰ লগতে অঞ্চলবাসী আনন্দিত হৈছে আৰু তেওঁৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰিছে।

# বিশ্ব বেডমিণ্টনত পৰাস্ত হৈ ক্ষুব্ধ সিন্ধু

## চীনা প্ৰতিদ্বন্দ্বীৰ আঘাতৰ সত্যতাক লৈ কৰিলে প্ৰশ্ন

**নিউজ ব্যুৰ'**

**নতুন দিল্লী, ২১ আগষ্ট ঃ** বিশ্ব বেডমিণ্টনৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত পৰাস্ত হয় ভাৰতৰ তাৰকা পিভি সিন্ধু।চীনা প্ৰতিপক্ষৰ বিপক্ষে তেওঁ পৰাস্ত হয়। ইয়াৰ পাছতে দুবাৰৰ অলিম্পিক পদক বিজয়ী তাৰকাগৰাকীয়ে প্ৰতিপক্ষ চীনৰ ৱাং ঝি ইৰ আঘাতৰ বিৰতিক লৈ সন্দেহ প্ৰকাশ কৰে। পৰাজয়ৰ অন্তত সিন্ধুৱে কয়, 'নাজানো ৱাঙে সঁচাকৈয়ে আঘাত পাইছিল নে নাই। হয়তো এয়া তেওঁৰ কৌশল আছিল। মেচ জয়ৰ বাবে কৌশলী বিৰতি লৈছিল। কোনেও ক'ব নোৱাৰে, কাৰ কি পৰিকল্পনা থাকে। মই লক্ষ্যত স্থিৰ থকাৰ চেষ্টা



কৰিছো, ধৈৰ্য ৰখাৰ চেষ্টা কৰিছো। প্ৰতিটো পইণ্টৰ বাবে সংগ্ৰাম কৰিছো।' সিন্ধুৱে লগতে কয়, 'মই ভাবো, শেষ তিনিটা পইণ্টেই গুৰুত্বপূৰ্ণ হৈ পৰিছে।তাতেই মেচৰ ফলাফল ওলাইছে। সেই সময়ত মই আৰু ধৈৰ্য ৰখা উচিত আছিল।' উল্লেখ্য যে মেচখনত চীনা খেলুৱৈগৰাকীয়ে ২১-১১, ১৫-২১, ২১-১৭ ব্যৱধানত সিন্ধুক পৰাস্ত কৰে। তৃতীয় তথা নিৰ্ণায়ক গেমত ১৬-১৬ অৱস্থাত ৱাঙে আঘাত পায়। উৰুত তেওঁ আঘাত পায়। একাধিকবাৰ তেওঁ ক'ৰ্টত পৰি যায়। সেই কাৰণে তেওঁ বিৰতি লয়। তাতেই সিন্ধুৰ মনঃসংযোগ নষ্ট হয়।

# আৰ্জেণ্টিনাক তিনি কোটিৰ জৰিমনা

## ফাইনেলৰ পাছত মাৰপিটত লিপ্ত চাৰি ফুটবলাৰক ১৯ মেচৰ নিৰ্বাসন

**নিউজ ব্যুৰ'**

**জুৰিখ, ২১ আগষ্ট ঃ** অৱশেষত শাস্তিৰ সন্মুখীন হ'ল আৰ্জেণ্টিনা। বিশ্বকাপৰ ছেমি ফাইনেলত ইংলণ্ডক পৰাস্ত কৰাৰ পাছত বিপক্ষৰ খেলুৱৈৰ স'তে বিবাদ আৰু ৰাজনৈতিক বাৰ্তা থকা বেনাৰ প্ৰদৰ্শনৰ বাবে শাস্তিৰ সন্মুখীন হ'ল লিয়নেল মেছিৰ দল। আৰ্জেণ্টিনা ফুটবল সংস্থাক দুই লাখ ৩৭ হেজাৰ পাউণ্ড (ভাৰতীয় মুদ্ৰাত তিনি কোটি ন লাখ টকা) জৰিমনা বিহিলে বিশ্ব ফুটবলৰ অভিভাৱক সংস্থা ফিফাই। ইয়াৰ সমান্তৰালকৈ ফাইনেলৰ অন্তত মাৰপিটত লোৱাৰ হোৱাৰ বাবে আৰ্জেণ্টিনাৰ তিনিজন আৰু স্পেইনৰ এজন খেলুৱৈক সামগ্ৰিকভাৱে ১৯খন মেচৰ বাবে নিৰ্বাসিত কৰা হৈছে। আজি ফিফাই এই কথা ঘোষণা কৰিছে।

উল্লেখ্য যে ফকলেণ্ড দ্বীপক কেন্দ্ৰ কৰি ইংলণ্ড আৰু আৰ্জেণ্টিনাৰ মাজত বিবাদ অব্যাহত আছে। ছেমি ফাইনেলত ইংলণ্ডক পৰাস্ত কৰাৰ পাছত আৰ্জেণ্টিনাৰ একাংশ খেলুৱৈয়ে 'ফকলেণ্ড আমাৰেই' বুলি লিখা এখন বেনাৰ প্ৰদৰ্শন কৰিছিল। ফিফাৰ নিয়ম ভংগৰ অভিযোগতে আৰ্জেণ্টিনাক শাস্তি প্ৰদান কৰা হৈছে। জৰিমনাৰ ধন তিনিটা ভাগত বিভক্ত কৰা হৈছে। প্ৰথম ভাগত এক লাখ ২১ হেজাৰ ডলাৰ (ভাৰতীয় মুদ্ৰাত এক কোটি ১৬ লাখ টকা) আৰ্জেণ্টিনা ফুটবল ফেডাৰেছনে এতিয়াই ফিফাক জমা দিব লাগিব। ইয়াৰ পাছত এক লাখ ডলাৰ (প্ৰায় ৯৬ লাখ টকা) বৰ্ণবিদ্বেষ বিৰোধী অভিযানত ব্যয় কৰিব লাগিব। বাকী এক লাখ ডলাৰ জৰিমনাৰ বাবদ পৰৱৰ্তী সময়ত ফিফাক দিব লাগিব। ফিফাই জনাইছে যে ফুটবল মেচত অখেলুৱৈসুলভ আচৰণ, সমগ্ৰ দলৰ বিশৃংখলা আৰু সমৰ্থকৰ তৰফৰ পৰা বৰ্ণবিদ্বেষী আৰু বিভাজনমূলক মন্তব্যৰ বাবে আৰ্জেণ্টিনাক দোষী সাব্যস্ত কৰা হৈছে।

ইপিনে, ফাইনেলত পৰাস্ত হোৱাৰ পাছত আৰ্জেণ্টিনাৰ একাংশ খেলুৱৈ বিশ্ব চেম্পিয়ন স্পেইনৰ খেলুৱৈৰ স'তে মাৰপিটত লিপ্ত হৈছিল। ইয়াৰ বাবে আৰ্জেণ্টিনাৰ তিনিজন খেলুৱৈক ১৮খন মেচৰ পৰা নিৰ্বাসিত কৰা হৈছে। ফিফাই জনাইছে যে লিয়াণ্ড্ৰো পাৰেডেছক ১০খন, নাহুৱেল মোলিনাক সাতখন আৰু থিয়াগো আলমাদাক এখন মেচৰ বাবে নিৰ্বাচিত কৰা হৈছে। আৰ্জেণ্টিনাৰ সহকাৰী প্ৰশিক্ষক ৰবাৰ্টো আয়ালাক তিনিখন মেচৰ বাবে নিৰ্বাসিত কৰা হৈছে। আনহাতে, স্পেইনৰ ফুটবলাৰ গাভিৰ বিৰুদ্ধে এখন মেচৰ নিৰ্বাসন আৰোপ কৰা হৈছে। নিৰ্বাসনৰ সমান্তৰালকৈ তেওঁলোকে জৰিমনাও ভৰিব লাগিব। পাৰেডেছ আৰু মোলিনাই ৮৬ লাখকৈ তথা আলমাদা, আয়ালা আৰু গাভিয়ে ২৯ লাখকৈ টকা জৰিমনা দিব লাগিব।




## দ্বিতীয় টেষ্টত অনিশ্চিত কুলদীপ ঃ পক্ষত বাহুতুলে

**নিউজ ব্যুৰ'**

**কলম্বো, ২১ আগষ্ট ঃ** শ্ৰীলংকাৰ বিপক্ষে প্ৰত্যাশা অনুসৰি খেলিব নোৱাৰিলে কুলদীপ যাদৱে। দুই ইনিংছ মিলাই ২৫ অভাৰ বলিং কৰি তেওঁ মাত্ৰ এটা উইকেটহে পায়। মানৱ সুথাৰ আৰু ৰবীন্দ্ৰ জাদেজাৰ প্ৰদৰ্শনৰ বিপৰীতে কুলদীপ আছিল ম্লান। তেনে পৰিস্থিতিত কুলদীপৰ পৰিৱৰ্তে অফ স্পীনাৰ সাৰংশ জৈনক ভাৰতে খেলাব পাৰে বুলি চৰ্চা চলি আছে। যদিও ২৩ আগষ্টৰ পৰা আৰম্ভ হ'বলগীয়া দ্বিতীয় টেষ্টৰ পূৰ্বে কুলদীপকে সমৰ্থন কৰিলে ভাৰতৰ স্পীন বলিং প্ৰশিক্ষক ছাইৰাজ বাহুতুলেই। তেওঁ কয় যে কুলদীপ দলৰ পৰিকল্পনাৰ মাজতে আছে। বাহুতুলেই কয়, 'কুলদীপে দুৰ্দান্ত বল কৰিছিল। অৱশ্যে গলত যি পৰিৱেশ আছিল, তাৰ বাবে তেওঁ ভিন্ন ভূমিকা ল'বলগীয়া হৈছিল। আমাৰ বাবে কুলদীপ সদায় মেচ জিকোৱা বলাৰ। নিশ্চিতভাৱেই তেওঁ আমাৰ পৰিকল্পনাত আছে।' বাহুতুলেই লগতে কয় যে গলৰ পৰিৱেশ কুলদীপৰ বলিং কৌশলৰ স'তে খাপ নাখালে। তেওঁ কয়, 'এখন মেচক লৈ কুলদীপৰ অৱদান কেতিয়াও বুজিব নোৱাৰি। যিভাৱে খেলি আহিছে আৰু দলক জিকাইছে, সেইবাবেই তেওঁৰ কাষত থকা দৰকাৰ।'

## বাঁওহতীয়া স্পীনাৰৰ বিপক্ষে বিশেষ অনুশীলনত ব্যস্ত শুভমন

**নিউজ ব্যুৰ'**

**কলম্বো, ২১ আগষ্ট ঃ** শ্ৰীলংকাৰ বিপক্ষে প্ৰথম টেষ্টত সফল হোৱা নাছিল ভাৰতৰ অধিনায়ক শুভমন গিল। বাঁওহতীয়া স্পীনাৰৰ বিপক্ষে শেহতীয়াকৈ তেওঁৰ কিছু দুৰ্বলতা প্ৰকাশ পাইছে। দ্বিতীয় টেষ্টৰ পূৰ্বে বাঁওহতীয়া স্পীনাৰক মোকাবিলা কৰিবলৈ বিশেষভাৱে অনুশীলন কৰিছে ভাৰতীয় অধিনায়কজনে। প্ৰথম টেষ্টৰ উভয় ইনিংছতে শুভমন শ্ৰীলংকাৰ বাঁওহতীয়া স্পীনাৰ প্ৰভাত জয়সূৰ্যৰ বলত আউট হৈছিল। সেয়ে আজি তেওঁ নেটত দীৰ্ঘ সময় বাঁওহতীয়া বলাৰৰ বিপক্ষে বেটিং অনুশীলন কৰে।



টেষ্টত বাঁওহতীয়া স্পীনাৰৰ বিপক্ষে শুভমনৰ সমস্যাৰ অন্যতম কাৰণ হৈছে বলৰ লাইন কভাৰ নকৰা। পৰিসংখ্যায়ো তেওঁৰ দুৰ্বলতাৰ ইংগিত দিয়ে। এই পৰ্যন্ত খেলা ৪২খন টেষ্টত তেওঁ বাঁওহতীয়া স্পীনাৰৰ বলত ১১বাৰ আউট হৈছে। সেইবাবেই আজি ভাৰতীয় অধিনায়কজনে নেটত দীৰ্ঘ সময় মানৱ সুথাৰ আৰু ৰবীন্দ্ৰ জাদেজাৰ উপৰি দুজন স্থানীয় বাঁওহতীয়া স্পীনাৰৰ বলত অনুশীলন কৰে।

উল্লেখ্য যে আজি নৱাগত অফ স্পীনাৰ সাৰাংশ জৈনে শুভমনৰ উপৰি ঋষভ পন্টৰ বিপক্ষে বলিং কৰা দেখা যায়। পন্টক তেওঁ একাধিকবাৰ পৰাস্তও কৰে। ইয়াৰ বিপৰীতে নেচত উপস্থিত আছিল যদিও কুলদীপ যাদৱে আজি বেট বা বল একোৱেই অনুশীলন নকৰিলে। ইয়াৰ পৰাই দ্বিতীয় টেষ্টত কুলদীপৰ পৰিৱৰ্তে সাৰাংশে খেলাৰ সম্ভাৱনা থকা বুলি চৰ্চা চলিছে।

## শ্ৰীলংকা দলত দুই নতুন মুখ

**নিউজ ব্যুৰ'**

**কলম্বো, ২১ আগষ্ট ঃ** অহা ২৩ আগষ্টৰ পৰা ভাৰতৰ বিপক্ষে দ্বিতীয় টেষ্ট খেলিব শ্ৰীলংকাই। শৃংখলাত সমতা স্থাপনৰ বাবে ঘৰুৱা দলটোৱে কলম্বোত জয়লাভ কৰিবই লাগিব। এনে অৱস্থাত শ্ৰীলংকা দলত দুটা পৰিৱৰ্তন কৰা হৈছে। দুজন নৱাগত ক্ৰিকেটাৰক দলভুক্ত কৰা হৈছে। তেওঁলোক হৈছে অফ স্পীন-অলৰাউণ্ডাৰ ছাহান আৰ্কাচিগে আৰু মধ্যক্ৰমৰ বেটাৰ কামিল মিছাৰা। আৰ্কাচিগেই ইতিমধ্যে শ্ৰীলংকাৰ হৈ পাঁচখন এদিনীয়া আৰু এখন টি-২০ আন্তৰ্জাতিক মেচ খেলিছে। ভাৰত 'এ' দলৰ বিপক্ষে যোৱা মাহত তেওঁ বেচৰকাৰী টেষ্ট শৃংখলাত শ্ৰীলংকা 'এ' দলৰ হৈ সৰ্বাধিক ২০৯ ৰাণ সংগ্ৰহ কৰিছিল। অৱশ্যে তেওঁ প্ৰথমবাৰলৈ টেষ্ট দলত সুযোগ পাইছে। আৰ্কাচিগেই অভিজ্ঞ স্পীনাৰ ৰমেশ মেণ্ডিজৰ স্থানত সুযোগ পাইছে। আনহাতে, মিছাৰাক নিছান ফাৰ্ণাণ্ডেজৰ স্থানত দলত লোৱা হৈছে। আনহাতে, প্ৰথম টেষ্টত আঘাত পোৱা দীনেশ চণ্ডিমলৰ 'কনকাছন ছাব'ৰূপে খেলা পাছিন্দু সুৰীয়াবান্দাৰাৰ স্থান অক্ষুণ্ণ আছে।

# মানৱক সতৰ্ক হোৱাৰ পৰামৰ্শ পূজাৰাৰ

## আইপিএলৰ স্বাৰ্থত যাতে নিজৰ স্বাভাৱিক বলিঙৰ শৈলী সলনি নকৰে

**নিউজ ব্যুৰ'**

**মুম্বাই, ২১ আগষ্ট ঃ** টেষ্টত আবিৰ্ভাৱতে দৃষ্টি আকৰ্ষণ কৰিছে মানৱ সুথাৰে। ভাৰতৰ তৰুণ বাঁওহতীয়া স্পীনাৰজনে নিজৰ প্ৰথম দুখন টেষ্টতে দখল কৰিছে ১৭টা উইকেট। শ্ৰীলংকাৰ বিপক্ষে তেওঁ ১০টা উইকেট দখল কৰি দলৰ বিজয়ত গুৰুত্বপূৰ্ণ ভূমিকা লয়। স্বাভাৱিকতে ২৪ বছৰীয়া স্পীনাৰজনৰ প্ৰশংসাত পঞ্চমুখ হৈ পৰিছে ক্ৰিকেট মহল। এই পৰিস্থিতিত অৱশ্যে আইপিএলৰ পৰা সতৰ্ক হ'বলৈ মানৱক পৰামৰ্শ দিলে প্ৰাক্তন ক্ৰিকেটাৰ চেটেশ্বৰ পূজাৰাই। প্ৰাক্তন বেটাৰজনে মন্তব্য কৰিছে যে আইপিএলৰ বাবে যাতে মানৱে নিজৰ স্বাভাৱিক বলিঙৰ ধৰণ সলনি নকৰে।

ধাৰাভাষ্য দিয়াৰ সময়ত পূজাৰাই কয় যে ৰঙা বলৰ ক্ৰিকেটত বলৰ গতি কমাই ফ্লাইট কৰাটোৱেই মানৱৰ সবাতোকৈ ডাঙৰ শক্তি। গলৰ মন্থৰ উইকেটতো তেওঁ পৰিস্থিতি বুজি বলিঙত বৈচিত্ৰ্য আনিছিল। বল পুৰণি হোৱাৰ পাছত উইকেটৰ পৰাম সহায় কম থকাত মানৱে গতি বৃদ্ধি কৰি প্ৰায় ৯০ কিলোমিটাৰ বেগত বলিং কৰিছিল। পূজাৰাই কয়, 'দ্বিতীয় ইনিংছত তেওঁৰ গতি সলনি হৈছিল। শেষ তিনিটা উইকেট লোৱাৰ সময়ত তেওঁ অতি জোৰেৰে বল কৰিছিল। বুজিছিল যে উইকেট মন্থৰ হোৱাৰ পাছত বল পুৰণি হ'লে স্পীনাৰৰ বাবে সহায় কমি যায়। সেয়ে তেওঁ গতি বৃদ্ধি কৰিছিল।' অৱশ্যে মানৱৰ মূল শক্তি হৈছে তেওঁৰ বলৰ ফ্লাইট। তাকেই ধৰি ৰখাৰ পৰামৰ্শ দিছে পূজাৰাই। তেওঁ কয়, 'প্ৰথম ইনিংছত তথা বল যেতিয়া নতুন আছিল, তেতিয়া তেওঁ ফ্লাইট কৰা দেখা গৈছে।সঠিক স্থানত বল পেলাইছে। ভাৰতে এনে এজন বাঁওহতীয়া স্পীনাৰ পাইছে, যি দীৰ্ঘদিন দলত থাকিব পাৰে।' বগা বলৰ ক্ৰিকেটত মানৱে সুযোগ পালেও পূজাৰাৰ আপত্তি নাই; কিন্তু আইপিএলৰ বাবে তেওঁ নিজৰ স্বাভাৱিক বলিঙৰ শৈলী সলনি কৰাটো নিবিচাৰে প্ৰাক্তন বেটাৰজনে। পূজাৰাই কয়, 'আইপিএলত খেলাৰ সুযোগ পালে খেলক। তাত সফল হ'লেও কোনো সমস্যা নাই; কিন্তু নিজৰ শক্তি সলনি কৰিলে নহ'ব।'



## ইংলণ্ডৰ বিপক্ষে প্ৰথম টেষ্টত পাকিস্তানৰ বিপৰ্যয়

**নিউজ ব্যুৰ'**

**লণ্ডন, ২১ আগষ্ট ঃ** ঘৰুৱা দল ইংলণ্ডৰ বিপক্ষে প্ৰথম টেষ্টত বিপৰ্যয়ৰ সন্মুখীন হৈছে পাকিস্তান। তৃতীয় দিনাৰ ভোজন বিৰতিৰ সময়লৈ ইংলণ্ডে টেষ্টখনত নিজৰ আধিপত্য বিস্তাৰ কৰিছে। পাকিস্তানে মাত্ৰ ১৭১ ৰাণতে প্ৰথম ইনিংছ সামৰিছিল। প্ৰত্যুত্তৰত ইংলণ্ডে আজি পুৱাৰ ভাগত ৪০৯ ৰাণত প্ৰথম ইনিংছ সামৰে। ফলত ঘৰুৱা দলটোৱে ১৭৯ ৰাণৰ অগ্ৰগতি অৰ্জন কৰে। ইংলণ্ডৰ হৈ জৰ্ডন কক্স (৭৩), অধিনায়ক জো ৰুট (৬৬), হেৰী ব্ৰুক (৯১) আৰু ডেন লৰেন্স (৫১)ৰ বেটৰ পৰা অৰ্ধশতৰাণৰ ইনিংছ আহে। ইপিনে, দ্বিতীয় ইনিংছ মুকলি কৰি পাকিস্তানে আজি ভোজন বিৰতিৰ পৰলৈকে ৫৯ ৰাণতে তিনি উইকেট হেৰুৱাই বিপদত পৰিছে।



## টেষ্টত সৰ্বাধিক কেচৰ অভিলেখ ৰুটৰ

**নিউজ ব্যুৰ'**

**লণ্ডন, ২১ আগষ্ট ঃ** ফিল্ডিঙত নতুন বিশ্ব অভিলেখ গঢ়িলে ইংলণ্ডৰ অধিনায়ক জো ৰুটে। তেওঁ অষ্ট্ৰেলিয়াৰ প্ৰবীণ ক্ৰিকেটাৰ ষ্টিভ স্মিথক অতিক্ৰম কৰি আজি উইকেট কীপাৰৰ বাহিৰে টেষ্টত সৰ্বাধিক কেচ আয়ত্ত কৰা ফিল্ডাৰত পৰিগণিত হয়। আজি পাকিস্তানৰ বিপক্ষে প্ৰথম টেষ্টৰ তৃতীয় দিনা ৰুটে এই অভিলেখ গঢ়ে। পাকিস্তানৰ দ্বিতীয় ইনিংছত জোফ্ৰা আৰ্চাৰৰ বলত অপেনাৰ আজান আৱাইছৰ কেচ ধৰে ৰুটে। ফলত টেষ্টত তেওঁৰ কেচৰ সংখ্যা ২১৯টালৈ বৃদ্ধি পালে। স্মিথে ২১৮টা কেচ ধৰি অভিলেখ নিজৰ দখলত ৰাখিছিল। সৰ্বাধিক টেষ্ট কেচৰ তালিকাত ভাৰতৰ ৰাহুল দ্ৰাৱিড় তৃতীয় স্থানত আছে। তেওঁ ২১০টা কেট ধৰিছে। শ্ৰীলংকাৰ মাহেলা জয়ৱৰ্ধনেই ২০৫টা আৰু দক্ষিণ আফ্ৰিকাৰ জেক কালিছে ২০০টা কেচ ধৰিছে। অৱশ্যে আগন্তুক দিনত বিশ্ব অভিলেখৰ গৰাকী হোৱাৰ বাবে ৰুট আৰু স্মিথৰ মাজত প্ৰতিদ্বন্দ্বিতা অব্যাহত থাকিব।

## ভাৰতত খেলিব বিশ্বকাপৰ অন্যতম চমক ভোজিনহাই!



**নিউজ ব্যুৰ'**

**কলকাতা, ২১ আগষ্ট ঃ** অহা তিনি অক্টোবৰত কলকাতাত ব্ৰাজিলৰ বিপক্ষে প্ৰদৰ্শনী মেচ খেলিব ভাৰতীয় ফুটবল দলে। ইয়াৰ সমান্তৰালকৈ আৰু এখন মেচ আয়োজনৰ কথা চিন্তা কৰিছে ভাৰতীয় ফুটবল ফেডাৰেছনে। প্ৰাপ্ত তথ্য অনুসৰি, বিগত বিশ্বকাপত চমক দিয়া কেপ ভাৰ্ডিক সন্মত কৰাবলৈ চেষ্টা কৰি আছে। তেওঁলোক সন্মত হ'লে ভাৰতত খেলিবহি পাৰে বিশ্বকাপৰ আৱিষ্কাৰ ভোজিনহাই।

ফেডাৰেছনৰ এক সূত্ৰই কয়, 'কথা-বতৰা চলি আছে। এতিয়াও একো চূড়ান্ত হোৱা নাই। অৱশ্যে ৩০ ছেপ্টেম্বৰৰ পূৰ্বে ছয় অক্টোবৰৰ ভিতৰত কেপ ভাৰ্ডিৰ বিপক্ষে ভাৰতৰ মেচ হোৱাৰ যথেষ্ট সম্ভাৱনা আছে।' উল্লেখ্য যে প্ৰথমবাৰলৈ বিশ্বকাপ খেলি চমক দিছিল কেপ ভাৰ্ডিয়ে। বিশেষকৈ দলৰ ৪০ বছৰীয়া গ'লকীপাৰ ভোজিনহাই দুৰ্দান্ত প্ৰদৰ্শনেৰে সকলোৰে প্ৰশংসা অৰ্জন কৰে। স্পেইন, আৰ্জেণ্টিনাৰ দৰে ফাইনেল খেলা দুই দলৰ বিপক্ষে একাধিক গ'ল ৰক্ষা কৰি তেওঁ নায়কত পৰিণত হয়। ভাৰততো ভোজিনহাৰ অনেক সমৰ্থক সৃষ্টি হৈছে। সূত্ৰই কয় যে কেপ ভাৰ্ডি সন্মত নহ'লে উৰুগুৱেক আমন্ত্ৰণ জনোৱা হ'ব। দুয়োখন দেশৰ ফুটবল সংস্থালৈ ইতিমধ্যে পত্ৰ প্ৰেৰণ কৰা হৈছে। অৱশ্যে কেপ ভাৰ্ডিৰ সম্ভাৱনাই বেছি বুলি সূত্ৰই কয়। সেই ক্ষেত্ৰত ভাৰতে ব্ৰাজিলৰ বিপক্ষে খেলাৰ পাছতে কেপ ভাৰ্ডিয়ে খেলিবলৈ অহাৰ সম্ভাৱনা আছে।






# পাহাৰত শুই-বহি মেঘ চোৱাটোৱেই চাকৰি

পৰ্বতৰ প্ৰতি বহুতৰে আকৰ্ষণ আছে। বহু মানুহেই পাহাৰীয়া অঞ্চলত ফুৰিবলৈ যায় বা পৰ্বতাৰোহণ কৰিবলৈ যায়। অথচ পৰ্বতত শুই-বহি কটাই চাকৰি কৰাৰ কথা কোনেও কল্পনা কৰিব নোৱাৰে। তাকো কেৱল মেঘ চাই থাকিব লাগে। সম্প্ৰতি পৰ্বতৰ ওপৰত বহি মেঘ চাই চাই মাহিলি শকত অংকৰ দৰমহা লৈ আছে চীনৰ এজন যুৱকে। এই কামৰ বাবে ২৩ বছৰীয়া যুৱকজনে মাহিলি লাভ কৰে প্ৰায় চাৰে আঠ লাখ টকা।

## কোনো শাৰীৰিক কষ্ট নকৰাকৈ মাহিলি চাৰে আঠ লাখ উপাৰ্জন চীনা যুৱকৰ


**নিউজ ব্যুৰ'**
**বেইজিং, ২১ আগষ্ট ঃ** পৰ্বতৰ প্ৰতি বহুতৰে আকৰ্ষণ আছে। বহু মানুহেই পাহাৰীয়া অঞ্চলত ফুৰিবলৈ যায় বা পৰ্বতাৰোহণ কৰিবলৈ যায়। অথচ পৰ্বতত শুই-বহি কটাই চাকৰি কৰাৰ কথা কোনেও কল্পনা কৰিব নোৱাৰে। তাকো কেৱল মেঘ চাই থাকিব লাগে। সম্প্ৰতি পৰ্বতৰ ওপৰত বহি মেঘ চাই চাই মাহিলি শকত অংকৰ দৰমহা লৈ আছে চীনৰ এজন যুৱকে। এই কামৰ বাবে ২৩ বছৰীয়া যুৱকজনে মাহিলি লাভ কৰে প্ৰায় চাৰে আঠ লাখ টকা।

তেওঁৰ কামটোও বহু অদ্ভুত। কাম বুলিবলৈ প্ৰতিদিনে পুৱা শোৱাৰ পৰা উঠি পাহাৰীয়া মেঘৰ বিচৰণ প্ৰত্যক্ষ কৰিব লাগে। লগতে প্ৰকৃতিৰ কাৰ্যকলাপ কেমেৰাবন্দী কৰাই সেই যুৱকজনৰ চাকৰি। আচলতে চীনৰ হেনান প্ৰদেশৰ বিখ্যাত লাওজুন পাহাৰ পৰ্যটকৰ অন্যতম প্ৰিয় স্থান। দুহেজাৰ বছৰৰো অধিক পুৰণি এই ঐতিহাসিক পাহাৰীয়া অঞ্চলটো 'মেঘৰ সমুদ্ৰ' নামেৰে পৰিচিত। কিয়নো পাহাৰৰ ওপৰৰ পৰা কিছু তলত মেঘৰ তৰপবোৰ ঠিক বগা সাগৰৰ দৰে লাগে। সম্প্ৰতি পাহাৰৰ এই সৌন্দৰ্য বিশ্ব মঞ্চত তুলি ধৰিবলৈকে এক ভিন্নধৰ্মী উদ্যোগ লয় স্থানীয় পৰ্যটন কৰ্তৃপক্ষই। সৃষ্টি কৰা হয় 'ক্লাউডস্কেপ অবজাৰ্ভাৰ' বা 'মেঘ পৰিদৰ্শক' নামৰ এটা নতুন পদ।

সামাজিক মাধ্যমত এই চাকৰিৰ খবৰ প্ৰকাশ পোৱাৰ লগে লগে হুলস্থূল লাগে। মাত্ৰ এসপ্তাহৰ ভিতৰতে চাৰে চিনি হেজাৰ আবেদন জমা হয়। কঠোৰ প্ৰতিযোগিতাৰ অন্তত কপাল ফুলে ২৩ বছৰীয়া ভ্লগাৰ লী ছিচেনে। তেওঁ ১৬ জুলাইৰ পৰা ১৫ আগষ্ট পৰ্যন্ত পাহাৰৰ চূড়াত থকাৰ সুযোগ পায়। তেওঁৰ কামটো আছিল নিতৌ সলনি হৈ থকা মেঘ, কুঁৱলি আৰু সূৰ্যোদয়ৰ দৃশ্য কেমেৰাবন্দী কৰা। লগতে পৰ্যটন কেন্দ্ৰৰ নিজস্ব সামাজিক মাধ্যমৰ ছাইটত সেইবোৰ ভিডিঅ' প'ষ্ট কৰা।

শুনিবলৈ স্বপ্নৰ দৰে লাগিলেও কামটো কিন্তু একেবাৰে সহজ নাছিল। কিয়নো মেঘতো আৰু কেতিয়াও নিৰ্দিষ্ট সময় মানি নাহে। সেয়ে লীয়ে পুৱা পাঁচ বজাৰ পৰা কেমেৰা হাতত লৈ সাজু হৈ থাকিব লাগিছিল। নিখুঁত ভিডিঅ' আৰু ফটো সংগ্ৰহৰ বাবে তেওঁ ড্ৰ'ন চলাবলৈকো শিকিবলগীয়া হৈছিল। আনকি ভিডিঅ' এডিটিঙৰ কামো শিকিছিল। মেঘ দেখা নোপোৱা পৰ্যন্ত সময়খিনি উদ্বেগৰে অতিবাহিত হৈছিল। অৱশ্যে সকলো অতিক্ৰম কৰি এমাহতে তেওঁ লাভ কৰিলে চীনৰ ৬০ হেজাৰ ইউয়ান, ভাৰতীয় মুদ্ৰাত প্ৰায় আঠ লাখ ৫০ হেজাৰ টকা। অভিজ্ঞ পৰ্যটন বিষয়াসকলৰ মতে, পাহাৰক সেই যুৱকজনে এজন কবিৰ দৃষ্টিৰে সন্ধান কৰিছিল। চাইছে মেঘৰ নিজস্ব জগতখন। এই চোৱাৰ কামতে তেওঁ সফল হৈছে। কামৰ শেষত লীয়েও জনায় যে সময়খিনি যেন দেউকাত ভৰ দি উৰি গুচি গ'ল।

# চলচ্চিত্ৰ পৰিচালক মুন্না আহমেদৰ জোন জ্বলে কপালত দ্বিতীয় খণ্ডৰ বাবে স্পট বিচাৰি বাগ্‌সাত উপস্থিত



**অগ্ৰদূত বাৰ্তা**
**বাগানপাৰা, ২১ আগষ্ট ঃ** চলচ্চিত্ৰ পৰিচালক মুন্না আহমেদৰ 'জোন জ্বলে কপালত' নতুন ছবিখন নিৰ্মাণ হ'ব গাঁও আৰু চহৰৰ পটভুমিত। গাঁৱৰ বাস্তৱ চৰিত্ৰ, পৰিৱেশ, জীৱনশৈলী খাদ্যাভ্যাস, সংস্কৃতি আদি সকলো দিশ সামৰি ল'ব নতুন ছবিখনত। এনে বহু পৰিকল্পনাৰে বৃহস্পতিবাৰে উপস্থিত হয় বাগ্‌সাৰ মুছলপুৰত। ইয়াৰ পৰাই দ্বাৰাগাঁও, চৌকি আদি পৰ্যটনস্থলীৰ লগতে সেই অঞ্চলৰ গাঁওলীয়া পৰিৱেশ পৰ্যবেক্ষণ কৰে চলচ্চিত্ৰ পৰিচালক মুন্না আহমেদে। শ্বুটিঙৰ স্পট বিচাৰি ভাৰত ভূটান সীমান্তৰ পৰ্যটনস্থলী দ্বাৰাগাঁও, চৌকি আৰু ডুমুনী চাহ বাগানত উপস্থিত হয় মুন্না আহমেদ। জোন জ্বলে কপালত (২) বাবে পুৰণা শিল্পীসকলৰ লগতে থাকিব নতুন শিল্পী। সংগীত পৰিচালক হিচাপে জুবিন গাৰ্গৰ লগত কথা হৈছিল যদিও তেওঁৰ আকস্মিক বিয়োগৰ কাৰণে এই দায়িত্ব দিগন্ত ভাৰতীক দিয়াৰ কথা প্ৰকাশ কৰে মুন্না আহমেদে। বিটিএডিৰ কিছু দৃশ্যপট ছবিখনত থাকিলে সেই ঠাই পৰ্যটকৰ বাবে আকৰ্ষণৰ কেন্দ্ৰবিন্দু হ'ব বুলি কয় তেওঁ। এই সম্পৰ্কে বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰীকো সাক্ষাৎ কৰাৰ কথা ব্যক্ত কৰে পৰিচালক আহমেদে।

# বিধ্বংসী বানত সহস্ৰাধিক লোকৰ প্ৰাণ বচালে শ্ৰৱণ, নাৰায়ণ, ৰাজকুমাৰ, ৰবিসহ ২৭ জনীয়া দলে

**অগ্ৰদূত বাৰ্তা**
**শিমলুগুৰি, ২১ আগষ্ট ঃ** যোৱা ১৯ জুলাইত উজনি অসমত সৃষ্টি হোৱা বিধ্বংসী বানত নিজৰ জীৱনকো তুচ্ছ জ্ঞান কৰি সহস্ৰাধিক লোকৰ জীৱন ৰক্ষা কৰি চৰ্চাৰ কেন্দ্ৰবিন্দু হৈ পৰিছে এটা ২৭জনীয়া দল। অতি কম সময়ৰ ভিতৰতে দিখৌ নদীৰ প্ৰৱল বানে তচনচ কৰি তোলা অঞ্চলটোত এছডিআৰএফ বা এনডিআৰএফৰ নাৱৰ বাবে উদ্ধাৰ কাৰ্যলৈ অপেক্ষা নকৰি তেনে সময়তে দেৱদূতৰ দৰে সেইসকল লোকৰ ওচৰত উপস্থিত হৈছিল শ্ৰৱণ, নাৰায়ণ আদিৰ দৰে ৰিয়েল হিৰ'জৰ এটা দল। নিজৰ হাতত থকা ছখন সৰু নাওৰ সহায়ত ২৭ জনীয়া দলটো ছয়-সাতজনকৈ বিভক্ত হৈ নামি পৰিছিল বানত আবদ্ধ হৈ পৰা লোকসকলক উদ্ধাৰ অভিযানত। দিনৰ প্ৰায় ১১ বজাৰ পৰা নিশা এক-দুই বজালৈকে দলটোৱে উদ্ধাৰ অভিযান চলাই বিহুবৰ শিলনী, নেপালীখুটি, মিদ্ধাবস্তি, চিগনেলবস্তি, নতুনবস্তি আদি কে'বাখনো গাঁৱৰ প্ৰায় ১২শ -১৩শ মানুহক উদ্ধাৰ কৰিছিল দলটোৱে। নদীৰ কোৱাল সোঁত আৰু বাঢ়নী পানীত উটি অহা প্ৰকাণ্ড গছ, গছৰ ডাল, বাঁহ আদিয়ে উদ্ধাৰকাৰী দলটোলৈ লৈ আহিছিল তীব্ৰ প্ৰত্যাহ্বানৰ। নাও চালনাত সিদ্ধহস্ত দলটোৱে সেই তীব্ৰ প্ৰত্যাহ্বানকো নেওচি এই সময়ছোৱাত চলোৱা অভিযানে সহস্ৰাধিক লোকৰ প্ৰাণ ৰক্ষা কৰিবলৈ সক্ষম হৈছিল। ৰাতি দুই বজাৰ পাছত পোহৰৰ অভাৱত উদ্ধৰ কাৰ্য চলাব নোৱাৰি ক্লান্ত শৰীৰ লৈ দলটোৱে অভিযান সামৰণি মাৰিছিল যদিও পাছদিনা পুৱা পুনৰ নামি পৰিছিল উদ্ধাৰ অভিযানত। দলটোত আছিল শ্ৰৱণ প্ৰসাদ, নাৰায়ণ চৌধুৰী, ৰাজকুমাৰ ৰাজভৰ, ৰবি ৰাজভৰ, কুকিল দাস, মোহন চৌধুৰী, চৌহন চৌধুৰী, ৰাজেশ চৌধুৰী, মিঠু চৌধুৰী, কামেশ্বৰ চৌধুৰী, দিপক চৌধুৰী, বিকি চৌধুৰী, অজয় মাঝি, ৰাজু মাঝি, বাবলু মাঝি, পৰবেশ মাঝি, অনিৰুদ্ধ চৌধুৰী, কানহাইয়া ছৌধুৰী, আনন্দ মাঝি, জগদীশ ৰাজভৰ, মুক্তি ৰাজভৰ, বজৰংগী ৰাজভৰ, বুদ্ধু মাঝি, বিমল কৰ, বাহাদুৰ গড় আৰু দিপক মাঝি। এই দলটোত থকা সকলোবোৰ সদস্য বয়স আছিল ২০ বছৰৰ পৰা ৪০-৪২ বছৰ। কিন্তু দলটোৰ অন্যতম সদস্য অনিৰুদ্ধ চৌধুৰীৰ বয়স আছিল ৬৬ বছৰ। ৬০ উৰ্দ্ধৰ চৌধুৰীয়ে দিনৰ পৰা দুপৰ নিশালৈকে নিজৰ জীৱনৰ কথা চিন্তা নকৰাকৈ নিৰন্তৰে নামি পৰিছিল বানত ককবকাই থকা লোকৰ প্ৰাণ বচোৱাত। উল্লেখ্য যে দিখৌ নদীৰ কাষত কে'বাদশক কাল ধৰি বসতি কৰা এই নৈ পৰীয়া এই লোকসকলে দিখৌ নদীৰ সৰু সুৱা বান বছৰ বছৰ ধৰি প্ৰত্যক্ষ কৰি আহিছে আৰু দিখৌ নদীৰ লগত তেওঁলোক একাত্মভাৱে জড়িত। মূলতঃ নাও চলাই জীৱিকা নিৰ্বাহ কৰা এই লোকসকলে পূৰ্বে কোনো কালেই দেখা নাছিল শান্ত শিষ্ট দিখৌ নদীৰ এনে কালৰূপ। সেই বিভীষিকাময় দিনটোৰ কথা সুঁৱৰি 'দৈনিক অগ্ৰদূত'ৰ আগত দলটোৰ অন্যতম চৌধুৰীয়ে কয়, 'মোৰ বয়স ৬৬ বছৰ, দিখৌৰ বুকুতে জীৱন পাৰ কৰিছো কিন্তু কোনোদিনে দিখৌৰ এই কালৰূপ দেখা নাই। সেই সময়ত লাগিছিল নে বুলি সোধা প্ৰশ্নৰ উত্তৰত চৌধুৰীয়ে কয় বাঢ়নী পানীলৈ কোনোদিনে ভয় কৰা নাই মই মাথোঁ আনৰ জীৱন কেনেকৈ সুৰক্ষিত কৰিব পাৰো তাৰ কথাহে চিন্তা কৰিছিলো।' দলটোত থকা যুৱক শ্ৰৱণ প্ৰসাদে সেই দিনটোৰ কথা সুঁৱৰি কয়, সময়ৰ মূল্য কি সেয়া সঠিকভাৱে উপলব্ধি কৰিছিলো সেই সময়ত। কিছু দেৰি হোৱা হ'লেই বহুলোকক উদ্ধাৰ কৰিব নোৱাৰিলোহেঁতেন। উদ্ধাৰ কাৰ্যৰ মাজতে মোৰ ভাইটিয়ে মোক ফোনত বানত আৱদ্ধ হৈ পৰা বুলি জনোৱাৰ পাছত মই ভাইটিক ঘৰৰ ওখ ঠাইত আশ্ৰয় ল'বলৈ কৈ আবেলি প্ৰায় চাৰি বজাত উদ্ধাৰ কৰিছিলো। সেই সময়ছোৱাত প্ৰচণ্ড ভোক আৰু পিয়াহৰ তাড়নাত আমি উটি অহা প্লাষ্টিকৰ বৈয়ামত পোৱা বুট আদি খোৱাৰ, গতেখালী বটলত বানপানী ভৰাই কিছুদেৰি ৰাখি সেই পানী খায়েই পিয়াহ দূৰ কৰিছিলো বুলি জানিবলৈ দিয়ে শ্ৰৱণে। নাৰায়ণ চৌধুৰীৰ মতে, সেইদিনটো কোনোদিনে পাহৰিব নোৱাৰিম। চকুৰ সন্মুখতে ঘৰৰ মূধচত আশ্ৰয় লৈ থকা কে'বাটাও পৰিয়ালক ঘৰৰ স'তে বাঢ়নী পানীত উটি যোৱা শিহৰণকাৰী দৃশ্য দেখিছিলো। আমি আমাৰ এই সৰু নাওকেইখনৰে উদ্ধাৰ কাৰ্য নচলোৱা হ'লে বহু লোক আজি আমাৰ মাজত নাথাকিলহেঁতেন।



# দুহেজাৰ বছৰ পূৰ্বৰ গৰ্ভনিৰোধক

প্ৰায় দুহেজাৰ বছৰৰ পূৰ্বে প্ৰাচীন গ্ৰীক আৰু ৰোমান সভ্যতাত এই কামত ব্যৱহাৰ কৰা হৈছিল ছিলফিয়াম বা ছিলফায়ন নামৰ এবিধ গছ। যাক যাদুকৰী গছ বুলিও সেই সময়ত অভিহিত কৰা হৈছিল। বৰ্তমানৰ লিবিয়াৰ ছাইৰেনাইকা অঞ্চলত এইবিধ গছ পোৱা গৈছিল বুলি ঐতিহাসিক নথিত উল্লেখ আছে। গছজোপাৰ কাণ্ড, মূল আৰু শিপা ৰান্ধি খোৱা হৈছিল। মাছ বা মাংসৰ লগত এই গছৰ অংশৰে ছ্যুপ তৈয়াৰ কৰিও খোৱা হৈছিল। সবাতোকৈ মূল্যবান আছিল গছজোপাৰ কাণ্ডৰ পৰা নিৰ্গত হোৱা ৰস বা আঠা। সেই আঠা শুকুৱাই মছলাৰ দৰে ৰন্ধনত ব্যৱহাৰ কৰা হৈছিল।



## সন্ধান ওলাল বিলুপ্ত ঘোষিত যাদুকৰী গছৰ

**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২১ আগষ্ট ঃ** আজিৰ পৰা হেজাৰ বছৰৰ পূৰ্বে কৃত্ৰিম গৰ্ভনিৰোধকৰ আৱিষ্কাৰ হোৱা নাছিল। অৱশ্যে গৰ্ভনিৰোধকৰ প্ৰয়োজনীয়তা তেতিয়াৰ সমাজতো আছিল। সেই সময়ত অন্যান্য যিকোনো শাৰীৰিক সমস্যা দূৰ কৰাৰ দৰেই এই কামতো মানুহে নিৰ্দিষ্ট কেতবোৰ ভেষজৰ শৰণাপন্ন হৈছিল।

প্ৰায় দুহেজাৰ বছৰৰ পূৰ্বে প্ৰাচীন গ্ৰীক আৰু ৰোমান সভ্যতাত এই কামত ব্যৱহাৰ কৰা হৈছিল ছিলফিয়াম বা ছিলফায়ন নামৰ এবিধ গছ। যাক যাদুকৰী গছ বুলিও সেই সময়ত অভিহিত কৰা হৈছিল। বৰ্তমানৰ লিবিয়াৰ ছাইৰেনাইকা অঞ্চলত এইবিধ গছ পোৱা গৈছিল বুলি ঐতিহাসিক নথিত উল্লেখ আছে। গছজোপাৰ কাণ্ড, মূল আৰু শিপা ৰান্ধি খোৱা হৈছিল। মাছ বা মাংসৰ লগত এই গছৰ অংশৰে ছ্যুপ তৈয়াৰ কৰিও খোৱা হৈছিল। সবাতোকৈ মূল্যবান আছিল গছজোপাৰ কাণ্ডৰ পৰা নিৰ্গত হোৱা ৰস বা আঠা। সেই আঠা শুকুৱাই মছলাৰ দৰে ৰন্ধনত ব্যৱহাৰ কৰা হৈছিল।

তৎকালীন সময়ত ছিলফিয়াম ইমানেই গুৰুত্বপূৰ্ণ হৈ পৰিছিল যে ইয়াৰ ৰস বা আঠাৰ দাম প্ৰায় ৰূপৰ দামৰ সমান বুলি প্ৰাচীন লেখাত দাবী কৰা হৈছে। অৱশ্যে এই ব্যৱহাৰ কিমান কাৰ্যকৰী বা নিৰাপদ আছিল, সেয়া আধুনিক চিকিৎসা বিজ্ঞানৰ মানদণ্ডত প্ৰমাণিত নহয়। গছজোপাৰ আশ্চৰ্যকৰ গুণাৱলীৰ বাবে অনেকে ইয়াক অলৌকিক গছ বুলিও অভিহিত কৰিছিল। অৱশ্যে বজাৰত ছিলফিয়ামৰ চাহিদা অস্বাভাৱিকভাৱে বৃদ্ধি পোৱাত খ্ৰীষ্টাব্দৰ প্ৰথম শতিকাৰ ভিতৰতে বিলুপ্ত হৈ পৰে বুলি গৱেষকসকলে ধাৰণা কৰে। কালৰ নিয়মত লোকচৰ্চাৰ আঁৰলৈ গুচি গৈছিল এইবিধ গছ।

অৱশ্যে শেহতীয়াকৈ এই গছজোপাৰ কথা আকৌ এবাৰ খবৰৰ শিৰোনামলৈ উঠি আহিছে। সেই হেৰাই যোৱা ছিলফিয়াম গছৰ পুনৰ সন্ধান পোৱা গৈছে নেকি বুলিও চৰ্চা হৈছে।

ইষ্টানবুল বিশ্ববিদ্যালয়ৰ অধ্যাপক মাহমুত মিছকিয়ে তুৰ্কীৰ মধ্য আনাটোলিয়া অঞ্চলত হাছান পৰ্বতৰ সমীপত এবিধ বিৰল উদ্ভিদক লৈ দীৰ্ঘদিনৰ পৰা গৱেষণা চলাই আছিল। এই উদ্ভিদৰ বৈজ্ঞানিক নাম 'ফেৰুলা ড্ৰুডেয়ানা'। গৱেষণাৰ এটা পৰ্যায়ত তেওঁ অনুভৱ কৰে যে ইয়াৰ হালধীয়া ফুল, কাণ্ডৰ গঠন আৰু শিপাৰ পৰা পোৱা সুগন্ধি আদি একাধিক বৈশিষ্ট্য প্ৰাচীন ছিলফিয়ামৰ বৰ্ণনাৰ স'তে মিলি যায়।

গৱেষক মিছকিৰ মতে, প্ৰাচীন গ্ৰীক জনগোষ্ঠীয়েই হয়তো কোনো এক সময়ত লিবিয়াৰ পৰা এই উদ্ভিদ তুৰ্কীলৈ লৈ আনিছিল। ফলত এই সময়ত তুৰ্কীত সেই গছ জীয়াই থকাৰ সম্ভাৱনাও সম্পূৰ্ণৰূপে ওলাই কৰিব নোৱাৰি।

অৱশ্যে ফেৰুলা ড্ৰুডেয়ানাই যে প্ৰাচীনকালৰ ছিলফিয়াম, সেয়া এতিয়াই নিশ্চিতভাৱে ক'ব পৰা হোৱা নাই। ছিলফিয়ামৰ কোনো নমুনা সংৰক্ষিত নাই, ভৰসা কেৱল সংৰক্ষিত নথিসমূহ। সঁচাকৈয়ে যদি এই উদ্ভিদেই প্ৰাচীন ছিলফিয়াম, তেন্তে আধুনিক চিকিৎসা বিজ্ঞানত এইবিধ গছে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। হয়তো একেবাৰে ভিন্ন ধৰণৰ এবিধ আয়ুৰ্বেদিক গৰ্ভনিৰোধক প্ৰস্তুত কৰাতো সম্ভৱ হ'ব, যি মানুহৰ শাৰীৰিক ক্ষতি নকৰাকৈ কাৰ্যসিদ্ধি কৰিব।



# পাতৰ পৰা জীৱিকালৈ ঃ পৰম্পৰাগত চাহে কাৰ্বি মহিলাসকললৈ আনিছে নতুন সম্ভাৱনা

**গুৱাহাটী, ২১ আগষ্ট ঃ** সাধাৰণ এখিলা চাহপাততে এতিয়া কাৰ্বি আংলঙৰ এচাম গ্ৰাম্য মহিলাই জীৱনৰ নতুন অৰ্থ বিচাৰি পাইছে। অগ্ৰণী জৈৱ বৈচিত্ৰ্য সংৰক্ষণ সংস্থা আৰণ্যকৰ উদ্যোগত নগৰাকী কাৰ্বি মহিলাৰ বাবে স্থানীয়ভাৱে উৎপাদিত চাহপাতৰ পৰা হস্তনিৰ্মিত আৰু অধিক মূল্যৱান গ্ৰীণ টি আৰু অৰ্থডক্স চাহ তৈয়াৰ কৰাৰ এদিনীয়া ব্যৱহাৰিক প্ৰশিক্ষণ প্ৰদান কৰাৰ পাছত গ্ৰাম্য মহিলাসকলৰ জীৱনলৈ এই পৰিৱৰ্তন আহিছে। পৰম্পৰাগত জ্ঞান সংৰক্ষণৰ লগতে ঘৰতে বহি বহনক্ষম আয় এক সম্ভাব্য উৎস সৃষ্টি কৰাৰ লক্ষ্যৰে এই প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত কৰা হৈছে। প্ৰশিক্ষণত অংশগ্ৰহণ কৰা চন্দ্ৰছিং ৰংপি, বাৰ্কিং ইংতি, ছেম ইংতি আৰু হেমাই লেকথে গাঁৱৰ মহিলাসকলৰ বেছি সংখ্যকেই চাহ খেতি আৰু ঘৰুৱা কৃষিকাৰ্যৰ স'তে জড়িত। নিজৰ অঞ্চলতে ইতিমধ্যে উৎপাদিত সম্পদৰ পৰা কেনেদৰে স্থানীয় সমুদায়ে অধিক উপাৰ্জন কৰিব পাৰে এই বিষয়ত মনোনিৱেশ কৰিয়েই এই কাৰ্যসূচী অনুষ্ঠিত কৰা হৈছিল।

সতেজ চাহপাত কেঁচামাল হিচাপে বিক্ৰী কৰাৰ পৰিৱৰ্তে সঠিক সংসাধনৰ জৰিয়তে কেনেদৰে ইয়াৰ পৰা অধিক বজাৰ মূল্য থকা বিশেষ চাহ উৎপাদন কৰিব পাৰি, সেই বিষয়ে অংশগ্ৰহণকাৰীসকলে ব্যৱহাৰিক জ্ঞান লাভ কৰে। এই পদ্ধতিত তুলনামূলকভাৱে কম বিনিয়োগৰ প্ৰয়োজন আৰু ঘৰুৱা পৰ্যায়তে ইয়াক ব্যৱহাৰ কৰিব পৰাৰ ফলত জীৱিকাভিত্তিক কৃষি আৰু ঋতুভিত্তিক কৃষিশ্ৰমৰ ওপৰত নিৰ্ভৰশীল মহিলাসকলৰ বাবে ই বিশেষভাৱে উপযোগী। চন্দ্ৰছিং ৰংপি গাঁৱৰ অভিজ্ঞ গ্ৰীণ টি আৰু অৰ্থডক্স চাহ প্ৰস্তুতকাৰী মানাই তেৰাংপিয়ে সমল ব্যক্তি হিচাপে প্ৰশিক্ষণ প্ৰদান কৰে। ওচৰৰ এখন চাহ বাগিচাত অনুষ্ঠিত হোৱা এই প্ৰশিক্ষণত অংশগ্ৰহণকাৰীক চাহ প্ৰস্তুত কৰাৰ লগতে উপযুক্ত পাত বাছনি আৰু ছিঙাৰ সঠিক পদ্ধতি শিকোৱা হয়। ইয়াৰ পাছত তেওঁলোকক হাতেৰে গ্ৰীণ টি প্ৰস্তুতৰ বিভিন্ন পৰ্যায়-পাত উতলোৱা, হাতেৰে ৰোলিং কৰা আৰু ৰ'দত শুকুওৱা আদিৰ হাতে কামে ব্যৱহাৰিক প্ৰশিক্ষণ দিয়া হয়। ইয়াৰ পাছত অৰ্থডক্স চাহ প্ৰস্তুতৰ পদ্ধতিও শিকোৱা হয়।

অংশগ্ৰহণকাৰীৰ বাবে এই প্ৰশিক্ষণ কেৱল এটা নতুন কৌশল শিকাৰ সুযোগেই নহয়, তেওঁলোকে ইতিমধ্যে জনা আৰু কৰা কামত মূল্য সংযোজন কৰাৰো এক নতুন পথ আছিল। চন্দ্ৰছিং ৰংপি গাঁৱৰ ৰেবেকা ৰংপিপীয়ে কয়, 'চাহ প্ৰস্তুতকৰণৰ বিষয়ে মই এটা অতি আকৰ্ষণীয় কথা শিকিলো। ইয়াৰ জৰিয়তে মোৰ দক্ষতা বৃদ্ধি হ'ব আৰু মই কেঁচা পাত বিক্ৰী কৰাৰ পৰিৱৰ্তে উন্নত মানৰ গ্ৰীণ টি আৰু অৰ্থডক্স চাহ প্ৰস্তুত কৰি ভাল বজাৰ লাভ কৰিব পাৰিম।'

ছেম ইংতি গাঁৱৰ কুসুম টেৰণপীয়ে কয়, 'চাহপাতৰ সঠিক বাছনি, ছিঙা, ৰোলিং আৰু শুকুওৱাৰ দৰে সৰু সৰু কিন্তু গুৰুত্বপূৰ্ণ বিষয়বোৰে কেনেদৰে চাহৰ গুণ আৰু ৰূপ উন্নত কৰিব পাৰে সেয়া শিকিলো। ইয়াৰ ফলত বজাৰত চাহৰ অধিক মূল্য পোৱাৰ আশা জন্মিছে।' আৰণ্যকৰ মৰমী নাথে হাতেৰে প্ৰস্তুত কৰা গ্ৰীণ টি আৰু অৰ্থডক্স চাহৰ গুণগত মান আৰু চাহিদাৰ ওপৰত আলোকপাত কৰাৰ লগতে পিআইআৰবিআইৰ অধীনত চাহ ক্ৰয়ৰ বাবে প্ৰয়োজনীয় মানকৰ বিষয়ে ব্যাখ্যা কৰে। তেওঁ কয় যে মহিলাসকলে প্ৰস্তুত কৰা চাহ ক্ৰয় কৰি গুণগত মান অনুসৰি মূল্য প্ৰদান কৰা হ'ব। আৰণ্যকৰ লাৰবীন টেৰণপীয়ে অংশগ্ৰহণকাৰীসকলক গাঁৱত কাম কাৰি থকা স্থানীয় সমূদায় ভিত্তিক ব্যৱসায় আৰু খাদ্য সংসাধন গোট পিআইআৰবিৰ স'তে পৰিচয় কৰাই দিয়ে। তেওঁ স্থানীয়ভাৱে উৎপাদিত হালধি, আদা গুড়ি, শিমলু আলুৰ গুড়ি আৰু চজিনা পাতৰ গুড়ি আদিত মূল্য সংযোজনৰ সম্ভাৱনাৰ ওপৰতো আলোকপাত কৰে।

জীৱিকা সৃষ্টিৰ উপৰি এই পদক্ষেপে এক গভীৰ সাংস্কৃতিক তাৎপৰ্যও বাহন কৰিছে। জীৱন-জীৱিকাৰ ধৰণ সলনি হোৱাৰ লগে লগে প্ৰজন্মৰ পাছত প্ৰজন্ম ধৰি চলি অহা চাহ প্ৰস্তুত কৰাৰ পৰম্পৰাগত পদ্ধতি ক্ৰমাৎ হেৰাই যাব পাৰে। মহিলাসকলক এই পদ্ধতিৰ অনুশীলন, পৰিশীলন আৰু উৎপাদিত চাহ বজাৰত বিক্ৰী কৰাৰ সুযোগ প্ৰদান কৰা এই প্ৰশিক্ষণৰ জৰিয়তে চাহ প্ৰস্তুতৰ এই জ্ঞানক এক জীৱন্ত ঐতিহ্য হিচাপে জীয়াই ৰখাৰ চেষ্টা কৰা হৈছে।

৫৬ বছৰত

ভাৰতৰ অন্যতম সৰ্বাধিক প্ৰচলিত আৰু শক্তিশালী কাকত

অগ্ৰদূত

।। এই সংখ্যাৰ বিশেষ লেখা।। তিনিদিনীয়া

- কাজিৰঙাৰ কি হ'ব? অন্তৰালত কোনো গোপন পৰিকল্পনা! — *প্ৰশান্ত বৰা*
- মুখ্য ন্যায়াধীশ সূৰ্য কান্তৰ বিৰুদ্ধে ছাত্ৰ সমাজৰ অসন্তুষ্টিৰ ৰহস্য ঃ নীতিনৰ নতুন টীমত বিজেপিৰ ৰণনীতি কি?— *ভূপেন গোস্বামী*
- পাকিস্তানৰ নতুন মিত্ৰজোঁট আৰু ভাৰত—*লাচিত গগৈ*
- অসমৰ উচ্চ শিক্ষানুষ্ঠানৰ গৱেষণা-সংস্কৃতি— *ড° শশীকান্ত শইকীয়া*
- পিতৃ-মাতৃ স্বদেশত ঃ পুত্ৰ-কন্যা বিদেশত— *উমা কোঁৱৰ*
- দিখৌৰ তাণ্ডৱৰ পিছত নামদাং নৈৰ খননে বানাক্ৰান্তক সকাহ দিবনে? —*প্ৰশান্ত কুমাৰ নেওগ*
- উন্মাহ ঃ পুনৰ সংজ্ঞায়িত ঃ ধাৰণা আৰু সমসাময়িক প্ৰয়োগৰ নতুন ব্যাখ্যা—*চাহাবুদ্দিন আহমেদ*
- শাওণৰ শিৱ উপাসনা—*সুভদ্ৰা বড়া*
- শিক্ষাৰ মৰ্মাৰ্থ বিচাৰি—*চামচুল বাৰিক*
- একতা সংস্কৃতিৰ প্ৰতীক ভাদ মাহ—*ড° অঞ্জনা গোস্বামী*

২৩ আগষ্ট সংখ্যা 'অগ্ৰদূত' সজাইছে বহুকেইগৰাকী বিশিষ্ট লেখক-লেখিকাই

আপোনাৰ কপিটোৰ বাবে ওচৰৰ এজেণ্ট-বিতৰকৰ লগত যোগাযোগ কৰক।

অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ৯১০১২৩৮০০৩ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com